# চন্দ্ৰকুমাৰৰ
# কবিতাৰ বিচাৰ-বিশ্লেষণ

পৰিকল্পনা আৰু সম্পাদনা

ধ্ৰুৱজ্যোতি নাথ

বনলতা
গুৱাহাটী-১০ ডিব্ৰুগড়-১

*CHANDRA KUMĀRAR KABITĀR BICHĀR-BIṠLEṢON : a critical analysis of Chandra Kumar's poetry edited by Sri Dhrubajyoti Nath and published by Sri Makhan Hazarika on behalf of Banalata, Dibrugarh, First edition, September 2000. Price Rupees Eighty only.*

---

প্ৰকাশক :
শ্ৰীমাখন হাজৰিকা
বনলতা
নতুন বজাৰ
ডিব্ৰুগড়-১

শাখা :
পাণবজাৰ
গুৱাহাটী-১

মূল্য : ৮০.০০ টকা

বেটুপাত : অৰুণ নাথ

ডি. টি. পি. : অসম প্ৰিণ্টিং ওৱাৰ্কচ (প্ৰাঃ) লিঃ
যোৰহাট-১

মুদ্ৰণ : অসম প্ৰিণ্টিং ৱৰ্কচ (প্ৰাঃ) লিঃ
যোৰহাট-১

# সম্পাদকৰ আৱাহচেৰেক

।।এক।।

অসমীয়া সাহিত্যৰ ইতিহাসত জোনাকী যুগৰ উন্মোচন কৰোঁতা 'জোনাকী' আলোচনীৰ প্ৰতিটো সৃষ্টি ভাৰৰ হৈ থকাৰ কাৰণ মূলতঃ দুটা। এটা হ'ল 'জোনাকী'য়ে পূৰ্বৰ মৃতপ্ৰায় মানৱীয় মূল্যবোধৰ পুনৰ আবিৰ্ভাৱ ঘটালে। দ্বিতীয়তে, 'জোনাকী'য়ে নতুন প্ৰজন্মক জোনাকী পথৰ সন্ধান দিলে। উল্লিখিত দুয়োক্ষেত্ৰতে সূত্ৰ ধৰিলে চন্দ্ৰকুমাৰে, সহায় কৰিলে লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে।

প্ৰাক্‌ঐতিহাসিক কালৰে পৰা উচ্চাৰিত হোৱা মহাভাৰতৰ 'ন মানুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিত' উদাত্তবাণীৰ অৱসান ঘটিছিল ভাৰতীয় সাহিত্যৰ বুকুৰ পৰা আৰু তাৰ ঠাইত চলিছিল ধৰ্মীয় আৰু সাম্প্ৰদায়িকতাৰ ৰাজত্ব। এই ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰিছিল এচাম ধৰ্মান্ধ স্বাৰ্থলোভীয়ে। এয়া ঊনবিংশ শতিকাৰ প্ৰথম হোৱাৰ কথা। সেই সময়ত ভাৰতীয় সাহিত্যত মুখ্য স্থান লাভ কৰিছিল দেৱতা আৰু স্বৰ্গই। উল্লেখযোগ্য যে ধৰ্ম সম্পৰ্কীয় চিন্তা-চেতনাৰ প্ৰতিফলনে সাহিত্যিক এক নতুন বিভূতি প্ৰদান কৰে। কাৰণ তেনে সাহিত্যৰ অধ্যয়নে সংশ্লিষ্ট সমাজৰ জাতীয় চৰিত্ৰ সম্পৰ্কে অৱগত হোৱাত সহায় কৰে। সেইবুলি যি সাহিত্যত ধৰ্মীয় গোড়ামিৰ ৰাজত্ব চলে, সেই সাহিত্যই জনসাধাৰণৰ আবেগ-অনুভূতি, আশা-আকাংক্ষাক সাৰ্থক ৰূপত প্ৰতিফলিত কৰাত ব্যৰ্থ হয়। ফলত সাহিত্যৰ মুখ্য উদ্দেশ্য ব্যাহত হয়। ঊনবিংশ শতিকাৰ আদি ভাগৰ সাহিত্যও সেয়ে হৈছিল।

ইউৰোপত নৱজাগৰণৰ ফলত জন্ম হোৱা মানৱিকতাবাদৰ (Humanism) নতুন জোৱাৰে সাহিত্যৰ ক্ষেত্ৰত ধৰ্মীয় আৰু সাম্প্ৰদায়িক ৰাজত্বৰ অন্ত পেলাই যি নতুন চিন্তাৰ ঢল বোৱাইছিল তাৰ প্ৰভাৱ গভীৰ আৰু সুদূৰ প্ৰসাৰী হৈ ভাৰতৰ সীমামূৰীয়া ৰাজ্য অসমতো পৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালা আছিল এই নতুন চিন্তা-চেতনাৰ প্ৰথম আৰু প্ৰধান হোতা। তেওঁৰ ৰচনাতে পোন প্ৰথম বাৰৰ বাবে ধ্বনিত হ'ল গ্ৰীক লেখক চফ'ক্লিজৰ নিম্নোক্ত কথাফাকিৰ—

"Many are the wonders of the world
And none so wonderful as man."

চন্দ্ৰকুমাৰৰ ৰচনাতে দেৱতা আৰু স্বৰ্গৰ স্থান ক্ৰমে মানুহ আৰু পৃথিৱীয়ে লাভ কৰিলে। 'মানৱ-বন্দনা' কবিতাত লিখিছে,

'মানৱী জনম লিয়া উজুৱাই
মানৱী কৰম সৌতে,

মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

'জোনাকী' আলোচনীৰ দ্বিতীয় অৱদান হৈছে — এই আলোচনীয়ে এক নতুন পথৰ সন্ধান দিলে লেখক আৰু পাঠকক। এই পথ সৌন্দৰ্যৰ পূজাৰ পথ, সুন্দৰৰ আৰাধনাৰ পথ। প্ৰাচ্যৰ 'সত্যম্ শিৱম্ সুন্দৰম্' আৰু পাশ্চাত্যৰ 'A thing of beauty is a joy for ever'ৰ দ্বাৰা উদ্বুদ্ধ হৈ কবি চন্দ্ৰকুমাৰে সৌন্দৰ্যৰ সম্পৰ্কত এক নতুন ধাৰণা ব্যক্ত কৰিলে। সেই ধাৰণা অনুসৰি অৰ্ধ প্ৰকাশতহে সৌন্দৰ্যৰ জেউতি চৰে। সেয়ে তেওঁ 'মাধুৰী' কবিতাত লিখিছে।

"ফুটো নে নুফুটো কৈ
কুমলীয়া কলিটি—
ওঁঠত লাজেৰে বৈ
মিচিকিয়া হাঁহিটি।
সামৰি, পাহৰি গৈ—
মেলি আধা প্ৰাণটি
উদন্তাই ঢাকি থৈ
উঠি অহা বুকুটি।"

ভাৰতীয় চিন্তাত শিৱ-বিষ্ণু-ব্ৰহ্মা অভেদ। এই অভেদ তত্ত্বৰ প্ৰকাশ মহাকবি কালিদাসৰ 'কুমাৰ সম্ভৱ'ৰ সপ্তম সৰ্গত আছে—

"সেই এক পৰিপূৰ্ণ অকল্‌ যিজন, তিনি মূৰ্তি তেওঁৰেই ব্ৰহ্মা, বিষ্ণু, শিৱ, তিনিও অভেদ এক সৃষ্টিৰ কাৰণ; প্ৰথম, দ্বিতীয় আদি বিভাগ বিচাৰ, সক বৰ একো ভেদ নোলায় কেনিও — তিনিও একেই হয় যৰেপৰা চোৱা।"

চন্দ্ৰকুমাৰৰ কবিতাত ভাৰতীয় আধ্যাত্মিক চিন্তাৰ প্ৰতিফলন ঘটিছে। তেওঁ 'সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ' কবিতাত লিখিছে,

"সুন্দৰতো সুন্দৰ এই দুনিনীয়া দেশ,
যতনৰ আনন্দৰ গুৱনি আবেশ।
জ্ঞান-ময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ।"

বজ্ৰদেৱৰ মহান সত্য চাৰিটাৰ ভিতৰত অন্যতম 'জগত দুখময়' আৰু বেদান্ত দৰ্শনৰ

'ব্ৰহ্ম সত্য, জগন্মিথ্যা' আদৰ্শৰ প্ৰতিফলন অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাত পৰিলক্ষিত হয়। বৈষ্ণৱ কবিয়ে লিখিছে,

'যতেক আছয় লোক সবাৰো আগত শোক
দুখময় সকলে সংসাৰ।'

কবি চন্দ্ৰকুমাৰো এই আদৰ্শৰ দ্বাৰা কিঞ্চিৎ হ'লেও প্ৰভাৱিত হৈছিল। তেওঁ লিখিছে,

"মুখত আনন্দ গীতা লোৱা বন্ধু
হিয়াত আশাৰে ধৰা,
সৰগী সুখৰ মোল নুবুজিবা
সংসাৰ দুখেৰে ভৰা?

যথাৰ্থতে চন্দ্ৰকুমাৰ মহত্তম প্ৰতিভাৰ অধিকাৰী। সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাদেৱৰ 'চন্দ্ৰকুমাৰ আগৰৱালা ভৱিষৎ মানৱৰ কবি' আৰু ড° নগেন শইকীয়াৰ 'চন্দ্ৰকুমাৰ ৰোমাণ্টিক যুগৰ পৰা আৰম্ভ কৰি যোৱা এশ বছৰতকৈও অধিক কালৰ শ্ৰেষ্ঠতম অসমীয়া কবি' কথা কেইফাকিয়ে চন্দ্ৰকুমাৰৰ ব্যক্তিত্বৰ মহানতাকে নীৰৱে ঘোষণা কৰিছে।

## ।। দুই ।।

শিৱসাগৰৰ অন্যতম সাহিত্যানুষ্ঠান কালুগাঁও বাহটোৰ্ছ গীত (কোৰাণী)ৰ যোজন্যত বিগত শতিকাৰো অধিক কালৰ শ্ৰেষ্ঠ অসমীয়া কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ, আলোচনামূলক প্ৰবন্ধ সংকলন 'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ বিশ্লেষণ'ৰ পৰিকল্পনা কৰা হৈছিল আজিৰ পৰা এটা বছৰৰ আগতে। বিভিন্ন অসুবিধাৰ (লেখক, প্ৰকাশক, সম্পাদক) বাবে পুথিখনৰ প্ৰকাশ পলম হ'ল। যি কেইগৰাকী যশস্বী লেখকৰ ৰচনাৰে পুথিখন সজোৱা হৈছে তেখেতসকলৰ প্ৰতি কৃতজ্ঞতাৰ শৰাই নিবেদন কৰিছো।

'চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ-বিশ্লেষণ' তিনিটা পৰিচ্ছেদত সম্পূৰ্ণ হৈছে। প্ৰতিটো পৰিচ্ছেদৰে বিশেষত্ব পৰিচ্ছেদটোৰ আৰম্ভণিতে উল্লেখ কৰা চন্দ্ৰকুমাৰৰ কবিতাৰ পংক্তিকেইটিয়েই বহন কৰিছে। পুথিখনত বৈ যোৱা ভুলৰ বাবেৰ ক্ষমা প্ৰাৰ্থনা কৰিছো। পুথিখন প্ৰকাশৰ বাবে তিক্ৰগড়ৰ উদ্যোগী পুথি প্ৰকাশক 'বনলতা'ৰ স্বত্বাধিকাৰী শ্ৰীযুত মাধন হাজৰিকা আগবাঢ়ি অহাৰ বাবে তেখেতৰ শলাগ ল'লো। পাঠকৰ সঁহাৰি পালে আমাৰ শ্ৰম সাৰ্থক হ'ব।

'জ্যোতি কানন'
নাথ গাওঁ; কালুগাওঁ
শিৱসাগৰ।

শ্ৰীপ্ৰণৱজ্যোতি নাথ
১৫ এপ্ৰিল ২০০০

# সূচীপত্ৰ


**প্ৰথম পৰিচ্ছেদ ঃ**

১। জ্যোতিপ্ৰসাদৰ মানসত চন্দ্ৰকুমাৰৰ কবিতা ১
২। প্ৰাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ 'বীণ-ব'ৰাগী' ৫
৩। সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ মানসত অসমীয়া সাহিত্য আৰু চন্দ্ৰকুমাৰ ১০
৪। ডিম্বেশ্বৰ নেওগৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ কবিতা ১৭
৫। ঔপন্যাসিক যোগেশ দাসৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ সুন্দৰ ২০

**দ্বিতীয় পৰিচ্ছেদ ঃ**

১। চন্দ্ৰকুমাৰৰ কবিতা — ড° নগেন শইকীয়া ২৭
২। আগৰৱালাৰ প্ৰতিমা — শশী শৰ্মা ৩৪
৩। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সৌন্দৰ্য — ড° নিৰ্মলপ্ৰভা বৰদলৈ ৪৫
৪। চন্দ্ৰকুমাৰৰ কাব্যিক প্ৰতিভা ঃ এটি দিশ — বীৰেন বৰকটকী ৫২
৫। চন্দ্ৰকুমাৰৰ কাব্য প্ৰতিভা ঃ প্ৰতিমা — ড° হেমন্ত কুমাৰ শৰ্মা ৫৭
৬। চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' ঃ এটি নিৰ্বচন — ড° কবীন ফুকন ৬৬
৭। 'মাধুৰী' ঃ নাৰী আৰু প্ৰেম — ড° আনন্দ বৰমুদৈ ৭৬
৮। চন্দ্ৰকুমাৰৰ কবিতাত ত্ৰিবেণী সঙ্গম — ড° প্ৰহ্লাদ কুমাৰ বৰুৱা ৭৯
৯। আগৰৱালাৰ কবিতাৰ দুটিমান দিশ — ড° কৰবী ডেকা হাজৰিকা ৮৬
১০। চন্দ্ৰকুমাৰৰ কবিতাত সৌন্দৰ্য্য চেতনা — ড° কৃষ্ণ কুমাৰ মিশ্ৰ ৯৩
১১। চন্দ্ৰকুমাৰৰ কবিতাত ৰোমাণ্টিক গুণ বিশিষ্টতা — ড° ঊষাৰাণী বৰুৱা ৯৮
১২। জ্যোতিপ্ৰসাদৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ কবিতা — জয়ন্ত কুমাৰ বৰা ১০৬
১৩। চন্দ্ৰকুমাৰৰ কবিতাত সুন্দৰৰ আৰাধনা আৰু মানৱতাৰ বন্দনা — ডোৱেশ্বৰ চেতিয়া ১১০
১৪। চন্দ্ৰকুমাৰৰ কবিতাৰ শব্দ সম্ভাৰ — ড° মায়াশ্ৰী গোস্বামী মহন্ত ১১৭
১৫। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত বৈষ্ণৱী সুৰ — অৰ্চ্চনা দেৱী ১২১
১৬। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰকৃতি চিত্ৰণ — অৰুণা গগৈ বৰুৱা ১২৭
১৭। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা' ঃ এটি দৃষ্টিপাত — দীতামনি বৰা ১৩৪
১৮। চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্য প্ৰভাৱ — মৃদুল শৰ্মা ১৩৭

তৃতীয় পৰিচ্ছেদ ঃ


১। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ
সামগ্ৰিক আলোচনা — জাহ্নবী কোঁৱৰ ১৫১

২। চন্দ্ৰকুমাৰ কবিতাত প্ৰকৃতিৰ ৰূপ
বৈচিত্ৰ্য — তিলক ঠাকুৰীয়া ১৫৯

৩। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী'
ঃ এক সমীক্ষা — মৌচুম বৰুৱা ১৬৪

# প্ৰথম পৰিচ্ছেদ

"পাহৰণি কোলে অত দিন পৰি
আছিল নিমাতী বীণা
কোনে ভাবিছিল এই বীণখনি
বাজিব নে কোনো দিনা?

আজি মাত ফুটা প্ৰাণৰ বীণৰ
তন্ত্ৰীত পৰিল টান,
আকাশী হাতৰ গম পাই উঠি
মুকলি হৈছে প্ৰাণ।"

(জোনাকী : চন্দ্ৰকুমাৰ আগৰৱালা)

# জ্যোতিপ্ৰসাদৰ মানসত চন্দ্ৰকুমাৰৰ কবিতা

সুন্দৰৰ পূজাৰী দেখিয়েই চন্দ্ৰকুমাৰ আধুনিক অসমীয়া ভাষাৰ প্ৰধান বিদ্ৰোহী কবি। এই সংসাৰত সুন্দৰৰ পূজাৰ অৱমাননা দেখি তেওঁ সকলো মানৱ জীৱন কদৰ্যতাৰে বিদ্ৰোহ কৰি উঠিছে। 'বীণ-ব'ৰাগী'ত সেই সুন্দৰৰ পূজাৰী কবি চন্দ্ৰকুমাৰে মহাবিদ্ৰোহৰ সূচনা কৰি বিপ্লৱ আহ্বান কৰি বীণ-ব'ৰাগীৰ প্ৰলয় নৃত্য কৰিছে। সুন্দৰৰ ৰাজ্যত মানুহৰ দুখ-দুৰ্দশা, উৎপীড়ন, অত্যাচাৰ আৰু মানৱ জীৱনৰ কদৰ্যতা দেখি, সুন্দৰৰ পথৰ পৰা ভ্ৰষ্ট হোৱা দেখি তেওঁ কি ভয়ংকৰ ভাষাৰে বিপ্লৱ আহ্বান কৰিছে :

প্ৰলয়ৰ দিন ঘোৰ ভয়ংকৰ আহক
পাপীৰ ত্ৰাস
ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন মাথোঁ
সমুদ্ৰৰ জল।

বিপ্লৱীৰ এনে ভয়ংকৰ মূৰ্ত্তিৰ ছবি সঁচাকৈয়ে পৃথিৱীৰ আন কোনো সাহিত্যত আছে বুলি ক'ব নোৱাৰোঁ। পৃথিৱীখনৰ ওপৰত থিয় হৈ বিপ্লৱী বীণ-ব'ৰাগীয়ে খণ্ডতে পাপীক নিঃশেষ কৰিবলৈ গোটেই নক্ষত্ৰ মণ্ডলত এটা আতংকৰ সৃষ্টি কৰিবলৈ ওলাইছে। এটা আন্তঃনাক্ষত্ৰিক প্ৰলয়ঙ্কৰী বিপ্লৱ কৰিবলৈ — মানুহটোৱে এইদৰে অনন্তৰ ফালে হাত মেলি বিশ্বৰূপ ধৰিবলৈ থোৱা ভয়ংকৰ ছবি পৃথিৱীৰ আন সাহিত্যত আৰু আছে নে নাই তাকো অৱশ্যে নাজানো। আছে যদিও বীণ-ব'ৰাগীৰ এই ভয়ংকৰ বিপ্লৱৰ কল্পনা এটা বিশ্বসাহিত্যৰ লেখত ল'বলগীয়া কল্পনা। বিশ্ব সংসাৰ ভেদি যাব পৰা এনেকুৱা কল্পনা কৰিব পৰা কবি চন্দ্ৰকুমাৰ বিশ্বৰ সাহিত্য সভাত আসন পাবলগীয়া মনীষী যে তাত কোনো সন্দেহ নাই।

লাহে লাহে নিজৰ ঘৰ আৰু পৰিয়ালত তেওঁ বিচৰা লগৰীয়া নাপাই, তেওঁ লগৰীয়া বিচাৰি অন্তৰ্মুখী হ'ল আৰু তেওঁৰ এই অন্তৰ্মুখী অন্বেষণৰ ফলত তেওঁ তেওঁৰ সুন্দৰ 'চিৰলগৰীয়া' পাই শান্তি পালে। বাহিৰৰ লগ-সংগ নহ'লেও তেওঁৰ লগৰীয়া ওলাল। এই সময়ৰ পৰাই সঠিকৰূপে তেওঁৰ কবি প্ৰতিভা দাৰ্শনিকতাৰ ফালে ঢাল খালে। প্ৰতিমাৰ 'চিৰলগৰীয়া' কবিতাৰ পৰাই তেওঁৰ এই সময়ৰ আভ্যন্তৰিক জীৱনৰ এক আখ্যা ভালকৈ বুজি পাব পাৰি।

সংসাৰত দুখে সুখে লগৰীয়া মোৰ
পৰম বান্ধৱ এই আশ্বাস আত্মা
সুন্দৰতো সুন্দৰ সংসাৰ মুদিনীয়া
প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰলগৰীয়া।

তামোলবাৰী চাহ বাগিছাত এই কেবছৰে যদিও চন্দ্ৰকুমাৰক জীৱনৰ ওখ আদৰ্শৰ পৰা নি তমসাৰ মহাজালত পেলাইছিলগৈ, তথাপিও সেই অৱস্থাই তেওঁক জয় কৰিব নোৱাৰিলে। তেওঁৰ ভিতৰৰ আধ্যাত্মিক মনটো সংসাৰৰ খহটা বাটত ক'ৰবাত বৰঁকৈ খুন্দা খাই সাৰ পাই চন্দ্ৰকুমাৰক তলৰ বোকাৰ পৰা তুলি ওপৰৰ পানীলৈ উলিয়াই সূৰুযৰ পোহৰত ফুলাই তেওঁৰ জীৱনটো এটা আধ্যাত্মিক আকাশৰ তলত ফুলা সৌৰভময় পদুম যেন কৰি দিলে।

কত হাজাৰ হাজাৰ প্ৰতিভাৱন্ত মানুহে চৰিত্ৰবল নথকাৰ বাবে জীৱনত এনেকুৱা আন্ধাৰৰ টো খাই তাতে উটি-বুৰি ক'ৰবালৈ গুচি যায় কিন্তু চন্দ্ৰকুমাৰৰ চৰিত্ৰবলৰ বাবেই তেওঁৰ এই জীৱনৰ তামসিকতাৰ খণ্ডপ্ৰলয়ে খুঁটি লবাই উটাই নিব নোৱাৰিলে। তিতালে, বুৰালে, কিন্তু ল'ব নোৱাৰিলে, ধুই-পখালি আগতকৈ নিকাকৈহে থৈ গ'ল। ধূলি, বালি, বোকাৰেও গা-ধুলে নিকা হয়। চন্দ্ৰকুমাৰৰ জীৱনৰ ই এটা পংকস্নান (Mudbath)। ই চন্দ্ৰকুমাৰৰ আধ্যাত্মিক স্বাস্থ্য গঢ়ি তুলিবলৈ হয়তো কিজানি সহায়েই কৰি গ'ল।

চন্দ্ৰকুমাৰৰ জীৱন বুৰঞ্জীক এটা আত্মাৰ বুৰঞ্জীয়েই বুলিব পাৰি — এটা আত্মাৰ প্ৰকাশ, বিকাশ আৰু তাৰ পূৰ্ণ পৰিণতি। 'প্ৰতিমা' আৰু 'বীণ ব'ৰাগী'ৰ কবিতাৰ মাজেদি চন্দ্ৰকুমাৰৰ আত্মাই কেনেকৈ সংসাৰৰ নানা অৱস্থাত পৰি পৰি কেনেকৈ সৃষ্টি ৰহস্যৰ তত্ত্ব আৰু মানুহ জীৱনৰ উদ্দেশ্য বিষয়ক আধ্যাত্মিক সত্যবোধ উপলব্ধি কৰি গৈ এটা মহান পৰিণতিত উপনীত হৈছেগৈ আৰু তাত উপস্থিত হৈ মানুহ জাতিৰ মহান লক্ষ্যৰ বিষয়ে উপলব্ধি কৰি নিজেই সেই আনন্দ তীৰ্থলৈ যাত্ৰা কৰি জগতৰ মানৱ জাতিক সেই বাটেদি যাবলৈ বিড়িয়াই মাতি গৈছে — তাক আমি চন্দ্ৰকুমাৰৰ কবিতাৰ মাজেদি জুমি চাই ধ্যান কৰি চালেই সম্যকৰূপে বুজিব পাৰোঁ।

জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ মাজে মাজে আৰু জীৱন জুৰি মানুহ, ঈশ্বৰ আৰু মানৱৰ উদ্দেশ্যৰ বিষয়ে চিন্তা কৰি থাকোঁতে নানা জাগতিক আৰু আধ্যাত্মিক অভিজ্ঞতা লাভ কৰাৰ পাছত চন্দ্ৰকুমাৰে যে উপনিষদৰ সত্যবোধ উপলব্ধি কৰি এটা আধ্যাত্মিক সুউচ্চ আৰু অতি মহান স্তৰৰপৰা জীৱন চাব পাৰিছিল, তাক 'বীণ-ব'ৰাগী' কবিতাত আমি ফটফটীয়াকৈ দেখিবলৈ পাওঁ। 'প্ৰতিমা'ৰ কবিতাৰ মাজেদি আমি তেওঁক উপলব্ধিৰ পৰা উপলব্ধিলৈ গৈ থকা দেখোঁ, কিন্তু 'বীণ-ব'ৰাগী'ত তেওঁ সিদ্ধকাম হৈ ওলাই আহি সম্পূৰ্ণ সংশয়মুক্ত হৈ মহা বিশ্বাসেৰে জগতক আহ্বান জনাইছে।

'প্ৰতিমা'ৰ শেষৰ কবিতাত চন্দ্ৰকুমাৰৰ আত্মাই যে নানা ঘাত-প্ৰতিঘাতৰ মাজেদি সাঁতুৰি-নাদুৰি আহি মানৱ জাতিৰ মহান উদ্দেশ্যৰ বিষয়ে চিন্তা আৰু সাংসাৰিক অভিজ্ঞতা সাগৰৰ পাৰ পাই টান মাটিত উঠিছেহি তাৰ বিষয়ে আমি সেই কবিতাটো কঁহিয়াই চালেই সন্দেহ নথকাকৈয়ে গম পাব পাৰোঁ। কবিতাৰ আৰম্ভণিতে চন্দ্ৰকুমাৰে

'প্ৰতিমা'ৰ শেষ কবিতা 'জোনাকী'ত (কবিতাজাল) তেওঁৰ ঘোৰ চিন্তাৰ ওপৰত নৱ-প্ৰভাতৰ পোহৰ পৰি মানৱ জাতিৰ বিষয়ে তেওঁৰ নতুন উপলব্ধিৰ কথা আমাক জানিবলৈ দিছে।

পাহৰণি পমি মধুৰ ৰূপত
মিলি যায় স্মৃতি সতে,
কিবা দৃশ্য আজি মানসৰ তীৰে
স্বৰগ দেখি আগতে।
সঞ্চালিছে ঘনে ভাব ঢউবোৰ
ধৰিছে মৃদুল তাল,
চপলা কল্পনা কুমাৰী বিলাকে
গুঁথিছে কবিতা জাল।
অস্ফুট সুৰেৰে হাঁহিছে গাইছে
নুশুনা স্বৰ্গৰ গীত,
ধেমালিৰে প্ৰাণ ধেমালি মগনে
হৰিছে মানুহৰ চিত্ত।
ছাঁয়াময়ী কবিতাৰ আবৰণে
শোভে মানসী প্ৰতিমা,
তুলি লৈ সেই হৃদয়ৰ বীণ
বৰষিছে মধুৰিমা।

— এই কবিতাটোৰ নাম চন্দ্ৰকুমাৰে দিছে 'জোনাকী' আৰু লগতে ইয়াকো কৈ থৈছে ই 'কবিতা-জাল'। কবিতা-জালৰ মাজেদি তেওঁৰ জোনাকী জিলিকিছে। এই জোনাকীয়েই যে তেওঁৰ 'মানসী প্ৰতিমা' তাকো ভাঙি কৈছে কবিতাটোৰ শেহত ঃ

ছাঁয়াময়ী কবিতাৰ আবৰণে
শোভে মানসী প্ৰতিমা।

সেইকাৰণে কবিয়ে এই কবিতাত কি ক'ব খুজিছে সি আমালৈ ফট্‌ফটীয়া।

কবিৰ মনৰ মানৱৰ মহত্ত্বৰ আদৰ্শৰ যি জোনাকী-পৃথিবীৰ নতুন পুৱতি-তাক কবিয়ে সংসাৰৰ বাস্তৱ জীৱনৰ মানুহৰ প্ৰকৃতিৰ বেমেজালিৰ আন্ধাৰত থাকি-সেই পুৱতিলৈ অশোকে এৰি দিয়াৰ দৰে হে ধকাব পিছতো কবিয়ে মানুহৰ বিষয়ে নতুন উপলব্ধিলৈ নিশ্চয়কৈ আহিলে। এই উপলব্ধিৰ চকু মেল খোৱাত কবিয়ে মানৱৰ জীৱনৰ নতুন প্ৰভাত দেখিলে, 'উষাৰ হাঁহিটি বাজিলে পূৰত'। কিন্তু তথাপিও দৈনন্দিন সংসাৰৰ কথা কৈছে বিষমভাৱে লোৱা অভ্যাসৰ ফলত এই উপলব্ধিও কিবা কাল্পনিক মনৰ ধেমালিৰ কথাহে যেন বুলি নলগাকৈও নাথাকিল। তথাপিও কবিৰ বিশ্বাস যে এই উষাৰ জোনাক

নিমিষতে নামি বসুধা জুৰিব আৰু এই নতুন প্ৰভাতৰ আগমনত মানৱ-প্ৰকৃতি নিশ্চয়কৈয়ে খন্তেকলৈ তধা লাগিবই। এই নৱ প্ৰভাতৰ সমীৰণ সোণালী সোঁতত সাঁতুৰি-নাদুৰি উটি আহি প্ৰকৃতিৰ আন্ধাৰ তমসাৰে ঢাক খাই থকা বুকু উদঙাই মানৱৰ নৱ-আদৰ্শৰ মুকুতা সোণবোৰ পিন্ধাই দিছেহি। পৰ্বতে পাষাণে অৰুণে আকাশে স্বৰ্গীয় পোহৰ। মধুৰ ৰুণ-ৰুণনিৰে জগতকৈ কিবা নতুন বাতৰি আহিছে। কবিয়ে সপোনত দেখা মানৱৰ আদৰ্শ জীৱনৰ কল্পনাৰ ছবিবোৰ সপোনৰ দৰে, পখিলাৰ দৰে উৰি উৰি আহিছে আৰু দূৰত দেখোঁ কি নেদেখোঁকৈ সেই মানৱৰ আদৰ্শ জীৱনৰ স্বৰ্গৰ দৃশ্য আহি ছঁয়ামৰা হৈ গিৰিশিৰে দেখিব লাগিছে। বিকট দশনা বাস্তৱ সংসাৰ দৈত্যৰ সমুখা-সমুখি হোৱাৰ আগতে বিশ্বসংসাৰৰ সৌন্দৰ্য্যত অভিভূত হৈ মানৱজাতিৰ মহান আদৰ্শৰ বিষয়ে কল্পনা আৰু আশা কৰি কবিৰ মানসত যিটি আনন্দ-কমল ফুলিছিল তাক সংসাৰৰ বাস্তৱতাৰ স'তে যুদ্ধ কৰা কবিয়ে কতদিন হ'ল পাহৰিয়েই গৈছিল, কিন্তু আজি কবিৰ এই সুনিশ্চিত আৰু অভ্ৰান্ত উপলব্ধিত সেই আনন্দমল 'প্ৰফুল্ল অথিৰ' আৰু অপূৰ্ব্ব সুন্দৰ সাজেৰে হাঁহিব লাগিছে। যি বীণধ্বনিয়ে এদিন জীৱনৰ নবীনতাৰ বাসন্তী পূৰ্ণিমাত মানৱৰ মহামহত্ত্বৰ সুৰত বাজি উঠিছিল আৰু যিধ্বনি বীণা সংসাৰৰ বাস্তৱ দৈত্যৰ সতে সংগ্ৰাম ঘোষণা হোৱাৰ দিনা আঁতৰাই থৈ 'সাধনাৰ অসিলৈ' কবি ওলাই আহি অত দিন সেই বীণা ক'ৰবাতে নৱজোৰাকৈ পেলাই থৈছিল, সেই বীণ আজি আকৌ বাঙ্কৃত হৈ উঠিল। এই বীণৰ তন্ত্ৰীত আজি আকাশীহাতৰ আঙুলি লাগিল — বীণ বাজি উঠিল।

সকলো সন্দেহ, বিষয়ৰ বিষ আঁতৰি আজিৰ কবিৰ প্ৰাণ মুকলি। আদৰ্শৰ স্বৰ্গৰ ভাৱৰ প্ৰতিধ্বনি উঠিছে বীণত। কবিৰ জীৱন মউৰে ভৰপূৰ হৈছে। আজি পাহৰণি আঁতৰি গৈছে। আজি কবিৰ মনৰ ভিতৰত স্বৰগৰ দৃশ্য ফটফটীয়াকৈ আগত জিলিকি ওলাইছে। এই উপলব্ধিত-কবিৰ মনত ভাৱৰ ঢৌ উঠিবলৈ ধৰিছে। তাকে কল্পনা কুমাৰীয়ে কবিতা-জালকৈ গুঁথিছে আৰু সেই ছঁয়ামৰা স্বৰ্গৰ গীত অস্ফুট সুৰেৰে গাইছে সিহঁতে। কিন্তু সংসাৰ ধেমালিতে ব্যস্ত মানুহে যদিও ধেমালিকেই খেলিব লাগিছে তথাপিও এই মানৱাদৰ্শৰ ছঁয়ামৰা ছবি আৰু অস্ফুট সুৰৰ গীত কাণত পৰাত মানৱ-জাতি মুগ্ধ নোহোৱাকৈ থাকিব পৰা নাই। প্ৰতিমাৰ মাজেদি মানৱাদৰ্শ বিচাৰোঁতা আৰু মানৱ জীৱনৰ বিষয়ে সঠিককৈ উপলব্ধিলৈ অহা পাওঁ। বীণ-ব'ৰাগী'ত কবি চন্দ্ৰকুমাৰৰ জীৱন দৰ্শন পৰিস্ফুট হৈ ওলাইছে আৰু এই বীণ-ব'ৰাগীতেই কবি চন্দ্ৰকুমাৰ মানৱ কবি হিচাপে ফট্‌ফটীয়া হৈ পৰিছে।

('জ্যোতিপ্ৰসাদৰ ৰচনাৱলী'ৰ পৰা)

## প্ৰাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ বীণ-ব'ৰাগী

চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া ৰোমাণ্টিচিজমৰ প্ৰথম হোতা। এই ৰোমাণ্টিক উচ্ছ্বাসৰ প্লাৱন আহি পোনতে যি কেইজন কলিকতা প্ৰবাসী অসমীয়া কলেজীয়া ছাত্ৰৰ অন্তৰ ধুৱাই দিছিলহি, তাৰ ভিতৰত চন্দ্ৰকুমাৰ হ'ল প্ৰধান। উনবিংশ শতিকাৰ ৰোমাণ্টিক ইংৰাজী কবিতাৰ স্পৰ্শ লাগি সেই অসমীয়া ডেকা কেইজনৰ হৃদয় দুৱাৰত খুন্দিয়াই দিলেহি, আৰু তাৰ লগে লগে 'ভাগিল হৃদয় গ্ৰন্থি, গুচিল সংশয়।' তেওঁলোক যেন কৌটিকলীয়া বন্ধনৰ মাজৰ পৰা মুকলি বতাহৰ মাজলৈ ওলাই আহিল। এই মুকলি বায়ু হ'ল ৰোমাণ্টিক উদাৰতা আৰু স্বাধীনতাৰ। কাব্যিক প্ৰচেষ্টাৰ আদৰ্শবাদে আগৰ সাহিত্যিক যুগক বিস্মৃতিৰ গৰ্ভলৈ এৰি দিয়া হ'ল। আনফালে আকৌ ৰোমাণ্টিক অতীতৰ প্ৰতি কবি অনুৰাগ সাৰ পাই উঠিল। পৰাধীনতাৰ গ্লানিৰে অন্তৰ বিষাক্ত কবি তোলাত নতুন কবিয়ে স্বাধীনতাৰ জয়গান গাই উঠিল। প্ৰকৃতি, সৌন্দৰ্য্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰ মানৱ — এই সকলো অভিনৱভাৱে কবিতাৰ গৌৰৱান্বিত স্বতন্ত্ৰ বিষয় বস্তু হৈ উঠিল। ৱৰ্ডছৱৰ্থৰ দৰে অসমীয়া কবিকো ক্ষুদ্ৰতম পুষ্পইও কাৰুণ্য-গভীৰ চিন্তা প্ৰদান কৰিলে। ধৰ্মৰ অনুশাসন এৰাই প্ৰেমে বাক্-স্বাধীনতা লাভ কৰিলে। অমৰ মানৱ শক্তিয়ে নিজৰ জয় ঘোষণা কৰিলে। সাধাৰণ মানুহ আৰু সৰল গ্ৰাম্য জীৱনো গৌৰৱ মুখৰ হৈ উঠিল। অতিবাস্তৱ বিস্ময়াত্মক জগতৰ স্থিতি বিৰল দেৱযোনি প্ৰাণীয়েও নতুন কাব্যত প্ৰকাশ ভিক্ষা কৰিলে। প্ৰকাশৰ অবাধিত স্বাধীনতা আৰু কল্পনা-প্ৰৱণতা ৰোমাণ্টিক কাব্যৰ উন্মুক্ত লক্ষণ। কাব্যিক ৰূপৰ ফালৰ পৰা লিৰিক্ এই নতুন প্ৰবাহৰ এক বিশিষ্ট দান, লিৰিকেল বা গীতিময় আত্মব্যঞ্জনা কবিতাৰ প্ৰাণবস্তুৰ বিশিষ্ট গুণ। লিটাৰেৰি বেলাড বা আত্ম সচেতন কাহিনী গীতি, বৰ্ণনাত্মক খণ্ডকবিতা আদিৰূপৰ নব্য অৱতৰণ ঘটিল। ভাষা-শৈলীয়ে জনগণৰ পৰিচিত ৰূপ ল'লে আৰু কাব্যৰ সংবেদনশীলতা হ'ল প্ৰত্যক্ষ আৰু প্ৰাঞ্জল।

অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম বিস্ময়কৰ আৰু প্ৰকাশ-সাৰ্থক উন্মেষ 'জোনাকী' কাকতৰ প্ৰথম সংখ্যাতে প্ৰকাশিত চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' নামৰ কবিতাটিত। অসমীয়া কবিতাৰ ৰোমাণ্টিক ভঙ্গীৰ অনেক বৈশিষ্ট্যতে চন্দ্ৰকুমাৰ যে কেৱল পথ-প্ৰদৰ্শক, এনে নহয়, তাৰ বহুতোৰে লক্ষণে তেওঁতে পূৰ্ণতাও লাভ কৰিছিল। তেওঁৰ অনুভৱ ক্ষমতা তীব্ৰ আৰু প্ৰকাশিকা শক্তি সবলগতি, যদিও ছন্দৰ গতি সদায় সাৱলীল নহয়। ৱৰ্ডছৱৰ্থৰ দৰে তেওঁ বিশ্ব প্ৰকৃতিৰ প্ৰেমময় ৰূপ আৰু নিৰ্মম উদাসীনতা (ক'ৰ কোন কেনি গ'ল, চিন মৃতি পৰি গ'ল, প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল) উপলব্ধি কৰিছিল, কিন্তু প্ৰকৃতিৰ বাহ্যিক বৰ্ণনাতে মুগ্ধ বা ৱৰ্ডছৱৰ্থৰ দৰে প্ৰকৃতিৰ লগত প্ৰেমপাশত আবদ্ধ নহৈ শ্বেলীৰ দৰে অন্তৰাত্মাৰ সন্ধানত ৰত হৈছিল। মানৱক তেওঁ বিশ্বজগতৰ অংশৰ

কেন্দ্ৰৰূপে দেখা পাইছে আৰু পঙ্কিল বিশ্বক ধূই-পখালি সেই মানৱৰ পবিত্ৰ লীলা ক্ষেত্ৰত পৰিণত কৰিবলৈ বিচাৰিছে। কৌতূহলী ধ্বনিৰে তেওঁ বস্তুবাদী জগতৰ সন্মুখত ঘোষণা কৰিলে, 'সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল।' মানৱ সৌৰভ আৰু প্ৰাণৰ মিলনৰ প্ৰতীক লোকগতিৰ তেজীমলাৰ দৰদ আৰু 'আমৰ তলত টুক্ টুক্ চাপৰি বোৱা' যখিনী ঘোৰাণীৰ জীৱনৰ স্থিতিক চন্দ্ৰকুমাৰে অসমীয়া কবিতাত স্থান দিলে, এনে অতি-প্ৰাকৃতিক সুৰ অসমীয়া কাব্যত স্বাভাৱিকতে বৰ বিৰল।

'বীণ-ব'ৰাগী নামৰ সাতাইশ পিঠীয়া কবিতাটি চন্দ্ৰকুমাৰৰ কাব্যিক জীৱনৰ এটি চৰম প্ৰকাশ। ইয়াত ৰোমাণ্টিক সাম্যবাদে কাব্যিক প্ৰকাশ লাভ কৰিছে। 'বীণ-ব'ৰাগী'ৰ প্ৰথম পাঁচটি ছেদ চতুৰ্থ বছৰ 'বাঁহী'ত (ফাগুন ১৮৩৪-আহাৰ ১৮৩৫ শক) ওলাইছিল যদিও পঞ্চম ছেদৰ পৰা বাকী অংশ দশম বছৰ অষ্টম সংখ্যাৰ পৰাহে (আঘোণ ১৮৪২) ওলাবলৈ ধৰে। গতিকে ষষ্ঠ, সপ্তম আৰু অষ্টম ছেদত গান্ধী আন্দোলনৰ দুৰৰ হ'লেও ৰেঙণি পৰিছে যেন লাগে। 'বীণ-বৰাগী' পুথিত সন্নিবিষ্ট কবিতা 'প্ৰপঞ্চ' আৰু 'সেৱা-লহৰী' একে দশম বছৰৰ 'বাঁহী'তে ওলাইছিল। আগৰৱালা নিজে আছিল গভীৰভাৱে জাতীয়তাবাদী। ১৯১৮ চনত তেওঁ প্ৰতিষ্ঠা কৰা 'অসমীয়া' কাকত আছিল জাতীয়তাবাদী সকলৰ আশ্ৰয়, সিসকলৰ মুখপাত্ৰৰ দৰে। 'বাঁহী'ও তেতিয়া ওলাইছিল তেওঁৰ প্ৰতিষ্ঠাপিত নিউ প্ৰেছৰ পৰাহি। এইটো বৰ অৰ্থপূৰ্ণ কথা যে সেই 'বাঁহী'ৰে একাদশ বছৰ পঞ্চম সংখ্যাত (ভাদ ১৮৪৩ শক) চন্দ্ৰকুমাৰৰ 'মহাত্মা' নামৰ কবিতাটি (ৰচনা ১০ ভাদ ১৮৪২ শক) প্ৰথম পিঠিতে ঠাই পাইছিল, আৰু সেই কবিতাটিকে কবিয়ে উছৰ্গা বুলিয়ে হওক বা প্ৰস্তাৱনা বুলিয়ে হওক 'বীণ-ব'ৰাগী'ৰ প্ৰথমতে ঠাই দিছে। মহাত্মাৰ বাণী কৰ্মৰ বাণী, বন্ধনহীন স্বাধীনতাৰ বাণী, সি যেন গীতাৰ শ্ৰীকৃষ্ণৰ বাণী — যি বাণী শুনি অৰ্জুনে ক্ষুদ্ৰ হৃদয়-দৌৰ্বল্য ত্যাগ কৰি গাণ্ডীৱ লৈ থিয় হৈছিল আৰু যি বাণীত আজি 'নিৰলে নিজানে মোৰ কুঞ্জ কুটীৰত ..... খিয়াই দীন দুৰ্ব্বল-হৃদয়' থকা 'এজাৰ কুঞ্জত নমা স্বৰ্গৰ বহগ'ৰ দৰে কবিৰ হৃদয় ছুইছেহি আৰু তাৰ লগে লগে উপনিষদত ক'বৰ দৰে 'ছিদ্যন্তে হৃদয়গ্ৰন্থিশ্ছিদ্যন্তে সৰ্বসংশয়াঃ', 'ছিঙিল হৃদয়-গ্ৰন্থি, গুচিল সংশয় — নতুন বলেৰে বন্দী মুকলি বিশ্বত।'

কবিয়ে নিজে বীণ-ব'ৰাগীৰ ভূমিকা গ্ৰহণ কৰিছে, বীণখনিয়েই হ'ল তেওঁৰ প্ৰাণৰ তন্ত্ৰী। তেওঁৰ সুৰ আমাৰ প্ৰাচীন বীণ-ব'ৰাগীসকলৰ সুৰ, কাৰণ, তেওঁৰো 'দুখৰো উপৰি দুখ। কুকুৰে কামোৰে, ছৰালে দলিয়ায়, ক'তো নিমিলে সুখ।।' জীৱনৰ সকলো দুখ-ভাগৰৰ মাজত বীণ-বৰাগীয়ে এই কথা জানিছে যে তেওঁৰ বীণৰ তন্ত্ৰীতে লক্ষ হৃদয়ৰ দুখ-বেজাৰৰ সুৰ বাজি উঠিছে আৰু উঠিব লাগিব, আৰু সেইদৰেই ৰত্নাকৰৰ শোক বাল্মীকিৰ শ্লোকত পৰিণত হোৱাদি দুখো পৰম আনন্দত পৰিণত হ'ব। বীণৰ স্পন্দন যি বায়ু সাগৰৰ ঢৌ হৈ বাগৰি পৰিছে, সেই বায়ু বিশ্বজনীন, সি চৈধ্য ভুৱন সাৱটি আছে।

উত্থায় হৃদি লীয়ন্তে দৰিদ্ৰাণাং মনোৰথাঃ। কিন্তু কল্পনাই সংকীৰ্ণ বাস্তৱত উপলব্ধি নাপাই যেন মুকলি আকাশৰ বুকেদি পাখি মেলি উৰিবলৈহে বিচাৰে। জগতৰ সকলো পঙ্কিলতাৰ মাজৰ পৰা মানৱক নিষ্কলুষ সৌন্দৰ্যৰূপে চাই চাই যেন বীণ-ব'ৰাগীৰ প্ৰাণৰ উৎসাহ নপলোৱা হয়।

বীণ-ব'ৰাগীয়ে যেন বুজিছে, জগতত তেওঁৰ দুখৰ বাতৰি শুনিবলৈ, পতিয়াবলৈ কেও ক'তো নাই, দুখৰ কথা ক'লে সকলোৱে বলিয়া বুলিহে হাঁহে, কুকুৰে কামোৰে, ছৱালে দলিয়ায়। গতিকে তেওঁৰ শৰণ্য হ'ল বীণধ্বনি। সেই বীণৰ জোঁকাৰত সন্তাপী হৃদয়ৰ সন্তাপ কৰুণ হৈ বাজি উঠিব আৰু বীণৰ মধুৰ স্বৰত এইদৰে প্ৰতিধ্বনিত হৈ জগতৰ সকলোৰে কাণত পুনৰ পুনৰ ধ্বনিত হ'ব। সেইভাৱেহে সি সকলোৰে 'কাণেৰ ভিতৰ দিয়া মৰমে পশিব।' এনে আশাত বীণ-বৰাগীয়ে ভাবিছে, তেওঁৰ অন্তৰ গধুৰ কৰি তোলা জগতৰ জনৰ দুখৰ বোজাটি সকলোকে আকৌ বিলাই দিব পাৰিলে তেওঁৰ হিয়াখন তেও লঘু হ'ব।

এদিনৰ শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত শুনি যমুনা উজাই বৈছিল, সচল অচল হৈছিল আৰু অচল সচল হৈছিল। আমাৰ বীণ-ব'ৰাগীৰ বীণৰ সুৰত লুইত উজাই বয়, আকাশৰ চন্দ্ৰ স্তব্ধ হয়, পশু-পক্ষী গছ-লতাও বতাহতো নকঁপা হৈ পৰে। কাৰণ সেই বীণত লক্ষ হৃদয়ৰ হুমুনিয়াহ গোটখাই তাৰ হৃদয় কোমলাই পেলাইছে। পুৰণি ভকতীয়া ব'ৰাগীৰ টোকাৰী বৈকুণ্ঠ নে কৈলাসৰ পৰা নামি অহাৰ দৰে আমাৰ বীণ-ব'ৰাগীখনিও সৰগৰ বীণ, সি মানুহৰ দুখৰ কণাবোৰ বুকুত বান্ধি সকলোৰে প্ৰাণত অমৃতৰ কণা চটিয়াব পাৰে, একৰ দুখক শত ভাগ কৰি তাক পাতলাই তোলে, আৰু সকলো প্ৰাণৰ সুঁতিক একোটি সুঁতি কৰি বোৱায়। সেইহে বীণ-ব'ৰাগীয়ে নিজৰ হিয়াৰ ধাউতি বীণৰ প্ৰাণেদি সকলোৰে প্ৰাণৰ সম্পাদিত কৰিবলৈ বিচাৰিছে।

এদিন ব'ৰাগীয়ে সুখ বিচাৰি হাবাথুৰি খাইছিল, কিন্তু কেৱে তেওঁক তাৰ বতৰা দিব নোৱাৰিলে। সুখত উত্ৰাৱল পখিলাটিকো চিলাই উৰুৱাই লৈ গ'ল, তাৰ পৰাও ব'ৰাগীয়ে একোটি সম্ভেদ নাপালে। তেওঁ জানিছিল সুখ সংসাৰৰ সাৰ। তাক বিচাৰি তেওঁ আকৌ ভিখাৰীৰ জোলোঙালৈ সংসাৰৰ দুৱাৰে দুৱাৰে ঘূৰিলে, কিন্তু একোটি মাথোন সম্বিধান, একে প্ৰত্যাখ্যান।

সংসাৰত ঘূৰি তেওঁ কি দেখা পালে? দেখা পালে, দেখিলে হৃদয় বিদৰা দুখীয়াৰ দুখ, দুৰ্বলৰ শাস্তি, ধনীৰ তেম আৰু সবলৰ অত্যাচাৰ। তেওঁৰ প্ৰাণ হাঁহাকাৰ কৰি উঠিল ৱৰ্ডছৱৰ্থৰ দৰে — Have I not reason to lament, what man has made of man? মানুহৰ মাজত মিলাপ্ৰীতিৰ পৰিবৰ্তে মাথোন দন-হাই কাজিয়া, সকলোৰে মুখত স্বাৰ্থৰ চিন্তা। সকলোৱে মাথোঁ চিনে ধনক, নিচিনে ধৰম। কেৱোফালে মাথোন শোষণৰ যন্ত্ৰ। মানুহে মানুহক মাৰিছে, মানুহে মানুহৰ তেজ শুহিছে, মানুহে মানুহৰ তেজেৰে চাকি

জ্বলাই নিজৰ জীৱনত পোহৰ ঢালিছে। কোনোৱেবা আকৌ মিঠা মাতেৰে লোকক মুহি মনে মনে শোষণৰ উপায় পাতিছে! কত ধৰ্মৰ কপটীয়া গুৰুৱে ধৰ্মৰ নামত অধৰ্ম কৰি পাপৰ সত্ৰ পাতিছে!! তেওঁলোকে 'নাজানে শাস্ত্ৰৰ লয়, যেহি আসে তাকে কয়, খণ্ডিবাক নপাৰে সংশয়।' সৰ্বসাক্ষী ভগৱন্তক যে তেওঁলোকে ঠগিব নোৱাৰে, এই কথা এই অজ্ঞ শোষক গুৰুসকলৰ মনে-ঘৰেও নাই। এই সকলো দেখি বীণ-ব'ৰাগীৰ মনৰ পৰা সুখৰ আশা অন্তৰ্হিত হৈছে, আনফালে দুখী দুৰ্বলীৰ নিৰ্দয় দুখত তেওঁ অন্তৰে বিদ্ৰোহ কৰি উঠিছে।

তেওঁ সেই দেখি প্ৰলয়ক আহ্বান জনাইছে। সেই প্ৰলয় আহি যেন ওখ-চাপৰ, বাম-তল, থল-জল, সম্পদ-বিপদ, সুখ-দুখ, মান-অপমান, দান-ভিক্ষা সকলোকে সমান কৰি পেলাব। 'সকলো পাপী যেন তাকে দেখি সন্ত্ৰস্ত হৈ পৰিব। সেই ভয়ংকৰ সময়টোৰ কল্পনা কৰি তেওঁৰ মন সম্পূৰ্ণ উতলা হৈ উঠিছে। তেওঁ যেন প্ৰলয়-নাচোন নচা নটৰাজৰ দৰে মহাশক্তিশালী, মহাতাণ্ডৱী হৈ উঠিব, নিঠুৰ হৈ উঠা হাতৰ আঙুলি চলাই হিমালয় পৰ্বতটো খহাই নি যেন ভাৰত মহাসাগৰৰ বুকুৰ ক'লীয়া পানীত পেলাই দিবগৈ; ওখৰ আকাশত থকা জোন-বেলি, গ্ৰহ-নক্ষত্ৰ সকলোকে মুঠিয়াই মুঠিয়াই আনি যেন পৃথিবীত লুটি খুৰাই খুৰাই পেলাবহি; আৰু যেন শোষণৰ পৃথিবীক প্ৰলয়-সমুদ্ৰৰ জলত বিলীন কৰি দিব। তেওঁৰ এই প্ৰলয়-খেলাৰ অন্তত নতুন এক সুন্দৰ সৃষ্টি পাহি-মেলি ফুলি উঠিব, য'ত দুখ-ভয়, লাজ অপমান নাথাকিব, য'ত মাথোন থাকিব স্নিগ্ধ অৰুণ-কিৰণ, মধুৰ আনন্দৰ সুৰ।

এই প্ৰলয়ী স্বপ্নৰ পিছত বীণ-ব'ৰাগী ভাগৰি পৰিছে, দুখৰ দীঘলীয়া নিশা আগত লৈ সন্ধিয়াপৰত বিশ্ৰাম বিচাৰি গছৰ তলত আশ্ৰয় লৈছে। কিন্তু তেওঁৰ অন্তৰত শান্তি-সুখ-সাম্যৰ স্বপ্ন জাগ্ৰত হৈ আছে, মন যেন মুকলি হৈ আহিছে, তেওঁৰ বীণে যেন এতিয়া সংসাৰৰ দ্বন্দ্ব-কোলাহল পাহৰি সুখৰ গুণগুণনিহে তুলিব। তেওঁ বুজিছে, এই পৃথিবী মানুহৰ কাৰণেই, 'সবার উপর মানুষ সত্য, তাহার উপর নাই।' মানুহ পৰাৎপৰ, মানুহৰ প্ৰীতি সাধনৰ অৰ্থেই যেন বিশ্ব জগতৰ পৰিকল্পনা কৰিছিল। মানৱ-দেৱতাক পূজিবৰ কাৰণেই যেন জোন-বেলি-তৰাৰ প্ৰদীপ জ্বলিছে, নানান ফুলৰ সৌৰভে ধুপ-ধুনা জ্বলাইছে, মলয়াই বাঞ্জন কৰিছে, ফল-জলো যেন সেই দেৱতাৰেহে পূজাৰ নৈবেদ্য। মানুহৰ জীৱন-মৰণ হাঁহি-কান্দোনৰ খেলাই যে পৃথিবীৰ অস্তিত্বৰ আচল অৰ্থ।

জগতখন মানৱাত্মাৰে প্ৰতিবিম্ব। মানৱাত্মাক এৰি জগতৰ কোনো ৰূপ নাই, কোনো অৰ্থ নাই। কবিয়ে, বীণ-ব'ৰাগীয়ে যেন সঞ্জয়ৰহে দিব্য-দৃষ্টিৰে চাই এই সত্য দেখা পাইছে, বিশ্ব-প্ৰহেলিকা অৰ্থ ভাঙি দি আনন্দ লাভ কৰিছে।

বীণ-ব'ৰাগীয়ে বুজি উঠিছে সুখৰ বাবে হাহাকাৰ কৰি ঘূৰা অৰ্থহীন। সমস্ত জীৱনেই মায়াৰ এক ধেমালি, জীৱাত্মাৰ অনন্ত প্ৰয়াস পৰমাত্মাৰ লগত মিলনৰ প্ৰতি।

এইবাৰ সেইদেখি কবিয়ে নতুন অভিযান আৰম্ভ কৰিছে — মহাপ্ৰয়াণৰ অভিযান। এই যাত্ৰাৰ ৰাজপথ হ'ল মানুহৰ হিয়াৰ মাজ। এইবাৰ তেওঁ সংসাৰী সুখৰ ঠেক বাট এৰি নতুন বাট লৈছে পৰম সুখৰ, যি সুখে ভূমাস্বৰূপ, শ্ৰেয়সৰ গৰাকী, পৰমপ্ৰভুৰ ওচৰলৈ লৈ যায়। তেওঁ বুজিছে, বাহিৰত বিচাৰি ফুৰা পথটি অন্তৰৰ মাজেদিহে বৈছে। আগৰ মোহ তেওঁৰ আজি ভাগি-ছিগি গৈছে। তেওঁৰ অন্তৰ্মুখী অভিযানে সংসাৰী ধৰ্মৰ দোকান চেৰাই নতুন শ্ৰেয়সী সত্ৰ পাইছেগৈ, যি সত্ৰত বিগ্ৰহ নাই, আছে জীৱন্ত মানুহ।

মানৱৰ ভিতৰত লুকাই থকা সূক্ষ্ম আত্ম-শক্তি জগাই তুলি অৰ্জুনৰ দৰে গাণ্ডীৱ লৈ থিয় হ'বলৈ বীণ-ব'ৰাগীয়ে সকলোকে আহ্বান জনাইছে অন্যায়-অসত্যক ঠেলি প্ৰেম আৰু সত্যৰ মহিমা বিস্তাৰ কৰিবলৈ, যাতে স্বৰ্গ আৰু মৰ্ত্ত্য দুখন ঠাই নহৈ একেখন হৈয়ে প্ৰতিভাত হয়।

এই কাৰ্য্যৰ বাবে লাগে অন্তৰৰ দিব্য দৃষ্টি। সেই দৃষ্টিৰে চালে সৃষ্টিৰ খেলা মহামহিমাময় মানৱাত্মাৰ বিকাশ যেনেই লাগিব। আকাশৰ মেঘ, জোন-বেলি, পৃথিৱীৰ মহাসাগৰ, ফুলৰ সুঘ্ৰাণ আৰু চিত্ৰ-বিচিত্ৰ ৰূপ সকলোটিয়েই যেন একেটি প্ৰেমৰ বাৰ্ত্তাকে প্ৰচাৰ কৰিছে, এক মানৱাত্মাৰ জয়কে ঘোষণা কৰিছে। বীণ-ব'ৰাগীয়ে সেই দেখি নিজেই মানৱ-প্ৰাণৰ প্ৰকাশৰ পথ হ'বৰ শক্তি ভিক্ষা কৰিছে।

এইদৰে দেখা পোৱা যাব 'প্ৰতিমা'ৰ কবিতাত প্ৰকাশ পোৱা নানা ভাৱ-চিন্তা আহি 'বীণ-ব'ৰাগী'ত এটি বিন্দুত সমাহিত হৈ পৰিছে। তেওঁ যেন ইয়াত সদায় কল্পনা কৰি অহা মানৱৰ বিশ্বৰূপ দৰ্শন কৰিছে। সেইৰূপ নভঃস্পৰ্শী, দীপ্তবিশালনেত্ৰ। সেই ৰূপ দেখা পাই তেওঁ একেলগে প্ৰব্যথিতাত্মা আৰু হৃষ্টাত্মা হৈ ধৃতি হেৰুৱাইছে। কিন্তু সেই দিব্য-ৰূপ-দৰ্শনৰ ফলত তেওঁৰ কণ্ঠ উদাত্ত হৈ উঠিছে, সকলো প্ৰলয়েৰে জগত সংহাৰ কৰি এখন নতুন বিশ্ব পুনৰুদিত কৰি তাত মানৱ-হৃদয়ক পৰাৎপৰ ৰূপে প্ৰতিষ্ঠা কৰিবৰ প্ৰয়াস পাইছে। এয়া ভাৱবাদী, আদৰ্শবাদী কবিতা। এই কালৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা অদ্বিতীয়।

(চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা'ৰ পৰা)

# সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাৰ মানসত অসমীয়া সাহিত্য আৰু চন্দ্ৰকুমাৰ

প্ৰত্যেক সাহিত্যকৰ্মৰে দুটা মূল্য আছে — এটা ঐতিহাসিক আৰু এটা ইতিহাস নিৰপেক্ষ বা প্ৰকৃত (Absolute)। সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখি, সাহিত্যৰ এটা গতি আছে, আৰু গতিৰ লগে লগে যুগে যুগে তাৰ পৰিবৰ্তন আছে। এই পৰিবৰ্তন শিল্প আৰু মন, প্ৰকাশভঙ্গী আৰু বিষয়বস্তু দুয়োটাৰে। বিষয়বস্তু আৰু দৃষ্টিভঙ্গীৰ সলনি হোৱাৰ লগে লগে প্ৰকাশৰ ভঙ্গীও বেলেগ হৈ যায়। সাহিত্যৰ এই গতি আৰু সলনিকে সাহিত্যৰ বুৰঞ্জীয়ে দাঙি ধৰে। দেশকালৰ বিস্তৃত ব্যৱধান থাকিলেও সাহিত্য কৰ্মক নিৰীক্ষণ কৰিবৰ উপায় আছে, — জ্যোতিষীয়ে মান-মন্দিৰত থিয় হৈ মহাকাশৰ দূৰবৰ্ত্তী গ্ৰহ-নক্ষত্ৰৰ গতিবিধি নিৰ্ণয় কৰাৰ দৰে।

কোনো সাহিত্যৰ সকলো সাহিত্যকৰ্মই অনবদ্যতাৰ দাবী কৰিব নোৱাৰে। সহস্ৰ কোটি শিলগুটিৰ মাজতহে কেতিয়াবা এটা শালগ্ৰাম শিল পোৱা যায়। সাহিত্য জগতৰ সকলো সৃষ্টিয়েই সমান গুণৰ অধিকাৰী নহয়। বুৰঞ্জীমূলক অধ্যয়নৰ কাৰণে সকলো ৰচনাৰে মূল্য আছে আৰু তুলনাৰ দ্বাৰাইহে উৎকৰ্ষ অপকৰ্ষৰ জ্ঞান হয়। এই বিচাৰ কাৰ্য্য অতি সহজো নহয়, কিয়নো এইখিনি কৰোঁতে জাতীয় জীৱনৰ সৰ্ব্বাঙ্গীন বুৰঞ্জী আৰু বেলেগ বেলেগ প্ৰভাৱৰ বিচাৰ কৰিব লগা হয় — যদিও একমাত্ৰ এনে অনুসন্ধানে সাহিত্যৰ আত্মা বস্তু ধৰা পেলাব নোৱাৰে। এজোপা গছে ওপৰৰ তাপ আৰু পোহৰ গ্ৰহণ কৰাৰ বাহিৰেও মাটিৰ তলত অদৃশ্য হৈ থকা অসংখ্য শিপাৰ সহায়ত বিভিন্ন দিশৰপৰা ৰস শুহিলে নিজৰ পুষ্টি সাধন কৰে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ অধ্যয়নৰ কাৰণেও এনে নীতিকেই অৱলম্বন কৰিব লাগিব। অসমীয়া সাহিত্যৰো কেইবাশতাব্দী ব্যাপি থকা দীঘলীয়া ঐতিহ্য আছে। ইয়াৰ বেলেগ বেলেগ স্তৰত বিচিত্ৰচিন্তাৰ ধাৰা আৰু সেই চিন্তাসমূহৰ উপযোগী বাহন দেখা যায়। জাতিৰ চিন্তা আৰু সাধনা বাণীৰ যোগেদি মূৰ্ত্ত হৈ থাকে। বাঙময় প্ৰবাহৰ এই বিচিত্ৰ ঋজু কুটিল গতিৰ ভঙ্গিমা উপলব্ধি কৰা সাহিত্যশিক্ষাৰ এটা উদ্দেশ্য। চৰ্য্যাগীতৰ যুগৰপৰা গান্ধীৰ যুগলৈকে কাব্যসাহিত্যৰ এটি স্তিমিত প্ৰবাহ দেখা যায়। কেতিয়াবা কোনো বিশেষ কাল খণ্ডত বাৰিষাৰ নৈৰ দৰে পাৰ ভাঙিছে — সৰহ ভাগসময়ত খৰালিৰ হাড়লী সোঁতৰদৰে 'ক্বচিৎ ছিন্না, ক্বচিৎ ভিন্না'। এই কাব্যসাহিত্যৰ মাজেদি কেতিয়াবা বৌদ্ধ সহজীয়া সাধনাৰ কথা আৰু কেতিয়াবা একান্তভকতৰ নিৰ্গুণ কৃষ্ণৰ গুণৰ মহিমা আৰু শৰণাগতৰ কাকুতি, কেতিয়াবা সহজ প্ৰেমৰ বজোগুণীয়া নিবেদন, আৰু কেতিয়াবা অতীন্দ্ৰিয় জগতৰ সৌৰভ। কোনো ঠাইত যুদ্ধক্ষেত্ৰৰ বীৰৰসাত্মক

বৰ্ণনা, কোনো ঠাইত পাৰিবাৰিক জীৱনৰ আলোচনা, কৰবাত আকৌ হাস্য ব্যঙ্গ ৰসৰ অৱতাৰণা।

প্ৰায় আঢৈকুৰি বছৰৰ আগতে 'চেতনা'ৰ প্ৰথম বছৰতে ওলোৱা ডক্টৰ কাকতীৰ পুৰণি অসমীয়া সাহিত্য বিষয়ক এটা প্ৰবন্ধত অতি সাৰুৱা মন্তব্য কৰিছিল। তেওঁ কৈছিল যে পুৰণি অসমীয়া সাহিত্যৰ প্ৰায় গোটেইখিনিয়েই শিক্ষামূলক (Didactic)। তেখেতৰ কথাৰ লগত আৰু এটা কথা যোগ দিব পাৰি যে এই সাহিত্যৰ সৰহভাগেই দেৱবাদ-নিৰ্ভৰ বা দেৱাশ্ৰয়ী। ইয়াৰ উদ্দেশ্য সৌন্দৰ্য্যসৃষ্টি নহয় — সৌন্দৰ্য্য উপলক্ষ্যহে। এই সাহিত্যৰ প্ৰায় সকলোখিনিয়েই ধৰ্মীয় মতবাদৰ ওপৰত প্ৰতিষ্ঠিত। ধৰ্ম-সম্প্ৰদায়ৰ লগত সম্পৰ্ক নথকা সাহিত্য অন্ত্যজ আৰু অপাংক্তেয়। ধৰ্মৰ লগত সম্পৰ্কবিহীন সাহিত্যক সেই যুগৰ কটিপৰায়ণ ভক্ত সাহিত্যিক সকলে 'গলত চেপি ধৰি' নামঘৰৰপৰা বাজ কৰিছিল, তথাপি সি নমৰি গছতল, লুইতৰপাৰ, ধাননিপথাৰ আৰু ম'হৰ পিঠিত ভয়-সংকোচেৰে জীৱনটো ৰক্ষা কৰি আছিল।

যোৱা শতাব্দীত আৰম্ভ হোৱা ইংৰাজশাসনলৈকে অসমত মধ্যযুগ বুলি ক'ব পাৰি। মধ্যযুগত সাহিত্য ধৰ্মনিৰ্ভৰ আৰু দেৱতাশ্ৰয়ী, এই কথা পূৰ্ব্বতে কোৱা হৈছে। ইয়াত পৃথিবী আৰু মানুহৰ প্ৰাধান্য নাই, মানুহৰ আকাঙ্ক্ষা দেৱতাৰ সাযুজ্য বা সাৰূপ্য লাভ কৰা। মানুহৰ জীৱনটো এক অজ্ঞাত লোকৰ কাৰণে প্ৰস্তুতি, আৰু পৃথিবী এই প্ৰস্তুতিৰ ক্ষেত্ৰ। ঐহিক জীৱনক অতি সামান্য গুৰুত্বহে দিয়া হৈছে এই সাহিত্যত।

পাশ্চাত্য জগতৰ সংস্পৰ্শত এই মধ্যযুগীয় দৃষ্টিভঙ্গীৰ সলনি হৈ আহিল। য়ুৰোপত যি জাগৃতি বা ৰেনেছাঁ প্ৰায় পঞ্চদশ শতাব্দীত আৰম্ভ হৈছিল, আমাৰ ইয়াত যোৱা শতাব্দীৰ প্ৰায় মাজ ভাগত হে আৰম্ভ হৈছে। পৃথিবী প্ৰধান আৰু মানৱমুখী এই ভাবধাৰা প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো জগততেই নৱজাগৃতিৰ (ৰেনেছাঁ) ফল যদিও, এই নৱজাগৃতিয়ে জগতৰ দুয়ো প্ৰান্ততে বেলেগ বেলেগ ৰূপত প্ৰকাশ পাইছে। এইবোৰ বহলাই ক'বলৈ গ'লে বহুত কথা। নৱজাগৃতিৰ ফলত ধৰ্ম আৰু ঈশ্বৰ যে একেবাৰে বাদ পৰি গৈছে এনে নহয়, ধৰ্মৰ সংকীৰ্ণতা বহুত পৰিমাণে কমিছে। মানুহৰ মনে বহুত বাধানিষেধ আৰু সংস্কাৰৰ পৰা মুকলি হৈ সদায় গছকি থকা এই পৃথিবী আৰু তাৰ অধিবাসী মানুহৰ প্ৰতি নতুন ধাৰণা পোষণ কৰিবলৈ লৈছে।

হিউমেনিজম্ বা মানবিকবাদ এই চিন্তাৰে এটা ফাল। এই মানবিকবাদৰ ধাৰা ক্ষীণ ভাবে হ'লেও অতি প্ৰাচীন কালৰ পৰাই প্ৰবাহিত হৈ আহিছে। গ্ৰীকসকলৰ Man is the Measure of things, মহাভাৰতৰ "ন মানুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিৎ" আদি বাণীয়ে মানবিকবাদ স্পষ্টকৈ ঘোষণা কৰিছে। কিছুকাল ধৰি এই উদাৰ ভাৱবোৰ ধৰ্মীয় শাসনত চেপা খাই আছিল। য়ুৰোপৰ নৱজাগৃতিৰ সময়ৰ পৰা মানুহৰ প্ৰাধান্য ক্ৰমে শক্তিশালী হৈ উঠিল। ঊনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই বিজ্ঞানৰ অগ্ৰগতিৰ ফলত

বাহ্যিক জীৱন আৰু মানসিক জীৱনৰ অভাৱনীয় পৰিবৰ্তন আৰম্ভ হ'ল। বেন্‌থাম, মিল্, কোঁটে আদি দাৰ্শনিকসকলৰ জীৱন দৰ্শনো এই পৰিবৰ্তনৰ পৰাই উদ্ভৱ হয়। উপযোগবাদ (utilitanism), প্ৰত্যক্ষবাদ বা ইতিবাদ (Pasitivism) আদি দৰ্শনত যুক্তি আৰু বাস্তৱসত্যই বিশেষ আসন পোৱা দেখা যায়। ডাৰবিন্, হাৰ্বাট স্পেন্‌চাৰ, হাক্সলী আদি বৈজ্ঞানিক চিন্তাধাৰাই সেই কালৰ সমাজখন প্ৰায় ছাটি ধৰে, তাৰ ধ্বনি-প্ৰতিধ্বনি সাহিত্যতো স্পষ্টকৈ ধৰিব পাৰি। ফৰাছী দাৰ্শনিক কঁটে আৰু তেওঁৰ পজিটিভিজম্ মতবাদে মানৱিকবাদক এটা নতুন ৰূপ দিলে। কঁটেই সিংহাসনৰপৰা ঈশ্বৰক নমাই তাত মানুহক প্ৰতিষ্ঠা কৰিলে আৰু তাতেই সন্তুষ্ট নাথাকি আনুষ্ঠানিকভাৱে মানৱপূজাৰ বিধি-ব্যৱস্থাও ৰচনা কৰিলে। এই অভিনৱ মানৱধৰ্ম প্ৰচলিত ধৰ্মবিলাকৰ দৰেই আচাৰ অনুষ্ঠানযুক্ত এটা ধৰ্ম হৈ উঠিল। অলপ দিনৰকাৰণে পশ্চিম য়ুৰোপত তেওঁৰ বিশেষ প্ৰভাৱ হৈছিল, কিন্তু ক্ৰমে তাৰ জনপ্ৰিয়তা হ্ৰাস হ'বলৈ ধৰিলে।

এই প্ৰসঙ্গত লক্ষ্য কৰিবলগীয়া কথা এইটোহে, নতুনকৈ পাশ্চাত্য জগতৰ প্ৰভাৱত অভিভূত হোৱা বঙ্গদেশত এই মতবাদৰ ভক্তৰ সংখ্যা আচৰিত ৰকমে বাঢ়িছিল। বঙ্কিম চট্টোপাধ্যায়, ভূদেৱ মুখোপাধ্যায় প্ৰভৃতি লেখত ল'বলগীয়া সাহিত্যিকসকলৰ ৰচনাত কোঁটেৰ প্ৰভাৱ স্পষ্ট। এই সম্বন্ধে এটা কথা শিক্ষিত সমাজত প্ৰচলিত হৈছিল যে There are more comtists in Bengal than in France. ৰবীন্দ্ৰনাথৰ অনেক কবিতাত এই মতবাদ সোমাই আছে আৰু তেওঁৰ মানৱধৰ্মৰ আদৰ্শও কঁটেৰ প্ৰভাৱৰপৰা মুক্ত নহয়।

চিন্তাজগতৰ এই পটভূমিত ৰাখি আধুনিক ভাৰতীয় তথা অসমীয়া সাহিত্যক নিৰীক্ষণ কৰিলেহে ইয়াৰ প্ৰকৃত ৰূপটো ধৰা পৰিব। বৃটিছ শাসকসকলে প্ৰবৰ্তন কৰা নতুন পাশ্চাত্যশিক্ষাৰ ফলস্বৰূপে সমগ্ৰ ভাৰতত যি সামাজিক আৰু মানসিক পৰিবৰ্তন ঘটিছিল, সেইবোৰৰ টোৱে অসমীয়া মানুহ আৰু অসমীয়া সাহিত্যকো ভালকৈয়ে স্পৰ্শ কৰিছে।

আগতে উল্লেখ কৰি অহা হৈছে যে মধ্যযুগৰ সাহিত্য কৃষ্ণ-বিষ্ণু-শিৱ বা আনকোনো দেৱতাক অৱলম্বন কৰি ৰচনা কৰা হৈছিল। পৃথিৱী আৰু মানুহৰ ঠাই এই সাহিত্যত গৌণ আছিল। পৃথিৱী আৰু মানুহৰ এই জনম বৈকুণ্ঠ বা স্বৰ্গৰ কাৰণে এটা প্ৰস্তুতিৰ ক্ষেত্ৰ। পাৰ্থিৱ সম্পদ, নাৰীৰ প্ৰেম আৰু সৌন্দৰ্য্য এই বিলাকৰ প্ৰতি যি আকৰ্ষণ, সি ভয় সঙ্কোচ বৈৰাগ্যমিশ্ৰিত।

> ক্ষণিক সংসাৰ বিলম্বত কাৰ্য্য নাই।
> চিন্তামণি জন্ম হেৰা হাততে হৰাই।।
> নাহিকে চেতন কাল অজগৰে গিলে।
> ধনজন জীৱন যাইবেক একতিলে।।
> বিষয়ত সুখ একতিলে কৰি চুৰ।
> যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ।।

আকৌ, — যি লক্ষ্মীত আশা কৰি সদায়ে আকুল মন
তেহো মহা চঞ্চল সৰ্ব্বথা।
বিষয়ত যত সুখ অন্তত সমস্তে দুখ
তাক যত্ন কৰি মৰা বৃথা।।
যতেক আছয়লোক সবাৰো আগত শোক
দুখময় সকলে সংসাৰ।
যতেক সুন্দৰী নাৰী পৰম অনৰ্থকাৰী
আতপৰে নাহিকে নিকাৰ।।

* * *

ইটো নৰতনু নেনা আগেকালে
বিষয় মিছা জঞ্জালে।
যেন বিষ-লতা চয় ফলে ফুলে
আছে জকমক কৰি।
প্ৰথমে সুন্দৰ দেখন্তে পাছত
পৰশিলে যায় মৰি।।

* * *

ওপৰৰ উদ্ধৃতিবিলাকৰ পৰাই মধ্যযুগৰ কবিসকলৰ জীৱনদৰ্শনৰ আভাস পাব পাৰি।

অসমীয়া সাহিত্যৰ আধুনিক যুগ ঊনবিংশ শতাব্দীৰ শেষৰ ফালে অসমীয়া সাহিত্যত যি নতুন পৰিবৰ্ত্তনে দেখা দিলে বেজবৰুৱা, চন্দ্ৰকুমাৰ আৰু হেম গোঁসাই, বজ্ৰেশ্বৰ মহন্ত এই সকল ইয়াৰ আগবঢ়ুৱা আছিল। পৃথিৱীৰ বিচিত্ৰ শোভা, নৰনাৰীৰ শাৰীৰিক সৌন্দৰ্য্য, মানুহ হিচাবে মানুহৰ গৌৰৱ, সাম্প্ৰদায়িক ধৰ্ম্মৰ পৰা বিমুক্তি এইবোৰ — এই নতুন সাহিত্যৰ বিষয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিকৰ্ম্মৰ ফল জোখত সৰু হ'লেও ইয়াৰ মাজেদি নতুন যুগৰ এই ভাববোৰ প্ৰকাশ পাইছে। বেজবৰুৱা ডাঙৰীয়াই কৈছিল, 'প্ৰতিমাখনি সৰু, কিন্তু ই নিভাঁজ সোণৰ'। সোণৰ যে হ'বই লাগিব, তাৰ কোনো অৰ্থ নাই। থাপনাৰ আগত সজাই থোৱা পিতলৰ শৰাই আৰু ভিতৰত চাউল ভৰাই বন্তি জ্বলাই থৈ থোৱা দুনৰী — এই দুয়োটাবে সৌন্দৰ্য্য সকলোৱে বুজে। অকল কাঞ্চন-কৌলীন্যই কৌলীন্য নহয়। বেজবৰুৱা ডাঙৰীয়াই নিভাজ সোণ কথাষাৰ বহুকালস্থায়ী অৰ্থত যদি ব্যৱহাৰ কৰিছিল, তেন্তে সেই কথা ভাবিবলগীয়া। আগৰৱালাৰ কবিতাৰ মাজৰ দুটামান পংক্তি বা শ্লোক দীৰ্ঘকালৰ কাৰণে জীয়াই থাকিব পাৰে। সেইটো সময়েহে নিৰ্দ্ধাৰণ কৰিব। জগতৰ শ্ৰেষ্ঠ কবিসকলৰ সকলো বাঙ্ময় প্ৰচেষ্টাও স্থায়ী হৈ মানুহৰ সোঁৱৰণত নাথাকে।

কাব্যৰ এনে স্থায়িত্ব নিৰ্ভৰ কৰে ভাবব্যঞ্জকতা, শ্ৰুতিমধুৰতা, বিশ্বজনিনতা আদি অনেক গুণৰ সমষ্টিৰ ওপৰত। এনে গুণৰ সমাবেশ সকলো কবিৰ ভাগ্যত নঘটে, তেনে গুণসম্পন্ন ৰচনা মহাসমুদ্ৰৰ পানীৰ মাজত সিচৰতি হৈ থকা দুটি এটি উজ্জ্বল বিন্দুৰ দৰে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যৰ বিচাৰ কৰোতে তেওঁক আধুনিক অসমীয়া কবিতাৰ অগ্ৰণী হিচাবে ধৰিব লাগিব। বৈষ্ণৱ সাহিত্যত নাৰীৰ ৰূপৰ বৰ্ণনা আছে, কিন্তু সেই বৰ্ণনাৰ লক্ষ্য স্তুতি বা বন্দনা নহয়, নিন্দাহে। আগৰৱালাৰ 'মাধুৰী'ৰ ৰূপ বৰ্ণনা বৈষ্ণৱ কবিসকলৰ বৰ্ণনাৰ দৰে বিস্তৃত নহয়, সংযত। ইয়াত নাৰী সৌন্দৰ্য্যক আপোন মহিমাত প্ৰতিষ্ঠিত কৰিছে। এই কবিতাত ব্যৱহাৰ কৰা কালিদাসৰ দুটি শব্দই গোটেই বৰ্ণনাৰে ওপৰতে এটি গাম্ভীৰ্য্যৰ পোহৰ পেলাইছে। ইয়াতে উল্লেখ কৰিব পাৰি যে সমসাময়িক ৺হেমচন্দ্ৰ গোস্বামীৰ প্ৰিয়তমাৰ চিঠিত প্ৰিয়তমাৰ কাউৰী-ঠেঙীয়া আখৰ কেইটা গুৰুঘৰীয়া নিৰ্ম্মালিতকৈয়ো অধিক আদৰৰ বস্তু।

পাশ্চাত্যজগতৰ পৰা বিয়পি অহা সাম্যবাদ, পীড়িত আৰু দৰিদ্ৰৰ প্ৰতি সহানুভূতি, দাম্ভিক অত্যাচাৰীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা এই খিনিও আগৰৱালাৰ কাব্যৰ আন কিছুমান বিশেষত্ব। প্ৰতিমাৰ দুই এটা কবিতাত আৰু বীণ বৰাগীৰ প্ৰায় সকলো ঠাইতে এইবোৰ স্পষ্ট। পাঠকসকলৰ অতি প্ৰিয় 'আঙুলি বুলাব জনাহ'লে আজি' আদি বিদ্ৰোহ সূচক উক্তিখিনি অতিশয়োক্তি অলঙ্কাৰ বুলিহে ধৰিব লাগে। আগৰৱালাৰ বিদ্ৰোহ সাত্বিক আৰু ভকতীয়া বিদ্ৰোহ। পৰৱৰ্ত্তীকালৰ বঙালী কবি নজৰুল ইছলামৰ দৰে কবিৰ দৃষ্টিভঙ্গীৰ পৰা ই সম্পূৰ্ণ পৃথক।

পৃথিৱীয়েই মানুহৰ নিজাপি ঘৰ আৰু মানুহেই দেৱতা, পৰাংপৰ — মানুহে পাদ্য-অৰ্ঘ্য পাবৰ যোগ্য — এই কঁটে দৰ্শনৰ ভাববোৰো তেওঁৰ কেইবাটাও কবিতাত ব্যক্ত হৈছে। মানুহৰ প্ৰতি মানুহৰ অমানুষিকতাও তেওঁৰ বেজাৰৰ এটা কাৰণ। বহুত দূৰত থকা স্বৰ্গলৈ আকাঙ্ক্ষা নকৰি পৃথিৱীকে স্বৰ্গ-ৰাজ্যত পৰিণত কৰিব লাগে, এইটোও তেওঁৰ বিশেষ বাণী। এইবোৰ কথা অলপ প্ৰচাৰগন্ধীহ'লেও বিষয়-বস্তুৰ গৌৰৱতেই কাব্যৰ দুৱাৰডলিত ভৰি দিছে।

চন্দ্ৰকুমাৰৰ কবিতাত আন মানসিক ভোজ্যও আছে। অকল পাশ্চাত্য চিন্তাৰেই নহয়, ভাৰতীয় চিন্তাৰো বাহন হৈছে। উদাহৰণস্বৰূপে বিশ্বভাৱৰীয়া বোলা কবিতাটোত ভাৰতীয় দৰ্শনৰ মৰ্ম্মকথা প্ৰকাশ কৰিছে। মানুহ নিজেই অণোৰনীয়ান্ মহতো মহীয়ান্, নিজেই গৱেষণা আৰু গৱেষক, কৰ্ম্ম আৰু কৰ্ত্তা, নাম-ৰূপৰ অতীত নিৰঞ্জন। মায়া বোলা কবিতাত সাংখ্যৰ পঞ্চতন্মাত্ৰৰ কথা সুন্দৰীৰ ৰূপ-লাৱণ্যৰ সহায়েৰে বৰ্ণাইছে।

লোকগীতিৰ মাতকথা আৰু সুৰৰ লগত আধুনিক কবিতাৰ সম্বন্ধ ঘটোৱা বিষয়ত আগৰৱালাই বাটকটীয়া। তাৰ পাছতেই বেজবৰুৱাই এই ক্ষালে হাত দিয়ে। পৰৱৰ্ত্তীকালৰ কাব্যত লোকগীতিৰ প্ৰভাৱৰ ইয়াতেই আৰম্ভ। অসমৰ গাঁৱলীয়া দৃশ্য-

ফুলাসৰিয়হভৰা, তামোল-লেটেকু-বাঁহগছেৰে ভৰা এৰাবাৰী, চাপৰি বজাই ধেনু খৰ্মিনীহোঁৱাৰী আগৰৱালাৰ কবিতাত প্ৰথমে দেখা পাওঁ। এই স্থানীয় ছবিবোৰ বেজবৰুৱা, বজেশ্বৰ মহন্ত, দুৰ্গেশ্বৰ শৰ্মাৰ কবিতাতো দেখা যায়।

আগৰৱালাৰ কবিতাৰ ভাষা আৰু ছন্দ সৰল, আড়ম্বৰহীন আৰু সমাহিত। ইয়াৰ সঙ্গীতময় ভাষাৰ উন্মাদনা নাই। প্ৰকৃতি, মানববন্দনা, নীৰৱ, তেজীমলা আৰু বীণবৰাগীৰ বিষাদৰ ছাঁটপৰা চিন্তাশীল লিৰিকৰ স্পন্দন আছে। অনেক ঠাইত ভাবৰ হেঁচাত ভাষা-ছন্দ গদ্যগন্ধী হৈ পৰিছে। শুকুলী হাঁতীত উঠি গোসাঁয়ে দেখিলো। এজাককৈ গিলেহি পোহৰ মেলি.... এই কবিতাত সাধুকথা, পুৰাণ আদিৰ চিত্ৰকল্পৰ সমাবেশ হৈছে আৰু প্ৰতীকৰ সহায়ত আন্ধাৰ-পোহৰৰ চিৰকলীয়া কথৰ বুজিবলৈবাবা কথৰ ইঙ্গিত দিছে।

কাব্যত যাইকে তিনিটা উপাদান মানুহে বিচাৰে, সঙ্গীত, চিত্ৰ আৰু চিন্তা। সৰহভাগ কাব্যতে এই তিনিওটা বস্তু একেলগে পাবলৈ আশা কৰিব নোৱাৰি। আগৰৱালাৰ কবিতাতো চিন্তাৰ খোৰাক সৰহ, সঙ্গীত আৰু চিত্ৰ তাকৰ।

কোনো কোনো সমালোচক পণ্ডিতে প্ৰথম আধুনিক অসমীয়া কবিসকলক ৰ'মাণ্টিক বা নৱন্যাসৰ কবি বুলি আখ্যা দিয়ে। তেনে এটা আচহুৱা লেবেল্ মাৰি দিয়াটো মই অলপধৰুৱা মনৰ প্ৰবৃত্তি বুলি ভাবো। ৰ'মাণ্টিক কথাটো বেলেগ দেশৰ বেলেগ কালৰ পৰিবেশত সৃষ্টি হৈছিল। অৱশ্যে ৰ'মাণ্টিক যদি কাব্যৰ এটা বিশেষ স্বভাব বুলি ধৰাহয় তেন্তে ইয়াক বেলেগ নাম দিবও পাৰি।

আগৰৱালাক 'ক্লাচিকেল্' কবি বুলিবৰহে মন যায়। তেওঁৰ কবিতাত ক্ষোভ-নিৰাশা নাই। তেওঁ আশাবাদী, আদৰ্শবাদী। বাস্তৱৰ মাজতো তেওঁ সৰ্বমাৰ দৈৱীগুণ আৱিষ্কাৰ কৰিছে। তেওঁৰ প্ৰকাশভঙ্গীও সম্পূৰ্ণ সৰল, সাত্ত্বিক, ঋজু। চন্দ্ৰকুমাৰ অসমীয়া বৈষ্ণৱ সাহিত্য প্ৰচাৰক হৰিবিলাস গুপ্তৰ আত্মজ। কাঁটেৰ প্ৰত্যক্ষ বা পৰোক্ষ অনুগামী হৈয়ো তেওঁ হঠাতে কৈ উঠিছে —

দুখদূৰ কৰি জগৎ উদ্ধাৰ
কৰাহে জগৎ স্বামী।
* * * *
প্ৰভুৰ কাৰণে নিনিয়ে বি সুখে
হিয়াৰ যাতনা মাথো।
জড়জগতৰ চেতনা নিয়ন্তা
ৰথৰ সাৰথি তুমি।

চন্দ্ৰকুমাৰৰ কবিতাই পাশ্চাত্য দাৰ্শনিক ভাব প্ৰাচীন ভাৰতীয় চিন্তা, অসমীয়া লোকগীতিৰ ভাৱ-ভঙ্গী এই সকলোবোৰ সামৰি লৈ, আধুনিক অসমীয়া কাব্যৰ দীঘলীয়া

শাৰীৰ আগতে ঠাই লৈছে। তেওঁ কোনো ধৰ্ম-সম্প্ৰদায়ৰ মুখপাত্ৰ নহয়। পৃথিৱীখনৰ প্ৰতি শ্ৰদ্ধা আৰু পৃথিৱীৰ মানুহৰ আশা আদৰ্শ তেওঁৰ কাব্যৰ মাজেদি প্ৰকাশ পাইছে। তেওঁৰ কাব্যৰ সবহখিনি কিছুকালৰ মূৰত মানুহে পাহৰি যাব, সাহিত্যৰ বুৰঞ্জীৰ গৱেষক আৰু শিক্ষকে আগৰৱালাৰ পুৰণি সংস্কৰণ বিচাৰি হাবাথুৰি খাব লাগিব। গৌৰৱৰ কথা এই আধুনিক যুগৰ আৰম্ভতে বিশ্বমানৱৰ আশা আকাঙ্ক্ষাৰ সুৰ দিওঁতা সহস্ৰ কবিকণ্ঠৰ লগতে আচহুৱা অসমীয়া কণ্ঠও মিহলাই আগৰৱালা কবিয়ে অসমীয়া জাতিৰ প্ৰতিনিধিত্ব কৰিছে।

('সাহিত্য-সংস্কৃতি-প্ৰবাহ'ৰ পৰা)

# ডিম্বেশ্বৰ নেওগৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ কবিতা

চন্দ্ৰকুমাৰ আগৰৱালা ইংৰাজী নৱন্যাসৰ ত্ৰিমূৰ্ত্তি ৱৰ্ডছৱৰ্থ-কলেৰীজ্-ছেলীৰ দৰে অসমীয়া নৱন্যাসৰ ত্ৰিমূৰ্ত্তিৰ প্ৰথমটি আৰু ৰূপতে প্ৰধানটিও। ১৮৬৭ৰ ২৮ নৱেম্বৰত তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মাজানত হৰিবিলাস আগৰৱালাৰ দ্বিতীয় পুত্ৰ চন্দ্ৰকুমাৰ জন্ম হয়। একালে তীক্ষ্ম বুদ্ধি আৰু স্বাধীনচিন্তীয়া, ইফালে লাজকুৰীয়া আৰু কবিসুলভ প্ৰকৃতি, এই বিষম আৰু পৰস্পৰবিৰোধী স্বভাৱেই চন্দ্ৰকুমাৰক ল'ৰা কালৰপৰা বুঢ়া কাললৈকে নেৰিছিল। বিচক্ষণ ব্যৱসায়ী আগৰৱালাই যে 'প্ৰতিমা'ৰ পাকেত খনিকৰ, এদিন-দুদিন দেখাসকলৰ চকু আৰু মনৰ এই ভ্ৰম সহজে নাভাগে। সামাজিক ব্যৱহাৰত তেওঁক সৰৱৰহী বুলিব যে নোৱাৰিয়েই, সাধাৰণ কথা-বাৰ্ত্তাতো তেওঁ নিশ্চয় নিমজ্জ হ'ব নোৱাৰিছিল, বাস্তৱ জীৱনত বেজবৰুৱাৰ বাহিৰে তেওঁৰ হৃদয় দুৱাৰ আৰু দুই চাৰিজনতকৈ সৰহৰ আগত মেল নাখাইছিল। সাহিত্যতো ইংৰাজ কবি গ্ৰেৰ দৰে, এওঁ সম্পূৰ্ণ হৃদয়ভাণ্ডাৰ মেলি নিদিয়াৰ বাবে কেৱল দুখনি সৰু পুথিহে এওঁৰ পৰা পোৱা হ'ল, এওঁ যেন নিজে এওঁৰ কবিতাৰ "অকলই উৰি ফুৰে প্ৰাণৰ পখীটি।" বিশ্ববিদ্যালয় উপাধি বা ৰজাঘৰীয়া খিতাপ একোলৈকে আকাঙ্ক্ষা নথকাত পঢ়াশলীয়া জীৱনৰে পৰা বহুত বছৰ ব্যৱসায়ী পিতাকৰ লগত কলিকতাত আৰ্মেনিয়ান ষ্ট্ৰীটৰ নিজা ঘৰবাৰীত থাকি এণ্ট্ৰেন্স আৰু ফাৰ্ষ্ট আৰ্টছ মহলাত উঠি দুবছৰৰ অধিক কাল প্ৰেছিডেন্সী কলেজত বি.এ. শ্ৰেণীত থাকিও নিৰুপায়িক হৈ শেষত অসমলৈ ওলটে আৰু চাহ খেতি আদি পৈতৃক ব্যৱসায়ত লাগে। কলিকতাত পঢ়া কালতেই নিজ খোৱা খৰচৰ পৰা ধন সাঁচি তাৰে প্ৰথম বছৰ নিজে সম্পাদক থাকি, আৰু তাৰ পাছত বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক সম্পাদকৰ বাব দি, ১৮৮৯ চনৰ জানুৱাৰীত পোনতে 'জোনাকী' উলিয়ায়। প্ৰেছিডেন্সী কলেজত পঢ়া কালত বংগ দেশৰ অমৰ নেতা চিত্তৰঞ্জন দাস এওঁৰ সহপাঠী আছিল। বেজবৰুৱাই তেওঁৰ 'জীৱন সোঁৱৰণ'ত আগৰৱালাৰ প্ৰথম বছৰৰ 'জোনাকী'ৰ অপূৰ্ব গদ্যৰীতিৰ বিষয়ে কওঁতে কৈছে যোলে কলিকতাৰ উচ্চ আদালতৰ প্ৰধান বিচাৰপতি ছাৰ আশুতোষ চৌধুৰীৰ "পৰাধীন জাতিৰ ৰাজনীতি নাই" বোলা বিটি কথা শুনি সকলো চমৎকৃত হৈছে, তাৰ মৰ্ম 'জোনাকী'ৰ 'আত্মকথা'ত ছাত্ৰ-সম্পাদক চন্দ্ৰকুমাৰে তাৰ বহুত আগতে কৈছিল। কবিতাৰ বিষয়ে কওঁতেও লিখিছে যোলে সেই বছৰৰ 'জোনাকী'ত ওলোৱা 'বনকুঁৱৰী' আদি কবিতা পঢ়িহে অসমীয়া মকৰা মাতৃ-কথাৰেও এনে ধৰণৰ কবিতা লিখিব পাৰি বুলি মানুহে ভাবিব পাৰিছিল। ৰূপতে অসমীয়া নৱন্যাস যজ্ঞৰ চন্দ্ৰকুমাৰেই বাই প্ৰেতা।

ৱৰ্ডছৱৰ্থৰ দৰে পোনতে, চন্দ্ৰকুমাৰৰ ভাষা যে অত্যন্ত মৰুৱা, সৰল আৰু সোৱাদ তেওঁৰ সকলো কবিতাতে ইয়াৰ প্ৰমাণ পোৱা যায়।

দ্বিতীয়ত, ৱৰ্ডছ্ৱৰ্থৰ দৰেই প্ৰকৃতিৰ লগত এওঁৰ সম্পৰ্ক পোন-পটীয়া, আওপকীয়া নহয়; এওঁৰ অনুপম 'ফুলা সৰিয়হ ডৰা', নিয়ৰ আদিয়েই তাৰ উদাহৰণ ঃ

"মুকুতা মণিটি পাহিত জিলিকে ঘটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে সৰগত টোপনি যোৱা।
নিজম আকাশৰ নিচুক কথাটি হিয়াত থইছে সাঁচি,
কোন কাহানিৰ সপোন দেখিছে কোনে হাঁহিছিল নাচি?
ফুলনিত কোনে নিশা নাচিছিল ছিগি বই গল মণি,
বণ্ডিলীৰ ভাব হাঁহি নাচোনৰ ব'ল চিন এইকণি।
ৰাতিৰ ধেমালি জোনৰ নিফুট হাঁহিৰে থইছে সানি,
পুৱাৰ হেঙুলি বেলিটিলৈ চাই এটুপি চকুৰ পানী।
নিয়ৰ কলিৰে শোভে ফুল জুপি চাইছে ভাবতে ভাহি;
হায়, কি বিষম পেলালি বায়ুৰে জোকাৰি ফুলৰ পাহি!"

তৃতীয়ত, জাতি-বৰ্ণ নিৰ্বিশেষে মানুহ মানুহ-স্বৰূপেই এওঁৰ কবিতাৰ ঘাই বিষয় আছিল, "বিশ্ব-ভাৱৰীয়া", "মানব বন্দনা", আৰু "বীণ-বৰাগী" কবিতাৱলীত — (অধ্যয়ণ, ২০৫-১৮)

"আহিছে মানুহ, গইছে মানুহ, মানুহ মৰ্য়াপী জীৱ,
মানুহ সোঁতৰ অন্ত নাইকিয়া, বুলিলে মৰত কিয়?"

"হাঁহিছে মানুহ, কান্দিছে মানুহ পাতিছে মানুহে প্ৰেম।
ধূলিতে উদয়, ধূলিতে বিলয় ধূলিও স্বৰ্গীয় হেম।"

চতুৰ্থত, কলেৰীজৰ ভাগত পৰা আৰু তেওঁৰ 'পুৰণি নাৱিক' কবিতাত প্ৰকাশ পোৱা অতি-প্ৰাকৃতিক কথাও এওঁ নিজে বন-কুঁৱৰী, জল-কুঁৱৰী আদিৰ ভিতৰেদি প্ৰকাশ কৰিছে।

পঞ্চমত, দুখীয়াৰ দুখত গভীৰ সহানুভূতি ইংৰাজী নৱন্যাসৰ দৰে চন্দ্ৰকুমাৰেও ঘাইকৈ তেওঁৰ বীণ্ বৰাগী কবিতা সমূহত আৰু সমাজৰ অসমতাৰ বিৰুদ্ধেও অতি তীব্ৰভাৱে, বিদ্ৰোহী ৰূপে প্ৰকাশ কৰিছে —

"নিঃকিনলৈ কিয় দুখতে দুৰ্দশা, নিৰ্দয় বিধান ইটো?
দুৰ্বলীৰ গতি জীৱন্তে মৰণ, কিয় নথণ্ডিব সিটো?
নেলাগে কুটিল সংসাৰৰ পথ, নেলাগে চাপৰ ওখ;
আলেখৰ লেখ নেলাগে সম্পদ নেলাগে বিষয় সুখ।"

ষষ্ঠত, ইংৰাজী নৱন্যাসে স্কটলেণ্ডৰ জাতীয় গীত-কাব্যলৈ ঢাল খুউৱাৰ দৰে চন্দ্ৰকুমাৰে 'বীণ বৰাগী' আৰু 'ভেজীয়লা' কবিতা আদিৰে সেই জন সাহিত্যলৈ আঙুলিয়াইছিল।

ইংলণ্ডৰ ৰেষ্টৰেস্যন যুগৰ পৰা লুপ্ত হোৱা আৰু ৰবাৰ্ট বাৰ্ন্‌ছে পুনৰুদ্ধাৰ কৰা ওটীয়া প্ৰেমৰ ভাব তাৰ দৰে সপ্তম গুণ ৰূপে চন্দ্ৰকুমাৰত প্ৰকাশ পাইছে, "সুধা মুখ" আৰু অতুলন "মাধুৰী" আদিৰ ভিতৰেদি :

"ফুলোঁ নে নুফুলোঁকে কুমলীয়া কলিটি। ওঠত লাজেৰে বৈ মিচিকিয়া হাঁহিটি।।
সামৰি পাহৰি গৈ মেলি আধা প্ৰাণটি। উদঙাই ঢাকি থৈ উঠি অহা বুকুটি।।"

কিন্তু নবন্যাস কবিসকলত বিৰল আৰু ডন্ আদি ইংৰাজ মনস্তাত্বিক কবিসকলৰ (১৬৩৭-১৭৩১) দৰে আধ্যাত্মিকতা চন্দ্ৰকুমাৰৰ কবিতাৰ অষ্টম গুণ, তেওঁৰ 'বিশ্বভাৱৰীয়া', 'মই' আদি কবিতা এই শাৰীৰ। কিন্তু এই মনস্তাত্বিক কবিসকলৰ দৰেই চন্দ্ৰকুমাৰৰ ভাব কেতিয়াবা অস্পষ্ট হয়, আৰু ছন্দ কেতিয়াবা খোৰায়। তাৰ পৰা চন্দ্ৰকুমাৰ শিল্পীতকৈ কবি বুলিহে বুজিব পাৰি; কিয়নো স্বাভাৱিক গতিত তেওঁৰ কবিতাই চূড়ান্ত লভিছে। স্বৰূপতে চন্দ্ৰকুমাৰ বৰ্তমান সাহিত্যৰ এজন বিশিষ্ট বাণী সম্পন্ন শ্ৰেষ্ঠতম কবি; বাণীৰ উপৰিও এনে কাব্যৰ মহত্ত্ব (ছব্লিমিটি) গুণেৰে গুণী কবি বৰ্তমান সাহিত্যত বিৰল। উদাহৰণস্বৰূপে, ভাব-ভাষা উভয়তে মহত্ত্বৰ গগন-স্পৰ্শী কবিতা "আশীৰ্বাদ"।

চন্দ্ৰকুমাৰত মিল্টনৰ কবিতাৰ এই আপুকগীয়া মহত্ত্ব (ছব্লিমিটি) গুণ আৰু শেলীৰ সেই বিদ্ৰোহীভাৱৰ উপৰিও, কীটছৰ সেই নিজা সৌন্দৰ্য সাধনা অতিপ্ৰবল আছিল, "সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল, অভিনয় অন্তে মোৰ কাল যৱনিকা।" আদি অনেকৰূপে এওঁ ইয়াৰ সম্ভাৰি দিছে। ব্যক্তিগত জীৱনৰ সেই পৰস্পৰ-বিৰোধী স্বভাৱেও তেওঁৰ অভিনৱ ব্যক্তিত্বৰ এটি অপূৰ্ব মোহৰেই সঙ্কেত দিয়ে। তেওঁ বিচক্ষণ ধনিকৰ আছিল আৰু তেওঁ দিঠকত সুন্দৰৰ সপোন দেখিছিল সচা, কিন্তু সেই কলাবিদ্যাক ব্যৱহাৰত খটোৱা আৰু সপোন দিঠকক সানি-পুটকি এক কৰাই তেওঁৰ আচৰিত চেষ্টা আছিল। সুন্দৰক পদ্য-গদ্যতে আবদ্ধ নাৰাখি তেওঁৰ 'আসাম প্ৰিণ্টাৰ্ছ এণ্ড্ পাবলিশ্বাৰ্ছ'ৰ দৰেই তেওঁ সৌন্দৰ্য্যৰ এক 'লিমিটেড্ কোম্পানী' পাতি কামত লগাব খুজিছিল। কিয়নো তেওঁ ভাবুক আৰু কবি হ'লেও আলাসত চাংপতা বিধৰ কেতিয়াও নাছিল। আগৰ ছোৱাত তেওঁ গান্ধীবাদৰ বিৰোধী আছিল। কিন্তু ১৯২১ত মহাত্মা আহি বেতিয়া তেওঁৰ ডিব্ৰুগড়ৰ ঘৰত আলহি হ'লহি তেতিয়াৰ পৰাই তেওঁ অকল 'মহাত্মা গান্ধী' কবিতা লিখিয়ে ক্ষান্ত নহ'ল, ভিতৰে-বাহিৰে সম্পূৰ্ণ গান্ধীময় হৈ পৰিল। তেওঁ লিখিছিল, "মোৰেই মাজেদি মানৱ প্ৰাণৰ ফুটক আকুল-মাত। মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত।।" স্বৰূপতে মানৱ-প্ৰেমৰ এই মধুৰ আৰু গধুৰ বাণীয়ে চন্দ্ৰকুমাৰৰ কবিতা চিৰমুখৰ।

('নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ পৰা)

## ঔপন্যাসিক যোগেশ দাসৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ সুন্দৰ

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে মোৰ কাল যৱনিকা।"

এই সুন্দৰ কোন? বা কি? ইয়াকেই সত্য, শিব, ঈশ্বৰ বোলা হৈছে নেকি? পিছৰ কালত এই সুন্দৰেই নলিনীবালাৰ সুন্দৰ বা পৰম পদ নেকি? এয়েই ৰঘুকান্ত বৰকাকতীৰ শুভ্ৰতা-প্ৰতীকৰ মূল শিব নেকি? এয়েই ৰায়চৌধুৰীৰ প্ৰভু নেকি? কেউজন কবিৰ এই কল্পিত চৰিত্ৰটি একেটি কিবা শক্তি বুলি ভাবিবৰ থল আছে — তেওঁলোক সমসাময়িক বা সকলো সময়তে সমভাবাপন্ন নোহোৱা সত্ত্বেও। বেজবৰুৱাও চন্দ্ৰকুমাৰৰ সম-সাময়িক আৰু সহযোগী আছিল। কিন্তু মহাপ্ৰয়াণৰ যাত্ৰী আদি কবিতাত তেওঁ মুক্তিতো নিস্পৃহ বিধৰ যি বৈষ্ণৱ ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে তাৰ আধ্যাত্মিক ভাবৰ সৈতে আগৰৱালাৰ বীণ-বৰাগীত ব্যক্ত অতীন্দ্ৰিয় ৰহস্যভাবৰ মিল নাই। নলিনীবালাৰ পৰম প্ৰিয় সুন্দৰৰ লগতো বেজবৰুৱাৰ ঈশ্বৰৰ মিল নাই, শিব, প্ৰভু আদি আখ্যা দিয়া সত্ত্বেও বৰকাকতী আৰু ৰায়চৌধুৰীৰ লগতো মিল নাই। অমিল এই কাৰণেই যে বেজবৰুৱাই মাধৱদেৱৰ নামঘোষাত ব্যক্ত হোৱা ধৰ্মীয় দৰ্শনৰ বিধৰ অতীন্দ্ৰিয় জগতৰ মাধুৰী অনুভৱ কৰিছে, সেইখনৰ লগত বাকীসকলৰ সম্বন্ধ ঘটা নাই, বাকীসকলে ধৰ্মীয় দৰ্শন ব্যতিৰেকেই — চন্দ্ৰকুমাৰে "অভিনয় অন্তে মোৰ কাল যৱনিকা" বোলা সত্ত্বেও — এখন অতীন্দ্ৰিয় জগৎ আৰু এক অতীন্দ্ৰিয় শক্তিৰ অস্তিত্ব উপলব্ধি কৰিছে।

এই আধ্যাত্মিকতা ৰোমাণ্টিক ভাবাদৰ্শৰ পৰা উদ্ভূত। ধৰ্মীয় ভাবাদৰ্শৰ পৰা উদ্ভৱ হোৱা হ'লে অলপ নহয় অলপ আনুষ্ঠানিকতাৰ গোন্ধ-ভাৰ আমি পালোহেঁতেন। একেটা ৰোমাণ্টিক আন্দোলনৰ সহ হোতা হৈও বেজবৰুৱাৰ লেখাত কিয় ধৰ্মীয় আধ্যাত্মিকতাইহে ঠাই পালে তাৰ বিচাৰ ইয়াত নকৰিলেও হ'ব। পশ্চিমীয়া ৰোমাণ্টিক ভাবাদৰ্শ জোনাকী কাকতৰ যোগেদি অসমীয়া সাহিত্যত সোমাইছিল। জোনাকীৰ প্ৰতিষ্ঠাতা আৰু প্ৰথম সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। তেওঁৰ প্ৰথম কবিতা সংকলন প্ৰতিমা ৰবাপাৰ্থত প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাৰ উদাহৰণ। প্ৰকৃতি বন্দনা, মানৱ-প্ৰীতি, আত্মমুক্তিৰ আকাংক্ষা, অলৌকিকতাৰ কল্পনাত আনন্দ লাভ, অতীন্দ্ৰিয় জগৎ আৰু শক্তিৰ উপলব্ধি আদি ৰোমাণ্টিক লক্ষণসমূহ তেওঁৰ কবিতাত বিদ্যমান। বনকুঁৱৰীৰ লেখীয়া কবিতাত প্ৰকৃতিৰ সুকোমল প্ৰভাৱ বৰ সুন্দৰভাৱে পৰা দেখুৱাইছে, তেজীমলাৰ লেখীয়া কবিতাত ফুটি উঠা মানৱ-প্ৰেম আৰু অতীত প্ৰীতি নৱন্যাসৰে একোটি দিশ। জীৱনৰ সহযাত্ৰী মানুহৰ অন্যায়-অনীতি দেখি তেওঁৰ অন্তৰত উগ্ৰভাৱে জাগি উঠা কঠোৰ মনোভাৱত যি অতল মানৱীয়তা প্ৰকাশ পাইছে তাৰ তুলনা বিচাৰি পাবলৈ টান। পৰা হ'লে তেওঁ হেনো এই পাপ ময় জগৎখনক ভাঙি নতুনকৈ গঢ়ি ললেহেঁতেন ঃ

হিমালয় চূড়া বুৰালেহেঁতেন "উছলি কলীয়া পানী", জোন-বেলি-তৰা জাকে জাকে টানি আনি এই ব্ৰহ্মাণ্ডখনক প্ৰলয় জলধিৰ তল নিয়ালেহেঁতেন, কাৰণ তেওঁৰ ইচ্ছা —

নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।

এই মানৱীয়তাৰ কথা বিশেষভাৱে কোৱাৰ উদ্দেশ্য এয়ে যে এই ভাব চন্দ্ৰকুমাৰৰ আধ্যাত্মিকতাৰ সৈতে ওতঃপ্ৰোতভাৱে মিহলি হৈ আছে। বীণ-ব'ৰাগীত এই দুটা ভাব এনে সূক্ষ্মভাৱে মিহলি হৈ আছে যে বহুত সময়ত পাৰ্থক্য ধৰিবলৈকে টান হৈ পৰে, নাইবা সেয়া কবিৰ খণ্ডিত সত্ত্বা বুলিও ধাৰণা হ'ব পাৰে। "কুকুৰে কামোৰা, ছৰোলে দলিওৱা" দুখীয়াৰ দুখেৰে পৰিপূৰ্ণ, "মজিয়া ভকেভকাই" যোৱাকে "কুটুমৰ তেজেৰে বত্তি জ্বলোৱা" এইখন জগতত যিখন "পৃথিৱী স্বৰ্গতো অধিক, মানুহৰ নিজাপী ঘৰ" এইখনত "মানুহৰ প্ৰীতি সাধিবলৈ" মানুহক আহ্বান কৰাৰ লগে লগে ধৰণীৰ ধূলিত তেওঁ "স্বৰ্গীয় হেম" দেখিবলৈ পালে — গৰুৰ খোজত আকাশখন দেখিলে। এই ভাব হিয়াত উদিত হ'বৰে পৰা কবি, সৃষ্টি, স্ৰষ্টা একাকাৰ হৈ গ'ল। ৰায়চৌধুৰীয়ে তুমি কাব্যত তেওঁৰ প্ৰভুক বিভিন্ন জাগতিক দৃশ্যৰ মাজত প্ৰকাশিত হোৱা দেখিছে, নিজৰ মাজেদিও প্ৰভুৰ প্ৰকাশ দেখিছে। চন্দ্ৰকুমাৰেও সুন্দৰৰ মুখত তেওঁৰ মুখা বা প্ৰতিবিম্ব দেখিবলৈ পাইছে। তেওঁ কৰা প্ৰতিটি কৰ্ম অদৃশ্য সুন্দৰে কৰিছে বা কৰোৱাইছে। তেওঁ দেখিছে এই সুন্দৰক গোটেই জগতে বলীয়া হৈ বিচাৰি ফুৰিছে, কাৰণ সুন্দৰে অসুন্দৰকো সুন্দৰ কৰে — যিদৰে তেওঁক কৰিছে বুলি তেওঁৰ অনুভৱ হৈছে। মানৱী জীৱনতে চন্দ্ৰকুমাৰে সৰগ আৰু মৰতক একাকাৰ কৰাৰ উদাহৰণ আছে প্ৰতিমাৰ বিমুখ আৰু যুগমীয়া শোকত ঃ চেনেহৰ জীয়াৰী কুমলীয়া বয়সতে চিৰ দিনলৈ সংসাৰৰ পৰা আঁতৰি গ'ল। তেওঁৰ মতে "পলাই মাৰিলি লৰ মহা খেমালিলৈ, অনন্ত হাঁহিৰে য'ত বিশ্ব হাঁহিময়" — আৰু তেতিয়া তেওঁ শোক যুগমীয়া হওক বুলি কামনা কৰিছে যাতে "আই"ৰ কথাকে ভাবি তেওঁ মানুহক ভাল পাবলৈ শিকাৰ উপৰি —

হিয়াৰ মাজত সদায় জ্বলোক
চিৰদিন দেখা পাম স্বৰ্গৰ আলোক।

পাৰ্থিৱ প্ৰাণী সক ছোৱালীটিৰ জৰিয়তে তেওঁ স্বৰ্গখনক অনুভৱ কৰিছে। পৰপাৰৰ কথা সকলোৱে ভাৱে, মৰিলে তালৈ যায় বুলি ভাৱে — বিশেষকৈ অতি চেনেহৰ জন যদি মৰে নলিনীবালাৰ পুতলী যেনেকৈ গৈছে। কিন্তু চন্দ্ৰকুমাৰৰ "আই"জনী স্বৰ্গৰ পৰাই আহিছিল, সেয়ে তেওঁৰ নিজৰ ঘৰ, মৃত্যুত মাত্ৰ "দুৱাৰৰে পৰা উভতিলি ঘৰলৈ।" ৱৰ্ডছৱৰ্থৰো "আত্মাৰ ঘৰ" সৰগখন, আত্মাই তাৰ পৰাই সৰগীয় গৌৰৱ ডাৱৰৰ কেতন উৰুৱাই ইয়ালৈ আহে, তেওঁৰ শিশুটিৰে চৌপাশে স্বৰ্গৰ আভাস থাকে — বয়স বাঢ়ি আহিলে সেই স্বৰ্গীয়তা নোহোৱা হৈ যায়, শিশু সাধাৰণ মানুহ হৈ পৰে।

সুন্দৰ আখ্যায়িত সেই মহান শক্তিটোৰ অৰ্থ কৰিবলৈ আগৰৱালাই স্বৰ্গ শব্দৰ দৰে সত্য, শিৱ, ঈশ্বৰ আদি শব্দও প্ৰয়োগ কৰিছে —

জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।

এই ফাঁকিৰ সৈতে সহজেই তুলনা আহিব "সত্যম্ শিৱম্ সুন্দৰম্" নাইবা কীটছৰ "Beauty is truth, truth is beauty" কথাৰ নাইবা গান্ধীজীৰ সত্যই ঈশ্বৰ কথাষাৰো মনলৈ আহিব (চন্দ্ৰকুমাৰ গান্ধীজীৰ ভক্ত আছিল, তেওঁ 'মহাত্মা' কবিতাত বীণ-বৰাগীৰ আৰম্ভতে বলশালী প্ৰভাৱৰ কথা স্বীকাৰ কৰি গৈছে।) বাণীবৰ নীলমণি ফুকনৰ হিয়ালৈ জ্যোতি কণা এটি পোনে পোনে সৰগৰ পৰাই নামি আহিছিল। সেয়ে ফুকনৰ কাব্য সৃষ্টিৰ মূল উৎস। চন্দ্ৰকুমাৰৰ পক্ষেও জীৱন বুলিবৰ অভিজ্ঞতা খিনি সত্য, শিৱ, অসীম সুন্দৰৰ পোনপটীয়া আৰ্শীবাদৰ ফল ঃ

জ্ঞান ফিৰিঙতি এটি পাই,
অনন্ত জ্ঞানৰ
স্বৰগলৈ মানুহ উধায়
ৰহস্যৰ ঘৰ।

বীণ-বৰাগী হৈ কুটুমে কুটুমক খোৱা এই পাপৰ মজিয়া স্বৰূপ জগৎ-খনত "নতুন সৃষ্টিৰ অৰুণ কিৰণ কামনা কৰি "নতুন জগত" এখনৰ কাৰণে "জগৎস্বামীক" প্ৰাৰ্থনা কৰিছে। জগৎস্বামীলৈ মনত পৰিলতে অনন্ত জীৱনৰ বাটত যুগ-যুগান্তৰ ধৰি মানুহৰ অন্তহীন যাত্ৰাৰ কথা তেওঁৰ মনত পৰিল — সংসাৰৰ কথা পাহৰিলে। মনে সংসাৰৰ বান্ধ মোকোলাই ল'লে। সিপাৰৰ ডাক শুনি ৰবীন্দ্ৰনাথৰো এনে হৈছিল।

ফেলে যেতে চায় এই কিনাৰায়
সব চাওয়া সব পাওয়া।

তেতিয়া "ময়েই" জগৎখন হৈ উঠে, স্ৰষ্টায়েই টিপতে লুকুৱা টিপচীটিও হয়, আকৌ "গৰুগুৰ পখা মেলি" বিচাৰিও ফুৰে। জোন-বেলিয়ে জেউতি প্ৰকাশা সমস্ত জগতখন প্ৰাণে মুকলিকৈ উপলব্ধি কৰে — যিখন জগৎ এদিনৰ নহয়, চিৰদিনৰ নহয় অকল আজিহে পোৱা নহয়, অতীজৰে পৰা পোৱা ঃ

অসীম সাগৰ মোৰ নাৱেৰেই ভৰা,
মহা সদাগৰ মই অতীজৰে পৰা।

জীৱনটো সাউদৰ বেহা মাথোন বা এটা ভাওনা ঘৰ শ্বেক্সপীয়েৰৰ "ষ্টেজ" — য'ত মানুহে অভিনয় কৰে আৰু "অভিনয় অন্তে ঘোৰ কাল যৱনিকা।" কিন্তু কেৱল মঞ্চত ভাও দিয়াৰ দৰে জীৱনৰ কেউটা কাল কটাই গুচি যোৱাৰ কথাকে চন্দ্ৰকুমাৰে ক'ব খোজা

নাই। সৰগ তেওঁ বিচাৰিছে সঁচা। কিন্তু জীৱনৰ বেহুানিতে তাৰ উপলব্ধি হ'ব পাৰে। এইখিনি সাধাৰণ কল্পনাৰ সৰগ আৰু চন্দ্ৰকুমাৰৰ অনন্ত বা সৰগৰ পাৰ্থক্য। আমি সকলোটি ভাৱৰীয়া বা হাটকৰা-বাটকৰা ("হেৰা হেৰা বাটকৰা, মৰমৰ ভাইহঁত, নেৰিবা নেৰিবা মোক, এই মায়া বজাৰত" — মফিজুদ্দিন)। আমি মায়াত আবদ্ধ। কিন্তু ইয়াত থাকিয়েই মনৰ মাজেদি উপলব্ধিৰ সহায়েৰে আমি সৰগখনৰ কথা, অসীমৰ কথা ক'ব পাৰো ঃ

হিয়াৰ মাজেদি অনন্ত সুখৰ
পৰি আছে ৰাজবাট।
মনৰ বেহানি কিনি বিকিলই
ফুৰিম সংহাৰ হাট।।

(বীণ ব'ৰাগী)

*   *   *

স্বৰ্গ কেনে কোনে জানে সুধিমেই কাক?
হৃদয়েই মোৰ দেখো চিনাকি সৰগ।

(হৃদয়-সৰগ)

*   *   *

হিয়াৰ মাজেই অনন্তৰ পথ
যাত্ৰী আমি আগবাঢ়ো।

(আনন্দ তীৰ্থ)

গতিকে চন্দ্ৰকুমাৰৰ স্বৰ্গখন সাধাৰণ মানুহৰ কল্পিত সৰগখনেই — মাত্ৰ উপলব্ধি পৃথক। প্ৰকৃত স্বৰ্গৰ ৰহস্য চাক্ষুষ ভাৱে তেওঁ ভেদ কৰিব পৰা নাই। নহ'লে ঘূৰি ঘূৰি হৃদয়লে তেওঁ কেতিয়াও উলটি নাহিলহেঁতেন। নহ'লে "অভিনয় অন্তে ঘোৰ কাল যৱনিকা" বুলি ক'ব লগা নহ'লহেঁতেন। পাৰ্থিৱ জীৱনৰ অভিনয়ৰ পিছত কি? সত? শিৱ? ঈশ্বৰ? অসীম সুন্দৰ? হয় বুলি ক'লে সেইটো কেৱল বিশ্বাসৰ কথা হ'ব। দৰাচলতে ইয়াৰ পিছত অন্ধকাৰ — "কাল যৱনিকা"। ওমৰ খায়ামৰ দৰেই পৰপাৰখন স্পষ্টভাৱে তেওঁ দেখা নাই — ভৱিষ্যতৰ গৰ্ভত কি আছে ক'ব নোৱাৰে। খায়ামৰ দৰেই তেওঁও ভাবিছে যে বিশ্ব-ভাৱৰীয়া ভগৱানে সকলো জাগতিক কাম কৰাইছে — মানুহে কৰো বুলি একোকে কৰা নাই। এই কামত, এই কৰোৱাত ভগৱানে মানুহৰ কথা ভাবিছেনে নাই কোনে ক'ব? সেই কথা খায়ামেও জীৱন পাত কৰি উলিয়াব নোৱাৰিলে। খায়ামৰ ৰুবায়াতৰ প্ৰতিধ্বনি উঠিছে যেন চন্দ্ৰকুমাৰৰ প্ৰাণত ঃ

আপোন খেলত তুমি আপুনি মগন,
ভাঙিছা-পাতিছা, পৰি উঠিব খুজিছা।

তেওঁৰ মানত 'আনন্দ তীৰ্থ' হে প্ৰকৃত প্ৰভাস। কাৰণ সাধাৰণৰ "তীৰ্থত বিৰাজে তীৰ্থৰ দেৱতা, প্ৰভু জগন্নাথ" কিন্তু আনন্দ তীৰ্থত বিৰাজে "অনন্ত কালৰ অনন্ত সোঁতৰ, আনন্দ লোকৰ নাথ।" খায়ামেও স্ৰষ্টাৰ অস্তিত্ব অস্বীকাৰ কৰা নাই। কিন্তু তেওঁক ক'ত কেনেকৈ পাব পাৰি সেইটো অনিশ্চিত। নিশ্চয়তা চন্দ্ৰকুমাৰেও নেপালে।

('চন্দ্ৰকুমাৰৰ সাহিত্য প্ৰতিভা'ৰ পৰা)

## দ্বিতীয় পৰিচ্ছেদ

"নতুন অকল
বিচাৰিলে নাই,
নতুন পুৰণি
মিহলি যে ভাই।"

(আক কিয় ? : চন্দ্ৰকুমাৰ আগৰৱালা)

# চন্দ্ৰকুমাৰৰ কবিতা

ড° নগেন শইকীয়া

কবিতা স্বয়ং একবোধ — A realising sense — তথ্য নহয়, তত্ব নহয়, পোণপটীয়া জ্ঞান নহয়, এক বোধ। জীৱনানন্দ দাশে তেওঁৰ 'বোধ' নামৰ কবিতাটিত কৈছে ঃ

"আলো-অন্ধকাৰে যাই — মাথাৰ ভিতৰে
স্বপ্ন নয়-কোন এক বোধ কাজ কৰে;
স্বপ্ন নয় - শান্তি নয় ভালোবাসা নয়,
হৃদয়েৰ মাঝে এক বোধ জন্ম লয়।"

হৃদয়ৰ মাজত জন্ম লোৱা এই ব্যাখ্যাহীন 'বোধ' কবিয়ে, কেৱল কবিয়েই নহয় সকলো শিল্পীয়েই, নিজৰ মাধ্যমেৰে ধৰি ৰাখিব খোজে। কবিৰ মাধ্যম শব্দ, সংগীত-শিল্পীৰ মাধ্যম সুৰ আৰু চিত্ৰশিল্পী, ভাস্কৰ, স্থপতি আৰু নৃত্য শিল্পীৰ মাধ্যম ৰেখা। কিন্তু উকা শব্দ, উকা সুৰ আৰু উকা ৰেখাৰে 'বোধ' সংৰক্ষণ কৰা বা প্ৰকাশ কৰা সম্ভৱ নহয় বাবেই প্ৰতিগৰাকী শিল্পীয়ে নিজৰ মাধ্যমক তাৰ বাবে উপযুক্ত কৰি তুলিবলৈ যত্ন কৰে — 'যত্ন কৰে' বোলাতকৈ 'সাধনা কৰে' বুলিলেহে উচিত কোৱা হ'ব। বোধৰ তীব্ৰতাই Spontaneaus overflow ঘটায়; বোধৰ গভীৰতাই Recollection in tranquility ৰ কথা সোঁৱৰাই দিয়ে। বোধৰ গভীৰতা সৃষ্টি হয় কবি বা শিল্পীৰ জীৱন দৃষ্টিভংগীৰ গভীৰতাৰ পৰা। জীৱনক বিশ্বৰ পটভূমিত কবি বা শিল্পীয়ে কেনেদৰে আৰু কিমান গভীৰতাৰে অনুভৱ কৰিছে, তেওঁৰ অনুভৱ এই বিশিষ্টতাই তেওঁৰ বিভিন্ন মুহূৰ্তৰ আবেগ আৰু অনুভূতিক নিয়ন্ত্ৰণ কৰে। মুহূৰ্তৰ বোধে তেতিয়া জীৱন-বোধৰ লগত সম্পৃক্ত হৈ সৃষ্টি কৰা অনুভূতিয়ে প্ৰকাশ ভিক্ষা কৰে। কবিয়ে তাৰ বাবে চিত্ৰময় আৰু ধ্বনিময় 'ভাষা'ৰ সন্ধান কৰে। প্ৰত্যেক কবিয়ে এনেকৈ নিজৰ কবিতাৰ ভাষা সৃষ্টি কৰি লয়। সেই বাবেইতো এজন কবিৰ কবিতাৰ 'ভাষা' আন এজন কবিৰ কবিতাৰ 'ভাষা'ৰ লগত নিমিলে। কাৰণ এই 'ভাষা'ৰ লগত কবিৰ চিন্তা, ভাবনা, বোধ, সংস্কাৰ, প্ৰকৃতিসহ তেওঁৰ অন্তৰ্জীৱন অংবশিষ্ট হৈ থাকে। ইবিলাকেই নিৰ্ণয় কৰি দিয়ে তেওঁৰ কবিতাৰ ভাব-সম্পদো। এজন কবিৰ কবিতাৰ ভাব-সম্পদৰ মূল্য নিৰ্ভৰ কৰে তেওঁৰ জীৱনবোধৰ গভীৰতাৰ ওপৰত। আধুনিক যুগৰ অসমীয়া কবিসকলৰ বিষয়ে আলোচনা কৰিলেই এনে গভীৰতা অনুভূত হয় চন্দ্ৰকুমাৰৰ কবিতাৰ মাজত। তেওঁৰ আনকি অজেয়ৰ দৰে কবিতাৰ তীব্ৰ অনুভূতিকো তেওঁৰ বোধৰ গভীৰতাই নিয়ন্ত্ৰণ কৰি দান কৰিছে এক সংযত ৰূপ। তেওঁৰ কবিতাৰ ৰোমাণ্টিকতাৰ মাজতো এক ধ্ৰুপদী চৰিত্ৰ বৰ্তমান। দ্বিতীয় এজন অসমীয়া কবিৰ মাজত এনে বিশিষ্টতা বিচাৰি পোৱা টান হ'ব।

চন্দ্ৰকুমাৰৰ এতিয়ালৈকে পোৱা কবিতাৰ সংখ্যা হ'ল মাত্ৰ বাসত্তৰটি। এই বাসত্তৰটি কবিতাৰ প্ৰতিটি কবিতাই স্ব-মহিমাৰে উজ্জ্বল। তাৰে ভিতৰত প্ৰতিমাত সংকলিত কবিতা কেইটিৰ প্ৰতিটিয়েই একোটি মাণিক।

চন্দ্ৰকুমাৰে জীৱনক কেনেভাৱে অনুভৱ কৰিছে, সেই কথা অনুধাৱন কৰিলেই তেওঁৰ কবিতাৰ ভাব সম্পদৰ আমি ওচৰ চাপিব পাৰিম। তেওঁৰ মাজত সৃষ্টি কৰা স্ৰষ্টাৰ এককত্ব সম্পৰ্কীয় ভাৰতীয় বিচাৰ — যিটো তেওঁৰ বিশ্ব ভাবৰীয়া নামৰ কবিতাটিৰ ভাবৰ আধাৰ — আৰু আনহাতে পশ্চিমৰ মানৱিকবাদী দৃষ্টিভংগী — যিটো তেওঁৰ 'মানৱ-বন্দনা'ত উচ্চাৰিত হৈছে, — এই দুয়োটাৰ এটি সমন্বয় সাধিত হৈছে; অৰ্থাৎ, উপনিষদৰ "সোঽহং আৰু বাইবেলৰ "মানৱ সেৱাই ঈশ্বৰ সেৱা" — এই দুই ভাবনাৰো যেন সন্মিলন ঘটিছে। তেওঁৰ বীণ-বৰাগী এই সন্মিলিত ভাবনাৰ এক সৰল আনুভূতিক অভিব্যক্তি। বীণ-বৰাগীৰ মূল লক্ষ্য মানুহক সকলো দুখ আৰু যন্ত্ৰণাৰ পৰা ৰক্ষা কৰা; কিন্তু এনে দুখ আৰু যন্ত্ৰণাৰ ৰক্ষাকৰ্তাস্বৰূপে তেওঁ চিনাক্ত কৰিছে — জগৎ স্বামী, পৰাৎপৰ, অদৃশ্য ঐশীশক্তিক। চন্দ্ৰকুমাৰৰ মাজত ঘটা প্ৰাচ্যৰ আধ্যাত্মিক দৃষ্টি আৰু পাশ্চাত্যৰ জীৱনবাদী দৃষ্টিৰ এই সন্মিলন আকস্মিক আৰু অস্বাভাৱিক নহয়, বৰং দুয়োটি দৃষ্টিৰ এক স্বাস্থ্যকৰ বিকাশ আৰু অভিব্যক্তি ইয়াৰ মাজত লক্ষ্যণীয় হৈ উঠিছে। তত্ত্ব হিচাপে তেওঁ আত্মাৰ লীলাময় ৰূপত বিশ্বৰ সৃষ্টি-স্থিতি-লয় অনুভৱ কৰিছে ঃ

"আপোন খেলত তুমি আপুনি মগন
ভাঙিছা, পাতিছা, পৰি উঠিব শিকিছা,
সৃষ্টি পাতনিৰে পৰা নীল আকাশত
কিৰণৰ জাল মেলি ডাৱৰ ধৰিছা।
টিপচীটি হৈ উৰি টিপতে লুকাই
গৰুড়ৰ পখা মেলি বিচাৰি ফুৰিছা।"

(বিশ্ব ভাবৰীয়া)

নাইবা, "সংসাৰ মোৰেই পূৰ্ণ দেখো / আছো মাথো নিৰঞ্জন মই" (মই), নাইবা বীণ বৰাগীৰ চতুৰ্থ অংশটিৰ "মোৰেই জগৎখন মোকেই মাতিছে/ গৃহস্থলে আলহীৰ আসন পাতিছে" আদি অনেক এনে পংক্তি আছে য'ত তেওঁ নিৰাকাৰ, সৰ্বব্যাপী, সৰ্বভূতময় ব্ৰহ্মৰ অস্তিত্ব আৰু লীলা সম্পৰ্কে তেওঁৰ বোধ আৰু বিশ্বাস দাঙি ধৰিছে। চাবলৈ গ'লে এনে বোধ আৰু বিশ্বাসৰ পিছত জীৱনৰ সুখ বা দুখৰ পাৰ্থক্যৰ কথা উঠিব নালাগিছিল। কিন্তু চন্দ্ৰকুমাৰে তত্ত্বগতভাৱে ঐশীশক্তিৰ অস্তিত্ব আৰু অবিনশ্বৰত্ব মানি ল'লেও মানহৰ তেজ মঙহৰ জীৱনৰ সুখ-দুখ, আনন্দ বিষাদৰ অস্তিত্বও স্বীকাৰ কৰিছে; তেওঁ জীৱনৰ ক্ষণিকতা, নশ্বৰতা আৰু বিশ্বব্ৰহ্মাণ্ডৰ বুকুত তাৰ অৰ্থহীনতাৰ কথাও অনুভৱ কৰিছে। "কোনে জানে কিবা বিচাৰি আহিছো/নিজেও নোৱাৰো ক'ব/আপোনাৰ ভাব আপুনি

নেজানো/নেজানো পিছে কি হ'ব?/কি কামত আহি কিহত ঘূৰিছো .............."(পৃথিৱীৰ দলি) নাইবা, "আমাৰ ইদিন নেথাকে সদাই/কান্দিব লাগিব মিত্ৰা" (সপোন), নাইবা, "অনন্ত কোলাত কি সুখ কি দুখ/ নেজানে গুণেই সকলো বিমুখ" (সৰা-পাহি) আদি অনেক শাৰীৰ মাজত তেওঁ জীৱন সম্পৰ্কীয় দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। অনন্তৰ সোঁত, প্ৰকৃতি, সংশয় ৰহস্য, নিয়ৰ আদি অনেক কবিতাৰ মাজত সেই বোধৰ সুৰ বাজি আছে; অকমান কাণ পাতিলেই তাক ধৰিব পাৰি। "অনন্তৰ যিটি সোঁতে আনিলে আমাক/সেই সোঁতে নিব উটুৱাই"— এই সত্য তেওঁৰ মাজত সদায় জাগ্ৰত। অনন্ত বিশ্ব আৰু অনন্ত সময়ৰ বুকুত জীৱনক থৈ তেওঁ তাৰ ৰহস্য অনুভৱ কৰিবৰ বাবে কৰা যত্নৰ স্বাক্ষৰ তেওঁৰ কবিতাৰ এটি প্ৰধান অন্তৰ্নিহিত সোঁত। এই জীৱন-জিজ্ঞাসাই তেওঁৰ কবিতাক দিছে এটি বিৰল গাম্ভীৰ্য।

উল্লিখিত জীৱন জিজ্ঞাসাই পাৰ্থিৱ জীৱনৰ মায়া-মোহ সম্পৰ্কেও আকৌ আন জিজ্ঞাসাৰ সৃষ্টি কৰিছে ঃ "নেলাগে নেপাওঁ যিটো কিয় মৰো পূৰি," নাইবা "সঁচা-মিছা কিনো, ধৰিম এৰিম কাক? সকলো বিষম ভ্ৰমৰ ঘোৰ।" এনে অভিব্যক্তিৰ মাজত জীৱন-সম্পৰ্কে যেন উত্তৰহীন অসহায়তাৰ প্ৰকাশ ঘটিছে। চন্দ্ৰকুমাৰৰ আনটি ভাব সম্পদ হ'ল তেওঁৰ নান্দনিক দৃষ্টিভংগী। বেজবৰুৱাই যেতিয়া "বনৰ সৌন্দৰ্য ৰূপ ধৰি আহি দেও দি দুৱৰি খায়" বুলি হৰিণা পোৱালিৰ বৰ্ণনা দিয়ে, নাইবা হেমচন্দ্ৰ গোস্বামীয়ে যেতিয়া কয় "কুকুৰাঠেঙীয়া সেই আধৰকিটিত যি সৌন্দৰ্য্য দনা আছে আৰু কতো নাই," তাৰ মাজত তেওঁ বিলাকৰ নান্দনিক চেতনাৰ সুন্দৰ প্ৰকাশ ঘটা দেখা পোৱা যায়। কিন্তু চন্দ্ৰকুমাৰৰ মাজৰ এই চেতনা তেওঁৰ পূৰ্বে কৈ অহা জীৱনবোধৰ লগত সম্পৃক্ত হৈ আছে। তেওঁ কৈছে ঃ

> "কত ক'ৰবাত — এফেৰি ৰূপৰ কান্তি,
> —অজ্ঞানে সজ্ঞানে সেয়ে ধ্যান জ্ঞান মোৰ "(সৌন্দৰ্য)

একোটি কবিতাত কৈছে ঃ

> "ফুৰিছো যাত্ৰীৰ বেশে স্বদেশ-বিদেশ
> সৌন্দৰ্য আভাস য'তে পাওঁ একণিকা।"

কবিতাটিৰ সামৰণি মাৰিছে ঃ

> "সুন্দৰৰ আৰাধনা জীৱনৰ খেল।
> অভিনয় অন্তে ঘোৰ কাল যৱনিকা।"

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল"—এই 'স্মৰণীয় উক্তি'টোৰ মাজত তেওঁৰ বিশ্ব প্ৰপঞ্চৰ চাক্ষুষ ৰূপৰ এটি মৌলিক ধাৰণাই প্ৰকাশ লাভ কৰিছে। "সুন্দৰবো সুন্দৰ সংসাৰ দুদিনীয়া"'ৰ দৰে অভিব্যক্তিৰ মাজত এহাতে ৰূপৰ পৃথিৱী আৰু আনহাতে তাৰ নশ্বৰতা - দুয়োটাৰ সহ অৱস্থান ঘটিছে। তেওঁ জানে — "এন্ধাৰে পোহৰে আৰু মৰমে-

বেজাৰে/সুখে-দুখে সান-মিহলিৰ খেল"। তেওঁৰ এই নান্দনিক চেতনাই ওপৰৰ আৱৰণ ভেদি জীৱন আৰু জগতৰ অন্তঃস্থলী স্পৰ্শ কৰিছে। কিশোৰী আৰু মাধুৰীৰ মাজত বাহিৰত 'ফুটোনে নুফুটোকৈ' ফুৰি উৰা আধা ঢকা আধা মেলা ছবিটিৰ মাজত ফুটি উঠিছে ভিতৰৰ "লাজ-শান্ত উত্ৰাবল নবীন হৃদয়।" সেই বাবেইতো তাৰ সৌন্দৰ্য অপৰূপ হৈ উঠিছে। কেৱল যদি ওপৰৰ বৰ্ণচ্ছটাৰ বিৱৰণহে কবিতা দুটাত থাকিলহেঁতেন, তেনেহ'লে পাঠক ইমান গভীৰভাৱে মুগ্ধ নহ'লহেঁতেন।

চন্দ্ৰকুমাৰৰ বনকুঁৱৰী সম্পৰ্কে মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই প্ৰকাশ কৰা বিমুগ্ধ অভিমত বেজবৰুৱাই তেওঁৰ জীৱন সোঁৱৰণত লিপিবদ্ধ কৰি থৈ গৈছে। বনকুঁৱৰীত "যক্ষিণী কুমাৰী"য়ে "মুকলি চুলিৰে নাম গায় ঘুৰি/চাপৰি টুক-টুক-টুক" বুলি দিয়া বিৱৰণৰ বাবেই তাত অতিপ্ৰাকৃতিক বিষয়ৰ সমাবেশ ঘটিছে বুলি ভাবিলে ভুল হ'ব। বনকুঁৱৰীত প্ৰকৃতিৰ চিত্ৰময় আৰু ধ্বনিময় এটি নিটোল ৰূপ ফুটি উঠিছে। অৰণ্যৰ সৌন্দৰ্যই মূৰ্তি লাভ কৰিছে। একেদৰে জলকুঁৱৰীতো "কাৰণ নেদেখা আনন্দৰ ঢৌৱে/বুৰালে প্ৰাণীৰ প্ৰাণ।" এই দুয়োটি কবিতাৰ প্ৰতিটো স্তৱকে ধৰি ৰাখিছে কল্পিত চিত্ৰৰ শব্দ চিত্ৰ আৰু তাৰ মাজত ধ্বনিত হৈছে সৌন্দৰ্য সন্ধানী কবি চিত্তৰ নান্দনিকবোধ আৰু দৃষ্টি। "সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ" নাইবা "বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ"'ৰ মাজতো তেওঁৰ একেই সৌন্দৰ্য-তৃষ্ণা প্ৰকাশিত হৈছে। "মৰমেৰে সনা কেনে পৱিত্ৰ মুখনি" নাইবা "পৱিত্ৰ হিয়াৰ কান্তি প্ৰকাশে হিয়াত" আদিৰ মাজত অন্তৰৰ সৌন্দৰ্যই বহিঃপ্ৰকাশ লাভ কৰিছে। তেওঁৰ নিয়ৰৰ দৰে কবিতা, নাইবা সুখগীত, নাইবা মায়া — মুঠতে তেওঁৰ যিটি কবিতাকে হাতত তুলি লোৱা হয় তাতে তেওঁৰ জীৱন বোধৰ লগত প্ৰখৰ সৌন্দৰ্যবোধৰ প্ৰকাশ চকুত পৰে। আনকি, ব্যক্ত বা অব্যক্ত বিপদৰ মাজতো এই চেতনাৰ স্পৰ্শ অনুভূত হয়। "ৰাতিৰ ধেমালি জোনৰ নিফুট হাঁহিৰে থৈছে সানি।/ পুৱাৰ হেঙুলি বেলিটিলে চাই এটুপি চকুৰ পানী", বা "অতৃপ্তিৰ নই হৈ তৃপ্তিৰ সাগৰ" নাইবা "প্ৰাণ সাগৰৰ এক বিন্দু মানৱ জীৱন"'ত বিশালতাৰ মাজৰ নশ্বৰ জীৱনৰ সৌন্দৰ্য অনুভূত হয়। কিন্তু তেওঁ সৌন্দৰ্যৰ সৃষ্টিৰ বাবে কবিতা লিখা নাই; নাইবা বাহিৰৰ সৌন্দৰ্যৰ বিৱৰণ দিবৰ বাবে কবিতা লিখা নাই। সৌন্দৰ্য তেওঁৰ কবিতাত জীৱন আৰু জগতৰ মাজত অন্তৰ্নিহিত হৈ থকা ভাবৰ প্ৰকাশ হৈ ধৰা দিছে। তেওঁৰ সৌন্দৰ্যবোধ তেওঁৰ জীৱনবোধৰ লগত অবিভাজ্য ৰূপত বিয়পি আছে।

কবিতা নিঃসন্দেহে স্মৰণীয় উক্তি। কিন্তু সেই বাবেই কবিতাত জ্ঞান আৰু তত্ত্বকথা থাপিব লাগিব বুলি ভাবিলে কবিতা সম্পৰ্কে ডাঙৰ ভুলটো কৰা হ'ব। কবিতাৰ স্মৰণীয় বাণী যদি থাকে সি হৃদয়ৰ পৰা উৎসাৰিত আৰু অনুভূতিৰ মাজেদি সঞ্চাৰিত বাণী হ'ব লাগিব। চন্দ্ৰকুমাৰৰ কবিতাত প্ৰকাশিত তেওঁৰ চিন্তা ভাবনাও তেওঁৰ হৃদয়ৰ পৰা উৎসাৰিত হৈছে আৰু অনুভূতিৰ মাজেদি সৰকি আহিছে। তেওঁৰ ইচ্ছা, কৰ্মদেৱ আদি

কবিতাত তেওঁৰ জীৱনৰ কোনো মুহূৰ্তত গ্ৰহণ কৰা সংকল্পই প্ৰকাশ লাভ কৰিছে। এইজন ৰচনাৰ পিছফালে থকা পটভূমিয়ে সম্বাদ দিয়ে ১৮৯০ চনত কলিকতাৰ পৰা আহি তামোলবাৰী চাহ বাগিচাৰ দায়িত্ব লোৱাৰ সময়ত হোৱা তেওঁৰ মনোদ্বন্দ্ব আৰু সংকল্পৰ। ঠিক তেনেদৰে, তেওঁৰ এজন পুত্ৰৰ অস্বাভাৱিক মৃত্যুৰ ঘটনা অজেয় কবিতা ৰচনাৰ উৎস। যুগমীয়া শোক, বিমুখ কবিতাৰ আঁৰতো আছে কন্যা আৰু ভগ্নীৰ মৃত্যুৰে অনা বিচ্ছেদৰ শোকৰ মাজেদি হোৱা আনুভূতিক উপলব্ধি আৰু সংকল্প (জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰণীত চন্দ্ৰকুমাৰৰ জীৱনী দ্ৰষ্টব্য)।

জীৱন উচ্ছ্বাস, জীৱনৰ দলি, শান্তি, সপোন, নহয় সপোন, অতৃপ্তি এই সকলো কবিতাৰ আঁৰত আছে কবিৰ মনোজগত আৰু বাস্তৱ জগতৰ সংঘাতে সৃষ্টি কৰা ভাব আৰু অনুভূতিৰ জাগৰণ। এই ভাব আৰু অনুভূতি তেওঁৰ একান্ত ব্যক্তিগত সত্তা-নিৰ্ভৰ হৈয়ো নৈৰ্ব্যক্তিক স্তৰলৈ উন্নীত হৈছে অনুভূতিৰ সহজ গভীৰতাৰ বাবেই। এই কবিতাসমূহৰ আঁৰৰ ঘটনা বা পটভূমিৰ জ্ঞানে কবিতাসমূহৰ ৰসাস্বাদনত নিশ্চয় সহায় কৰিব।

বৈবাহিক বন্ধনত তুলনামূলকভাৱে কিছু পলমকৈ সোমোৱা কবিৰ মনত পত্নীয়েই প্ৰেয়সী ৰূপতো কল্পিত হৈছে। "সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম"তাৰ প্ৰতিধ্বনি (জীৱনৰ লগৰীয়া)। স্মৰণীয়, চন্দ্ৰকুমাৰৰ বিয়া উপলক্ষে বেজবৰুৱাই (কৃপাবৰে) ধেমেলীয়া সুৰত—"কেৰকোচ কেৰকোচ ব'ৰাগী ভটীয়াই গ'ল/ধনশিৰী মুখতে ৰ'ল/ব'ৰাগিনীক লগপাই আমাৰ ব'ৰাগীকাই ষোল কনীয়াটো হ'ল" (বীণ ব'ৰাগী) এই কবিতা ৰচনা কৰিছিল। উল্লেখযোগ্য যে চন্দ্ৰকুমাৰে বিয়া কৰাইছিল ধনশিৰীৰ পাৰৰ নগৰ গোলাঘাটৰ পৰা।

যুগমীয়া শোকৰ শেহত "মানুহক ভাল পাম ভাবি আই তোকে/কেনিম সকলো চিন্তি তোৰেই মুখকে"— এই শাৰী দুটিৰ মাজত ধ্বনিত প্ৰতিশ্ৰুতি ক্ৰমাত তেওঁৰ সমগ্ৰ কাব্য ৰচনালৈ সম্প্ৰসাৰিত হ'ল। এই সম্প্ৰসাৰণ তেওঁৰ হৃদয়ৰ আন্তৰিক আনুভূতিক দায়বদ্ধতাৰ লগত জড়িত। মানুহক দেৱতা ৰূপত কল্পনা কৰা কবিৰ ভাবৰ মাজত আগষ্টকোঁটেৰ দৰ্শনৰ প্ৰতিধ্বনি যেন শুনা যায়। কিন্তু এই প্ৰতিধ্বনিৰ মূল ধ্বনি কবিৰ হৃদয়ৰ পৰা উৎসাৰিত। গভীৰ মানৱিকবোধেই ফুল হৈ ফুলা তেজীমলাৰ মাজেদি এক নতুন ৰূপত প্ৰকাশিত হৈছে। অনেকে ভবাৰ দৰে তেজীমলা এটা বেলাড বা কাহিনী গীত বা মালিতা নহয়। এটা লোক কথাৰ বিষয়ক কেৱল আলম্বনৰূপে গ্ৰহণ কৰি চন্দ্ৰকুমাৰে তাৰ মাজেদি প্ৰকৃতিৰ প্ৰেমৰ পটভূমিত মানুহৰ অসূয়া আৰু শেষত মানুহৰ প্ৰেমৰ জয়ৰ আশাৰ (গহীন মুখনি মৰমেৰে সনা/মোৰেইতো দেৱতা এওঁ) আলোকস্তম্ভ এটি যেন স্থাপন কৰিছে। মানুহৰ প্ৰতি প্ৰেম আৰু মানৱ-প্ৰেমৰ প্ৰসংগ তেওঁৰ কবিতাৰ বিভিন্ন স্থানত ধ্বনিত-প্ৰতিধ্বনিত হৈছে। এই মানৱপ্ৰেম তেওঁৰ কবিতাৰ অন্যতম খাই আধাৰ।

বীণ-বৰাগীত তেওঁৰ এই জীৱন-দৃষ্টিয়ে পূৰ্ণতা লাভ কৰিছে। তদুপৰি, বীণ-ব'ৰাগীত ব্যৱহৃত বিভিন্ন প্ৰসংগ তেওঁৰ অন্যান্য কবিতাতো ক'ৰবাত ক'ৰবাত সিঁচৰতি হৈ আছে। তেওঁৰ বীণ-ব'ৰাগীত মানৱ প্ৰেমৰ লক্ষ্যত উপনীত হ'বলৈ শেষত ভগৱৎ-প্ৰেমৰ আশ্ৰয় গ্ৰহণৰ পথ সূচিত হৈছে। তদুপৰি, বীণ-ব'ৰাগীৰ প্ৰতিধ্বনি তেওঁৰ আন এটা একে নামৰ চুটি কবিতা আৰু আনন্দতীৰ্থতো ধ্বনিত হৈছে। আনহাতে, বিশ্ব ভাৱবীয়াৰ সমভাবৰ প্ৰতিধ্বনিত বাজি উঠিছে বীণ-ব'ৰাগীৰ মাজত। কোঁটেই সংস্কাৰকামী শক্তি ৰূপে বুদ্ধিতকৈ বোধক ওপৰত স্থান দিছিল আৰু মানুহক যথাৰ্থ সেৱাৰ বিষয়লৈ উন্নীত কৰিব পৰাকৈ দুৰ্বল পৰাৰ্থবাদী দৰ্শনক শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব দিছিল। 'বীণ-ব'ৰাগী'তো এনে ভাবৰে প্ৰকাশ ঘটিছে। "হিয়াৰ মাজেই অনন্তৰ পথ/যাত্ৰী আমি আগবাঢ়ো" (আনন্দ তীৰ্থ) আৰু "হিয়াৰ মাজেদি অনন্ত সুখৰ/পৰি আছে বাজবাট" (বীণ-ব'ৰাগী) একেটা ভাবতৰংগৰ প্ৰকাশ। বীণ-ব'ৰাগীত তেওঁৰ অন্যান্য কবিতাসমূহৰ ভাবৰ ধ্বনি প্ৰতিধ্বনিত হোৱাৰ কথা উল্লেখ কৰি অহা হৈছে। উদাহৰণস্বৰূপে তেজীমলাৰ "মানুহ কুটুমে দলিয়াই পেলালে/কাকনো কুটুম পালি"ৰ ভাবৰ প্ৰতিধ্বনিৰ লগত "কুটুমেই বান্ধে কুটুমেই বাঢ়ে/কুটুমে কুটুমক খায়"ৰ সাদৃশ্য বা পশুবলৰ লগত বীণব'ৰাগীৰ দ্বিতীয় অংশৰ ভাবগত আনকি ঠায়ে ঠায়ে প্ৰকাশগত সাদৃশ্যও মন কৰিবলগীয়া। এনে অনেক উদাহৰণ চয়ন কৰিব পাৰি।

কবিতা হিচাপে সামগ্ৰিকভাৱে বীণ-ব'ৰাগীতকৈ প্ৰতিমাৰ সজিয়া, সপোন, প্ৰকৃতি, কিশোৰী, মাধুৰী, বনকুঁৱৰী, নিয়ৰ, জলকুঁৱৰী, তেজীমলা আদি কবিতা শ্ৰেষ্ঠতৰ। কিন্তু বীণ-ব'ৰাগীত চন্দ্ৰকুমাৰৰ কাব্য চেতনাৰ আটাইকেইটা দিশে প্ৰকাশ লাভ কৰিছে। মানৱিকতাবাদ তেওঁৰ ইয়াত লক্ষ্য, আধ্যাত্মবোধ অৱলম্বন ('দুখ দূৰ কৰি জগৎ উদ্ধাৰ কৰাহে জগৎস্বামী')। এই লক্ষ্যপ্ৰাপ্তিৰ বাবে তেওঁ বুদ্ধিতকৈ বোধত দিছে অধিক গুৰুত্ব আৰু সেই বাবে হৃদয়ৰ পৰিবৰ্তনৰ যোগেদি সামাজিক জীৱনৰ পৰিবৰ্তনৰ সম্ভাৱনা দাঙি ধৰিছে। বীণ-ব'ৰাগী হ'ল মানুহৰ মাজত থকা ঈৰ্ষা-অসূয়া আৰু উচ্চ-নীচৰ ভেদাভেদ দেখি ব্যথিত হোৱা কবি আৰু বীণ হ'ল তেওঁৰ অন্তৰ বীণ। বীণ-বৰাগী শব্দটি অসমীয়া লোক জীৱনৰ লগত গভীৰভাৱে যুক্ত। তদুপৰি বীণৰ সুৰত থকা কোমলতা আৰু কাৰুণ্যৰ ব্যঞ্জনাও উল্লেখযোগ্য। এহাতে পশ্চিমৰ পৰা অহা উদাৰ মানৱিকতাবাদ (Liberal humanism) আৰু আনহাতে পূবৰ আধ্যাত্মবাদ (Spiritualism) এই দুয়োটা ভাবাদৰ্শই বীণ-বৰাগীত এটি সমন্বিত ৰূপ লাভ কৰিছে। একালে এক বৈপ্লৱিক চেতনা ('আঙুলি বুলাব জনা হ'লে আজি পেলালোহেঁতেন টানি') আনহাতে আধ্যাত্মিক দৃষ্টিভংগী ('দিব্য দৃষ্টিৰে চোৱাহে জগতখন'); এহাতে কাৰুণ্য (দুখীয়াৰ দুখ দুৰ্বলীৰ শাস্তি/দেখি ফাটি যায় হিয়া'), আনহাতে মানুহৰ ওপৰত গভীৰ আস্থা ('মানুহেই দেৱ ইহজগতৰ/মানুহেই পৰাৎপৰ') — এই সকলোবোৰ আপাতঃ— বিৰোধী কিন্তু সু-

সংগ্ৰথিত ভাৱনাই বীণ-ব'ৰাগীত যেন মেলা পাতিছে। একালে শ্যেলীৰ ('আঙুলি মূলাৰ জনা হ'লে অদিৰ লগত Ode to west wind তুলনীয়) সামাজিক - চেতনা, আনহাতে ৱৰ্ডছৱৰ্থৰ ('মোৰেই জগতখন মোকেই মাতিছে'ৰ লগত — A Motion and a spirit that impels all thinking things--ৰ লগত তুলনীয়) সৰ্বাত্মবাদ, একালে ঋগ্বেদৰ "অহংৰুদ্ৰেভিৰ্বসুভিশ্চৰাম্যহমাদিত্যৈৰুত বিশ্বদেবৈঃ/অহং মিত্ৰাবৰুণোভা বিভৰ্ম্যহমি- ন্দ্ৰাগ্নি অহমশ্বিনোভা" যিদৰে ধ্বনিত, তেনেদৰে অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাৰ সুৰো ('ধৰ্মৰ নামত অধৰ্মৰ বেহা/দেখিলে বিৰাগ হয়। ধনৰ লোভত পাপ সত্ৰ পাতি কপটী গুৰুৰ জয়'ৰ লগত বেদস্তুতিৰ 'সন্ন্যাসীৰ বেশ ধৰি 'লোকক বঞ্চিতে ছলে/তৈলো ভোগ্য চিন্তায়ো ব্যাকুল'ৰ লগত তুলনীয়), ধ্বনিত। এই কবিতাটোত কবি চন্দ্ৰকুমাৰে এনে কিছু অনুষংগ ব্যৱহাৰ কৰিছে যে তাক তালকৈ অনুসন্ধান নকৰাকৈ অনুভৱ কৰিব নোৱাৰি। যেনে — "উঠি হৃদয়ত লীন হয় ক্ষণে দৰিদ্ৰৰ মনোৰথৰ আঁৰত আছে — "উত্থায়হৃদিলীয়ন্তে দৰিদ্ৰাণাং মনোৰথাঃ"; "হমুনিয়া ৰাশি মৰম পৰশি"ৰ আঁৰত যেন "কাণেৰে ভিতৰে দিয়া মৰমে পশিল গো"ৰ ক্ষীণ বেশ এটি ৰাখি আছে;" দেখিলো কেনেনো নৰ সমাজত বিষম জঞ্জাল হাঁয়'ৰ লগত Wordsworth ৰ "Have I not reason to lament/what man has made of man" তুলনীয় "সুলকিছে লাহে লাহে সংসাৰৰ বান্ধ মুকলিছে মন মোৰ"ৰ আঁৰত আছে "ছিদ্যন্তেহৃদয়গ্ৰন্থিশ্চিন্দ্যন্ত সৰ্ব সংশয়াঃ"; "সপোনেৰে দিনে-ৰাতি উমলি ফুৰিলোঁ"ৰ লগত "তোম্মাৰেসে মায়া কৰ্মবন্দী হয়া/সংসাৰে উপজি মৰো" তুলনীয়। এনেভাৱে অনেক অনুষংগ বিচাৰি উলিয়াব পাৰি। এনে অনুষংগ সমূহে কবিৰ অধ্যয়নৰ পৰিসৰ আৰু উপলব্ধিৰ গভীৰতা দুয়োটাৰ পৰিচয় বহন কৰিছে। একালে প্ৰকৃতিৰ সৌন্দৰ্য ব্যাখ্যাহীন, স্পৰ্শাতীত ৰূপৰ উপলব্ধি আনহাতে তাৰ মাজত 'সৰ্বাত্মবাদী বোধ'ৰ অনুভৱ একালে গভীৰ মানৱ প্ৰেম আৰু আনফালে গভীৰ আধ্যাত্ম দৃষ্টি — এই সকলোৱে চন্দ্ৰকুমাৰৰ মাজত প্ৰকাশ ভিক্ষা কৰিছে।

প্ৰতিমাৰ প্ৰথম কবিতাটিতে কৈছে— "আধাফুটা আবেগৰ ইমান জুমুৰি/দিলে মেলি হৃদয় দুৱাৰ"; আৰু বীণ-ব'ৰাগীৰ শেষৰ স্তৱকটিত কৈছে —"মোৰেই মুখেদি মানৱ-প্ৰাণৰ ফুটক আকুল মাত/মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত।" এটা ব্যক্তিমনৰ আৰু আনটো সমষ্টি মনৰ হৃদয়-বাস্থাৰ স্পৰ্শৰ আলোকেৰে উজ্জ্বল হৈ আছে

যথাৰ্থতে চন্দ্ৰকুমাৰ সকলো কালৰ বাবে এগৰাকী সাৰ্থক কবি।

# আগৰৱালাৰ প্ৰতিমা

অধ্যাপক শশী শৰ্মা

'জোনাকী'ৰ সহায়ত এটা সাহিত্যিক আলোড়ন সৃষ্টি কৰি যিসকল কলিকতীয়া অসমীয়া ছাত্ৰই ইংৰাজ ৰাজত্বৰ লগে লগে বঙালী কাকতীসকলৰ আক্ৰোশত তিৰোহিত হোৱা অসমীয়া ভাষা-সাহিত্যক পুনঃ সংস্থাপন কৰিলে, সেই সকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ নাম আমি সৰ্বপ্ৰথমে সুঁৱৰিব লাগিব। তেৱেঁই 'জোনাকী'ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু সৰ্বপ্ৰথম পৰিচালক সম্পাদক। তেৱেঁই ১৮৮৯ চনৰ মাঘৰ শ্ৰীশুক্লা পঞ্চমীৰ দিনা প্ৰকাশিত প্ৰথম সংখ্যা 'জোনাকী'ৰ সম্পাদকীয়ত প্ৰতিজ্ঞা কৰিলে অসমত জোনাকৰ ধল বোৱাবলৈ। এই জোনাক জ্ঞান আৰু সংস্কৃতিৰ জোনাক। পাশ্চাত্যৰ, বিশেষকৈ ইংৰাজ ৰোমাণ্টিক কবিসকলৰ অনুকৰণত কবিতা আদি ৰচনা কৰি অসমত এটা নতুন ভাৱমণ্ডলৰ সৃষ্টি কৰিবলৈ চন্দ্ৰকুমাৰ আৰু তেওঁৰ সহযোগী লক্ষ্মীনাথ, হেমচন্দ্ৰ প্ৰমুখ্যে সকলোটি কলিকতীয়া অসমীয়া ছাত্ৰ হৈছিল সচেতন। এই সচেতনাৰ ফলত ৰচিত অসমীয়া সাহিত্যকেই আমি অসমীয়া ৰোমাণ্টিক সাহিত্য বুলি কওঁ আৰু এই ৰোমাণ্টিক সাহিত্যৰ জনক বুলি অভিহিত কৰা হয় চন্দ্ৰ-লক্ষ্মী-হেম এই ত্ৰিমূৰ্ত্তিক। কিন্তু এইটো উনুকিওৱা উচিত হ'ব যে অসমীয়া ৰোমাণ্টিক সাহিত্য বিপ্লৱৰ ৰূপত সৃষ্টি হোৱা নাছিল, ই আমাৰ সাহিত্যিকসকলক অনুপ্ৰাণিত কৰিছিল বিকাশৰ ৰূপতহে অৰ্থাৎ ই ইংৰাজী ৰোমাণ্টিক সাহিত্য পঠনৰ ফলহে।

ইংৰাজ ৰোমাণ্টিক কবি কোল্‌ৰিজে 'কুবলাখান', 'খৃষ্টাবেল', এনচিয়েণ্ট মেৰিনাৰ' আদি কবিতাত প্ৰাচীন লোকবিশ্বাস আৰু সাধুকথাক ৰূপায়িত কৰি জনমানস উদ্দীপ্ত কৰি তুলিছিল। অসমীয়া কবি চন্দ্ৰকুমাৰেও সৰ্বপ্ৰথম সেই একে আদৰ্শতে 'বনকুঁৱৰী', 'জলকুঁৱৰী', 'তেজীমলা' প্ৰভৃতি কবিতাত প্ৰাচীন সাধুকথা আৰু জনবিশ্বাসত সজীৱতা আৰু অপ্ৰাকৃত বা.অতিবাস্তৱ কথাত্মো বাস্তৱতা প্ৰদান কৰি সহৃদয় পাঠক-পাঠিকাক বিস্ময়-বিমুগ্ধ কৰি তুলিছিল। এনেবোৰ কবিতাত সাধুকথাক কবিতা ৰূপ দি ৰূপৰ সমাবেশ ঘটোৱাই কবি চন্দ্ৰকুমাৰৰ লক্ষ্য কিন্তু নাছিল। কোল্‌ৰিজৰ দৰে চন্দ্ৰকুমাৰৰো প্ৰতিটো কবিতা গভীৰ তাৎপৰ্যপূৰ্ণ-দাৰ্শনিকতা আৰু বিশেষকৈ মানৱীয়তাবোধৰ নিদৰ্শন চন্দ্ৰকুমাৰৰ প্ৰতিটো কবিতাতেই নিহিত হৈ আছে। 'বনকুঁৱৰী' বা 'জলকুঁৱৰী' কবি-মানসত উদয় হয় উদাৰ বিশ্বপ্ৰেমৰ নিদৰ্শন স্বৰূপে আৰু তাৰেই আদৰ্শত অনুপ্ৰাণিত কৰি কবিয়ে সকলো মানুহকেই শান্তি দিব বিচাৰিছে। কবি বৰ্ডচৰৰ্থে মানুহ মানুহৰ অসুখ-অশান্তিৰ কাৰণ বুলি কোৱাৰ দৰে কবি আগৰৱালাইও তেজীমলাক মানুহ কুটুমে দলিয়াই পেলোৱা কথাৰে মানুহৰ নৃশংসতাৰ কথাকেই বৰ্ণাইছে। অথচ সেইজনী তেজীমলা

বিশাল প্ৰকৃতিৰ নৈৰ বুকুত "ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি তেজীমলা জকমকায়" আছে। তেজীমলাৰ আৰু শোক তাপ নাই, কেৱল মৰম-সাদৰৰ মাজত এক সুখ-স্বাচ্ছন্দ্যপূৰ্ণ অপূৰ্ব জীৱন যাপন কৰিছে তেজীমলাই। আনকি তেওঁৰ প্ৰাণৰ দেৱতা ভাবী স্বামীৰ আগমনতো তেজীমলাই প্ৰকৃতিৰ প্ৰেমানন্দৰ কথা পাহৰি তেওঁৰ লগত আকৌ মানুহৰ মাজত প্ৰবেশ কৰিবলৈ ইচ্ছা কৰা নাই। তেজীমলাই "কেলেই লাগিছে মানুহৰ লগ" বুলি সন্দেহেৰে ভাবিবলৈ যেন বাধ্য হৈছে; মানুহে যেন প্ৰকৃতিৰ আদৰ নুবুজে আৰু যেন প্ৰকৃতিৰ উদাৰ মহানুভৱতাৰ কথা উপলব্ধি কৰিবলৈও মানুহ অসমৰ্থ। ঠিক ৱৰ্ডচৱৰ্থ বা কোল্‌ৰিজৰ দৰে কবি আগৰৱালাইও মানুহতকৈ প্ৰকৃতিৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰিছে আৰু মানুহক প্ৰকৃতিৰ আদৰ্শেৰে উদ্বুদ্ধ হ'বলৈ অনুপ্ৰাণিত কৰিছে।

কিন্তু কবি আগৰৱালা একান্তভাৱে প্ৰকৃতিপ্ৰেমী নহয়। তেওঁ মুখ্যতঃ মানৱতাৰ কবি; তেওঁৰ কবিতাৰ ছন্দে ছন্দে মানুহৰ মহানুভৱতা আৰু মহত্বৰ কথাহে পৰিস্ফুট হৈ উঠিছে। তেজীমলাক হয়তো মানুহেই নিৰ্মমভাৱে নিৰ্য্যাতন দিলে। কিন্তু কবিৰ দৃঢ় বিশ্বাস যে সকলো মানুহৰ মন তেজীমলাৰ মাহীমাকৰ দৰে কঠুৱা নহয়।

"মানুহে মানুহে ইমানহে মৰম
চকুলো পৰে সুঁৱৰি।" (- তেজীমলা)।

মানুহৰ প্ৰতি এনে উদাৰ ধাৰণাও কবি আগৰৱালাৰ চিত্তৰ পৰা তিৰোহিত হোৱা নাই, যদিও তেওঁ 'বীণ-বৰাগী'ত— "মানুহৰ তেজ শুহি শুহি খায় মানুহ ৰাক্ষসে চোৰা" বুলি গভীৰ উদ্‌বিগ্নতাও প্ৰকাশ নকৰাকৈ থকা নাই। 'বনকুঁৱৰী', 'জলকুঁৱৰী' আৰু 'তেজীমলা'ত প্ৰকৃতিৰ ৰূপচ্ছটা, উলাহ-আনন্দ, উদাৰতা মহানুভৱতা আদি মানুহৰ মনঃচক্ষুৰ আগত তুলি ধৰি কবিয়ে কেৱল "শান্ত হ মানুহ মন" বুলি মানুহক শান্ত-সিক্ত কৰিবলৈয়ে বিচৰা নাই; স্বাৰ্থহীন অহৈতুকী প্ৰেমেৰেও মানুহক উদ্দীপ্ত কৰিব বিচাৰিছে—

"কাৰণ নেদেখা আনন্দৰ ঢৌৰে
বুৰালে প্ৰাণীৰ প্ৰাণ।" (- বনকুঁৱৰী)

এনে স্বাৰ্থহীন অহৈতুক প্ৰেমেই বিশ্বৰ মঙ্গল আৰু কল্যাণৰ কাৰণ, এনে প্ৰেমেই মানৱীয়তাবাদৰ মূল ভেটি।

'কিশোৰী', 'মাধুৰী', 'নিয়ৰ' আদি কবিতাত সুন্দৰৰ সাধক কবি চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্যানুভূতিৰ মূৰ্ত্ত বিকাশ ঘটিছে। 'মাধুৰী' আৰু 'কিশোৰী'ত কবিৰ কল্পনাই মূৰ্ত্ত ৰূপ পৰিগ্ৰহণ কৰিছে। 'কিশোৰী'ত "প্ৰেমৰ আহ্বান মন্ত্ৰ ওলাওঁ ওলাওঁ" কৰা কিশোৰী (গাভৰু) এজনীৰ মনৰ অৱস্থিতি ৰূপায়িত কৰিছে আৰু 'মাধুৰী'ত যথাৰ্থতে সৌন্দৰ্য-মাধুৰীৰ সমাৱেশ ঘটিছে। দুয়োটা কবিতাতেই ভাবৰ লগত ভাষাৰ সুসমন্বয় স্থাপন হোৱা

হেতুকে সহৃদয় পাঠক-পাঠিকা মাত্ৰকে ই ৰসোদ্দীপ্ত কৰি তুলিব পাৰে। 'নিয়ৰ' কণিকাক লৈ কথা কবিৰ —

"মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।" (—নিয়ৰ)।

কল্পনা যথাৰ্থতে অনুপম। অতিশয়োক্তিপূৰ্ণ এই 'নিয়ৰ' কবিতাটিয়েনো কোন সহৃদয় পাঠক-পাঠিকাৰ চিত্তত তন্ময়তা নোপজাব।

কবি চন্দ্ৰকুমাৰ আগৰৱালাও ইংৰাজ কবি কীট্‌ছৰ দৰে সৌন্দৰ্য্যৰ সাধক, "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি তেওঁ বিশ্বাস কৰে; পৰমেশ্বৰ ভগৱানক তেওঁ "সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ" বুলি কল্পনা কৰে। এইজন সুন্দৰৰ সাধক কবিয়ে সেই কাৰণেই 'কিশোৰী', 'মাধুৰী', নিয়ৰ' আৰু অন্যান্য কবিতাতো সৌন্দৰ্য্যৰ সমাৱেশ ঘটাবলৈ সমৰ্থ হৈছে। আৰু সেয়ে তেওঁৰ প্ৰতিটো কবিতাৰ "কাৰণ নেদেখা আনন্দৰ টোৱে" মানুহৰ মন স্বাভাৱিকতে পুলকিত কৰিও তোলে। কবি আগৰৱালা নিজেও সম্ভৱতঃ এনে স্নিগ্ধ সৌন্দৰ্য্যৰ সন্ধানতেই পোনতে ব্ৰতী হৈছিল। তেওঁ সংসাৰৰ বিষয়-বাসনা আদিৰ পৰা চিত্তক মুক্ত ৰাখি সকলো সময়তে সৌন্দৰ্য্যৰ সাধনা কৰিবলৈয়েই সম্ভৱতঃ হেঁপাহ কৰিছিল। সেয়ে তেওঁ কৈছিল—

"দিয়া মোক এৰি, চাওঁগৈ ঘূৰি
ফুলা সৰিয়হ ভৰা।
সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা" (— ফুলা সৰিয়হ ভৰা)

এই একেটা কবিতাতে যেতিয়া কবি আগৰৱালাই—

"কি হ'বনো হেৰি ঘানিয়ে ঘানিয়ে
গুটি সৰিয়হ পেৰি?
তেলীয়ে পেৰিব, জগত যোগাব
কিয় মোক ধৰা বেৰি?"

বুলি আত্মপ্ৰকাশ কৰে তেতিয়া তেওঁক বাস্তৱ বিমুখ বুলি কল্পনা কৰিবলৈও বাধ্য হোৱা যায়। সম্ভৱতঃ তেওঁ মানুহৰ দৈনন্দিন জীৱনৰ সাধাৰণ কৰ্ম্মেৰে পৰিপূৰ্ণ জীৱনটোক পোনতে অৱহেলা কৰিছিল আৰু "তাহানিৰ সেই সপোন দিনৰ লৰালি কালৰে পৰা।" মুক্ত বিহংগমৰ দৰে উপভোগ কৰি। অহা মুক্ত জীৱনকেই তেওঁ কামনা কৰিছিল। এনে চিন্তাই কবিক অন্যান্য ৰোমাণ্টিক কবিৰ সদৃশ পলায়নবাদী মনৰ অধিকাৰী আছিল

বুলিয়েই ভাবিবলৈ বাধ্য কৰে। কিন্তু ইয়াৰ পিছত আৰু এনে ভাবৰ পুনৰাবৃত্তি [illegible] কৰা নাযায়। তেওঁ বাস্তববিমুখ কল্পনাপ্ৰৱণ সৌন্দৰ্য্য সাধনাৰ ভাৱ পৰিহাৰ কৰি — "সাধনাৰ অসি হাতে ওলালোঁ এতিয়া" বুলি সাধনাৰত হ'বলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। তেওঁৰ এই সাধনা কৰ্ত্তব্য-কৰ্ম্মৰ সাধনা। কবিয়ে গভীৰভাৱে উপলব্ধি কৰিলে যে কৰ্ত্তব্য-সাধনতকৈ মহৎ কাম একোৱেই হ'ব নোৱাৰে। কৰ্ত্তব্যই মানুহৰ শিৰৰ মুকুট। শৰীৰশাস্ত কবি হ'লেও তেওঁ কৰ্ত্তব্য সম্পাদন কৰিছে এনিৰ। তেওঁ এজন মানৱীয়বাদী (Human-ist) হিচাপে এইটোও বিশ্বাস কৰে যে মানুহ মাত্ৰেই পৰম শক্তিমান পৰমেশ্বৰৰ সন্তান, মানুহত পৰমেশ্বৰৰ পৰম শক্তিৰ বীজ নিহিত হৈ আছে। মানুহে এই পৰম শক্তি অন্তৰত উজ্বলাই তুলি তাৰ পোহৰত কৰ্ত্তব্যৰত হ'লে যে জগতৰ সকলো অসাধ্যও সাধ্য হৈ পৰিব তাকো তেওঁ বিশ্বাস কৰে। আৰু সেয়ে গভীৰ আগ্ৰহেৰে প্ৰকাশ কৰিছে ঃ—

"কি ভয় মৰণে-ৰণে, নাই ভয় নাই,
কৰ্ত্তব্য-মুকুট শিৰে পিন্ধালে গোসাঁই।
পুণ্যময় তেজৰণ উঠক উথলি —
তেজঃপুঞ্জে প্ৰদীপ্ত কৰোক শৰবালি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলোঁ ইষ্টদেৱ,
শক্তিৰ সন্তান মই নোৱাৰে আৰু কেওঁ।"  (—কৰ্মদেৱ)

'প্ৰকৃতি' কবিতাত "ফুলকলি ফুলি লোক বোৱাই প্ৰীতিৰ সোঁত সৰি পাছে মাটিলীন হ'ল।" কবিয়ে গভীৰ বেদনা উপলব্ধি কৰিছিল আৰু ঠিক পাৰস্যৰ কবি ওমৰ খাইয়াম দৰে অন্তৰৰ ভাবো বেদনাহত।

"ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পৰি গ'ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।"

বুলি প্ৰকাশো কৰিছিল। তেনেকৈ নিয়ৰ কণিকাৰে সুশোভিত হৈ থকা ফুলকলিৰ পৰা বতাহে জোকাৰি নিয়ৰটুপি পেলাই দিয়াতো কবিয়ে জীৱনৰ নশ্বৰতাৰ লগত তুলনা কৰি গভীৰ বেদনা অনুভৱ কৰিছে ঃ

"নিয়ৰ কণিকা    শোভে ফুলকলি
চাইছোঁ তাৰতে ভাহি,
হায় কি নিষ্ঠুৰ    পেলালে বতাহে
জোকাৰি তলৰ পাহি।"   (— নিয়ৰ)

কিন্তু পিছৰকালৰ কবিতাবোৰত আৰু এনে হতাশা, নৈৰাশ্য বা বেদনাৰ ভাব বৰকৈ অনুভৱ কৰা নাযায়। 'কৰ্মদেৱ' কবিতাই কবি চন্দ্ৰকুমাৰৰ জীৱনৰ কৰ্ম আৰু প্ৰতিভাৰো [illegible]

পৰিবৰ্তন সাধে বুলি ভাবিবৰ যথেষ্ট থল আছে। তেতিয়াহে যেন তেওঁৰ শৈশৱ বা কৈশোৰৰ স্বপ্ন আঁতৰি গ'ল আৰু তেতিয়াহে যেন তেওঁ, জগত আৰু জীৱনৰ তাৎপৰ্য্য উপলব্ধি কৰিলে। কবিয়ে অমৃতৰ সন্তান, মানুহৰ অমৃতত্বৰ সন্ধানো যেন লাভ কৰিলে। হতাশা-নিৰাশাৰ পৰা উদ্ভৱ হোৱা অন্তৰ বেদনাও তেওঁৰ চিত্তৰ পৰা যেন তিৰোহিত হ'ল। আগতে নিয়ৰৰ কণিকা সৰি পৰিলে (নিয়ৰ) বা ফুলকলি ফুলি নোমেলি গৈছে (প্ৰকৃতি) বিষাদ-বেদনাই কবিৰ অন্তৰ আচ্ছন্ন কৰি তুলিছিল; কিন্তু এতিয়া ফুলৰ পাহি সৰি পৰিলে কবিয়ে বেজাৰ নকৰে, "পাৰ পাহি অনন্তৰ কোল" বুলি কল্পনা কৰি কবিয়ে আনন্দহে অনুভৱ কৰে; কাৰণ তেওঁ ভাবে যে - "অনন্ত কোলাত কি সুখ কি দুখ! নেজানে শুনেই সকলো বিমুখ।" তেওঁ গভীৰভাৱে বিশ্বাস কৰে যে জগত জীৱন আৰু অনন্ত-অসীমৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰাই হৈছে মানুহৰ দুখ-বেদনাৰ মূল কাৰণ।

এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে কবি চন্দ্ৰকুমাৰৰ মনৰ ওপৰত কেইবাটাও বিপৰীতমুখী ভাৱৰ প্ৰভাৱ পৰা অনুভৱ কৰা যায়। সম্ভৱতঃ তেওঁ সৰ্বপ্ৰথম ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়ে কবিতা ৰচনাত মনোনিবেশ কৰিছিল। এই ৰোমাণ্টিক কবিসকলৰ সদৃশ পলায়ণবাদী মনৰ বিকাশ কবি আগৰৱালাৰ কবিতাতো প্ৰতিফলিত হৈছে। কবি আগৰৱালাৰ ওপৰত পাশ্চাত্যৰ মানৱীয়তাবাদৰ প্ৰভাৱো স্পষ্ট। য়ুৰোপত নৱজাগৰণৰ সময়ত মিল, বেন্‌থাম্, কোঁটে প্ৰমুখ্যে দাৰ্শনিকসকলে অনুভৱ কৰিছিল মানৱীয় অসীম সম্ভাৱনা শক্তিৰ কথা। তেওঁলোকৰ দৃষ্টিত মানুহ আছিল অসীম শক্তিৰ আধাৰ স্বৰূপ। তেওঁলোকে মানুহক সকলো সময়তে মুক্ত আৰু স্বাধীন বুলি বিবেচনা কৰি মানুহেই মানুহৰ ভাগ্য নিয়ন্তা বুলিও ঘোষণা কৰিছিল। মানুহৰ প্ৰবল ইচ্ছা-শক্তিৰ আগত দৈৱী শক্তিও হাৰ মানে বুলি তেওঁলোকে বিশ্বাস কৰিছিল। মানুহ বুদ্ধিদীপ্ত আৰু মুক্তিপ্ৰয়াসী; মানুহত অফুৰন্ত সম্ভাৱনা বৰ্তমান আৰু তাক বাস্তৱত ৰূপায়িত কৰাৰ শক্তিও মানুহতেই নিহিত হৈ আছে। মানুহ যন্ত্ৰ আৰু যন্ত্ৰাও। সকলো ধৰণৰ প্ৰতিকূলতাৰ বিৰুদ্ধে নিজক প্ৰতিষ্ঠা কৰিব পৰাটোৱেই মানৱীয় মুক্তিৰ মূল ভেটি বুলি সেই সময়ৰ য়ুৰোপত বিবেচিত হৈছিল। সংকীৰ্ণতা, ৰক্ষণশীলতা আৰু গোড়ামিৰ স্থান এই মানৱীয়বোধত নাই। নিত্য উন্মুক্ততা বা স্বাধীনতা মানৱীয়বোধৰ মূল কথা। যি মানুহে ব্যক্তিৰ পূৰ্ণ বিকাশত সহায় কৰে সি সুব্যক্তিৰ আৰু যিয়ে বাধা বা ব্যৱধানৰ সৃষ্টি কৰে সি কুব্যক্তি। সংযত আচৰণ, দয়া-দাক্ষিণ্য, সততা আদি সজ গুণ সৎ বা সাধু ব্যক্তিৰ আভৰণস্বৰূপ। মনুষ্যত্ব বিকাশেই মানৱীয়বাদৰ চৰম সত্য।

এনে ভাৱ চন্দ্ৰকুমাৰৰ 'প্ৰতিমা'ৰ কবিতাবোৰৰ কোঁহে কোঁহে অনুভৱ কৰা যায়। 'বীণ-বৰাগী'ৰ মূলভাবো এই মানৱীয়বাদেই (Humanism). কিন্তু কবি আগৰৱালা ভাৰতীয়। ভাৰতীয় সকলো চিন্তা-চৰ্চাৰে মূল ভেটি আধ্যাত্মিকতা। সেয়ে চন্দ্ৰকুমাৰৰ কবিতাত আমি মানৱীয়বাদ আধ্যাত্মিকতাৰ ভেটিত প্ৰতিষ্ঠিত হোৱাও অনুভৱ কৰোঁ।

উপনিষদৰ দিনৰেপৰা ভাৰতত মানুহত অমৃতত্ব আৰোপ কৰা হৈছিল [illegible] আৰু তাৰ দ্বাৰা মানুহৰ অসীম সম্ভাৱনা শক্তিকো মুক্তভাৱে স্বীকৃতি দিয়া হৈছিল। কিন্তু [illegible] আলোড়নৰ সময়ত ভগৱান আৰু ভক্তিৰ ওপৰত গুৰুত্ব দিয়া হেতুকে মানুহৰ শক্তিক বিশেষভাৱে স্বীকাৰ কৰাই হোৱা নাছিল বুলিব পাৰি। অসমীয়া শ্ৰীশংকৰদেৱ প্ৰমুখ্যে বৈষ্ণৱ কবিসকলে ভগৱৎ-ভক্তিৰ গভীৰতাৰ ওপৰতহে মানৱ জীৱনৰ সাৰ্থকতা নিৰূপণ কৰিছিল। আমাৰ বৈষ্ণৱ কবিসকলৰ এনে দৃষ্টিভংগী মানৱীয়বাদৰ সম্পূৰ্ণ বিপৰীতমুখী। আগৰৱালাৰ কবিতাত ভাৰতীয় আধ্যাত্মিক দৃষ্টিৰ উপৰিও উপনিষদিক আৰু বেদান্তিক দৃষ্টিৰ প্ৰভাৱো পৰিলক্ষিত হয়। অৱশ্যে 'বীণ-ৰ'বাগী'ত একেটা কবিতাতেই ভিন্নমুখী ভাৱৰ সমাবেশ ঘটুৱাৰ দৰে 'প্ৰতিমা'ৰ কবিতাত তেনে হোৱা অনুভৱ কৰা নাযায়। 'প্ৰতিমা'ৰ প্ৰতিটো কবিতাতেই একোটি ভাৱৰ বিকাশ ঘটিছে বুলিব পাৰি আৰু প্ৰায়তাপ কবিতাৰ মাজেদিয়েই মানৱীয়বাদৰ [illegible] ব্যঞ্জিত হোৱা উপলব্ধি কৰা যায়। কিন্তু কোনোটো কবিতাই প্ৰচাৰ ধৰ্মী নহয়, কবিতাবোৰ কবি [illegible] অনুভূতিসিক্তহে।

শক্তিৰ সন্তান মানুহে নিজৰ নিহিত হৈ থকা [illegible] অনুভৱ কৰিব পাৰিলে আৰু সেই শক্তি উদ্দীপ্ত কৰি তুলি জ্ঞান আৰু কৰ্মৰ [illegible], কবিয়ে ভাবে, যে জীৱন আৰু জগত হৈ পৰিব সুখৰ উঁৱাল [illegible] —

"শিৱময় মানুহৰ সংসাৰ [illegible]
সুখৰ উঁৱাল এই মানৱ হৃদয়।
প্ৰাণ সাগৰৰ এক বিন্দু মানৱ জীৱন
কাৰ্যৰ তৰঙ্গময় সিন্ধু সংসাৰ মহান।
সুন্দৰো সুন্দৰ ই দুনীয়া দেশ
যতনৰ আনন্দৰ ভৰলি [illegible]।"

'প্ৰকৃতি' আৰু 'নিয়ৰ'ত প্ৰকাশ পোৱা [illegible] - [illegible] আগৰৱালাৰ মনৰ পৰিবৰ্তন ঘটিছে; তেওঁ অসীম সম্ভাৱনাপূৰ্ণ মানুহৰ অসীম আৰু শক্তি সামৰ্থৰ কথা উপলব্ধি কৰিছে আৰু সুন্দৰ মন - প্ৰাণ [illegible] মানুহৰ দ্বাৰা পৰিপূৰ্ণ এই দেশ বা সংসাৰখনকেই সেই কাৰণে "সুন্দৰো সুন্দৰ" বুলিহে অনুভৱ কৰিছে। এজন প্ৰকৃত মানৱীয়বাদীৰ দৰেই তেওঁ বিশ্বাস কৰে যে অন্তৰত প্ৰবল ইচ্ছা থাকিলে সকলো অভিলাষ পৰিপূৰ্ণ হৈ উঠিব পাৰে, জীৱন আৰু জগত "সুন্দৰো সুন্দৰ" নহৈ নোৱাৰে। তেওঁ ঘোষণা কৰিছে —

"ইচ্ছাৰ বিৰোধে কোন জীৱ [illegible]
সৰ্বথা জিকিব নিতো ইচ্ছা [illegible]
জীৱন-যুদ্ধত ইচ্ছা প্ৰধান [illegible]
কি ভয় মৰণে ৰণে ইচ্ছা সৰ্বজয়ী

এনে প্ৰবল ইচ্ছা-শক্তিৰ দ্বাৰা অনুপ্ৰাণিত হ'লে জগতত মানুহৰ কাৰণে অসাধ্য কথা একোৱেই থাকিব নোৱাৰে। এনে মহত্বপূৰ্ণ দৃষ্টিৰে কৰ্মৰত হ'লে সংসাৰ "সুন্দৰৰো সুন্দৰ" হ'বই — তেতিয়া মানুহৰ মনত প্ৰতীয়মান হ'ব —

"এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

বুলিহে। যদিহে মানুহে মানবীয় কৰ্মত ৰত হৈ প্ৰকৃত মানুহৰ দৰে মানুহৰ সেৱাত ব্ৰতী হ'ব পাৰে, তেনেহ'লে মানুহৰ সুখ-শান্তিৰ সীমা নোহোৱা হ'ব। মানুহৰ মনত বিবেচনা হ'ব—

"মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ।"

বুলি। আৰু সেয়ে কবিয়ে এগৰাকী যথাৰ্থ মানবীয়বাদীৰ দৰে ঘোষণা কৰিছে—

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰোঁ কৰোঁ পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।" (— মানৱ বন্দনা)

মানুহে এনেদৰে মানুহৰ পূজা-সেৱাত আত্মনিয়োগ কৰিবলৈ অভ্যস্ত হ'লে যে জগতৰ সকলোৱে মানুহৰ আপোন হৈ পৰিব তাত কোনো সন্দেহ নাই। কিন্তু তথাপি কবিয়ে সন্দেহ কৰিছে - কিজানি মানুহৰ মনৰ পৰা সংকীৰ্ণতাৰ ভাব আঁতৰি নাযায়েই। সেয়ে তেওঁ বৈদান্তিক অদ্বৈতবাদী "ব্ৰহ্মসত্যং জগন্মিথ্যা জীবো ব্ৰহ্মৈৱ নাপৰ ঃ" বা ঔপনিষদিক "সোঽহম" বা "তত্ত্বমসি" ভাবেৰে জগতৰ সকলোকে উদ্বুদ্ধ কৰি তুলিব বিচাৰি কৈছে—

"সংসাৰ মোৰেই পূৰ্ণ দেখোঁ
আছোঁ মাথোঁ নিৰজন মই,
নাই তুমি কেওঁ আৰু নাই
পাৰা যদি হোৱা মোতে লয়।" (—মই)।

এনে অদ্বৈতবাদী দৃষ্টিৰে উদ্বুদ্ধ হ'লে জগত হৈ পৰিব প্ৰেমময়, মধুময়। শুদ্ধ-পবিত্ৰ চিত্তেৰে কৰ্মময় জীৱনৰ পাতনি মেলিলেহে "জগতক প্ৰেম মৌ থালি" বিলাই দিবলৈ সমৰ্থ হোৱা যাব। কবিয়ে 'আশীৰ্বাদ' কবিতাত কোৱাৰ দৰে সমগ্ৰ বিশ্বখনেই আমাৰ নিজৰ ঘৰ বুলি বিবেচনা কৰিবলৈ সমৰ্থ হ'লে আৰু সকলো মানুহকে নিজৰ ঘৰ বুলি বিবেচনা কৰিবলৈ সমৰ্থ হ'লে আৰু সকলো মানুহকে নিজৰ ভাই-ভনী বুলি যতন আদৰ কৰিব পাৰিলে যে সমগ্ৰ বিশ্ব জুৰি সুখ-শান্তি বিৰাজিব তাত অকনো সন্দেহ নাই। সুখ

সুখ বুলি সুখ বিচাৰি ফুৰিলেই যে সুখ পোৱা যাব সিও নহয়। সুখ-শান্তি লাভৰ কাৰণে আৱশ্যক এক বিশেষ ধৰণৰ মানসিক প্ৰস্তুতিৰ। কবি আগৰৱালাই স্পষ্টভাৱে বিশ্বাস কৰে —

"যিভাবে দেখিবা এই সংসাৰ-ভাবনা
সেইভাৱে গৰাসিব তোমাৰ জীৱন,
হিংসা-দ্বেষ চকু দিলে পাবা হিংসা দ্বেষ,
প্ৰেমতো দেখিবা তুমি মধুৰ মিলন।
তুমি ভালে বিশ্ব ভাল, সবাতো সুন্দৰ,
বিকটালে মুখ কিন্তু বিকট বদন।"
(— বিশ্ব ভাবৰীয়া)

এনে ধৰণৰ এটা সংযত জীৱনেহে সুখ-শান্তি উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব পাৰে। "আত্মানং বিদ্ধি" এই ঔপনিষদিক দৃষ্টিৰে উদ্বুদ্ধ হ'ব নোৱাৰিলে সুখ-শান্তি কামনা কৰা মিছা, কাৰণ —

"সুখ নোহে ইটো জগতৰ বস্তু
সুখ যে মায়াৰ বিতত,
মনৰ তলিৰ পৰা বই আছে
লুকাই বাহিৰ বালিত।" (— সুখ)

কিন্তু তেতিয়াও মানুহ-মন সুখ-শান্তিৰ অধিকাৰী নহ'ব পাৰে, যদিহে নলগা বস্তু পাবলৈ বিচৰা হয় নাইবা নোপোৱা বস্তু পাবলৈ হেঁপাহ কৰা হয়।

"জগতৰ গতি দেখি পৰিছো ভাগৰি
নেলাগে নেপাওঁ যিটো কিয় মৰোঁ পুৰি?" (— আশা)

মিছা আশাই শেষত অশান্তি-অসুখৰ মূল কাৰণ হৈ পৰে। অৱশ্যে এগৰাকী প্ৰকৃত মানবীয়বাদীৰ দৰে তেওঁ গভীৰ ভাবেই বিশ্বাস কৰে যে আশাক আশাতেই থাকিব দিলেও মানুহৰ অসুখ-অশান্তি বাঢ়ে। তেওঁ ভাবে যে মানুহে যদি আকাশ-কুসুম ৰচনা কৰে তেনেহ'লে সেই কুসুমৰ মালা গাঁথি ডিঙিত পিন্ধি সৌন্দৰ্য্য বঢ়াবও লাগে - তেতিয়াহে মানৱ জীৱন হয় সাৰ্থক। এনে বাস্তৱবাদী দৃষ্টি আৰু প্ৰবল ইচ্ছা-শক্তিৰ দ্বাৰা উদ্দীপ্ত হৈ জীৱনৰ মধুৰ কল্পনাবোৰক ৰূপায়িত কৰিবলৈ সক্ৰিয় প্ৰচেষ্টা চলালে যে জীৱন সুখ আৰু শান্তিৰ আলয় স্বৰূপে প্ৰতীয়মান হ'ব তাত কোনো সন্দেহ নাই। কিন্তু এই সুখ ব্যক্তিগত সুখ হ'লেই নহ'ব। ব্যক্তিগত সুখ বিশ্বৰ কল্যাণৰ কাৰণ হিচাপেও পৰিগণিত হ'ব লাগিব ঃ

"যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান
যি কাম আগতে দেখোঁ মই শিৱময়
সেয়ে মোৰতো প্ৰমাণ।"
(- জীৱন উচ্ছ্বাস)

আমাৰ জীৱন যেতিয়া জীৱৰ মঙ্গলৰ কাৰণে নিয়োজিত হ'ব আৰু আমি কেৱল জীৱ বা জগতৰ শিৱময় বা মঙ্গলময় কামতহে ন্যস্ত কৰোঁ, তেতিয়াযে সমগ্ৰ জগত সুখ-শান্তিৰে উপচি পৰিব, তাত অলপো সন্দেহ নাই। এনে মঙ্গলময় জীৱন যাপনেই বিশ্বশান্তি আৰু বিশ্বপ্ৰেমৰো প্ৰধান বুনিয়াদ। "প্ৰেম মৃত্যুঞ্জয়ী।" ক্ষুদ্ৰস্বাৰ্থ, হিংসা-দ্বেষ আৰু সংকীৰ্ণতা পৰিহাৰ কৰি শান্তিপ্ৰয়াসী মানুহ যেতিয়া প্ৰেমৰ ভাবত উদ্বুদ্ধ হ'ব তেতিয়াহে প্ৰকৃত সুখ-শান্তি প্ৰবৰ্ত্তিব।

"জঞ্জালতে আত্ম বলিদান
— নোহে ইটো পৰমাৰ্থ জ্ঞান,
যি প্ৰেমেই তোমাৰ সম্বল
সেয়ে স্পৰ্শমণি সংসাৰৰ।" (—শান্তি)

প্ৰেম "স্পৰ্শমণি" ই অমূল্য সম্পদ। প্ৰেম-প্ৰীতিয়েই মানবীয়বাদৰ মূল ভেটি। সেয়ে কবিয়ে প্ৰেমৰ ওপৰত ভিত্তি কৰিয়েই ব্যক্তিগত আৰু সমাজ-জীৱন গঢ়িবলৈও ইঙ্গিত দিছে।

কবি চন্দ্ৰকুমাৰ আগৰৱালা প্ৰায় সকলো ক্ষেত্ৰতেই এনে বহল মানবীয়বাদৰ দৃষ্টিৰে অনুপ্ৰাণিত হৈছে। ক্ষুদ্ৰ-সংকীৰ্ণতাৰ স্থান তেওঁৰ কবিতাত লেশমাত্ৰও নাই। এনে মহান মানবীয়বোধৰ দ্বাৰা তেওঁ নিজৰ দৰে আনকো উদ্বুদ্ধ কৰিব বিচাৰিছে। এনে মহতোহপি মহীয়ান ভাব আৰু শক্তিৰ দ্বাৰা উদ্বুদ্ধ হ'বলৈ আৱশ্যক নিৰঞ্জন পবিত্ৰ জ্ঞানৰ, তেওঁ ঔপনিষদিক দৃষ্টিৰেই ঘোষণা কৰিছে —

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।" — জোনাকী এই পবিত্ৰ নিৰঞ্জন জ্ঞানান্বেষণত তেওঁ সমগ্ৰ জীৱন পাত কৰিবলৈও সাজু —

"এতিয়াও দিব পাৰোঁ গোটেই জীৱন
যদি দুবি পাওঁ হায় জোনাক (জ্ঞান) এৰুণ।"
(— আওহেলা)

আনকি তেওঁৰ ব্যক্তিগত শোক-তাপৰ ওপৰত ৰচিত 'বিমুখ', 'যুগমীয়া শোক', 'আশীৰ্বাদ' আদি কবি কৃবিতা কেইটিৰ মাজেদিও কবিয়ে এই বিশাল মানবীয়বাদকেই

ধ্বনি ব্যঞ্জিত কৰি তুলিছে। তীয়েক প্ৰতিমাৰ অকাল বিয়োগৰ শোকেও তেওঁক মানৱ প্ৰেমতহে উদ্বুদ্ধ কৰে —

"মানুহক ভাল পাম ভাবি আই তোকে,
কেনিম সকলো চিন্তি তোৰেই মুখকে।"
(—দুৰ্গাধীৰা শোক)

'প্ৰতিমা'ৰ মাজেদি ব্যঞ্জিত এই মহান মানব-প্ৰেমক কবিয়ে 'বীণ-বৰাগী'ৰ বিশালতৰ ৰূপ দি মানব-প্ৰেমত আত্মনিয়োগ কৰিবলৈ হৈছে দৃঢ় পৰিকৰ —

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হওক প্ৰতিভাত।" (— বীণ-ব'ৰাগী)

'প্ৰতিমা' যথাৰ্থতে প্ৰতিমাই, — ই ভাবৰ প্ৰতিমা। ইয়াত যথাৰ্থতে কবি-হৃদয়ৰ সুষুপ্ত ভাববোৰ ৰূপায়িত হৈছে। 'প্ৰতিমা' কাব্যখনিৰ আৰম্ভণিৰ কবিতাটিত কবিয়ে ব্যক্ত কৰা ভাব —

"হৃদয়ৰ মন্দিৰত লুকুৱা প্ৰতিমা
ভাষা নাই কিৰূপে বুজাওঁ।"

তথাপি যেন কল্পনাৰ সহায়ত কবিয়ে তেওঁৰ অন্তৰৰ ভাবৰাশিক সুখ আৰু শান্তিপ্ৰয়াসী মানৱতাৰ কল্যাণৰ কাৰণে ৰূপ দিলে —

"আধাফুটা আবেগৰ ইয়ান জুৰুৰি
দিলোঁ মেলি হৃদয়ৰ দুৱাৰ
যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
ভুলে যদি সন্তাপ মনৰ।" (—প্ৰতিমা)

এনে সংবেত ভাব আৰু উচ্চ আদৰ্শ মনত উজলাই ৰাখি কাব্য জগতত প্ৰবেশ কৰা কবি অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰৰ আগতে দ্বিতীয় আৰু এজন নাছিল যেনেই লাগে। চন্দ্ৰকুমাৰ অসমীয়া সাহিত্যত অকলশৰীয়া, — তেওঁ যেন নিজেও এই কথা উপলব্ধি কৰিছিল :—

"জনপূৰ্ণ নিৰ্জ্জনত কতা লগৰীয়া?
বিশ্ব-সংসাৰত হায় অকলশৰীয়া।"
(— অকলশৰীয়া)

ইয়াৰ কাৰণে পোনতে অলপ নিৰাশা বা হতাশৰ ভাব কবিৰ মনলৈ আহিছিল

যদিও, শেষত সকলো আঁতৰি গ'ল। "মৰমেই ধৰম", "কৰমেই ধৰম", " প্ৰেম মৃত্যুঞ্জয়ী" আদি মহামন্ত্ৰেৰে দীক্ষিত হৈ আত্মোপলব্ধিৰ ভাৱত উদ্বুদ্ধ হৈ "প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰলগৰীয়া"ক লগত লৈ যেতিয়া কবিয়ে কৰ্ত্তব্য-মুকুট শিৰত পিন্ধিলে তেতিয়া সমগ্ৰ জগত তেওঁৰ মানত "সুন্দৰো সুন্দৰ" ৰূপত প্ৰতিভাত হ'ল। এনে পৰমানন্দ আৰু পৰম আনন্দৰ ধ্বনি কবি আগৰৱালাৰ কবিতাৰ কোঁহে কোঁহে অনুভৱ কৰা যায়। এই পৰমানন্দ সাগৰত বুৰ মাৰি পৰম প্ৰশান্তি লভিবলৈ আৱশ্যক কেৱল মানৱ-প্ৰেমত উদ্বুদ্ধ হোৱাৰ, — কবিৰ ভাষা আৰু কল্পনাত —

"মানুহৰ প্ৰীতি সাধিবলৈ চোৰা
বিশ্ব - জগৎ কল্পনা।" (— বীণ-বৰাগী)

অৱশ্যে কবি আগৰৱালা যে সকলো সময়তে এনে শুদ্ধ আৰু মুক্তভাৱৰ দ্বাৰাই উদ্বুদ্ধ আৰু পৰিচালিত হৈ আছিল সিও নহয়, আন দহজনৰ দৰে তেৰোঁ সত্য-অসত্য, কৰ্ত্তব্য-অকৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰি ভ্ৰমৰ সন্মুখীন হ'বলগীয়াত নপৰাকৈ থকা নাছিল ঃ

"সঁচা মিছা কিনো, ধৰিম এৰিম কাক?
সকলো বিষম ভ্ৰমৰ ঘোৰ।"
(— সংশয় ৰহস্য)

তথাপি কবি আগৰৱালা একান্ত ভকতৰ দৰে একান্তভাৱে মানৱতাৰ পূজাৰী।

'প্ৰতিমা'ত বিভিন্ন ভাৱৰ সমাবেশ ঘটা বুলি ভাবিবলৈ অৱকাশ থাকিলেও যথাৰ্থতে ই একত বিলীন হৈছে। প্ৰায় সকলোবোৰ কবিতাৰ মাজেদি এক মানবীয়বাদৰ (Humanism) স্পষ্ট ধ্বনি শুনা যায়। কবি আগৰৱালাৰ 'প্ৰতিমা' যথাৰ্থতে বেজবৰুৱাই কোৱাৰ দৰে "প্ৰতিমাখনি সৰু কিন্তু নিভাজ সোণৰ।" 'প্ৰতিমা'ৰ মাজেদি ব্যঞ্জিত হোৱা এই গভীৰ ভাৱেই অন্ততঃ 'প্ৰতিমা'ক যাউতিযুগীয়া কৰি ৰাখিব। 'মাধুৰী', 'নিয়ৰ' আদি কবিতাত শব্দাৰ্থ প্ৰয়োগৰ যি সুকৌশল তুলি ধৰিছে সিও অতুলনীয়। সকলোবোৰ কবিতাৰ প্ৰতি দৃষ্টি ৰাখি আমি কবই লাগিব যে— চন্দ্ৰকুমাৰ আগৰৱালা কবিতকৈ বেছি ভাবুকহে আছিল। গভীৰ ভাৱেই চন্দ্ৰকুমাৰৰ কবিতাৰ আত্মা।

(পাদটীকা ঃ ১৯৬৬ চনতে ৰচনা কৰা এই প্ৰবন্ধটো লেখকৰ সন্মতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰা হৈছে — সম্পাদক)।

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সৌন্দৰ্য

ড° নিৰ্মল প্ৰভা বৰদলৈ

সুন্দৰ এক উপলব্ধিৰ পোহৰ মনৰ গহ্বৰত বিদ্যুৎ শিখাৰ দৰে এদিন উজ্বলি উঠিল। চকুত লাগিল তাৰ জ্যোতি, কল্পনাৰ ঢেউকাত লাগিল সেই পোহৰৰ ৰূপালী তৰংগ। শতাব্দীৰ পিছত শতাব্দী জোৰা নিয়মৰ বন্ধন সেই অনুভৱে ছিঙি পেলালে। প্ৰতিক্ৰিয়াস্বৰূপে বহুমুখী পৰিবেশত ক্লাছিকেল যুগৰ গতানুগতিক প্ৰাণহীন সাহিত্যৰ বিৰুদ্ধে স্বাধীন, জীৱন্ত চিন্তাধাৰাৰ অভ্যুত্থান ধুমুহাৰ দৰে আহি পৰিল। বিষয়-বস্তু, উপমা, ছন্দ, ভাষা, অলঙ্কাৰ সকলোতে নিয়মৰ এক কটকটীয়া কৃত্ৰিম গণ্ডী ক্লাছিকেল যুগৰ সাহিত্যই যি গঢ়ি তুলিছিল; জনমনৰ এই বৈপ্লৱিক জোৱাৰত সেই গতানুগতিক বান্ধোন ভাঙি-ছিঙি উটি বুৰি গ'ল। সাহিত্যত প্ৰাণৰ স্বতঃস্ফূৰ্ত স্বাধীন প্ৰকাশ এই এতিয়াহে আৰম্ভ হ'ল। ৰোমাণ্টিক আন্দোলন নাম পোৱা এই স্বতস্ফূৰিত নতুন প্ৰবাহে, বৈপ্লৱিক, এই নতুন উন্মেষে সাহিত্যত আত্মমুক্তি দিলে — নতুন দ্ৰষ্টাৰ চকুত দিলে গভীৰ মোহ, এক বিস্ময় - বিমোৰ ছয়া-ময়া কল্পনাৰ তীব্ৰতা, এক তন্ময়তা, এক আচ্ছন্ন অনুভূতি।

সামাজিক পৰিবেশ নিকৰুণ। ৰাজনৈতিক পৰিবেশ প্ৰতিকূল। জীৱন দুখৰ কাঁইটত থকা সৰকা, বক্তাক্ত। সমস্যা জৰ্জৰিত, নিকৰুণ নিঠৰুৰ মৰুভূমিত জীৱনে ক'ত আশ্ৰয় ল'ব? মুমূৰ্ষু জনতাৰ মূক বেদনাৰ বাবে সান্ত্বনা ক'ত? মহা সংকটৰ এই পটভূমিত ৰোমাণ্টিক শিল্পীসত্তাই উনৈশ শতিকাৰ পৃথিৱীক মুক্ত কল্পনাৰে বাতৰি দিলে এটা পথৰ — বহুত আশ্ৰয়ৰ। সেই পথ তীব্ৰ কল্পনাৰ, সেই পথ নতুন দৃষ্টিভঙ্গীৰ। সেই আশ্ৰয় হ'ব পাৰে প্ৰকৃতি, হ'ব পাৰে প্ৰেম, হ'ব পাৰে আধ্যাত্মিক এক ৰহস্যময় জগত, হ'ব পাৰে পগদেৱতাৰ হৃদয়।

এই অভূতপূৰ্ব উপলব্ধিৰ 'জোনাকী' পথত জয়যাত্ৰা কৰিলে চন্দ্ৰকুমাৰে। অসমক জোনাকী পথৰ সন্ধান দিলে পাশ্চাত্য জগতত তোলপাৰ লগোৱা এই নৱন্যাসৰ বাতৰি পোৱা তিনিজন দ্ৰষ্টাই। অসমীয়া সাহিত্যত এক নতুন যুগৰ সূচনা হ'ল। জোনাকী অনুভূতি সিঁচৰতি হ'ল যুগলৈ, যুগমীয়া হৈ।

চন্দ্ৰকুমাৰৰ স্পৰ্শকাতৰ শিল্পী সত্তাত এক উজাহী কল্পনাই প্ৰথম দোলা দি গ'ল। এই যে সুন্দৰ, জিনাকি প্ৰকৃতি ই জানো অচেতন? আমি দেখাখিনিয়েই জানো সৰ্বস্ব? যদি হয় —

> 'নিজৰৰ দুলৰীয়া সুৰবিটি মাৰি
> মাতিছলনো কোনে কাক?

"নিজন বনত কোন কন্ত আছে
হালিছে গছৰ আগ।"

এক অজান সংশয়ত মন শিয়ঁৰি উঠিল। গহীন গছত বতাহ থৰ্ থৰ্কৈ কঁপিছে, নিজান এৰাৰাৰীৰ পৰা মৰ্মৰ্ ধ্বনি ভাঁহি আহিছে, বাঁহপাতাৰ মাজে মাজে কিহবাই ফুচফুচাইছে, কোনোবাই যেন মিচিকিয়াই হাঁহিছে; ভৰ দুপৰীয়া আঁহতৰ তলত সেয়া ঃ

"মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক টুক টুক
ৰূপহীৰ মেল দেৱযোনী খেল
মানুহে নেদেখা মুখ।"

গা জিকাৰ খাই উঠা, বুকু চমকাই যোৱা পৰিবেশ ছবি আৰু ধ্বনিৰ সহায়ত জীৱন্ত হৈ উঠিছে। কেঁচা মাটিৰ সুবাস্তি বিয়পি পৰিছে। আকৌ সেইফালে ঃ

"কলে যায় সৌ ফুলৰ পাহিটি
ছিঙি নো উটালে কোনে
কি বাতৰি যায় ফুলাম নাও বাই
কোন বা কুঁৱৰী পোনে।"

যেনিয়েই চোৱা যায় তেনিয়েই আশ্চৰ্য এক ছাঁয়া-মায়া সৌন্দৰ্যই যেন কুক্ভা খেলিছে— এবেলি বনকুঁৱৰী, এবেলি জলকুঁৱৰীৰহে। চিনাকি ধূলিতে অপাৰ্থিব সৌন্দৰ্য যেন তিৰবিৰাই আছে — "এক্ষাবে পোহৰে মিলন মাধুৰী ৰূপৰ খেমালী দৰা।" এই সৌন্দৰ্য চোওঁ চোওঁ কৰি চুব নোৱাৰি সৌন্দৰ্য পিয়াসী কবি সত্তা উন্মনা হয়, কল্পনা অপৰূপ হৈ চমৎকাৰ গীতিময়তাৰে ঢউ খেলি খেলি যায়। সেউজীয়া দূবৰিৰ বুকুত পৰি ৰোৱা সামান্য এটোপাল নিয়ৰৰ সৌন্দৰ্যই ৰোমাণ্টিক কবিৰ বিস্ময় বিমুগ্ধ কল্পনাক যি আকাশত পাখি মেলাইছে, তাৰ ৰং পশ্চিম আকাশৰ দৰে বৰ্ণাঢ্যঃ নিয়ৰৰ টোপালটো নিয়ৰ নহয়; সেয়া হয়তো আকাশৰ পৰা টোপনিত সৰি পৰা এটি তৰা যাৰ নয়ন স্বপ্নৰ আৱেশত এতিয়াও মগ্ন। নতুবা এনেকুৱাতো হ'ব পাৰে সেয়া নিশাৰ অভিসাৰিকা নৃত্যৰতা কোনোবা অপ্সৰীৰ নুপূৰৰপৰা সৰি পৰা এটি মণি। নহ'লে হয়তো জোনাকে অভিভূত কৰা কোনোবা বিৰহীৰ এটোপাল গোপন অশ্ৰু যি অজানিতে ফুলৰ পাহিত লাগি লাগি ৰ'ল। লোকগীতৰ প্ৰাণচঞ্চল লয়লাসেৰে সৌন্দৰ্য্য যেন নিয়ৰৰ দৰেই টপটপকৈ নিজৰি পৰিছে "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি একে আষাৰেই জীৱন দৰ্শন উদঙাই দেখুওৱা, অসমীয়া গীতিকবিতাৰ প্ৰথম স্ৰষ্টা এই কবিৰ লিখনীত। কল্পনা ৰৰ সূক্ষ্ম, বৰ আলফুল অথচ অতি তীব্ৰ কাৰণেই ৰোমাণ্টিক কবিক "The meannest flower that blows can give thoughts do often lie too deep for tears."

"সৌন্দৰ্য কি মোহিনী মাৰি মোৰ ভুলালি হৃদয়" বুলি সৌন্দৰ্য ব্যাকুল হোৱা কবিয়ে একোবাৰ ফুলা সৰিয়হৰ স্বৰ্ণদীপ্ত শোভাত, একোবাৰ সূৰ্য্যৰ সোণালী ৰশ্মিত, একোবাৰ পখিলাৰ জিলিকা পাখিত সৌন্দৰ্যৰ মউ বিচাৰি ফুৰিছে। 'মাধুৰী'ত আহি এই সৌন্দৰ্য তৃষাই যেন এখানি এখানি আশ্ৰয় বিচাৰি পাইছে : ফুলো নুফুলোকৈ থকা ফুলৰ কলিত, হাহোঁ নেহাহোঁকৈ থকা হাঁহিত, শুনা-নুশুনা ৰিণিকি ৰিণিকি গীতত, বুজো-নুবুজো হৈ থকা কথাত, হাঁহো নে কান্দোঁকৈ থকা সজল চকুত, লুকা-ভুমুকাকৈ থকা ছায়াময়া পোঁচত; যাওঁ নে নেযাওঁকৈ থকা যৌৱন হৃদত যি সুষমা উৎসাৰিত হৈ উঠে তাৰ তুলনা কʼত? কলা বা জীৱনৰ সৌন্দৰ্য যে, আধা-আধি চকুৰ আঁৰত 'half hidden from the eye'. যি কথা একেবাৰে কোৱা হৈ গʼল, যি ফুল একেবাৰে ফুলা হৈ গʼল, যি সুৰ শুনা হৈ গʼল কল্পনাৰ বাবে তাত ঠাই কʼত? সেয়েই 'Unheard music are sweeter' গাভৰুতকৈ পাট গাভৰুৰ, সম্পূৰ্ণ ভাস্কৰ্যতকৈ অৰ্দ্ধখোদিত গুলাওঁ নে নোলাওঁকৈ মন মোহা ঠগটিৰ সৌন্দৰ্য অনুপম।" "Concealment is the great art" সেয়েহে। উশুল-থুশুল, থউকি বাথউ, অধীৰ - গোপন, মধুৰ-সূক্ষ্ম এই উপলব্ধিবোৰ চপল অথচ থমকি থমকি যোৱা ছন্দত বৰ মনোৰম হৈ, বৰ মিঠা হৈ ধৰা দিছে। বনকুঁৱৰী, জলকুঁৱৰী কবিতাত দেখুৱাৰ দৰে অতিলৌকিক — পৰিৱেশ অংকনৰ ক্ষমতা চন্দ্ৰকুমাৰৰ বিদৰে অপূৰ্ব, সেইদৰে ভাব, নৃত্য, ছন্দ আৰু অভিনৱ ব্যঞ্জনাৰ বৈশিষ্টেৰে 'মাধুৰী' কবিতাও কালজয়ী।

চন্দ্ৰকুমাৰৰ সৌন্দৰ্যবোধক এক অপৰূপ বিষাদে মাজে মাজে তিয়াই পেলায়। সৌন্দৰ্যৰ প্ৰতি থকা গভীৰ মমতাই এই বিষাদৰ উৎস। যি সৌন্দৰ্যই কবিৰ মন উৰণীয়া কৰিলে, যি ৰূপ বাশিয়ে প্ৰাণ গঙ্গালে সাত সাগৰৰ জোৱাৰ আনিলে, যি মুগ্ধতাই কবিৰ সৰ্বস্ব হৰণ কৰিলে সেই সৌন্দৰ্য্য চাই থাকোতেই নাইকিয়া হৈ যায়— পোৱা আৰু হেৰুওৱাৰ দোমোজাত কবিৰ অন্তৰ বেদনাৰে ভৰপুৰ হৈ উঠে—

"ফুলকলি ফুলি গোন্ধ
বোৱাই প্ৰীতিৰ সোঁত
সৰি পাচে নাইকিয়া হʼল।"

সৌন্দৰ্যৰ ক্ষণস্থায়ীত্বই কবিৰ আলসুৱা মনক কন্দুৱায়। ৱাল্টাৰ ডি লা মেয়াৰকো কন্দুৱাইছিল এইদৰে '[Beauty Vanishes, beauty passes, however rare, rare it be."

সৌন্দৰ্য সন্ধানৰ সৈতে সমান্তৰালভাৱে চন্দ্ৰকুমাৰৰ কবিতাৰ আন দুটি বলিষ্ঠ দিশো বৰ উজ্জ্বল। সেয়া হৈছে চন্দ্ৰকুমাৰৰ কবিতাৰ দৃপ্ত মানৱতাবাদ আৰু গুৰুগম্ভীৰ আধ্যাত্মিক সুৰ। এহাতে পাশ্চাত্য দৰ্শনৰ ব্যক্তিবাদ আৰু আনহাতে ভাৰতীয় দৰ্শনৰ সৰ্বভূতত পৰমাত্মাৰ দৰ্শন—এই দুয়োটা মূল্যৰ অপূৰ্ব সমন্বয় চন্দ্ৰকুমাৰৰ কাব্যত ঘটিছে।

ক্লাছিকেল যুগত অৱহেলিত হৈ থকা গণজীৱনৰ মুক্ত ৰোমাণ্টিক আন্দোলনে দিলে, দিলে মূক ব্যক্তিৰ হৃদয়ক প্ৰতিনিধিত্ব কৰাৰ, ব্যক্তিৰ সমাজক অনুভৱ কৰাৰ নিচিনা দায়িত্ব ৰোমাণ্টিক কবিৰ মানৱতাবাদক। কল্যাণ সুন্দৰ এক সত্যৰ যি পূজাৰী তেওঁ অমানৱীয় কদৰ্য্যতা য'তেই দেখিব ত'তেই বজ্ৰনিৰ্ঘোষ স্বৰেৰে বিদ্ৰোহ ঘোষণা কৰা নিতান্তই স্বাভাৱিক। লোকসমাজত চলি থকা ব্যক্তিৰ জীৱনৰ চৰম ট্ৰেজেডিৰ উৎস মানুহৰ নিষ্ঠুৰতাই নহয়নে? প্ৰখৰ নতুন এক চেতনাৰে ' তেজীমলা'ক এক প্ৰতীকি অৰ্থলৈ কবিয়ে উন্নীত কৰিছে, কিম্বদন্তীৰ গতানুগতিকতাত এক অভিনৱ দৃষ্টিপাত কৰি। 'তেজীমলা'ক মানুহৰ নিষ্ঠুৰতাৰ ৰক্তাক্ত, চুৰ্ণাকৃত এক চিৰন্তন, দলিত সত্তাৰূপে দাঙি ধৰিছে। যি মানুহে মৰমৰ এধানি উমদি জীৱনৰ ফুল ফুলাব পাৰে সেই মানুহেই নিজ চোতালতে ফুলা মাধুৰী চিনি নাপাই দুভৰিৰে গচকি পেলায় ঃ

"সাৰি তুলি ছিণ্ডি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।"

মানুহে মানুহক কি কৰিব নোৱাৰে। What man has made of man!"

"কুটুমেই ৰান্ধে কুটুমেই বাঢ়ে
কুটুমে কুটুমক খায়
কুটুমৰ তেজেৰে বন্তি জ্বলায়
মজিয়া ভকে ভকায়।"

মানুহৰ এই জঘন্য দানবীয়তাৰ বিপৰীতে প্ৰকৃতি কিমান সংবেদনশীল, কিমান নিৰ্ভয় আশ্ৰয়। কি নিবিড় স্নেহৰ অশৰীৰী এক আকৰ্ষণ প্ৰকৃতি। মানুহৰ আসুৰিক প্ৰবৃত্তি হিংসাই মোহাৰি, নিশ্চিহ্ন কৰিব খোজা তেজীমলাৰূপী সৰল, পবিত্ৰ, সৌন্দৰ্য্যৰ মৰি মৰি জী থাকিব খোজা অঙ্গীকাৰক, বাসনাক আলফুলে আশ্ৰয় দিলে প্ৰকৃতিয়ে। কোনো ধুমুহাই তলাব নোৱৰা কৰি মৰমৰ বান্ধেৰে বান্ধি পাৰিজাত কৰি ফুলালে। প্ৰকৃতি মানুহৰ চিৰদিনৰ পৰম আশ্ৰয়—এই পৰম সত্য; উদাৰ প্ৰকৃতিৰ অযাচিত সৌহাদ্যৰ ৰূপ কবিৰ আন কবিতাতো পৰিস্ফুটিত হৈছে।

মানুহৰ বৰ্বৰতা, অমানুষিক নৃশংসতা, শঠতাৰ প্ৰতি তীব্ৰ ঘৃণা কবিৰ প্ৰকাশ পাইছে উগ্ৰভাৱে ঃ

'হাতো নেমেলিবি ফুলো নিছিঙিবি
ক'ৰে নাৰবীয়া তই।
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।।'

যি নৃশংসে তেওঁ অচিনাকিয়েই। স্বাৰ্থান্ধ, লোলুপ মানুহে সৃষ্টি কৰা ভেদাভেদ, উচ্চ-

নীচৰ মিছা সংস্কাৰ; পুৰণি জৰাজীৰ্ণতা, আত্মাৰ অপমান মানুহৰ হাতত মানুহৰ লাঞ্ছনা দেখি কবিৰ কল্যাণকামী সত্তাই ক্ৰোধত উগ্ৰমূৰ্তি ধাৰণ কৰিছে — এক প্ৰচণ্ড ধুমুহাৰ ৰুদ্ৰ ৰূপ লৈ কবিয়ে বজ্ৰহুংকাৰেৰে বিপ্লৱৰ উল্কাপাত কৰিব খুজিছে — ঘনঘটাচ্ছন্ন হৈ ভয়ংকৰ বিপ্লৱ আহক — ধ্বংসমুখ কৰি চূৰ্ণ-বিচূৰ্ণ কৰি নিয়ক এই উৱা সমাজৰ মিছা দম্ভ, মিছা স্বৰূপ :

"আঙুলি বুলাব জনা হ'লে আৰু
পেলালোহেঁতেন টানি
হিমালয় চূড়া বুৰালোহেঁতেন [illegible]
কলীয়া পানী
আকাশৰ তৰা নমালোহেঁতেন খপিয়াই
লাখে লাখ
জোন বেলি গ্ৰহ পেলালোহেঁতেন দলিয়াই
জাকে জাকে
পাপৰ মজিয়া নিয়ালোহেঁতেন উঠাই
সাগৰৰ তল
ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন মাথো
সমুদ্ৰৰ জল"

বিপ্লৱৰ প্লাবনে এই পাপৰ মজিয়া উটুৱাই লৈ যাওক, উচ্চ-নীচ সকলো একাকাৰ হৈ যাওক। যি সমাজে পাপৰ প্ৰতিৰোধ কৰিব নোৱাৰে, দুৰ্বলৰ ওপৰত সবলৰ অত্যাচাৰ ৰোধিব নোৱাৰে, অন্যায় ক্ষয় কৰিব নোৱাৰে, সেই সমাজৰ প্ৰয়োজন ক'ত? এখন মুক্ত সাম্যবাদী সমাজ নতুন দিনৰ অৰুণ কিৰণে সৃষ্টি কৰক — উদ্দেশ্যৰ এই মহত্ত্বই, শক্তিশালী অনুভৱৰ এই গভীৰ আন্তৰিকতাই 'বীণ-ব'ৰাগী'ৰ অন্তৰ্নিহিত বিপ্লৱী আকাংক্ষাক সুৰৰ আশাবাদী এক উচ্চ মৰ্যাদা প্ৰদান কৰিছে। 'বীণ-ব'ৰাগী' য়েই কবিৰ নিটোল জীৱনদৰ্শনৰ সামগ্ৰিক ৰূপ। মানৱত্বৰ আদৰ্শ আৰু বাস্তৱৰ সংঘৰ্ষত বিকৃত অসামঞ্জস্যৰ যি সৃষ্টি হৈছে তাৰ ঘূৰ্ণিত মানৱৰ মহা-মহত্ত্ব ৰক্ষা পৰাৰ চিন্তা 'সংশয় ৰহস্য' নামৰ কবিতাত মূৰ্ত হৈছে আৰু মানৱৰ আত্ম-শক্তিয়েহে যে এই মহাসংশয়ৰ জাল ছিন্ন কৰি পৰম পথৰ সন্ধান দিব পাৰিব সেই সনাতন সত্য উপলব্ধি কৰি 'বীণ-ব'ৰাগী'য়ে দৰ্শনৰ এক গভীৰ স্তৰত অৱগাহন কৰিছে। এই উপলব্ধিৰে 'আনন্দ তীৰ্থ'ৰ যাত্ৰা কৰি মানুহৰ মহত্ত্বয়েই যে মানুহৰ পৰম ঐশ্বৰ্য সেই সত্য গভীৰ প্ৰত্যয়েৰে ঘোষণা কৰিছে।

নটা ছেদত ভগোৱা 'বীণ-ব'ৰাগী'ৰ বিচিত্ৰ সুৰে কবি প্ৰাণৰ মহৎ বেদনা আৰু গভীৰ অন্তৰ্দৃষ্টিৰ অন্তৰালত মানৱতাবাদ আৰু আধ্যাত্মিকতাৰ কি নিবিড় সমন্বয় সাধন কৰিছে, তেওঁৰ জীৱন দৰ্শনৰ তিনিওটা প্ৰবাহকে কি আশ্চৰ্য দক্ষতাৰে একত্ৰিত কৰিছে তাৰ

বিশ্লেষণত বাৰে বাৰে মুৰ দোঁ খাই যায়। সূক্ষ্ম শিল্পীমনে দৃষ্টিত প্ৰখৰতা দিলে। সুখৰ মিছা অন্বেষণত হৃদয় ব্যথিত হ'ল। সংশোধনৰ মহৎ আকাংক্ষাই হৃদয়ৰ বেদনাক কাব্য ৰূপলৈ ৰূপান্তৰিত কৰিলে। প্ৰলয় নাচোনৰ পিছত "মুকলি মনৰ মানবী মূৰ্তি অকলংক মাধুৰীমা"ক থাপিবলৈ প্ৰাণৰ জ্যোতিৰ্ময় উদাৰতাৰ বেদীলৈ কবি মন্ত্ৰমুগ্ধৰ দৰে আগুৱাই আহিল। জীৱন আৰু জগতৰ স্বৰূপ উপলব্ধিয়ে কবিক প্ৰশান্ত, সমাহিত কৰিলে — বৰ্ষস্নাত জোনাকৰ দৰে কবিৰ প্ৰাণ আধ্যাত্মিক উপলব্ধিত যেন উদ্ভাসিত হৈ উঠিল —

"দিয়াহে মুকলি কৰি মোৰ প্ৰাণ
দিয়া দেৱী দিয়া দিয়া
দিয়া দিব্য চকু বিমল জেউতি
দেখি উধাওক হিয়া।"
"সুষপ্ত আত্মাৰ সূক্ষ্ম শকতি
জগাই মাথোন তোলা
আত্মাৰ বলেৰে বলীয়ান হৈ
বিজুলী সঞ্চাৰে দোলা।"
"দেখিছো পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ
মানুহেই দেৱ ইহজগতৰ
মানুহেই পৰাৎপৰ।"

সংগ্ৰামৰত হৈ থাকোতে চিনিব নোৱৰা সত্যক আত্মাৰ উচ্চ আৰোহণে চিনাই দিলে। মানুহৰ মাজতেই কবিয়ে দেখিলে তেওঁ বিচাৰি ফুৰা সত্য, শিৱ, সুন্দৰক। 'ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ' বা ৰবী ঠাকুৰৰ ভাষাত "পথেৰ প্ৰান্তে আমাৰ তীৰ্থ নয়, পথেৰ দুধাৰে আছে মোৰ দেৱালয়।" মানৱ সেৱাই যে ঈশ্বৰ সেৱা। সেয়েহে "মানৱী জনম দিয়া উটুৱাই মানবী কৰম সোঁতে"। কাৰণ মানৱৰ প্ৰতি কৰা মৰমতেই যে ধৰ্ম। হিয়াই হিয়াই ভগবানৰ স্বৰূপ চিনি, মানৱৰ প্ৰতি অখণ্ড সহানুভূতি, কল্যাণ কামনা কবিৰ সহস্ৰ ধাৰাৰে বাগৰি গ'ল— মানৱৰ আত্মাত নিহিত হৈ থকা অমোঘ শক্তিক আহ্বান জনালে— "পৃথিৱীক তোলা স্বৰ্গৰ খাপলৈ স্বৰ্গক নমাই আনা।" গীতাৰ কৰ্মযোগ, কৰ্মৰ বেদীত নিজক পৰিপূৰ্ণভাৱে উছৰ্গা কৰা মহাত্মা গান্ধীৰ বিশ্ববিমোহন আদৰ্শত কবি আত্মহাৰা হ'ল। 'অনৰোৰনীয়ান, মহতো মহীয়ান' বুলি আত্মাক পৰম শক্তিৰ লগত অভেদ বুলি কল্পনা কৰা প্ৰাচ্যৰ অতীন্দ্ৰিয় দৰ্শনৰ আনন্দ সমুদ্ৰত কবিয়ে বুৰ মাৰিলে — বীণ-ৰ'ৱাগীৰ শেষ সুৰত বাজি উঠিল — "সোহং' নাদ। সংকীৰ্ণ পৰিধি আঁতৰি গৈ গৈ আত্মা আৰু পৰমাত্মা, স্ৰষ্টা আৰু সৃষ্টি, দৰ্শক, অভিনেতা আৰু অদৃশ্য পৰিচালক একীভূত হৈ

পৰিল, মায়াৰ ব্যৱধান আঁতৰি গ'ল। সূক্ষ্ম এক অতীন্দ্ৰিয় স্তৰৰ ব্যঞ্জনা অপাৰ্থিব ৰূপত উদ্ভাসি উঠিছে ঃ

মোৰেই জগতখনে মোকেই মাতিছে
গৃহস্থলৈ আলহীৰ আসন পাতিছে
মোৰ দাপোনতে মোৰ মুখ দেখুৱায়
মোৰ মুখাকেই পিন্ধি সেন্দুৰ বোলাই
ময়ে পতা ৰাজ্যখন ভাঙি আকৌ ময়ে
ডাঙৰ ৰাজ্যৰ সৃষ্টি পাতো নতুনকৈয়ে
পথিলা ময়েই হওঁ কেঁচু হৈ খেদো
মোৰ ধেমালিৰ অন্ত ময়ে হ'ব নিদো
মোৰ হিয়াখনি মই মোকে বিলাওঁ
প্ৰেম বেহানিৰে ভনি নাও বাই যাওঁ।।"

অজ্ঞতাৰ সাগৰ সাঁতুৰি, দিব্যজ্ঞানৰ উচ্চ শিখৰতগৈ সাধক কবিৰ সত্ত্বা পৰম জ্যোতিৰ লগত একাত্ম হৈছে— উপলব্ধিৰ শেষ স্তৰত ধ্যানমগ্ন এক তন্ময় অৱস্থাত মানবতা আৰু আধ্যাত্মিকতাৰ চৰম বাণী উচ্চাৰিত হৈছে।

" মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত
মোৰ চিন্তাতেই গুঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।"

গুৰু-গম্ভীৰ এই উদাত্ত সুৰ সত্য দ্ৰষ্টা ঋষিৰ বাণীৰ অনুৰূপ। কাল নিয়তিয়ে "দুখৰ পিহনি শিলত থৈ" জীৱন চূৰ্ণ-বিচূৰ্ণ কৰিলতো অদৃশ্য নিয়তিক 'চেলেঞ্জ' দি জীৱনৰ চূৰ্ণতাখিনিকে চকুৰ পানীৰেই জোৰা লগাই মৰুৰ কাঁইটত জীৱনৰ ফুল ফুলোৱাৰ অনমনীয় দৃঢ়তা তথা সংগ্ৰামী পৌৰুষ যি কবিৰ আছে তেওঁৰেই আছে এই ধ্যান স্তিমিত মহীয়ান উপলব্ধি। সুস্থ, বলিষ্ঠ আশাবাদ 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী'ৰ কবিতাক সমানে সুন্দৰ আৰু মহৎ কৰি তুলিছে। আগৰৱালা স্বৰূপতেই 'অজেয়'।

# চন্দ্ৰকুমাৰৰ কাব্যিক-প্ৰতিভা ঃ এটি দিশ

অধ্যাপক বীৰেন বৰকটকী

জোনাকী যুগৰ কবি-সাহিত্যিক সকলৰ ভিতৰত যিসকলৰ লিখনিৰ যোগেদি পাশ্চাত্যৰ ৰমন্যাসিক কবিসকলৰ কাব্যিক প্ৰতিভাৰ জিলিঙনি আহি পৰিছিলহি সেইসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা অন্যতম। আগৰৱালাক অকল প্ৰথম গীতি কবি বুলিয়েই ক'ব নোৱাৰি প্ৰথম ৰমন্যাসিক কবিও। জোনাকী যুগৰ আগৰণুৱা চন্দ্ৰকুমাৰৰ লগতে লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ নাম ল'লেহে জোনাকী যুগৰ আৰম্ভণিৰ প্ৰকৃত উল্লেখ কৰা হ'ব। কলিকতাত লোৱা উচ্চ শিক্ষাই চন্দ্ৰকুমাৰ, বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক অনুপ্ৰেৰণা যোগাইছিল ইংৰাজী ৰমন্যাসিক সাহিত্যই। ইংৰাজী ৰমন্যাসিক সাহিত্যই ৱৰ্ডছৱৰ্থ আৰু ক'লৰীজে লিখা লিৰিকেল বেলেডছে যেনেকৈ আলোড়ন সৃষ্টি কৰিছিল তেনেকৈ চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ গোস্বামী আৰু বেজবৰুৱাই জোনাকী কাকত উলিয়াই অসমীয়া সাহিত্যত আলোড়ন সৃষ্টি কৰিছিল। এওঁলোকৰ প্ৰচেষ্টাত ওলোৱা জোনাকী কাকতে পাশ্চাত্যৰ ৰমন্যাসিক ভাবধাৰাৰ আভাস অসমীয়া সাহিত্যত দিলে। ৱৰ্ডছৱৰ্থ, ক'লৰীজ, শ্যেলী, কীটছ আদিৰ কবিতাৰ অনুপ্ৰেৰণাৰে — এইসকলে অসমীয়া কাব্যজগততো নতুনত্বৰ সঞ্চাৰ কৰিলে।

'জোনাকী' কাকতৰ যোগেদি যিবোৰ গীতি-কবিতা চন্দ্ৰকুমাৰে প্ৰচাৰ কৰিলে সেইবোৰে অসমীয়া গীতি-কবিতাৰ পথ ৰচনা কৰি ৰমন্যাসিক ভাবধাৰাৰ বিভিন্ন দিশ প্ৰদৰ্শন কৰালে। 'জোনাকী'ত প্ৰকাশ পোৱা আৰু পিচত লিখা কবিতাৰ সংগ্ৰহেই 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী'। এই কবিতা পুথিৰ প্ৰায় বাঠিটা কবিতাৰ মাজেদি চন্দ্ৰকুমাৰ আগৰৱালাই ৰমন্যাসিক কবিতাৰ অনেক বৈশিষ্ট্য ফুটাই তুলিলে। ৰমন্যাসিক কবিসকলৰ দৰে চন্দ্ৰকুমাৰৰো অনুভৱ ক্ষমতা অতি তীক্ষ্ণ আৰু প্ৰকাশভঙ্গী সহজ-সৰল গভীৰ। চন্দ্ৰকুমাৰে কবি ৱৰ্ডছৱৰ্থৰ দৰে প্ৰকৃতিৰ জয়গান গাইছে আৰু এই জয়গানৰ মাজতেই অন্তৰাত্মাৰ সন্ধানত নিমগ্ন হৈছে। কেতিয়াবা তেওঁ শ্যেলীৰ দৰে, কবিতাৰ মাজেদি মানুহক প্ৰকৃতভাৱে প্ৰতিষ্ঠা কৰিব খুজিছে। পতিকে তেওঁৰ অন্তৰৰ বিদ্ৰোহী ভাবধাৰা তেওঁৰ বীণৰ যোগেদি প্ৰকাশ পাইছে। চন্দ্ৰকুমাৰে মানুহক মানবতাৰ দৃষ্টিভংগীৰে চাবলৈ আবেদন কৰিছে, তেওঁৰ মতে মানুহ হ'ল বিশ্বজগতৰ কেন্দ্ৰস্বৰূপ।

চন্দ্ৰকুমাৰে যি দুখন কবিতা পুথি লিখিলে সেই দুয়োখন কবিতা পুথিৰেই কবিতাবিলাকৰ ভাব গধুৰ। এই ভাব গধুৰ কবিতাবিলাকৰ ভিতৰত প্ৰকৃতি, মানৱতা, বিশ্বপ্ৰেম, অতিপ্ৰাকৃত আৰু আধ্যাত্মিক বিষয়ৰ কবিতাই প্ৰধান। সকলোবোৰ কবিতাৰ মাজেদি চন্দ্ৰকুমাৰৰ মানৱতাবাদী ভাবধাৰা সুস্পষ্ট হৈ পৰিছে। আধ্যাত্মিকতাবাদী কবিতাৰ ওপৰত প্ৰভাৱ পৰিছে গীতা, উপনিষদ আদিৰ মহান বাণীৰ।

ৱৰ্ডছৱৰ্থৰ দৰে কৱি চন্দ্ৰকুমাৰে প্ৰকৃতিৰ বুকুত বিভিন্ন সৌন্দৰ্য্য নিৰীক্ষণ কৰি থাকোঁতে স্থানীয় সৌন্দৰ্য্য দেখা পাইছে। এই স্থায়ী সৌন্দৰ্য্য তেওঁৰ কাৰণে সাধনাৰ বস্তু, গোটেই জীৱনটোৱেই মৃত্যুৰ আগলৈকে সুন্দৰৰ আৰাধনাতেই যেন মানুহৰ জীৱনৰ শ্ৰেয় হ'ব। সেয়েহে তেওঁ লিখিছে —

ঘূৰিছোঁ যাত্ৰীৰ বেশে বহুদেশ-বিদেশ
সৌন্দৰ্য্য আস্বাদন হেতে পাই এতদিনা
সুন্দৰৰ আৰাধনা জীৱনৰ শ্ৰেয়
অন্তিমৰ অন্তে মোৰ কাল-মন্দিৰ।

বিভিন্ন প্ৰাকৃতিক সৌন্দৰ্য্য আনৰ চকুত ধৰা নিদিলেও তেওঁৰ চকুত ধৰা দিছে আনন্দৰ সামগ্ৰী হিচাপে, সেয়েহে তেওঁৰ মনকুঁৱৰীয়ে [illegible] তেওঁৰ প্ৰাণৰ অমিয়া মাধুৰী বিচাৰি ফুৰা মনক পিয়াসী আকুল কৰে। [illegible] সুন্দৰৰ সৌন্দৰ্য্যই কবি ৱৰ্ডছৱৰ্থৰ অন্তৰ [illegible] কবি চন্দ্ৰকুমাৰক মহিমাৰ সুন্দৰবাই তেওঁৰ অন্তৰ [illegible] উঠিছিল।

দিয়া মোক এৰি তাওঁতা সুৰি
ফুলা সৰিয়হ ডৰা
যেনে আজিলৈকে যোৰে লোক ঘূৰি
সৰিলা প্ৰকৃতিৰ ডৰা
তাহানিৰ সেই সনোৱা নিৰৱে
লবালি কালৰ পথ।

ৱৰ্ডছৱৰ্থৰ দৰে চন্দ্ৰকুমাৰৰ প্ৰকৃতি চিৰন্তনীয় আৰু শাশ্বত। এই চিৰন্তনী প্ৰকৃতিৰ অংশ হিচাপে কিবা এটি দুটি বস্তুৰ মৃত্যু হ'ব পাৰে, কিন্তু চিৰন্তন সত্য হিচাপে মহান প্ৰকৃতি অমৰণ অন্তগন। এনে প্ৰকৃতিত কিবা চিৰ-সুখী পৰী গ'লেও প্ৰকৃতি একেদৰেই ৰয় —

কাশ ফেনা কিবা ফুল
চিৰ কৃতি পৰি গ'ল,
প্ৰকৃতিৰ তেনেকৈয়ে থাকো।

প্ৰত্যক্ষভাৱে উপলব্ধি নকৰিলেও প্ৰকৃতিৰ ফুলাম চানেকিত চন্দ্ৰকুমাৰে মহান আত্মিক আৰ্হি দেখিছে:

সোণালী ৰেখৰ প্ৰতিবিম্ব তাতে
ৰঙীন বিচিত্ৰ লীলা
মহান আত্মাৰ আদৰ্শৰ দেখা
ফুলাম চানেকি কিলা (বীণ-বৰাগী)

বৰ্ডছৱৰ্থে শেলুৱে ধৰা শিলৰ মাজত অৰ্দ্ধবিকশিত ভায়লেট ফুলৰ সৌন্দৰ্য্য দেখাৰ দৰে চন্দ্ৰকুমাৰেও সকলোবস্তুৰে অৰ্দ্ধবিকশিত অৱস্থাত সৌন্দৰ্য্য দেখা পাইছে। সেইবাবেই তেওঁৰ বাবে 'ফুটোনে নুফুটোকৈ থকা কুমলীয়া কলিটিত' "উদঙাই ঢাকি থৈ উঠি অহা বুকুটিত", 'ন যযৌ ন তস্থৌ অগা পিচা ভৰিটিত', চাওঁনে নেচাওঁকৈ মৰমৰ দেহাটিত ক্ষন্তেকৰ কাৰণে সৌন্দৰ্য্য বিকশিত হ'লেও তাত মনক চিৰ সেউজীয়া কৰি যোৱা সৌন্দৰ্য্য আছে। এনে সৌন্দৰ্য্যৰে তেওঁ 'দেৱী নে মানৱী' ৰূপত মনৰ মাধুৰীৰ ছবি অঙ্কণ কৰিছে। সুন্দৰৰ প্ৰতি মন ধাবিত কৰি চন্দ্ৰকুমাৰে জীৱনটোক "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি অভিহিত কৰিছে। কীটছৰ দৰে তেওঁ যেন উপলব্ধি কৰে সত্যই সুন্দৰ, সুন্দৰেই সত্য, সত্য তুমি শিৱ তুমি অসীম সুন্দৰ (সৌন্দৰ্য্য) Beauty is truth, truth is beauty. (Keats)

প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনা কৰোঁতে বহু সময়তে চন্দ্ৰকুমাৰৰ কবিতাত লোকগীতিৰ প্ৰভাৱ পৰিছে। বনকুঁৱৰী, জলকুঁৱৰী, তেজীমলা আদি কবিতাত একালেদি লোকগীতৰ প্ৰভাৱ আৰু আনফালে অতিপ্ৰাকৃত পৰিবেশৰ সমাবেশ। ক'লৰীজে অতিপ্ৰাকৃত অনুভূতি, প্ৰাকৃতিক বস্তুৰ মাজেদি এনেভাৱে ফুটাই তোলে যে ই অলপ সময়ৰ কাৰণে হ'লেও মানুহৰ মন অধিকাৰ কৰি অতি-প্ৰাকৃত সত্য ৰূপলৈ ৰূপান্তৰিত হয়। স্থূল ইন্দ্ৰিয়গ্ৰাহ্য জগতে নিজৰ অস্তিত্ব পৰিহাৰ কৰি এই পৰিবেশৰ অধীনতা স্বীকাৰ কৰে। ক'লৰীজৰ দৰে নিপুণতা অৱলম্বন কৰিব নোৱাৰিলেও চন্দ্ৰকুমাৰে অতি-প্ৰাকৃত বস্তুবোৰ পৰিবেশন কৰোঁতে ক'লৰীজৰ পথকে অনুসৰণ কৰিছিল। তেওঁ 'জলকুঁৱৰী', 'বনকুঁৱৰী' কবিতাত এটি ভৌতিক পৰিবেশ দিছে যাৰ ফলত 'জলকুঁৱৰী', 'বনকুঁৱৰী' মানৱ মূৰ্ত্তিলৈ ৰূপান্তৰিত হৈছে —

কতোজনী গই পদুমৰ বেণু
ধৰিছে সৰ্ব্বাঙ্গময়
বাঙলী জনীয়ে ছিঙি পদ্ম কলি
মুঠিয়ে মুঠিয়ে লয়। (জলকুঁৱৰী)

আগৰৱালাৰ এনে কবিতাবিলাক সম্পূৰ্ণৰূপে লোকগীতৰ ৰূপত লিখা অসমীয়া ৰমন্যাসিক কবিতাত প্ৰথম বিস্ময়কৰ পৰিস্থিতি সৃষ্টি হৈছে 'বনকুঁৱৰী'ত। কবিতাত ঐন্দ্ৰজালিকতা সৃষ্টি কৰা আৰু বিস্ময়কৰ পৰিস্থিতিৰ পৰিচয় দিয়া ৰমন্যাসিক সাহিত্যৰ এটি লক্ষণ। এই কেইটা কবিতাৰ উপৰিও তেওঁ বিটো 'তেজীমলা' কবিতা লিখিছিলে সেইটো অসমৰ জনপ্ৰিয় সাধু এটিৰ ওপৰত ভিত্তি কৰা। এনেকুৱা জনপ্ৰিয় সাধু জড়িত থকা কবিতা ইংৰাজী সাহিত্যত বহুতো পোৱা যায়। এইবিলাকত কৰুণ ভাব নিহিত আছে। এনেকুৱা ৰমন্যাসিক কবিতাৰ অনুপ্ৰেৰণাতেই চন্দ্ৰকুমাৰে অসমীয়া তেজীমলা সাধুটো কবিতালৈ ৰূপান্তৰিত কৰিছিল। এই কবিতাত লোকগীতৰ সুৰৰ প্ৰভাৱ আছে। 'তেজীমলা'ক জাতীয় গীতিকাব্য বুলিও অভিহিত কৰিব পাৰি।

'তেজীমলা' অকল লোকগীতৰ আৰ্হিত লিখা কবিতাই নহয়, ইয়াৰ মাজেদি নিষ্ঠুৰতাৰ চৰম পৰিণতি আৰু প্ৰকৃতিৰ উদাৰতা প্ৰদৰ্শন কৰা হৈছে। মানুহ নিষ্ঠুৰ হ'ব পাৰে, প্ৰকৃতি কিন্তু নিষ্ঠুৰা নহয়, প্ৰকৃতিত নিৰাপত্তা আছে, শান্তি আছে, সহযোগিতা আছে। এয়া যেন বৰ্ডছৱৰ্থৰ কবিতাৰ মাজেদি প্ৰকাশ পোৱা কচোৰ প্ৰকৃতি-প্ৰীতিৰ আদৰ্শৰ পৰোক্ষ প্ৰভাব।

মানৱজীবনৰ সমস্যাৱলী, বিশেষকৈ আদৰ্শবিহীন কাৰ্য্যাৱলী দেখি কবিৰ অন্তৰ কাৰুণ্য আৰু বিদ্ৰোহেৰে ভৰপূৰ হৈ উঠিছে, এই ভাব তেওঁ প্ৰকাশ কৰিছে 'বীণ-ব'ৰাগী' কবিতাত। শ্যেলীয়ে 'ওড্ টু দি ওৱেষ্ট উইণ্ড' কবিতাত পুৰাতন সকলো ক্লেদ, জীৰ্ণ-শীৰ্ণ চিন্তা দূৰ কৰি দি তাৰ ঠাইত নতুন উৎসাহ —' উদ্দীপনাৰ সৃষ্টি কৰিবলৈ নিজকে বীণা হিচাপে গ্ৰহণ কৰিবলৈ পচোৱা বতাহক আহ্বান কৰিছে।

Drive my dead thoughts over the universe
Like wither'd leaves, to quicken a new birth,

পচোৱা বতাহক আহ্বান নজনালেও পৃথিৱীৰ পৰা মান-অপমান আঁতৰাই নতুন সৃষ্টিৰ পাতনি মেলা শ্যেলীৰ দৰে চন্দ্ৰকুমাৰৰো কামনা —

মান অপমান টোৱাই যাওক
পৃথিৱীৰ পৰা গুটি
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলোকে শুচি।

নতুন সৃষ্টিৰ অৰুণ কিৰণেৰে সকলোকে শুচি কৰাৰ মানসেৰে চন্দ্ৰকুমাৰে শ্যেলীৰ দৰে পুৰণিক ভাঙি নতুনকৈ গঢ়াৰ পৰিকল্পনা কৰিছে — জল-স্থল, থাল-বাম, সকলোকে সমান কৰাৰ। হিমালয় চূড়া বুৰাই পেলাবলৈ বিকলাৰ উদ্দেশ্য হ'ল ধ্বংসৰ ভেটিত নতুনক প্ৰতিষ্ঠা কৰা। পৰিবৰ্ত্তনৰ কাৰণে ভগৱানক অনুৰোধ কৰিয়েই হওক বা বিদ্ৰোহ কৰিয়েই হওক মানুহক প্ৰকৃত নিষ্পেষণ মুক্ত মানুহ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ তেওঁ বিচাৰিছে।

মানুহৰ নিষ্ঠুৰতা, আদৰ্শহীনতাই কবিৰ বীণত কৰুণ সুৰৰ ঠাইত বিদ্ৰোহৰ সুৰ বজাবলৈ বাধ্য কৰাইছে। কাৰণ কাৰুণ্যই কল্কেকীয়া পুতৌহে আদায় কৰিব পাৰে, পৰিবৰ্ত্তন কৰিব নোৱাৰে।

দুখ-বেজাৰ, বিদ্ৰোহৰ ভাবধাৰাৰ মাজতো কবিয়ে মানৱৰ মাজত অৰুণমানি হলেও মহত্ত্বৰ আভাস পাইছে। এই মহত্ত্ব বিকশিত কৰিব পাৰিলেই মানুহ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ হিচাপে বাস কৰিব পাৰিব। সেই কাৰণেই তেওঁ মানুহে মানুহক মানৱতাৰ দৃষ্টিভংগীৰে চাবলৈ কৈছে — তাকে কৰিবলৈ হ'লে দুখ, দ্বন্দ্ব, শোক মানুহে পাহৰিব লাগিব —

দুখ দ্বন্দ্ব শোক পাহৰি কোৱাল
শান্তিত বুৰক লোক।

হাই-উৰুমি, কাজিয়া-পেচাল নকৰি মানুহে পৃথিৱীত শান্তিৰে বাস কৰিব লাগিব। বস্তুকাণ্ড কবিৰ মতে, “পৃথিৱী স্বৰ্গতো অধিক মানুহৰ নিজাৰ হ'ব।” মানুহৰ প্ৰীতি সুন্দৰ আবিষ্কাৰকে ভগবানে তেওঁৰ অপূৰ্ব নিৰ্মাণ পৰিকল্পনাৰে বিশ্বজগত সৃষ্টি কৰিছে। পৃথিৱীকে মানুহে মানুহক বন্দনা কৰিব লাগে, মানুহে মানুহৰ মঙ্গল কামনা কৰিব লাগে, মানবী জনম —মানবী কৰ্মৰ সোঁতত উটুৱাই দিব লাগে।

মানবী জনম দিয়া উটুৱাই
মানবী কৰম সোঁতে
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।

চন্দ্ৰকুমাৰ আগৰৱালা মানবতাবাদী, মানবক উচ্চ স্থান দিয়া তেওঁৰ কামনা। এনে ভাবধাৰাত ইন্ধন যোগালে পাশ্চাত্যৰ সাহিত্যৰ প্ৰভাৱে। ফৰাচী বিপ্লৱৰ সাম্য, মৈত্ৰী, স্বাধীনতাৰ আদৰ্শই শ্বেলীৰ কবিতাৰ মাধ্যমেৰে আহি আগৰৱালাৰ অনুভূতিপ্ৰৱণ আদৰ্শবাদী ডেকামনক বৰকৈ প্ৰভাৱান্বিত কৰিছিল। দিব্য দৃষ্টিৰে ফুৰি অন্তৰ দাপোণ মেলি অন্তৰতেই সকলো বিকশিত কৰি সৃষ্টিৰ খেলা চোৱা ভাৰতীয় দৰ্শনৰ তত্ত্বও তেওঁ গ্ৰহণ কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল —

অন্তর মম বিকশিত করো
অন্তরতর হে
নির্মল করো, উজ্জ্বল করো
সুন্দর করো হে।

মানুহৰ সুন্দৰ, উজ্জ্বল, বিকশিত এনে অন্তৰকেই আশাবাদী, আদৰ্শবাদী কবি চন্দ্ৰকুমাৰ আগৰৱালাই বিচাৰিছিল। এই জাগৃতিত প্ৰকাশে এখন সুন্দৰ পৃথিৱীৰ কামনা আছে, শ্ৰেণীহীন সমাজ ব্যৱস্থাৰ কাব্যিক পৰিকল্পনা আছে আৰু আনফালে কাব্য প্ৰকাশৰ সুন্দৰতাৰ নিদৰ্শন আছে —

মোৰেই মুখেৰে মানৱ প্ৰাণৰ
ফুটক আকুল মাত।
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত

# চন্দ্ৰকুমাৰৰ কাব্য-প্ৰতিভা ঃ 'প্ৰতিমা'

ড° হেমন্ত কুমাৰ শৰ্মা

আধুনিক অসমীয়া সাহিত্যৰ যুগান্তকাৰী আলোচনী 'জোনাকী' (১৮৮৯ খৃঃ)ৰ অন্যতম সম্পাদক আৰু অসমীয়া নৱন্যাস সাহিত্যৰ প্ৰথম আৰু প্ৰবীণ নেতা চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' স্বৰূপে অসমীয়া নৱন্যাস সাহিত্যৰ এক উজ্জ্বল নিদৰ্শন। ইংৰেজ কবি ৱৰ্ডছৱৰ্থ, কোলেৰিজ, বাইৰণ, শেলী, কীটছ আদিৰ দ্বাৰাত যেনেকৈ ইংৰাজী ৰোমাণ্টিক সাহিত্য পত্ৰে-পুষ্পে সুশোভিত হৈ উঠিছিল, তেনেকৈ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা আদি কবিৰ তুলিকাতো অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ আকাশখনি বিচিত্ৰ ৰঙেৰে ৰঞ্জিত হৈ উঠিছিল।

(২)

১৭৯৮ খৃষ্টাব্দত ৱৰ্ডছৱৰ্থ আৰু কোলেৰিজৰ 'লিৰিকেল বেলাড' গ্ৰন্থখনি যেনেকৈ ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ এটি মাইলৰ খুঁটি, সেইদৰে আগৰৱালাৰ 'প্ৰতিমা' খনো অসমীয়া নৱন্যাস সাহিত্যৰ প্ৰথম বিজয়-স্তম্ভ। "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ" — বেজবৰুৱাৰ এই উক্তি মন কৰিবলগীয়া। ই তোষামোদযুক্ত, প্ৰীতি সাপেক্ষ বা ভাবোচ্ছ্বাসপূৰ্ণ উক্তি নহয় — ই সম্পূৰ্ণ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত।

'প্ৰতিমা'খন তিনিকুৰিটা কম পৃষ্ঠাৰ ভিতৰত প্ৰকাশিত দুকুৰি ছয়টা কবিতাৰ এটি মনোৰম সংগ্ৰহ। কবিতাবোৰ কবিৰ গভীৰ আৰু তীব্ৰ অনুভূতি প্ৰকাশক। কবিতাবোৰত এফালে যেনেকৈ পাশ্চাত্য প্ৰভাৱ পৰিছে — অৰ্থাৎ নৱন্যাস সাহিত্যৰ প্ৰাণস্পন্দন ৰূপত ফুটি ওলাইছে, আনফালে তেনেকৈ ভাৰতীয় দাৰ্শনিক ভাবধাৰাও প্ৰকাশ পাইছে। 'প্ৰতিমা' প্ৰাচ্য আৰু পাশ্চাত্য এই দুই ভাবধাৰাৰে বিকশিত এধাৰি সুন্দৰ মালা, তাত আছে বিচিত্ৰ ৰঙৰ সৌন্দৰ্য আৰু আবেগৰ সৌৰভ। সঁচাকৈয়ে 'প্ৰতিমা' আগৰৱালাৰ এক অপূৰ্ব সৃষ্টি। আৰু সেইহে কোনো কোনো সমালোচকে আগৰৱালাক 'প্ৰতিমাৰ খনিকৰ' বোলাৰো নিশ্চয় যুক্তিযুক্ততা আছে।

(৩)

প্ৰকৃতিৰ ৰূপ-মাধুৰ্যানুভূতি ৰোমাণ্টিক সাহিত্যৰ এটি প্ৰধান লক্ষণ। সংস্কৃত আৰু বৈষ্ণৱ কবিসকলৰ বৰ্ণনাত প্ৰকৃতিৰ সুন্দৰ চিত্ৰ পোৱা যায় যদিও সেই প্ৰকৃতি নিৰ্জীৱহে। 'কুমাৰসম্ভৱ'ৰ হিমালয় গিৰি, কণ্বমুনিৰ আশ্ৰম, নাইবা 'হৰমোহন'ৰ নিধু-উপবনৰ চিত্ৰই উদ্দীপন বিভাৱ হিচাপেহে নায়ক নায়িকাৰ মনত প্ৰভাৱ পেলাইছে, কিন্তু সেই

চিত্ৰত প্ৰকৃতিৰ প্ৰাণ পোৱা নাযায়। নাইবা তেনে প্ৰাকৃতিক বৰ্ণনাৰ লগত কবি-হৃদয়ৰো কোনো সম্বন্ধ নাই। কিন্তু ৰোমাণ্টিক সাহিত্যত প্ৰকৃতি জীৱন্ত বুলিয়ে গণ্য কৰা হৈছে। মানুহৰ দৰে প্ৰকৃতিৰো যেন সুখ-দুখ অনুভৱ কৰিব পৰা — মানুহক উপকাৰ কৰিব পৰা ক্ষমতা আছে। ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ লগত নিবিড় আত্মীয়তা স্থাপন কৰিছে। ৱৰ্ডছৱৰ্থৰ প্ৰকৃতি জীয়ৰী 'লুচি'ৰ দৰে চন্দ্ৰকুমাৰৰো 'বনকুঁৱৰী' বা 'জলকুঁৱৰী'য়ে প্ৰকৃতিৰ বুকুত নানা-ধৰণৰ খেলা খেলিছে। মানুহৰ দৰে ৰাজহংসই 'ফুল নাওখনি' বাই নিছে, জলৰ দেৱী নিয়ৰীয়ে বনকুঁৱৰীৰ চুলি বান্ধি দিছে, বিবিধে নৈলে চাই হাঁহিছে, নৈয়ে কথা পাতিছে, মলয়া বতাহে গছৰ পাতে পাতে ঘূৰি ফুচ্‌ফুচাই কিবা কৈছে। অকল এয়ে নহয়, মানৱীয় গুণ লাভ কৰা প্ৰকৃতিয়ে সংসাৰৰ জ্বালাত বিব্ৰত হোৱা কবিক চিৰমুগ্ধ কৰি ৰাখিছে। আন নালাগে বহুতৰ চকুত নপৰা প্ৰকৃতিৰ সাধাৰণ ফুলা সৰিয়হ ডৰায়ো কবিৰ অন্তৰত ল'ৰালিৰ — অতীত কালৰ মধুৰ স্মৃতিবোৰ জগাই তুলিব পাৰে।

সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা
তাহানিৰ সেই সপোনৰ দিনৰ
লৰালি কালৰে পৰা। (ফুলা সৰিয়হ ডৰা)

কবিৰ এই উক্তিয়ে ৱৰ্ডছৱৰ্থৰ 'ডেফোডিলছ্' কবিতাৰ

They flash upon that inward eye
Which is the bliss of Solitude;
And then My heart with pleasures fills
And dances with the daffodils.

বোলা কথা কেইষাৰিকেই সোঁৱৰাই দিয়ে। অতীতৰ প্ৰতি শ্ৰদ্ধা নৱন্যাসৰ অন্যতম লক্ষণ। আন দহজন ৰোমাণ্টিক কবিৰ দৰে চন্দ্ৰকুমাৰৰ কবিতাতো অতীত-স্মৃতি মূৰ্তিমান হৈ উঠিছে।

সমালোচক হাৰ্ফোৰ্ডে ঠিকেই কৈছে যে, কল্পনা-প্ৰৱণতাৰ অসাধাৰণ বিকাশেই (extra-ordinary development of imaginative Sensibility) নৱন্যাসৰ প্ৰধান লক্ষণ। কল্পনাৰ সহায়তে কবিসকলে নানা ৰঙীণ চিত্ৰ আঁকে, অবাস্তৱক বাস্তৱ যেন কৰি তোলে, ভৱিষ্যতৰ মধুৰ সপোন দেখে, নাইবা সাধাৰণ বস্তুতো অসাধাৰণ গুণ আৰোপ কৰে। সেইহে কবিয়ে অন্তৰৰ 'আধাফুটা আবেগ' বোৰ প্ৰকাশ হোৱাত সহায় কৰিবলৈ কল্পনাকুঁৱৰী চিত্ৰলেখাক আহ্বান জনাইছে —

সখী চিত্ৰলেখা মোৰ কল্পনা সুন্দৰী
সন্নিধান দিয়া আহি মোক। (প্ৰতিমা)

কবি মন কল্পনা-প্ৰভাবে আলোকিত হ'ল। জীৱিত মানুহে মূল্য নিদিয়া আক আনৰ

গছকত পৰা দূৰৰি বনত লাগি থকা সামান্য নিয়ৰ টোপাল এটিও কবিৰ কল্পনা-পৰশত ক্ৰমে 'মুকুতা-মণিটি' সৰগত টোপনি যোৱা 'নিশাৰ তৰা এটি', ফুলনিত নিশা নচা কোনোবা নাচনীৰ ভিত্তিৰপৰা সৰি পৰা মণি, জোনৰ হাঁহি, নাইবা পুৱাৰ হেঙুলী বেলিৰ চকুপানী হিচাপে ৰূপ পাইছে। এইদৰে কবিয়ে বিশ্ব প্ৰকৃতিৰ প্ৰেমময় ৰূপ উপলব্ধি কৰিছে আৰু কেতিয়াবা প্ৰকৃতিৰ বুকুত নিঠুৰ কৰ্কিকতাৰ চিত্ৰও দেখিছে :

ক'ৰ কোন কেনি গ'ল  চিন স্মৃতি পমি গ'ল
প্ৰকৃতিয়ে তেনেকৈয়ে ৰ'ল। (প্ৰকৃতি)

ৰোমাণ্টিক কবিসকল সত্য, শিৱ আৰু সুন্দৰৰ পূজাৰী। য'ত সত্য আছে তাতে শিৱ অৰ্থাৎ মংগলো আছে — 'যত্ৰ জীৱ তত্ৰ শিৱ।' সত্যই সুন্দৰ আৰু সুন্দৰেই সত্য (Truth is beauty and beauty is truth)। প্ৰকৃত সৌন্দৰ্য কেতিয়াও ম্লান হ'ব নোৱাৰে, সি একেদৰে থাকি মানুহক চিৰ আনন্দেৰে আপ্লুত কৰিব পাৰে। কীট্‌ছৰ ভাষাত — 'A thing of beauty is a joy for ever.' আৰু এনে আনন্দৰ কাৰণেই যেন কবিয়েও সুন্দৰৰ আৰাধনা কৰিব।

সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে মোৰ কাল যৱনিকা। (সৌন্দৰ্য)
*  *  *  *  *
বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ।
আৰাধি সুন্দৰ হায় হয় নে সুন্দৰ? (সুন্দৰ)

কবিয়ে সৌন্দৰ্যৰ ব্যাখ্যা দিছে 'কিশোৰী', 'মাধুৰী', 'সুখগীত' আদি কবিতাত। আধাফুলা কুমলীয়া ফুল কলি, কিশোৰীৰ লাজসনা মিচিকীয়া হাঁহি, গাভৰুৰ আধাঢকা ওখ বুকু, শিশুৰ আধাফুটা মাত, 'ন যযৌ ন তস্থৌ' অৱস্থা আদিত যেন কবিয়ে অনুপম সৌন্দৰ্য দেখিবলৈ পাইছে। ৱৰ্ডছৱৰ্থে —

A violet by a Mossy stone
Half hidden from the eye.

বুলি প্ৰিয়তমা 'লুচি'ৰ সৌন্দৰ্য বৰ্ণনা কৰাৰ দৰে আগৰৱালায়ো সকলো বস্তুৰে অৰ্দ্ধেক দৰ্শন বা অৰ্ধ বিকাশতে পূৰ্ণ-সৌন্দৰ্য উপলব্ধি কৰিব পাৰিছে। কিয়নো সৌন্দৰ্য নিৰ্ভৰ কৰে মানুহৰ মানসিক অৱস্থা আৰু কল্পনা প্ৰৱণতাৰ ওপৰত। বিয়ানেই ধুনীয়া নহওক, মানসিক প্ৰস্তুতি আৰু কল্পনা-প্ৰৱণতা অবিহনে কোনো বস্তুৰে দৰ্শকৰ অন্তৰত সৌন্দৰ্যবোধ জগাই তুলিব নোৱাৰে। কিন্তু যাৰ মানসিক অৱস্থা অনুকূল, যাৰ কল্পনা-প্ৰৱণতা অধিক তেওঁ সাধাৰণ বা অৰ্ধ বিকশিত বস্তুটিকো কল্পনাৰে নিজস্ব সৌন্দৰ্য আৰোপ কৰি চায়। সেইহে তেওঁ বস্তুটি বাস্তৱিকতকৈও বেছি সুন্দৰ দেখে। ৰবীন্দ্ৰনাথে নাৰীৰ সৌন্দৰ্যৰ বিষয়ে যথাৰ্থভাৱেই কৈছে যে, নাৰী কেৱল বিধাতাৰেই সৃষ্টি নহয়,

পুৰুষে অন্তৰৰ সৌন্দৰ্য আৰোপণ কৰা বাবেহে নাৰী সুন্দৰী। সেয়েহে কবিৰ মানত নাৰী অৰ্ধেক মানবী তুমি অৰ্ধেক কল্পনা। আগৰৱালায়ো কল্পনাৰে অধিক সৌন্দৰ্যশালিনী কৰি তোলা মানস-প্ৰতিমাৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি সুধিছে—

দেৱী নে মানবী ঐ
মাধুৰীৰ ছবিটি? (মাধুৰী)

কবিয়ে বিশ্বজগতত বিভিন্ন বস্তুৰ সৌন্দৰ্য দেখিলেও সেই সৌন্দৰ্য স্পৃহা অৱশেষত আধ্যাত্মিকতাত পৰিণত হৈছে —

আনন্দময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ। (সৌন্দৰ্য তুমি .......)

(৪)

'প্ৰতিমা'ত 'সান্ধিয়া', 'বিমুখ', 'যুগমীয়া শোক' আৰু 'আশীৰ্বাদ' নামৰ চাৰিটি শোক-কবিতা আছে। শোক-কবিতা (elegy) পাশ্চাত্য প্ৰভাৱত সৃষ্ট। মিল্টন, ৱৰ্ডছৱৰ্থ, শ্বেলী, টেনিছন, আৰ্ণল্ড আদি প্ৰখ্যাত কবিসকলৰ ৰচিত ভালেমান আগশাৰীৰ শোক-কবিতা পোৱা যায়। আত্মীয়-স্বজন, বন্ধু-বান্ধৱ বা কবিৰ পৰিচিত কোনো ব্যক্তিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এনে কবিতা লিখা হয়। সমালোচক হাডচনৰ মতে আবেগ আৰু প্ৰকাশভংগীৰ ঐকান্তিক নিষ্ঠাই শোক-কবিতাৰ মূল ভেটি (Its basis manifestly is absolute sincerity of emotion and expression.) কোনো দাৰ্শনিক ভাব, জগৎ, জীৱন বা ভগৱান সম্পৰ্কে থকা কবিৰ অনুধাৱনাও এনে কবিতাত প্ৰকাশ পাব পাৰে। 'প্ৰতিমা'ৰ শোক-কবিতা কেইটাত কবিৰ আত্মীয়ৰ মৃত্যুত গভীৰ শোক উথলি উঠিছে আৰু লগতে কবিৰ সংসাৰৰ প্ৰতি থকা অনাস্থাৰ ভাব, পৰলোকত বিশ্বাস আদি প্ৰকাশ পাইছে। শিশু-কন্যাৰ মৃত্যুত কবিয়ে কৈছে —

জুমুকি মাৰিয়ে হলি সংসাৰ বিমুখ
সংসাৰৰ বিহে তোৰ দহিলে হৃদয়।
মৰম নোহোৱা হায় বান্ধৱ সংসাৰ। (বিমুখ)

ভাৰতীয় দৰ্শনে পৰলোকত বিশ্বাস কৰে। মানুহৰ মৃত্যু হ'লেও আত্মাৰ মৃত্যু নাই, ই অবিনাশী। আত্মজৰ মৃত্যুৰ পিছত আত্মা যায় বন্ধনমুক্ত পৰলোকলৈ বা স্বৰ্গলোকলৈ যাৰ কবিয়ে মানুহৰ নিজৰ ঘৰ বুলি কল্পনা কৰিছে। তাতেই আত্মাই প্ৰকৃত শান্তি আৰু আনন্দ লাভ কৰে।

মুকুলিত মুখীয়া হে আকৌ ফুলিবলৈ
পলাই মাৰিলি বাছা মনৰ পোহোৰলৈ
অনন্ত হাঁহিৰে বাছা বিশ্ব আঁকিবলৈ। (বিমুখ)

পুণ্য বাট দেখুৱাই সৰগ জীয়াৰী —
আগবাঢ়া কবি শান্তি মানি। (আশীৰ্বাদ)

মানুহৰ আত্মাই যে দেহীৰ মৃত্যুৰ পিছত নিজৰ প্ৰকৃত ঘৰলৈ যায়, এই কথাটো ৱৰ্ডছৱৰ্থৰ 'Ode to Immortality' কবিতাতো ধ্বনিত হৈ উঠিছে —

The Soul that rises with us, our life's star,
Hath had elsewhere its setting,
And cometh from afar

বৈষ্ণৱ কবিসকলৰ দৰে ঈশ্বৰ বিশ্বাসী কবিয়ে ভাবে যে পৰম পুৰুষ ভগৱানে নিজৰপৰাই জগত সৃজন কৰি জগতৰ সকলো প্ৰাণীৰ লগত বিশ্বভাৱৰীয়া ৰূপে হাঁহি-কন্দা আদি নানা খেলা খেলি আছে। মানুহে নিজৰ কৰ্ম অনুসাৰেহে ফল ভোগ কৰে। কবিৰ মানত সংসাৰখন ছলনাময়। 'মায়াৰ পোহৰ জালত' কবিয়ে সুখকেই দেখিছে যদিও পিছত তেওঁ উপলব্ধি কৰিছে —

সাৰ পাই চাওঁ মোৰ সংসাৰ ৰাক্ষস
হতাশ বিকট দশনা। (জীৱন উচ্ছ্বাস)

গতিকে সংসাৰ ৰাক্ষসৰপৰা হাত সাৰিবৰ কাৰণে কবিয়ে ভগৱানত আশ্ৰয় বিচাৰিছে। আত্মীয় স্বজনো মিছা সকলো দুদিনীয়া, কোনো কাৰো চিৰসংগী-ৰূপে লগত থাকিব বা যাব নোৱাৰে। ভগৱানৰূপী আত্মাইহে কবিৰ চিৰলগৰীয়া — জীৱনৰ লগৰীয়া।

সংসাৰত দুখে সুখে লগৰীয়া মোৰ
পৰম বান্ধৱ এই বিশ্বাস আতমা। (চিৰলগৰীয়া)

কবিৰ কল্পনা প্ৰৱণ মন-পখীয়ে বিশ্ব প্ৰকৃতিৰ সৌন্দৰ্য ৰাজ্যত বিচৰণ কৰিছে যদিও কবিয়ে প্ৰকৃতিৰ বুকুত কেৱল বৈৰাগ্যৰ ছবিহে দেখিবলৈ পাইছে। সেইহে কবিৰ প্ৰাণ উদাস আৰু বিশাল বিশ্বৰ বিৰাট জনতাৰ মাজতো নিজৰ নিসংগ অনুভৱ কৰিছে।

জনপূৰ্ণ নিৰ্জনতা কতা লগৰীয়া?
বিশ্ব সংসাৰত হায় অকলশৰীয়া। (অকলশৰীয়া)

ঈশ্বৰৰপৰাই জীৱৰ সৃষ্টি। গতিকে ঈশ্বৰ আৰু জীৱৰ মাজত মূলতঃ কোনো পাৰ্থক্য নাই। এয়া ভাৰতীয় তথা প্ৰাচ্য দৰ্শনৰ মত। মহাপুৰুষ শংকৰদেৱে কৈছে

তুমি কাৰ্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ।
তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ।..... (হৰমোহন)

সেইহে প্ৰকৃত ভক্তই প্ৰতি জীৱকেই ঈশ্বৰ-জ্ঞান কৰে (কুকুৰ-গৰ্দ্দভ শৃগালবো আত্মা ৰাম) আৰু কেতিয়াবা ঈশ্বৰৰ লগত একান্ত হৈ নিজকেই ঈশ্বৰ বুলি ভাবে। কৃষ্ণ-বিৰহাকুলা গোপীসকলেও একান্ত চিত্তে কৃষ্ণক সুমৰি শেষত নিজকেই কৃষ্ণ যেন জ্ঞান কৰিছিল। —

আনন্দতে মগ্ন হয়া সমস্তে গোপিনী।
কৰিবে লাগিলা কৃষ্ণ চেষ্টাক আপুনি।।
কতো গোপী বসে কৃষ্ণ শিশুৰূপে ধৰি। ...........
কৃষ্ণ হয়া বস্ত্ৰ লৈয়া কদম্বত চৰে। - - - (দশম)

মৈথিলী কবি বিদ্যাপতিয়েও এটি গীতত কৈছে যে, বিৰহ-বিধুৰা সুন্দৰী ৰাধাই বাৰে বাৰে মাধৱক স্মৰণ কৰি শেষত নিজেই মাধৱত পৰিণত হ'ল আৰু নিজৰ গুণত মুগ্ধ হৈ তেওঁৰ প্ৰকৃত স্বভাৱ পাহৰি গ'ল। —

অনুখন মাধৱ মাধৱ সুমৰইত
সুন্দৰি ভেৰি মধাঈ।
ও নিজ ভাব সুভাৱহি বিসৰল
অপনে গুণ লুবুধাঈ।।

এইদৰে আগৰৱালায়ো কেতিয়াবা ভগৱৎ-প্ৰেমত অভিভূত হৈ 'সোহহম' ভাবত নিজতেই ভগবানৰ সত্ত্বা উপলব্ধি কৰিছে, আৰু ইয়াতেই কবিৰ আধ্যাত্মিক ভাব উচ্চতম স্তৰত উপনীত হৈছে।

সংসাৰ মোৰেই পূৰ্ণ দেখো
আছো মাথোঁ নিৰঞ্জন মই।
নাই তুমি কেও আৰু নাই,
পাৰা যদি হোৱা মোতে লয়।
মই মই মই মাত্ৰ বিপুল সংসাৰ
মই মই মই সুৰে গুনা,
বাজিছে প্ৰাণৰ বীণা তান
মই বিনা আছে নো কি গুণা। (মই)

(৬)

প্ৰকৃতি-প্ৰীতি, সৌন্দৰ্য্য-পূজা, ভগৱৎ-প্ৰেম, মানৱ-জীৱনৰ জটিলতা, মানৱ-প্ৰীতি আদিয়ে হ'ল 'প্ৰতিমা'ৰ প্ৰায়বোৰ কবিতাৰ মূল বিষয়। মানৱ সমাজত দুঃখ-দৈন্য, মান-অপমান, শোক-তাপ, উচ্চ-নীচ ভেদাভাৱ আদি বৈষম্যবোৰ দেখি কবিৰ অন্তৰত বিদ্ৰোহৰ ভাব জাগ্ৰত হৈ উঠিছে আৰু তাৰ প্ৰতিকাৰৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছে। তেওঁৰ আন কবিতা পুথি 'বীণ-বৰাগী'ত কৈছে —

দুখ দূৰ কৰি জগৎ উদ্ধাৰ
কৰাহে জগৎ স্বামী,
নীচ হৃদয়ৰ নীচ অহংকাৰ
হওক সবে অধোগামী।

এনে এটি ভাব লৈয়ে 'প্ৰতিমা'তো কবিয়ে কৈছে যে সংসাৰখন মায়াময় আৰু দুখ-কষ্টৰে ভৰপুৰ যদিও তাৰ মাজতেই সুখৰ সন্ধান পাব পাৰি। তেওঁৰ মতে মানৱ-সেৱাই পৰম ধৰ্ম। নাৰায়ণৰূপী নৰক মৰম-চেনেহ কৰিলেই এই দুখময় সংসাৰ স্বৰ্গৰাজ্যতকৈও অধিক সুখৰ হৈ উঠিব।

এয়ে যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
* * * *
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ। (মানৱ বন্দনা)

এই কথাই কবি চণ্ডীদাসৰ —

সবাৰ উপৰে মানুষ সত্য
তাৰ ওপৰে কেহ নাই।

উক্তিলৈহে মনত পেলায়। এইদৰে আগৰৱালাৰ ভালেমান কবিতাত মানৱ-প্ৰীতি, তথা বিশ্বৰ মংগল কামনা প্ৰকাশ পাইছে। সংসাৰৰ জ্বালা-যন্ত্ৰণা, শোক-তাপৰ মাজতো কবিয়ে ইচ্ছা প্ৰকাশ কৰিছে—

যেন নাপাহৰো জীৱৰ জীৱন
বিশ্বৰ মংগল নিদান,
যি কাম আগতে দেখো মই, শিৱময়,
সেয়ে মোৰতো প্ৰমাণ। (জীৱন উচ্ছ্বাস)
* * * *
আকাশ পটত উঠি জোনাইৰ দৰে
প্ৰচাৰিবা জগতত 'মৰমেই ধৰম'। (জীৱনৰ লগৰীয়া)
* * * *
জগতত বিলাই দিম
প্ৰেম মৌ থালি। (হৃদয়-সম্বল)

ৰোমাণ্টিক কবি সকলে প্ৰেমক প্ৰাধান্য দি আহিছে। অৱশ্যে এই প্ৰেম কেৱল যুৱক-

যুৱতীৰ মিলন-বাসনাতেই সীমিত নহয়, এই প্ৰেমে মানৱ, প্ৰকৃতি, বিশ্ব সকলোকে সামৰিছে।

আগৰৱালাৰ কবিতাত ডেকা-গাভৰুৰ ৰূপজ প্ৰেমৰ ঠাই নাই; বিশ্বপ্ৰেমেই তেওঁৰ কিছুমান কবিতাত প্ৰাধান্য লাভ কৰিছে। কবিৰ মতে প্ৰেমেই মানুহৰ সৰ্বস্ব। প্ৰেমে মানুহৰ মান অভিমান আঁতৰায়। আনকি প্ৰেমৰ আগত মৃত্যুও নগণ্য। প্ৰেমেই মানুহৰ জীৱনলৈ আনে প্ৰকৃত শান্তি

প্ৰেমৰ আগত কিনো দুখ,
কিবা মৃত্যু? প্ৰেম মৃত্যুঞ্জয়ী।
যি প্ৰেমেই তোমাৰ সম্বল
সেয়ে স্পৰ্শমণি সঞ্চাৰক। (শোক)

(৭)

ভৌতিকবাদ বা অতিপ্ৰাকৃতবাদ ৰোমাণ্টিক সাহিত্যৰ আন এটি লক্ষণ। ইংৰাজ কবি কোলেৰিজৰ 'ক্ৰীষ্টাবেল' এনে লক্ষণযুক্ত এটি উৎকৃষ্ট কবিতা। 'প্ৰতিমা'ত সন্নিবিষ্ট 'বনকুঁৱৰী', 'তেজীমলা' আদি কবিতাত অতিপ্ৰাকৃতবাদৰ প্ৰভাৱ আছে। কবিয়ে—

মুকলি চুলিৰে নাম গায় ঘুৰি
চাপৰি টুক্ টুক্ টুক্,
ৰূপহীৰ মেল দেৱযানি খেল
মানুহে নেদেখা মুখ।

বুলি আহতৰ তলত বনফুলৰ সাজ পিন্ধি নাচি থকা দুজনী যখিনী কুমাৰীৰ কথা যেনেকৈ বৰ্ণনা কৰিছে, সেই বৰ্ণনা পঢ়ি পাঠকৰ মন স্বাভাৱিকতে কোনো এখন অতি-প্ৰাকৃত ৰাজ্যলৈ ধাবিত হয়। 'তেজীমলা'ত কৃত্ৰিম-মালিতাৰ লক্ষণ আৰু লোকগীতৰ প্ৰভাৱ বিদ্যমান। এটি জনপ্ৰিয় সাধুক কেন্দ্ৰ কৰি কবিতাটো ৰচা হৈছে। 'জোনাকী' কবিতাত 'নহি জানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' বুলি কবিয়ে জ্ঞানৰ জোনাকীয়ে এন্ধাৰ জগতত জ্ঞানৰ পোহৰ পেলাইছে বুলি সবল আশাবাদ প্ৰকাশ কৰিছে।

(৮)

এইদৰে 'প্ৰতিমা'ত প্ৰাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰ সমন্বয় দেখা যায়। কবিৰ ব্যক্তি জীৱনৰ চিন্তাধাৰাই গীতি-কবিতাৰ উপজীব্য যেতিয়া 'প্ৰতিমা'ক নিঃসন্দেহে এখনি উৎকৃষ্ট গীতি-কবিতাৰ পুথি বুলি ক'ব পাৰি। আগৰৱালাদেৱেই অসমীয়া ৰোমাণ্টিক তথা গীতি-কবিতাৰ প্ৰধান পথ-প্ৰদৰ্শক

আগৰৱালাৰ সময়তেই অসমীয়া সাহিত্যলৈ ছনেট বা চতুৰ্দশপদী কবিতাৰ আমদানি হয়। হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি'ৰ পিছতেই আগৰৱালা, গোহাঁই বৰুৱা

আদিৰে এনে কবিতা লিখিবলৈ লয়। 'প্ৰতিমা'ত 'অৰুণাচলবাসীয়া', 'চিৰলগৰীয়া' আৰু 'সুন্দৰ' নামৰ তিনিটা চতুৰ্দশপদী কবিতা আছে। ভাবৰ সংযম আৰু গাম্ভীৰ্যৰ ফালৰপৰা তিনিওটা সুন্দৰ কবিতা যদিও অন্ত্যানুপ্ৰাসৰ ক্ষেত্ৰত প্ৰায়বোৰ অসমীয়া কবিৰ চতুৰ্দশপদী কবিতাৰ দৰেই আগৰৱালাৰ কবিতাতো কোনো ধৰা-বন্ধা নিয়ম পালন কৰা হোৱা নাই।

ভাবৰ গাম্ভীৰ্য আৰু অনুভূতিৰ বৈচিত্ৰ্য আগৰৱালাৰ কবিতাৰ প্ৰধান বিশেষত্ব, কিন্তু সেই অনুপাতে সকলো কবিতাতে ছন্দৰ গতি সাৱলীল নহয়। ভাষাতকৈ ভাব আগবাঢ়ি যোৱাত দুই-এটা কবিতাৰ ভাব অস্পষ্ট আৰু ছন্দ পতন হৈছে। তথাপি ভাব-অনুভূতিয়ে কবিতাৰ প্ৰাণ বেষ্টিয়া, বৈচিত্ৰ্যপূৰ্ণ আৰু গধুৰ ভাবাবেগৰ কাৰণেই আগৰৱালাৰ 'প্ৰতিমা' অসমীয়া সাহিত্য মন্দিৰত চিৰদিন সুপ্ৰতিষ্ঠিত হৈ থাকিব।

# চন্দ্ৰকুমাৰৰ "বনকুঁৱৰী" ঃ এটি নিৰ্বচন

ড° কবীন ফুকন

চন্দ্ৰকুমাৰ আগৰৱালাৰ (১৮৬৭-১৯৩৭) "বনকুঁৱৰী" ঐতিহাসিক আৰু নান্দনিক দুয়ো পিনৰে পৰা অসমীয়া সাহিত্যৰ এটা লেখৰ কবিতা। তাহানিতে জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱাই কলিকতাত লক্ষ্মীনাথ বেজবৰুৱাৰ হতুৱাই "বনকুঁৱৰী" কবিতাটো "পঢ়াই শুনি বিস্ময়-বিমিশ্ৰিত আনন্দ লভিছিল।" তেতিয়াৰ দিনৰ শিক্ষিত, সংবেদনশীল অসমীয়া মানুহ "বনকুঁৱৰী" কবিতাটিৰ পাঠ শুনি বিস্ময়ত অভিভূত হ'বৰে কথা, কাৰণ অসমীয়া কবিতাৰ প্ৰবাহত এই "বনকুঁৱৰী" নামৰ কবিতাটি আছিল এটা অভূতপূৰ্ব সৃষ্টি। ওপৰত উদ্ধৃত বাক্যাংশৰ ঠিক পিছতে বেজবৰুৱাই লিখিছিল এই বুলি — "মই স্পষ্ট বুজিব পাৰিছিলোঁ যে তেওঁলোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে ৱৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে"; *(মোৰ জীৱন সোঁৱৰণ, বেজবৰুৱা গ্ৰন্থাৱলী,* সাহিত্য প্ৰকাশ, ১৯৮৮, পৃঃ৪৮) সন্দেহ নাই যে চন্দ্ৰকুমাৰৰ এই কবিতাটিৰ আগেয়েও, উনৈছ শতিকাৰ ইংৰাজী ভাষাৰ ৰমন্যাসিক (romantic) কবিতাৰ আৰ্হিৰ কোমল-মধুৰ আৰু কোমল-কৰুণ ভাবাবেগৰ দুই এটি জুতি ভোলানাথ দাস, ৰত্নেশ্বৰ মহন্ত, কমলাকান্ত ভট্টাচাৰ্য্য আদিৰ কবিতা কেইটামানত অলপীয়াকৈ আৰু ছেগাচোৰোকাকৈ ফুটি ওলাইছিল। কিন্তু ইমান কোমল-মধুৰ ভাব-ভাষাৰে, ৰমন্যাসিক কবি-কল্পনাৰ এনে সূক্ষ্ম বুলনিৰে আৰু পটু সীয়নিৰে এনে ৰসঘণ আৰু অনুভৱময় অসমীয়া কবিতাৰ লেখত "বনকুঁৱৰী"য়েই সৰ্বপ্ৰথম। ৰমণীয় আৰু ৰমকজমক হোৱাৰ উপৰিও প্ৰকৃতিক (nature) অতি-প্ৰাকৃতিক (Supernatural) ৰূপৰস দি সজাই পৰাই কল্পনা-ঋদ্ধ কৰি তোলাৰ বেলিকা "বনকুঁৱৰী" আছিল অভূতপূৰ্ব অসমীয়া সৃষ্টি। এই অভূতপূৰ্ব অসমীয়া কাব্যসৃষ্টিৰ উপাদান-কাৰণ আছিল উনৈছ শতিকাৰ ইংৰাজ কবিৰ ৰমন্যাসিক ভাবাবেগৰ আৰ্হিৰে অসমীয়া কবিৰ পৰিচয় আৰু সেই ধৰণৰ ভাবাবেগেৰে পৰম্পৰাগত অসমীয়া বনগীতৰ অৰ্থাৎ লোক-কবিতাৰ ভাবাবেগৰ সৃষ্টিশীল সানমিহলি। এই কবিতাৰ নিমিত্ত-কাৰণ আছিল ইংৰাজী শিক্ষাৰে শিক্ষিত অসমীয়া কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবি-কল্পনা আৰু কাব্যবুদ্ধি। এনেকৈয়ে "বনকুঁৱৰী" নামৰ কবিতাটিয়ে এটা ঐতিহাসিক নতুন অসমীয়া কাব্যধাৰাই পূৰ্ণৰূপ গ্ৰহণ কৰাৰ কথা সূচাইছিল।

এতিয়া কবিতাটিৰ ঐতিহাসিক তাৎপৰ্য্যটো মনত ৰাখি আমি তাৰ প্ৰতিমা-প্ৰতীক-ভাবানুভূতি আৰু নান্দনিক সৌষ্ঠৱত মনোনিবেশ কৰিব পাৰোঁ। কবিতাটিৰ এই নিৰ্বচনত মই চন্দ্ৰকুমাৰৰ কবি-কল্পনাই প্ৰকৃতিক অতি-প্ৰকৃতিৰ সাজ পিন্ধোৱাৰ কথাটি বিশেষকৈ ফঁহিয়াই দেখুৱাব খুজিছোঁ।

১৭৯৮ ত প্ৰথম প্ৰকাশিত তেওঁলোকৰ যুটীয়া কাব্যপুথি lyrical Ballads ৰ কবিতাবোৰৰ ৰচনাৰ পূৰ্বেই ইংৰাজ কবি ৱৰ্ডছৱৰ্থ আৰু কলৰীজে ঠাৱৰাইছিল যে কল্পনাৰ বুলনিৰে কবিয়ে প্ৰকৃতিক অতি-প্ৰকৃতিহেন আৰু অতি-প্ৰকৃতিক প্ৰকৃতি হেন কৰি তুলিব পাৰে। তেওঁলোকে কৰা পৰিকল্পনা অনুসৰি কলৰীজে তেওঁৰ কবিতাৰ কাৰণে অতি-প্ৰকৃতিমূলক বিষয়-বাছনি কৰিব, আৰু তেওঁৰ কবিতাৰ অতি-প্ৰকৃতিৰ ওপৰত মানুহৰ মনৰ গভীৰৰ পৰা ওলোৱা ভাবানুভূতি স্থাপি দিব। কলৰীজে তেওঁৰ কবিতাৰ অতি-প্ৰকৃতিক এনে লৌকিক সঁচা কথা হেন কৰি তুলিব যাতে তেওঁৰ কল্প-সৃষ্ট প্ৰতিচ্ছায়াবোৰে পঢ়ুৱৈৰ মনৰ অবিশ্বাসৰ সাময়িক বিতাড়ন ঘটাই সিবোৰৰ প্ৰতি প্ৰতীতি বা বিশ্বাস জগাই তুলিব পাৰে অৰ্থাৎ কলৰীজে কবিতাত অতি-প্ৰকৃতিক প্ৰকৃতি হেন কৰি তোলাৰ পণ লৈছিল। ইয়াৰ বিপৰীতে তেওঁৰ বন্ধু ৱৰ্ডছৱৰ্থে লৌকিকক অলৌকিক হেন বা প্ৰকৃতিকে অতি-প্ৰকৃতি হেন কৰিবলৈ কবিতা ৰচাৰ কথা পাতিছিল। চিনাকি দৈনন্দিন ঘটনা, বস্তু বা চৰিত্ৰক অচিনাকি, ৰহস্যময়, অতি-প্ৰাকৃতিক ৰূপৰস প্ৰদান কৰাটোক কবি ৱৰ্ডছৱৰ্থে তেওঁৰ কাব্যসৃষ্টিৰ উদ্দেশ্য কৰি লৈছিল। অৰ্থাৎ অসাধাৰণক সাধাৰণ কৰি দেখুৱাটো যদি কলৰীজৰ উদ্দেশ্য আছিল, তেন্তে সাধাৰণক অসাধাৰণ কৰি দেখুৱাটো আছিল ৱৰ্ডছৱৰ্থৰ উদ্দেশ্য। অতি চিনাকিক মনোমোহা, চিত্তাকৰ্ষক, আনকি ৰহস্যময় বা আশ্চৰ্য্যজনক কৰি তোলাটো ৱৰ্ডছৱৰ্থৰ বিশেষ কাব্য-মহিমা হৈ পৰিছিল।

"বনকুঁৱৰী" নামৰ কবিতাটিত চন্দ্ৰকুমাৰে কলৰীজৰ নহয়, ৱৰ্ডছৱৰ্থৰ পথহে অনুসৰণ কৰিছে। এই কবিতাত তেওঁ অতি-প্ৰাকৃতিকক প্ৰাকৃতিক কৰি নহয়, প্ৰাকৃতিকক অতি-প্ৰাকৃতিক কৰি সজাই তুলিছে। কবিতাটোত বনকুঁৱৰীৰ উপস্থিতিৰে এখন লৌকিক অৰণ্য অলৌকিক, ৰহস্যময় অৰণ্যলৈ ৰূপান্তৰিত হৈছে। মোৰ বোধেৰে এইটোৱেই কবিতাটোৰ মূল কথা। লৌকিকৰ মাজত অলৌকিকৰ, দৃশ্যৰ মাজত অদৃশ্যৰ কৌতূহল আৰু অনুসন্ধানৰ যোগেদি কবি-কল্পনাই বিদেহী বা অশৰীৰীৰ মঙ্গলময়, আনন্দময় শিহৰণৰ সৃষ্টি কৰিছে এই কবিতাত। এই কবিতাৰ অশৰীৰী কিন্তু প্ৰেতাকাৰ নহয়, অমঙ্গলীয়া নহয়। এই কবিতাৰ অশৰীৰীয়ে নোম শিয়ঁৰাই তোলে সঁচা; কিন্তু এই অশৰীৰীয়ে শেষত "প্ৰাণীৰ প্ৰাণ" বুৰাই পেলায় — "কাৰণ নেদেখা আনন্দৰ টোৱে।" কবিতাটিৰ শেষৰ স্তৱকত এই কথাটো স্পষ্ট।

"বনকুঁৱৰী"ত প্ৰথম স্তৱকটিৰে পৰা কবিয়ে নিজম পৰা শৰীৰীৰ মাজত অশৰীৰীৰ বাঙ্ময় শিহৰণ ফুটাই তুলিছে —

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক?
বিজন বনত কোন কত আছে?
—হাঁহিছে গছৰ আগ।

"*নিজম দুপৰীয়া*" *আগ হালি থকা* গছেৰে ভৰপূৰ অৰণ্য হ'ল শৰীৰী; কিন্তু এই অৰণ্যত সময়ে সময়ে অশৰীৰী সুহুৰি এটি বাঙ্ময় হৈ উঠিছে। কবিয়ে কল্পনা কৰিছে যে এই সুহুৰিটিৰে কোনোবাই কাৰোবাক মাতিছে, কিন্তু কোনে মাতিছে কাক মাতিছে সেইটো তেওঁ ধৰিব পৰা নাই। যি মাতিছে তেওঁ অদৃশ্য, যাক মাতিছে তেৰোঁ অদৃশ্য — "মাতিলেনো কোনে কাক?" কোনে কাক মাতিছে এই কথা জানিবলৈ কবি-প্ৰাণ উৎসুক, উদগ্ৰীব; কিন্তু হালি থকা গছৰ আগৰ বাহিৰে তেওঁ একো দেখা নাই। দেখাত অৰণ্য জনপ্ৰাণী হীন, তাতে দুপৰীয়াৰ নিজম অৰণ্যক মানুহে জয়াল বুলি ভাবে। এনে পৰিবেশে মানুহৰ মনক অশৰীৰীৰ ৰহস্যময় উপস্থিতিৰ সজ্ঞান কৰি তোলে। এতেকে বুজিব লাগিব যে "বিজন বনত কোন ক'ত আছে?" বুলি আমাৰ মনত কবিয়ে বিদেহী উপস্থিতিৰ শিহৰণ সুমাই দিব খুজিছে। এনে থলত ক'লৰীজে কোৱা ধৰণৰ "willing suspension of disbelief" অৰ্থাৎ " অবিশ্বাসৰ আগ্ৰহী বিতাড়ন"ৰ প্ৰতি আমি আমাৰ পঢ়ুৱৈৰ কল্পনাকো সঁপি দিব লাগিব। অদৃশ্য-অশৰীৰীৰ প্ৰতি অবিশ্বাসৰ আগ্ৰহী বিতাড়ন ঘটাব পাৰিলেহে "বনকুঁৱৰী" কবিতাটোৰ সাৰ্থক উপভোগ সম্ভৱ হ'ব।

প্ৰথমটি স্তৱকেৰে আমাৰ কল্পনাক অজান অদৃশ্যৰ প্ৰতি থিয়াই দি কবিয়ে পিছৰ কেইবাটিও স্তৱকত দুপৰীয়াৰ অৰণ্যৰ শৰীৰী ৰূপলৈ দৃষ্টি আকৰ্ষণ কৰিছে। কিন্তু মন নকৰি নোৱাৰি যে শৰীৰী ৰূপ ফুটাই তোলা বৰ্ণনাতে অশৰীৰীৰ ইংগিত-অভিব্যঞ্জনা বৈ বৈ গৈছে, ঘন হৈ উঠিছে। সেয়েহে কবি - মনৰ কৌতূহলী প্ৰশ্ন, বিস্ময় আৰু উৎকণ্ঠাৰ ওৰ পৰা নাই এই স্তৱকবোৰতো —

গহীন গছত বতাহৰ ছাটি,
পাত কঁপে থৰ থৰ,
হাবিৰ মাজৰ পৰা কোনেনো বা
মাতি উঠে 'মৰ মৰ'?

নিচুক লতিকা গছক সাৱটি
প্ৰতি অঙ্গে চুমাচুমি,
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি।

মৰমৰ গীত জুৰিলে লাজুকী,
মাত ফুটেই বা নাই,
বিৰিখে হাঁহিছে হালিছে জালিছে,
নাইৰ মুখলৈ চাই।

এই উদ্ধৃত স্তৱককেইটিৰ প্ৰথমটিয়ে আমাৰ মনত ইতিমধ্যেই উদয় হোৱা জয়াল

হাৰিৰ শিহৰণময় অনুভৱ গাঢ় কৰি তোলে। অনুপ্ৰাসযুক্ত "গহীন গছত" বাক্যাংশৰ "গহীন" শব্দটিয়ে, আৰু "বতাহৰ হাচি", "পাত কঁপে থৰ থৰ" বাক্যাংশৰ সমধ্বনিয়ে ইতিমধ্যে সক্ৰিয় আমাৰ শ্ৰৱণেন্দ্ৰিয়ৰ ঔৎসুক্য বঢ়াই দিয়ে। বতাহ লাগি থৰ থৰকৈ পাত কঁপা গহীন গছৰ কাব্য-প্ৰতিমাটি একেলগে দৃশ্য আৰু শ্ৰাব্য। ইয়াৰ পিছৰ দুশাৰীত হাৰিৰ মাজৰ অদৃশ্য উৎসৰ মৰমৰণিয়ে দৃশ্যৰ মাজত থাকিব পৰা অদৃশ্যৰ প্ৰতি সামান্যকৈ হ'লেও ভয়াৰ্ত হ'বলৈ ধৰা পঢ়ুৱৈৰ মনটো অধিক কৌতূহলী কৰি তুলিব পাৰে। এই স্তৱকত "থৰ থৰ", "মৰ মৰ" শব্দকেইটিয়ে চাই থকাজনৰ বুকুত উঠিবলৈ লোৱা মৃদু কঁপনিৰ ইংগিতো যেন বহন কৰিছে। এই কঁপনি শাঁত পেলাবৰ কাৰণেই নেকি বাৰু কবিয়ে পিছৰ স্তৱক দুটিত অৰণ্যখনৰ প্ৰেমময় ৰূপ ফুটাই তুলিছে? নিঃসন্দেহে, নিচুক লতিকাই গছক সাৱটি প্ৰতি অঙ্গে চুমাচুমি কৰা প্ৰতিমাটিয়ে অৰণ্যত নিৰীহ, নিৰ্দোষ, সৃষ্টিধৰ্মী আৰু প্ৰেম-প্ৰতীতিময় অভীপ্সা-অভিজ্ঞানহে বৈ বৈ থকা বুলি আমাক আশ্বস্ত কৰে। নিচুক লতিকা যদি স্ত্ৰীধৰ্মী, গহীন গছ পুৰুষধৰ্মী; এই দুয়োৰে সাৱটাসাৱটি চুমাচুমিয়ে কপৌটিৰ দেহ-মন চুইছেগৈ। গছ-লতিকাৰ আঁৰৰে লোহোৱা মধুৰ আলিঙ্গনে লাজ লগাই দিছে কপৌটিক আৰু লাজতে সতকাই গা চমকা, কপৌৱে পাতৰ আঁৰ লৈছে। গছ-লতিকাৰ আলিঙ্গনে কপৌৰ মনত লাজুক কিন্তু আগ্ৰহী দৃষ্টিসুখ জগাই তুলিছে আৰু সেয়ে পাতৰ আঁৰৰ পৰা কপৌৰ আগ্ৰহী আৰু সমভোগী জুমাজুমি। ঘনে ঘনে জুমি চাই কপৌৱে যেন গছ-লতিকাৰ আলিঙ্গনলৈ হয়ৰোলন আগবঢ়াইছে আৰু প্ৰকৃতিত সৰ্বময় হৈ থকা প্ৰণয়-অভীপ্সা নিজৰ দেহ-মনলৈ সংক্ৰমিত হোৱাৰ উমান পাইছে। এইখিনিতে আমি প্ৰকৃতিৰ প্ৰেমময়তাৰে মানৱ-মানৱীৰ দেহ-মনৰ বন্ধন বা ঐক্যতানৰ কথাটিও মনলৈ আনিব পাৰোঁ; পাৰোঁ এই কাৰণেই যে কবি-কল্পনাই এই "চুমাচুমি" "জুমাজুমি"ৰ অৰ্থভেদ কৰিছে। মই কব খুজিছোঁ যে "চুমাচুমি" "জুমাজুমি"ৰ অন্ত্যমিল এটা অভিব্যঞ্জনাময় অন্ত্যমিল; এই অন্ত্যমিলে উদ্ভিদ-প্ৰকৃতি আৰু জীৱ-প্ৰকৃতিৰ বন্ধনৰ কথা সূচাইছে বুলি আমি বুজিব পাৰোঁ। উদ্ধৃত তৃতীয়টি স্তৱকৰ "লাজুকী" নিশ্চয় এই কপৌজনীয়েই। স্বাভাৱিকতে, অৰণ্যৰ প্ৰেমময় পৰিৱেশত এই লাজুকীয়ে "মৰমৰ গীত জুৰিলে"; সম্ভৱ এই মৰমৰ গীতেৰে লগৰীটিক সঙ্গসুখৰ কাৰণে কাতৰকৈ মাতিলে। পাৰস্পৰিক নিৰ্ভৰশীলতা অৰ্থাৎ কেৱল ব্যৱহাৰিক সম্পৰ্ক চেৰাই গৈ সহানুভূতি আৰু সমানুভূতিৰ ডোলত বান্ধ খোৱা এই প্ৰকৃতি-জগতত ইটিৰ পৰা সিটিলৈ একিয়া আনন্দৰ লহৰ বিয়পি পৰিছে। ফলত পূৰ্বে পাত থৰ থৰকৈ কঁপা গহীন গছেও একিয়া এটা আনন্দৰ সক্ৰিয় ভূমিকা লৈছে— "বিবিধে হাঁহিছে হালিছে জালিছে/ নইৰ মুখলৈ চাই।" মোৰ বোধেৰে "গহীন গছ" হালি জালি হাঁহি থকা "বিবিধ" হৈ পৰাটো অৰণ্যত অবাধে সঞ্চৰণশীল প্ৰেমময় আনন্দই সাধন কৰা এটা ৰূপান্তৰৰ পৰিণতি।

"বনকুঁৱৰী" কবিতাটিত "বনৰ ধেমালি" অন্তহীন, অবিৰত, সঞ্চৰণশীল ধেমালি। নৈয়ে কুলু কুলুকৈ বৈ গৈ এই বনৰ ধেমালিতে ভাগ লয়। কিন্তু চিনাকি বিবিধ, চিনাকি কপৌ, চিনাকি গছ-লতিকা আৰু চিনাকি নৈয়ে ভাগ লৈ থকা এই "বনৰ ধেমালি" কোনোবা অদৃশ্যইও চায় নেকি? কোনোবা অদৃশ্যই আন কোনোবা অদৃশ্যলৈ, কোনোবা সখি বা সখীয়ে কোনোবা সখীলৈ বা সখিলৈ সংকেতময় আহ্বান দিয়ে নেকি? তলত উদ্ধৃত স্তৱকটিত কবিৰ ঔৎসুক্যময় প্ৰশ্নই আকৌ সেই অদৃশ্যক লৈ কৌতূহলৰ, অনুসন্ধানৰ ইংগিত বহন কৰিছে —

কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়াতো ধেমালি যিহে!
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলেনো সিটি কিহে?

"কোনে চায় নিতৌ বনৰ ধেমালি?" প্ৰশ্নটিয়ে বনৰ এই অবিৰত প্ৰেমময় ধেমালিৰ কোনোবা অধ্যক্ষ বা নিয়ন্তা স্বৰূপা বনকুঁৱৰীলৈ পোনাইছে নেকি? "মাতিলেনো সিটো কিহে?" প্ৰশ্নটিয়েও নিশ্চয় কোনোবা অদৃশ্যৰ ডাকৰ কথা সূচাইছে। এনেকৈয়ে নিৰ্দিষ্ট কবিৰ পৰা পৰিচিত ধ্বনি শব্দৰ মাজত, নৈৰ কুলু কুলু, ময়নাৰ মাত, লাজুকীৰ মৰমৰ গীত বা কপৌৰ কণৰ মাজত, অপৰিচিত অনিৰ্দিষ্ট সুহুৰিটিয়ে আৰু মৰমৰণিয়ে আমাৰ কল্পনাক ঔৎসুক্যময় কৰি তোলে। আৰণ্য পৰিচিতে জগোৱা আনন্দ আৰু আশ্বাস আৰু আৰণ্য অদৃশ্য বা অপৰিচিতে জগোৱা উৎকণ্ঠা আৰু বিস্ময় আমাৰ মনত মিহলি হৈ পৰে। চিনাকি ধ্বনিয়ে তাকে পুনঃ শুনিবলৈ বা অচিনাকি ধ্বনি বা সুৰ শুনিবলৈ আগ্ৰহ জগায়, পুৰণি বকুল এজোপাৰ স্মৃতিয়ে ভেটি উঠন যোৱা এৰাবাৰীলৈ দৃষ্টি আকৰ্ষণ কৰে; বাঁহনিৰ মাজে মাজে জুৰ জুৰকৈ বলা বতাহে মনটোক কোনোবা অদৃশ্যৰ সন্ধানী কৰি তোলে। তলত উদ্ধৃত তিনিটি স্তৱকত মোৰ বোধেৰে আমি আগৰ বাক্যটিত কোৱা তিনিওটি কথা মন কৰিব লাগিব।

গছৰ আগত ময়না পখীটি,
মাতি সি মিঠুক হ'ল
শুনোঁ শুনোঁ, শুনিবলৈ বাট চাওঁ,
মনতে হেঁপাহ বল।

সিজুপি বকুল — এই এৰাবাৰী
কোন কাহানি বা গ'ল।
চিন এই ভেটি আমোল, ভেটেকু-
হ'ল বহু দিন হ'ল।

বাঁহৰ ইয়াত গজালি গজিছে
কোননো ইয়াত ফুৰে?
জুৰ জুৰ কৰি বতাহ বলিছে
বাঁহৰ মাজে মাজে ঘূৰে।

এই স্তৱক তিনিটিৰ প্ৰথমটিৰ পৰা স্পষ্ট হয় যে অৰণ্যটো পক্ষান্তৰ হৈ থকা বাঙ্ময়তা আৰু নিস্তব্ধতাই (ময়না পখীয়ে মাতে, মাতি ময়না নিচুক হয়) শ্ৰৱণেন্দ্ৰিয়ক সচকিত কৰি ৰাখে, হেঁপাহ ওপজায়, শুনিবলৈ পোৱা মধুৰ ধ্বনি আকৌ শুনিবলৈ কাণ থিয় কৰায়, দৰক লগাই থয়। "এৰাবাৰী" সম্পৰ্কীয় স্তৱকটিৰ পৰা বুজিব পাৰি যে এই অৰণ্য অটুটেই কেৱল নহয়, বৃদ্ধিশীলো। মানুহৰ বাৰীক পেটত সুমাই লৈ অৰণ্যই নিজৰ বৃদ্ধি সাধে, অৰণ্য আৰুহে জয়াল হয়। উদ্ধৃত স্তৱকৰ শেষৰটিয়ে "কোননো ইয়াত ফুৰে?" প্ৰশ্নই আৰু "বাঁহৰ মাজে মাজে ঘূৰে" উক্তিয়ে জয়াৰ অৰণ্যৰ মাজত হ'ব পৰা জয়াৰৰ অনুভৱক প্ৰগাঢ় কৰে।

ঠিক পিছৰটি স্তৱকত কবিয়ে সামান্যকৈ ভয় লগা পঢ়ুৱৈৰ মনক আনন্দময় ধ্বনি আৰু ৰূপ এটি পুনঃ শুনাই আৰু দেখুৱাই আশ্বস্ত কৰিছে —

পাতে পাতে কিবা ফুচ্‌ফুচাইছে
মাৰিছে মিচিকি হাঁহি,
কলাঘুমটীয়া মুখৰ এলাহ
বতাহে সুৰসুৰায়হি।

এইটি স্তৱকৰ ফুচ্‌ফুচনি, মিচিকি হাঁহি অভিসন্ধিমূলক নহয়, কাৰণ গছপাতৰ সতে ফুচ্‌ফুচাই থকা বতাহে আৰু কঁপি থকা সেউজ সূৰ্য্যস্নাত পাতৰ বেজলিয়ে, দেহে-মনে সুৰসুৰণি তুলি "কলাঘুমটীয়া সুখৰ এলাহ"হে জগাই তোলে।

মানুহৰ দেহে মনে কলাঘুমটীয়া সুখানুভূতি জগাই তোলা পৰিৱেশত পূৰ্বৰ 'কপৌটি এতিয়া "কপৌ দুটি" হৈছে আৰু এই কপৌহালে এতিয়া আৰু জুমাজুমি কৰা নাই, কৰিছে চুমাচুমি। প্ৰকৃতিৰ সৰ্বময় প্ৰেমময়তাৰ সক্ৰিয় অংশীদাৰ হৈ পৰিছে এই কপৌ দুটি—

গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখ দি আছে,
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম বাচে।

প্ৰণয়াবদ্ধ কপৌ দুটিৰ প্ৰতিচ্ছবিটিয়ে "বনকুঁৱৰী"ৰ বনৰ যেমালি যে মঙ্গলময় প্ৰেম-প্ৰতীতিৰ যেমালি সেই কথা আমাৰ মনত সুনিশ্চিত কৰি তুলিছে। এনেকৈয়ে, সেই

অৰণ্যৰ দেহী উদ্ভিদ আৰু নিৰীহ নিৰ্দোষ জীৱৰ প্ৰেমময় কাব্য-প্ৰতিমাৰে পঢ়ুৱৈৰ মনক আশ্বস্ত-আনন্দিত কৰি তোলাৰ অন্তত এইবাৰ কবিয়ে আমাৰ দুচকু থৰ কৰাইছে বিদেহী হৈও অৰণ্যৰ দেহীৰ দৰেই নিৰ্দোষ "যক্ষিণী কন্যা"ত। নিৰ্দোষ শৰীৰীৰ কাব্য-প্ৰতিমাৰে প্ৰথমে আমাক অভ্যস্ত আৰু আশ্বস্ত হ'বলৈ দিহে কবিয়ে অশৰীৰীৰ কাব্য-প্ৰতিমাকো একেই অভিন্ন বস্তুৱতাৰ সমতলতে থাপনা দিয়াটো মোৰ মনেৰে আমাৰ কবিৰ কাব্যবুদ্ধিৰ শলাগিব লগীয়া দিশ। সেয়ে, এই অতি-প্ৰাকৃতিক "যক্ষিণী কন্যা"ক অবিশ্বাসৰ সাময়িক বিতাড়ন ঘটাই আমি এতিয়া প্ৰকৃতিৰেই এটি অতিৰিক্ত উপস্থিতি বুলি মানিব পাৰোঁ। কবি-কল্পনাই আমাৰ কল্পনাকো এতিয়া বাস্তৱ-অবাস্তৱৰ ভিন্নতা নেওচি বাস্তৱ-অবাস্তৱ একাকাৰ হোৱা বুলি মানিবলৈ প্ৰস্তুত কৰি তুলিছে। এই মানসিকতাৰে এতিয়া আমি তলৰ স্তৱককেইটিৰ, মনোমোহা আৰু অবিশ্বাস্য হৈও সাময়িক ভাবে বিশ্বাস্য বিদেহীৰ দেহী কাব্য-প্ৰতিমা উপভোগ কৰিব পাৰোঁ। এনে সুন্দৰ কাব্য-প্ৰতিমাৰ সৌন্দৰ্য্যৰ অতি-ব্যাখ্যাৰে মই হানি কৰিব খোজা নাই, গতিকে তলৰ উদ্ধৃতিকেইটি মোৰ পাঠকে এতিয়া নিজ কাব্যবুদ্ধিৰে উপভোগ কৰক —

অকণি ছোৱালী — যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি,
জানৰ কাণত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।

চমকি চায়, বৈ থাকে থৰে
কুমাৰীৰ, মুখলৈ চাই,
'কিনো চাইছ!' বুলি ছোৱালীয়ে
গালতে হাঁহি চৰায়।

দুখোজতে লৰি পালেগৈ ঢুকি
যক্ষিণী কুমাৰী মাজ,
আহঁতৰ তলে নাচিছে সুজনী
পিন্ধি বনফুল সাজ।

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্,
কাপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ।

খিল্ খিল্ হাঁহি গ'ল পিছলিছি
ছিঙে ফুল কতোজনী,

কপৌৰ বাঁহৰে উৰি গ'ল কোনো
দিলে গৈ চুমা একণি।

খোপাত পিন্ধিছে বনৰ পখিলা
আটাই আপোন ধন,
বনফুলৰ মৌ পিছে কোনোৱেবা
শান্ত হ মানুহ মন।

সন্দেহ নাই যে "বনকুঁৱৰী" কবিতাটিৰ এই অংশত শৰীৰীৰ ৰঙ্গশালা হৈ থকা অৰণ্য যে একেদায়ে অশৰীৰীৰো ৰঙ্গশালা এই কথাটো স্পষ্ট হৈ পৰিছে। ঋষিণী কন্যা তাৎপৰ্য্যপূৰ্ণ ভাবে "অকণি ছোৱালী", "কুমাৰী" — নিৰীহ, নিৰ্দোষ। হৰিণা পোৱালিৰ সতে তাইৰ খেমালি, হৰিণা পোৱালিৰ প্ৰতি তাইৰ মৰম, সৰ্বময় প্ৰেমময়তাৰ আন এটা প্ৰকাশ। এই "একেৰি ফুলৰে পাহি" যেন অশৰীৰী অকণমানি আঁহতে তলত বনফুল সাজেৰে নাচি থকা আন দুজনীৰ মাজত ওলাইছেগৈ। অনন্য এই নিসৰ্গত কোনোৱেই নিঃসঙ্গ নহয়; এই নিসৰ্গৰ জীৱনানন্দত প্ৰেমময় সঙ্গসুখেই মূলমন্ত্ৰ। "কপহীৰ যেন দেৱযোনি খেল। মানুহে নেদেখা মুখ" কাব্যাংশৰ পৰা বুজিব পাৰি যে মুকলি চুলিৰে টুক্ টুক্ টুক্‌কৈ নাচি থকা এই কুমাৰীহঁত দেৱযোনি, অৰ্থাৎ স্বৰ্গ-প্ৰেৰিত। মৰতৰ অৰণ্যত কুমাৰীৰ এই নাচ সৰগীয় খেমালি। এওঁলোকৰ খিল খিল হাঁহি কেউদিশে বিয়পি যায়; আৰু কপৌৰ বাঁহলৈ গৈ কপৌক এওঁলোকে চুমা একণি দিয়াৰ পৰা বুজিব পাৰি যে এওঁলোকৰ প্ৰীতিভাবে প্ৰাণী আৰু উদ্ভিদ আটাইকে সামৰি লয় — "আটাই আপোন ধন।" মন নকৰি নোৱাৰি যে মৰতত সৰগীয় খেমালিৰ এই প্ৰকাশত বিবিধ আনন্দময় সৌন্দৰ্য্যৰ শিহৰণ কৰ্মঠ হৈ উঠিছে। প্ৰথমে এয়া দৃষ্টি-শিহৰণ — "চমকি চায় বই থাকে থৰে; কুমাৰীৰ মুখলৈ চাই"। দ্বিতীয়তে এয়া স্পৰ্শ-শিহৰণ — "পানী খুৱাইছে", "গালতে হাঁহি চৰায়।", "দিলেগৈ চুমা একণি"। তৃতীয়তে এয়া আস্বাদনৰ, তৃপ্তিৰ শিহৰণ — "বনফুলৰ মৌ পিছে কোনোৱেবা"। চতুৰ্থতে, "খিল্ খিল্ হাঁহি গ'প দিহাদিহি" — অসংখ্য ধ্বনি-শিহৰণৰ মাজত আন এটি বিশেষ ধ্বনি-শিহৰণ। পঞ্চমতে, "ফুলৰে পাহি, "বনফুল সাজ", "বনফুলৰ মৌ" আদি শব্দাংশত গন্ধ-শিহৰণ উহ্য হৈ আছে বুলি ধৰিব পাৰি। এনেকৈয়ে ৰূপ-ৰস-গন্ধ-স্পৰ্শ-ধ্বনিৰে চন্দ্ৰকুমাৰৰ কাব্যপ্ৰকাশ ঋদ্ধ হৈ পৰিছে। অৰ্থাৎ এনে এটি ইন্দ্ৰিয় নাই — যি এই কবিতাটিৰ অপৰূপ সৌন্দৰ্য্যৰ প্ৰতি সঁহাৰি নিদিয়াকৈ থাকিব পাৰে।

এতিয়া আমি প্ৰথমবাৰলৈ প্ৰকৃত বনকুঁৱৰীক দেখিবলৈ পাওঁ—

কি দেখিছ সৌ শ্যামল পাজিত
ছঁয়াত বা কিনো চাম —
নীল চুলি মেলাইছে কোনেনো বা
মুখনি উজ্জ্বল শ্যাম।

কঁলা-চানেকীয়া, কৃষ্ণ-বৰণীয়া উজ্জ্বল মুখনিৰে এয়াই আচল বনকুঁৱৰী — মৰতৰ অৰণ্যত সৰগৰ প্ৰতিনিধি, অৰণ্যৰ আনন্দময় জীৱন-তৰঙ্গৰ অধ্যক্ষা। কবিয়ে কথাটি স্পষ্ট কৰি কৈছে —

মৰকত মণি জিলিকে শিৰত—
দেৱী হ'ব বনকুঁৱৰী,
মুকুতাৰে আঁৰা লগতে ইজনা
জলৰ দেৱী নিয়ৰী।

বনকুঁৱৰীৰ শিৰত জিলিকা মৰকত মণিয়ে (emerald) আমাক কীৰ্ত্তনৰ "মৰকত খাটখৰি"ৰ কথা সোঁৱৰাব পাৰে। এই মৰকত মণি শিৰত লৈ থকা দেৱীয়েই বনকুঁৱৰী বুলি কৈ কবিয়ে তেওঁকো জলকুঁৱৰীৰ সতে সহজ সঙ্গসুখ উপভোগ কৰা অৱস্থাত দেখুৱাইছে। অনুমান কৰিব লাগিব যে এই "জলৰ দেৱী নিয়ৰী"য়েই বনকুঁৱৰীৰ "নীল চুলি মেলাইছে" আৰু দুয়ো একেলগে "কলাঘুমটীয়া সুখৰ এলাহ" উপভোগ কৰিছে—

চুলি বান্ধি দিছে কুঁৱৰীৰ মেলি
খোপাত আঁৰিছে মালা,
আগতে অলেখ বনফুল বাশি
কাপেৰে গোন্ধেৰে ভৰা।

মন কৰিব লাগিব যে এই স্তৱকত গোন্ধৰ উল্লেখ স্পষ্টকৈ কৰা হৈছে। এই উল্লেখৰ পিছতে এটি সুকীয়া স্তৱকত গন্ধ-শিহৰণ কাব্য-প্ৰতিমাৰ যাই কথা হৈ পৰিছে —

জুৰ জুৰ কৰি আনিলে বতাহে
উৰাই কেতেকী পাহি,
মলমলাই গ'ল দিশ-বিদিশ
মাতিলে বতাহে হাঁহি।

এনেকৈয়ে, কেতেকীৰ গোন্ধ বতাহে বিয়পাই দিলত অৰণ্য আমোলমোল হ'ল। বতাহে নিজ কৰ্মৰ শুভফল দেখি বাস্ততে হাঁহিবলৈ ধৰিলে, আৰু বোধহয় এই হাঁহিমুখীয়া বতাহেই মৰম-ভিখাৰী হৈ "বনকুঁৱৰীৰ" পৰা "প্ৰাণৰ অমিয়া মাধুৰী"ৰ ভিক্ষা বিচাৰিলে—

"মৰম-ভিখাৰী, বিচাৰিছোঁ দেৱী
প্ৰাণৰ অমিয়া মাধুৰী",
মিচিকনি মাৰি হাঁহি দান দিলে
দুয়ো প্ৰকৃতি কুঁৱৰী।

বুজিব লাগিব যে বনকুঁৱৰী জলকুঁৱৰীয়ে সকলীয় ঔদাৰ্য্যৰে, মহানুভৱতাৰে, সমস্ত

উদ্ভিদ আৰু প্ৰাণীজগতক "প্ৰাণৰ অমিয়া মাধুৰী" দান দিলে; বতাহে এই দান লৈ সমস্ত জগতক তাৰ সমভাগী কৰিলে। প্ৰাণৰ, হৃদয়ৰ, অমৃততুল্য মধুৰতাৰে জগত আমোলমোল হ'ল। কবিতাৰ শেহত বতাহে বিয়পাই দিয়া আমোলমোলৰ প্ৰাধান্য আমি মন কৰিব লাগিব। অপৰূপ দৃষ্টি, স্পৰ্শ, স্বাদ আৰু ধ্বনিসুখৰ অন্তত শেহত গৈ গন্ধসুখ প্ৰধান হৈ পৰিল। ইন্দ্ৰিয়ই যেন হৈ পৰিল এক অতীন্দ্ৰিয় সুখৰ, "প্ৰাণৰ মাধুৰী"ৰ মাধ্যম, অৱলম্বন। আঙুলিয়াই দিব পাৰি যে এই অপৰূপ অৰণ্য-নাট্যত বনকুঁৱৰী, জলকুঁৱৰী, ৰূপিণী কন্যা আদিৰ দৰে "বতাহ" এটা সক্ৰিয় কিন্তু প্ৰতীকী চৰিত্ৰ। অনন্য সৰ্বশীয় দান লাভ কৰি শৰীৰী বতাহে যেন অশৰীৰীৰহে স্পৰ্শ লাভ কৰিলে - বতাহৰ নোম শিয়ৰি উঠিল—

অথিৰ বায়ুৰ শিয়ৰিল নোম
উফলাইছে গৈ জান,
কাৰণ নেদেখা আনন্দৰ ঢৌৱে
ধুৱালে প্ৰাণীৰ প্ৰাণ।

নোম শিয়ৰি উঠা বতাহে জানৰ পানী উফলালেগৈ, আৰু শান্তিৰ, আনন্দৰ জলতৰঙ্গ বোৱাই দিলে। আনন্দৰ ঢৌ উঠিল, এই ঢৌৱে অমিয়া মাধুৰীৰে প্ৰাণীৰ প্ৰাণ ধুৱাই পালে। শৰীৰীৰ অশান্ত অথিৰ মন অশৰীৰীৰ দান স্বৰূপ "কাৰণ নেদেখা আনন্দৰ ঢৌৱে" শান্ত পেলালে। এইখিনিতে আমি পূৰ্বৰ এটি স্তবকৰ এটি শাৰী — "শান্ত হ মানুহ মন" — সুঁৱৰিব লাগিব। এই শাৰীটো সুঁৱৰি আমি এই বুলিও বুজিব লাগিব যে "বনকুঁৱৰী"ত "মানুহ মনক" শান্ত কৰিবলৈহে কবিয়ে শৰীৰী অৰণ্যত অশৰীৰীৰ আনন্দমেল — "দেৱযোনি খেল"খন পাতিছে। এই আনন্দমেলৰ উদ্দেশ্য সফল হৈছে — কাৰণ কবিতাটিৰ শেহত "কাৰণ নেদেখা আনন্দৰ ঢৌৱে" প্ৰাণীৰ প্ৰাণ ধুৱাই পেলাইছে।

"বনকুঁৱৰী" নিঃসন্দেহে এটা ৰমন্যাসিক কল্পনাবিলাসৰ সাৰ্থক সৃষ্টি। এই কবিতাৰ অৰণ্যৰ পৰা বস্তাস্ত নখদন্তৰ দিশটো নিৰ্বাসিত। প্ৰকৃত অৰণ্যত জীৱনৰজাইহে কেৱল নচলে, চলে মৃত্যুৰজাও। প্ৰকৃতিৰ এই বক্তাক্ত দিশটো নিলগাই থৈ বা ঢাকি পেলাই কবিয়ে বনকুঁৱৰী-জলকুঁৱৰীৰ অৰণ্যত অশৰীৰী আনন্দৰ ঢৌৱে মানুহৰো শৰীৰী প্ৰাণ শান্ত কৰিছে। এই কবিতাটি প্ৰকৃত অৰ্থত কবি-কল্পনাৰ এটা সৃষ্টি। অৰণ্য ধ্বংসলীলাৰ মঞ্চ হৈ পৰা, ৰণক্ষেত্ৰ হৈ পৰা আজিৰ দিনত, অবিশ্বাসৰ অসাধাৰণ বিতাড়ন ঘটাই হ'লেও এই কাব্য-সৃষ্টিৰে আমি আজিও কন্তেকলৈ নিজক পতিয়াব পাৰোঁ। মানুহে জান নহ'লেও শান্তিৰ প্ৰতীকবোৰকে হ'লেও জীয়াই ৰখাটো বৰ জৰুৰী কথা হৈ পৰা কালত, "বনকুঁৱৰী"ৰ কল্পসৃষ্টিত সাময়িক ভাৱে প্ৰাণ সঁপি দিও মানুহৰ হানি হ'ব নালাগে; লাভ হ'লেহে সুখৰে কথা।

# "মাধুৰী", নাৰী আৰু প্ৰেম

ড° আনন্দ বৰমুদৈ

ৰোমাণ্টিক কবিয়ে বিষয়বস্তু সাধাৰণ মানুহৰ জীৱনৰ পৰাই গ্ৰহণ কৰে আৰু তেওঁলোকৰ ভাষাও সাধাৰণ মানুহৰ মাত কথাৰ পৰাই বুটলি লোৱা ভাষা। ৱৰ্ডছৱৰ্থে ৰোমাণ্টিক কবিতাৰ ইস্তাহাৰ স্বৰূপ *লিৰিকেল বেলাডচৰ* পাতনিত কৈছিল যে কবিতা শক্তিশালী অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। কল্পনাৰ অসীম ক্ষমতাত ৰোমাণ্টিক কবি বিশ্বাসী। ৰোমাণ্টিক কবিৰ হাতত শিল্পৰূপ হিচাবে লিৰিক অথবা গীতিধৰ্মী কবিতাই নতুন মাত্ৰা লাভ কৰাৰ ইয়ো এটা কাৰণ। কবি কল্পনাৰ অসীম সৃষ্টি সম্ভাৱনা উদ্‌ঘাটিত হোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰীতি কবিতা এটা হ'ল "মাধুৰী"।

"মাধুৰী" কবিতাটোৰ বাহ্যিক ৰূপটো বৰ্ণনাত্মক এলানি ছবি আৰু দ্বন্দ্ব বিৰোধৰ কোনো মীমাংসা নোহোৱাকৈ কবিতাটো হঠাতে মাজভাগতে এৰি দিয়া যেন লাগে। একেটা সুৰতে কবিতাটোৱে চিন্তা-ভাব-অনুভূতিক আৱৰণিৰ পৰা শেষলৈকে লৈ গৈছে। কিন্তু কবিতাটো সুখপাঠ্য আৰু কোনো বিৰক্তিকৰ একঘেঁয়েমি ইয়াত নাই। ক'তো যতি নপৰাকৈ একে সুৰত আগবাঢ়ি যোৱা কবিতা এটাই আমনি উদ্ৰেক নকৰাৰ কিবা কাৰণ আছে। কবিতা এটাৰ গতিবেগ আহে চিন্তা-ভাব-অনুভূতিৰ দ্বন্দ্ব-বিৰোধ, বৈপৰীত্য, অতিভি আদিৰ পৰা আৰু "মাধুৰী" কবিতাটোৰ আপাত সুৰৰ একঘেঁয়েমিৰ অন্তৰালত দ্বন্দ্ব-বৈপৰীত্যই ক্ৰিয়া কৰি কবিতাটোক ভাবৰ বৃদ্ধি দান কৰিছে।

কবিতাটোত ৰোমাণ্টিক কবিৰ সৃষ্টি-কল্পনাই এক উচ্চাভিলাষী প্ৰত্যাহ্বান গ্ৰহণ কৰিছে ঃ শব্দেৰে অপ্ৰকাশনীয়ক প্ৰকাশ কৰিবৰ চেষ্টা কৰিছে। তাকে কৰিবলৈ যাওঁতে ভাবৰ দ্ৰুত পৰিবৰ্তনে বাক্যৰ গাঁথনিক নিৰ্ণয় কৰিছে। মাধুৰীৰ ৰূপ ধ্যান কৰা কবিৰ মনৰ জগতত প্ৰিয়াৰ বিভিন্ন ৰূপ চক্ৰাকাৰে ঘূৰি থকাৰ পৰতে কবিয়ে সিবোৰক শব্দ তৰংগলৈ সলনি কৰিব লগা হোৱা বাবেই বাক্যবোৰ আধকৰা হৈ ৰৈছে ঃ "ফুটো নে নুফুটো কৈ/কুমলীয়া কলিটি/ওঁঠত লাজেৰে বৈ/মিচিকীয়া হাঁহিটি।" প্ৰথম চাৰি শাৰীৰ পিচত যতি চিহ্ন ব্যৱহাৰ কৰা হৈছে যদিও যতি চিহ্ন আচলতে খণ্ড বাক্যৰ পিচতহে পৰিছে। প্ৰথম চাৰিশাৰীৰ দুটা খণ্ড বাক্যত দুখন দ্ৰুত গতিত পাৰ হৈ যোৱা ছবিহে আছে ঃ ফুটো-নুফুটো কলি আৰু লাজকুৰীয়া হাঁহি।

ফুটো-নুফুটোকৈ থকা ফুলৰ কলি এটাতকৈ পূৰ্ণ প্ৰস্ফুটিত ফুলপাহ নিশ্চয় অধিক ধুনীয়া আৰু আনন্দদায়ক, কিন্তু প্ৰস্ফুটিত হোৱাৰ আগলৈকে কলিটো ৰহস্যময় সম্ভাৱনা হৈ থাকে। এই ৰহস্যময় সম্ভাৱনা দৃশ্যমান হয় কবিৰ কল্পনাত আৰু সিয়ো অসীম আৰু অনন্ত। ৰহস্যময় সম্ভাৱনাকে কবিয়ে উদ্‌ঘাটন কৰিছে। ফুল কলিটোৰ দৰেই হাঁহিটোও অৰ্দ্ধ-প্ৰস্ফুটিত। মিচিকীয়া হাঁহিৰ-অৰ্দ্ধোদ্ধাৰ সততে জটিল আৰু লাজত অৰ্দ্ধ-প্ৰস্ফুটিত

হোৱা মিচিকীয়া হাঁহিৰ অৰ্থ আৰু অধিক জটিল আৰু ৰহস্যময়। আকৰ্ষণ, প্ৰলোভন, প্ৰতাৰণা, প্ৰেম আদি কোনো সম্ভাৱনাকেই এনে হাঁহিৰ পৰা আঁতৰাব নোৱাৰি। প্ৰেমিকৰ কল্পনাত অন্ততঃ এনে ধৰণৰ সকলো ভাবানুভূতি ক্ৰিয়াশীল হোৱা স্বাভাৱিক। আকৰ্ষণ যিমানে তীব্ৰ হয়, হেৰুৱাৰ আশংকাও তাৰ সমানুপাতিক হয়। মূৰ্খ প্ৰেমিকেহে স্থিৰ নিশ্চিন্তিত বিশ্বাস কৰিব।

প্ৰেমৰ অনুভৱত আনন্দ আৰু বেদনাৰ মাজত সীমাৰেখা অস্পষ্ট হৈ পৰে অথবা প্ৰিয়া দৰ্শনৰ মুহূৰ্ত এটাৰ সোঁৱৰণি বেদনা মিশ্ৰিত। এই মুহূৰ্তটোকে শব্দত অবিনাশ কৰিবৰ চেষ্টাত কবিয়ে বিভিন্ন ধৰণেৰে চেষ্টা কৰিছে। এক ধৰণেৰে ইন্দ্ৰিয়গ্ৰাহ্য কৰিবৰ চেষ্টা কৰোতেই ৰহস্যময় আন এক ধৰণৰ ৰূপ আহি কল্পনা জগত ভৰ ওপৰ কৰিছেহি : "সামৰি পাহৰি গৈ/মেলি আধা প্ৰাণটি/উদঙাই ঢাকি থৈ/ উঠি অহা বুকুটি।" মনৰ শান্ত অৱস্থাত এনিধি অহা শক্তিশালী অনুভূতিৰ জোৱাৰক ৰোমন্থন কৰি কবিতাটো লিখা হোৱা নাই। কবিতাৰে কবিমনৰ যি আনুভূতিক অৱস্থা পাঠকৰ মন আৰু হৃদয়ত পুনৰ্নিৰ্মাণ কৰিবলৈ বিচৰা হৈছে, সেই অৱস্থা অনুভূতিয়ে তোলপাৰ কৰা অৱস্থা। কবিতাটোত প্ৰিয়াৰ কোনো ৰূপেই মূৰ্ত হোৱা নাই, কিন্তু কবি কল্পনাই চেষ্টা কৰিছে প্ৰিয়াৰ সমস্ত দেহ আৰু সত্তাক মূৰ্ত কৰিবলৈ। প্ৰিয়াৰ হৃদয়ৰ আধামেলা দুৱাৰেদি ভিতৰলৈ ভুমি চোৱাৰ আগতেই উদঙাই ঢাকি থোৱা বুকুলৈ কল্পনা উভতি আহিছে।

ৰোমান্তিক কবিতাৰ এটা বৈশিষ্ট্য চিনাকি বস্তু বা প্ৰাণীক মহিমামণ্ডিত আৰু ৰহস্যাবৃত কৰি কিংবদন্তীৰ পৰ্যায়লৈ তুলি ধৰা। "মাধুৰী" কবিতাত চন্দ্ৰকুমাৰে প্ৰিয়াক তেনে পৰ্যায়লৈ তুলি ধৰিছে, কিন্তু তাৰ আগতেই নাৰীৰ আন এটা ৰূপো কবি কল্পনাৰে দৰ্শন কৰিছে : "উদঙাই ঢাকি থৈ উঠি অহা বুকুটি"। প্ৰেমিকৰ ওচৰত প্ৰেমিকাই মুহূৰ্তৰ বাবে হ'লেও বুকু উন্মুক্ত কৰিছিল। প্ৰিয়াৰ বুকুত জোনাক লুকাই আছেনে নাই সেই ছবিখন মূৰ্ত হোৱাৰ আগতেই আধা মেল খোৱা খোপাৰ আনখন ছবি মানস পটত আহিছে। "মাধুৰী"ত যি প্ৰেমৰ বন্দনা কৰা হৈছে তাক স্বৰ্গীয় মৰ্যাদা দিয়া হৈছে যদিও দেহ আৰু যৌনতাৰ পৰা তাক নিলগোৱা হোৱা নাই।

"মাধুৰী" কবিতাত প্ৰিয়াৰূপৰ বন্দনা যি কৰিছে তেওঁৰ দেহ-মনৰ প্ৰতিক্ৰিয়াতকৈ প্ৰেমাস্পদৰ প্ৰতিক্ৰিয়াকহে অধিক প্ৰকট ৰূপত ব্যক্ত কৰা হৈছে : মিচিকীয়া হাঁহি, আধা মেলা হৃদয় দুৱাৰ, আধা বন্ধা খোপা, মুহূৰ্তৰ বাবে উন্মুক্ত বুকু, আধাফুটা মাত, ভনো নুগুনো গীত, ছয়ামৰা ঠেহ-পেঁচ, ছলাহলীয়া চকু, অপাপিদ্ধ ভবি, ধেমালি মিহলি খং — এই আটাইবোৰেই প্ৰিয়াৰ ৰূপ। নাৰীৰ এই ৰূপ যুগ যুগ ধৰি পুৰুষে কল্পনা কৰি অহা ৰূপৰ পৰা পৃথক নহয়। নাৰীও মানুহ আৰু তেওঁৰ দোষ-গুণ আৰু প্ৰকৃতি মানবীয় বুলি স্বীকাৰ কৰাৰ পৰিবৰ্তে দেৱী আৰু মানবীৰ মাজত ৰহস্যময় খেলিমেলিৰ মাজেৰে নাৰী-পুৰুষৰ বোধশক্তিৰ অতীত বুলিহে ইংগিত কৰা হৈছে।

নাৰীয়ে প্ৰলোভিতও কৰে আৰু প্ৰত্যাখ্যানো কৰে। উদঙাই ঢাকি থোৱা বুকু আৰু আধামেল খোৱা খোপাৰ গৰাকীৰ আকুলতাৰ মাজত প্ৰলোভিত কৰি প্ৰত্যাখ্যান কৰা নাৰী গৰাকীক নিশ্চিতভাৱে বুজিব নোৱাৰাৰ বাবেই প্ৰেমিকে প্ৰেমিকাক মানৱী ৰূপৰ পৰা দেৱীলৈ সলনি কৰিছে। প্ৰেমিকৰ হৃদয়ত উদ্ৰেক কৰা অনুভূতি আৰু আকুলতা সেয়ে 'সাঁথৰ ভাঙনি' আৰু 'পানী মিঠৈ' বুলিও প্ৰেমিকে উপলব্ধি কৰিছে।

প্ৰিয়াৰ বিভিন্নৰূপে প্ৰেমিকৰ চেতনাইদি দুৰন্ত গতিত পাৰ হৈ যোৱাৰ পৰত চিন্তাৰ সুঁতিত তিনিটা স্তৰ চকুত পৰে। ফুটো-নুফুটো ফুলকলিৰ প্ৰচুৰ সম্ভাৱনাময় স্তৰৰ পৰা প্ৰলোভিত কৰি প্ৰত্যাখ্যান কৰা স্তৰ আৰু শেষত মোহভংগৰ অৱস্থা। প্ৰেমৰ মিলন আৰু পূৰ্ণতাৰ সম্ভাৱনাৰ বিপৰীতে পোনতে প্ৰলোভিত কৰি টানি আনি প্ৰত্যাখ্যান কৰা প্ৰেমকহে "মাধুৰী"ত উদ্‌যাপিত হৈছে।

কবিতাটোত প্ৰিয়া সম্পৰ্কীয় সকলো কথাই অনিশ্চিত আৰু ৰহস্যময়, উচুপনি, ছলছলীয়া চকু, লুকুৱা ভুমুকা, খণ্ড-ধেমালী, ওলাও-নোলাও ইত্যাদি। প্ৰেমৰ আকুলতাৰ সাঁথৰ ভাঙিলেযে পানী মিঠৈ হ'ব সিহে নিশ্চিত। শেষৰ দুশাৰীত যেতিয়া কোৱা হয় "দেৱী নে মানৱী ঐ/মাধুৰীৰ ছবিটি", তাতো এক ধৰণৰ ৰহস্যময় অনিশ্চয়তা থাকি গৈছে — পৰিস্থিতিটো আপাত-বিৰোধী। দেৱীস্থানলৈ উন্নীত হ'লে প্ৰিয়াই সাধাৰণ মানুহৰ অৱস্থাৰ উৰ্দ্ধলৈ গতি কৰে হয়, কিন্তু সেই উন্নতিয়েই মানৱীয় গুণ পৰিহাৰ কৰাবো নায্যতা আৰু সেই বাবেই মাধুৰীয়ে প্ৰলোভিত কৰি প্ৰত্যাখ্যান কৰিব পাৰে।

# চন্দ্ৰকুমাৰৰ কবিতাত ত্ৰিবেণী সঙ্গম

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা

চন্দ্ৰকুমাৰ আগৰৱালাৰ নামটো উচ্চাৰণ হ'লেই মনলৈ আহে জোনাকী আলোচনীৰ কথা আৰু মনৰ মাজত স্পষ্ট হৈ উঠে জোনাকীৰ জোনাকত হেন্দুলি উঠা অসমীয়া ৰোমাণ্টিক কবিতাৰ বহুবৰ্ণময় ৰূপটো? জোনাকী আলোচনীৰ সময়ৰ পৰা যি কেইগৰাকী যুগনায়কে অসমীয়া ৰোমাণ্টিক সাহিত্যক বৰ্ণসুষমাৰে গৰিমাময় কৰি তুলিছিল; সেই কেইগৰাকীৰ ভিতৰত চন্দ্ৰকুমাৰ আছিল অগ্ৰণী যুগনায়ক। দৰাচলতে অসমীয়া ৰোমাণ্টিক কবিতাতে হওক অথবা অসমীয়া কবিতাৰ ইতিহাস পৰিক্ৰমাতে হওক চন্দ্ৰকুমাৰৰ স্থিতি অতি দৃঢ় আৰু বহুধাগুণবিশিষ্ট। চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰত দৃষ্টিপাত কৰিলে দেখা যায় যে, মূলতঃ তিনিটা ভাবৰ ধাৰা যেন তিনি ফালৰ পৰা প্ৰবাহিত হৈ আহি চন্দ্ৰকুমাৰৰ কবিতাত মিলিত হৈছেহি। ভাবনা জগতৰ এনে তিনিটা ধাৰাৰ সংগম স্বৰূপ হোৱা বাবেই চন্দ্ৰকুমাৰৰ কবিতাত ত্ৰিবেণী সংগম বিষয়টো ফঁহিয়াই চাব খোজা হৈছে। এতিয়া প্ৰশ্ন হয়—এই ত্ৰিবেণীনো কি কি? এই ত্ৰিবেণী আচলতে তিনিটা ভাবৰ ধাৰা আৰু ভাবনাৰ এই ত্ৰিধাৰা হৈছে পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা, প্ৰাচ্যৰ অধ্যাত্ম ভাবধাৰা আৰু আধুনিক চেতনা। এতিয়া চন্দ্ৰকুমাৰৰ কবিতাত এই তিনিওটা ভাবধাৰাৰ কিদৰে মিশ্ৰণ ঘটিছে; তাৰ ব্যাখ্যা আগবঢ়োৱা যাওক।

**চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্যৰ ভাবধাৰা ঃ**

চন্দ্ৰকুমাৰ আগৰৱালা আৰু তেওঁৰ যুগৰ অসমীয়া কবিতা দৰাচলতে পশ্চিমৰ ৰোমাণ্টিক কবিতাৰ প্ৰভাৱপুষ্ট কবিতা। সেই সময়ত কলিকতাবাসী অসমীয়া ছাত্ৰসকলৰ মন আৰু মানসিকতা গঢ়লৈ উঠিছিল পশ্চিমৰ ৰোমাণ্টিক সাহিত্যৰ ভাবোচ্ছ্বাসৰ দ্বাৰা। গতিকে চন্দ্ৰকুমাৰৰ কবিতাক ইউৰোপৰ ৰোমাণ্টিক কবিতাৰ ভাবনা জগতখনে বেছিকৈ তুলিছিল। এনে কাৰণতে চন্দ্ৰকুমাৰৰ কবিতাত পশ্চিমৰ ৰোমাণ্টিক কবিতাৰ সাত্ত্বিক মেজাজটো অসমীয়া ৰূপত গৰিমাময় হৈ উঠিছিল। বিশেষকৈ ৰোমাণ্টিক কবিতাত সৌন্দৰ্য চেতনাই প্ৰধান চালিকা-শক্তিৰূপে ঠাই পাইছিল আৰু এইবাৰ কথাৰ সত্যতাৰ উমান পোৱা যায় ওৱৰ্ডচৱৰ্থ, কীটচ্ আদি ৰবেণ্য ৰোমাণ্টিক কবিসকলৰ কবিতাৰ মাজেদি। পশ্চিমৰ এইসকলৰ কবিতাই এনেহে ধাৰণা দিয়ে যে, জীৱন আৰু জগত যেন কোনো এক অনিৰ্দেশ্য সৌন্দৰ্যৰ পোহৰ। কেৱল সেয়ে নহয় — এই ৰোমাণ্টিক কবিসকলৰ কবিতাৰ পৰা ধাৰণা হয় যে, বহিঃবিশ্বত যি ধৰণৰ অনাবিল সৌন্দৰ্য প্ৰতিভাত হৈছে; সেই সৌন্দৰ্যৰ উৎসে পৰমসত্ত্বা অৰ্থাৎ বিশ্ব নিয়ন্তাও পৰম সৌন্দৰ্যই। এনে কাৰণতে পশ্চিমৰ ৰোমাণ্টিক কবিসকল কেৱল সৌন্দৰ্যমুগ্ধ হৈয়ে ক্ষান্ত থকা নাই; বৰং তেওঁলোকে সৌন্দৰ্যক উপাসনাও কৰিছে কবিতাৰ মাজেদি। আমাৰ চন্দ্ৰকুমাৰৰ

কবিতাতো পশ্চিমৰ এই ভাৱনা জগতখন মূৰ্তমান হৈ উঠিছে। চন্দ্ৰকুমাৰৰ 'সৌন্দৰ্য', 'চিৰ লগৰীয়া', 'জীৱনৰ লগৰীয়া', 'সুন্দৰ', 'মাধুৰী' আদি কবিতাত জীৱন আৰু জগতক পৰম সুন্দৰময় ৰূপত উপলব্ধি কৰা দেখা গৈছে আৰু বহুসময়ত সুন্দৰ অথবা সৌন্দৰ্যই গৰিমাময় ৰূপত উপাস্য হৈ পৰিছে।

পাশ্চাত্য ৰোমাণ্টিক কবিতাত প্ৰকৃতিজগত খনে মহিমাময় ৰূপত প্ৰাণৱন্ত হৈ উঠা দেখা যায়। প্ৰকৃতি জগতৰ প্ৰাণস্পন্দনশীলতা আৰু অপৰিমেয় সৌন্দৰ্যই ওৱৰ্ডচ্ৱৰ্থ আদি ইংৰাজ কবিক যিদৰে বিস্ময়বিমুগ্ধ কৰিছে আৰু সেই বিস্ময়াবহ উপলব্ধিৰে প্ৰকৃতিজগতক যিদৰে মহিমোজ্জ্বল ৰূপত চিত্ৰিত কৰিছে; ঠিক সেইদৰে চন্দ্ৰকুমাৰেও 'প্ৰকৃতি' কবিতাত প্ৰকৃতিৰ অজেয় আৰু চিৰশাশ্বত স্থিতি উপলব্ধি কৰিছে।

ৰোমাণ্টিক কবিতাত মানৱিক চেতনাই এটি প্ৰধান সুৰ হৈ মুঞ্জৰি থাকে। সন্দেহ নাই যে, এই মানৱিক চেতনা যেন কবিৰ অন্তৰ্লোকৰ আধ্যাত্মিক চেতনাৰ পৰা নিগৰি অহা এক অনুভূতি। সেইবাবে ৰোমাণ্টিক কবিতাৰ মানৱিক চেতনাৰ সৈতে সম্পৃক্ত হৈ থাকে আবেগ প্ৰৱণতা আৰু এনে কাৰণতে ৰোমাণ্টিক কবিতাৰ মানৱিক চেতনা উদাৰনৈতিক মানৱতাবাদ ৰূপে গণ্য হৈ আহিছে। পশ্চিমৰ ৰোমাণ্টিক কবিসকলৰ কবিতাত এনে উদাৰনৈতিক মানৱতাবাদী ভাবনা অতি সহজে অনুভূত হয়। উদাহৰণস্বৰূপে ওৱৰ্ডচ্ৱৰ্থৰ Michael, The solitary Reaper, To a Highland Girl, Excursion আদি কবিতালৈ আঙুলিয়াব পাৰি। এইবোৰ কবিতাত সমাজৰ সাধাৰণ শ্ৰেণী মানুহৰ প্ৰাত্যহিক জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ আদিক সহৃদয়তাৰে অনুভৱ কৰা দেখা গৈছে। কিন্তু এই অনুভৱ প্ৰবল আবেগ প্ৰৱণতাৰ পৰা উদ্ভূত। চন্দ্ৰকুমাৰৰ কবিতাত এনে উদাৰনৈতিক মানৱিক চেতনা সংখ্যাধিক কবিতাত বিয়পি আছে। উদাহৰণস্বৰূপে 'মানৱ-বন্দনা', 'বীণ-ব'ৰাগী', 'কেও নোহে পৰ', 'আত্মদান', 'যুৱৰাজ' আদি। এইবোৰ কবিতাত সমাজৰ নিঃস্বজনৰ দুখ-বেদনা, এই শ্ৰেণী মানুহৰ ওপৰত ধনীক শ্ৰেণীৰ শোষণ-পীড়ন আদি মানৱীয় সহানুভূতিৰে উপলব্ধি কৰা হৈছে।

ৰোমাণ্টিক কবিতাৰ উদাৰনৈতিক মানৱিক চেতনাৰ পৰা উদ্ভৱ হয় উচ্ছ্বাসপ্ৰৱণ বিপ্লৱী চেতনাৰ। সমাজৰ নিঃকীন শ্ৰেণীটোৰ মুক্তিৰ বাবে বাস্তৱ পথৰ সন্ধান দিয়াৰ পৰিবৰ্তে আবেগ প্ৰৱণতাৰে বিপ্লৱী উচ্ছ্বাস এটা প্ৰকাশ পায় ৰোমাণ্টিক কবিতাত। দৰাচলতে এনে ভাবোচ্ছ্বাসৰ তাড়নাতে শ্যেলীয়ে 'The west wind' কবিতাত পশ্চিমৰ পৰা প্ৰবাহিত পছোৱাজাকৰ যোগেদি সমাজৰ ক্লেদখিনি উঢ়ুৱাই নিবলৈ প্ৰয়াস কৰিছে। আৰু সেইদৰে বায়ৰনেও 'Child Harald's Pilgrimage' কবিতাৰ তৃতীয় সৰ্গত মানুহে মানুহৰ প্ৰতি কৰা অমানৱীয় শোষণ পীড়নৰ বিৰুদ্ধে প্ৰচণ্ড বিদ্ৰোহ ঘোষণা কৰিছে। সন্দেহ নাই যে, এনে বিদ্ৰোহ ৰোমাণ্টিক ভাবোচ্ছ্বাসসৰ্বস্ব বিদ্ৰোহৰ বাহিৰে আন একো নহয়। ঠিক তেনেদৰে চন্দ্ৰকুমাৰেও 'বীণ-ব'ৰাগী' কবিতাত আঙুলি কুলাৰ জনা

হ'লেই হিমালয় চূড়া টানি আনি সাগৰত বুৰালেহেঁতেন, আকাশৰ জোন বেলি তৰাও নমাই আনি দলিয়াই পেলালেহেঁতেন। এতিয়া প্ৰশ্ন হয়—হিমালয় চূড়া আৰু আকাশৰ জোন বেলি তৰাইনো কি জগৰ লগালে? সহজে ধাৰণা হয় — মানুহে কেতিয়াবা খণ্ডত একোনাই হৈ আনক একো কৰিব নোৱাৰি নিজৰ মূৰৰ চুলিকে আজুৰি ছিঙাৰ দৰে কবি গৰাকীয়েও অসাধু মানুহ শ্ৰেণীক একো কৰিব নোৱাৰি হিমালয় আৰু আকাশৰ জোন বেলি তৰাকে খহাই আনি দলিয়াই পেলাব খুজিছে। ইয়ে ৰোমাণ্টিক আবেগসৰ্বস্ব ভাবোচ্ছ্বাস। এই ৰোমাণ্টিক ভাবোচ্ছ্বাসটো অধিক স্পষ্ট হৈ উঠিছে এই একেটা কবিতাতে। সমাজৰ অসাধু শ্ৰেণীটোৰ শোষণ পীড়নত নিষ্পেষিত শ্ৰেণীটোৰ দুখমোচনৰ কামনা কবি জগতস্বামীকহে কাতৰ অনুৰোধ জনালে যাতে জগতস্বামীয়ে অসাধু শ্ৰেণীটোৰ হৃদয়ৰ কঠোৰতা আৰু নীচতাক নিৰ্মূল কৰে আৰু যাতে দুখীয়াৰ দুখ দূৰ কৰি এই সকলক যেন উদ্ধাৰ কৰে। এনে মনোভংগীতে কবিগৰাকীৰ বিপ্লৱী ভাবনা ৰোমাণ্টিক উচ্ছ্বাসত পৰিণত হ'ল।

পাশ্চাত্য ৰোমাণ্টিক কবিতাত ব্যঙ্গয়ো গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। প্ৰায় বিলাক ৰোমাণ্টিক কবিৰ কবিতাত সমাজৰ বিশেষ ধৰণৰ শ্ৰেণী চৰিত্ৰক ব্যংগ কৰাটো পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ এটা সাধাৰণ বিশেষত্ব। বিশেষকৈ ৰবাৰ্ট বাৰ্ণচে সমাজৰ ভণ্ড শ্ৰেণীটোক তীব্ৰ ভাষাৰে তেওঁৰ কবিতাত ব্যংগ কৰিছে আৰু সমাজত ধৰ্মৰ নামত জনতাক শোষণ কৰা বুলি অভিযোগ কৰি সমকালীন চৰ্চাবোৰক কঠোৰ ভাষাৰে ব্যংগ কৰিছে। ঠিক সেইদৰে চন্দ্ৰকুমাৰৰ কবিতাতো সমাজৰ অশুভ শ্ৰেণীচৰিত্ৰক তীব্ৰ কটূক্তি কৰা দেখা গৈছে। এওঁৰ 'পশুবল', 'চাকৰি স্তোত্ৰ', 'মৌনী শিশুপাল' আদি কবিতাত বিবিধ শ্ৰেণীৰ ভণ্ড চৰিত্ৰক ব্যংগ কৰা হৈছে। পাশ্চাত্যৰ ৰবাৰ্ট বাৰ্ণচ অথবা প্ৰাচ্যৰ চন্দ্ৰকুমাৰ — এই দুয়োগৰাকী কবিৰ ব্যংগৰ আধাৰ কিন্তু মানৱতাবাদ। মানুহক ভাল পায়, মানুহেই দেৱতাতকৈয়ো শ্ৰেষ্ঠ আৰু এনে সৰ্বশ্ৰেষ্ঠ মানুহৰ ভিতৰতে এচামে এচামক শোষণ-পীড়ন কৰে — তাতে কবি দুগৰাকীৰ ক্ষোভ। সি যি নহওক এনে ব্যংগ দৃষ্টিৰ বাবেই পাশ্চাত্য আৰু প্ৰাচ্যৰ ৰোমাণ্টিক কবিসকল পৰৱৰ্তী কালৰ বাস্তৱবাদী কবিসকলৰ ওচৰ চপা। কাৰণ ৰোমাণ্টিক কবি হিচাবে এইসকল সিমানেই আবেগপ্ৰৱণ নহওক লাগিলে; মানুহ হিচাবে মানুহৰ প্ৰতি তেওঁলোকৰ গভীৰ আস্থা আছে আৰু আছে গভীৰ মমত্ববোধ।

পশ্চিমৰ ৰোমাণ্টিক কবিতাত ইলিজিয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল। আচলতে কোনো প্ৰিয়জনৰ বিয়োগত দুখানুভূতিয়ে সকলো মানুহকে বিহ্বল কৰে; কিন্তু ৰোমাণ্টিক কবিসকল যিহেতু অত্যন্ত আবেগ প্ৰৱণ; গতিকে প্ৰিয়ব্যক্তিৰ মৃত্যুত ৰোমাণ্টিক কবিসকলে অধিক আহত হয় আৰু কবিয়ে সেই দুখানুভূতি অভিব্যক্ত কৰে কবিতাৰ মাধ্যমেদি। এই ক্ষেত্ৰত পশ্চিমৰ শ্যেলীৰ 'Adonais' কবিতাটোলে আঙুলিয়াব

পাৰি। কীটচৰ অকাল মৃত্যুত এটা অসাধাৰণ প্ৰতিভাৰ মৃত্যু হোৱা বুলি অনুভৱ কৰি শ্যেলীয়ে 'Adonais' কবিতাটো ৰচনা কৰিছিল আৰু দৰাচলতে 'Adonais' এক অনুপম ৰোমাণ্টিক ভাবনাঘন ঐশ্বৰ্যদীপ্ত কবিতা। চন্দ্ৰকুমাৰৰ হাতভো সৃষ্টি হৈছে তিনিটা ইলিজি। মৰমৰ ভগ্নীৰ মৃত্যুত 'বিমুখ', কন্যাৰ অকাল মৃত্যুত 'যুগমীয়া শোক' আৰু পুত্ৰৰ অকাল মৃত্যুত 'অজেয়' কবিতাৰ সৃষ্টি।

চন্দ্ৰকুমাৰৰ তিনিওটা শোক কবিতাৰ মৰ্মকথা হৃদয় বিদাৰি নিগৰি ওলোৱা বেদনা। কিন্তু সিয়ে হ'লেও প্ৰথম দুটা অৰ্থাৎ 'বিমুখ' আৰু 'যুগমীয়া শোক' মৃত্যুৱে কঢ়িয়াই অনা মৰ্মবেদনাৰ সীমাৰ ভিতৰতে আবদ্ধ হৈ থাকিল। কিন্তু ১৯২৯ চনৰ ১৪ এপ্ৰিলত ৰচনা কৰা 'অজেয়' কবিতাটো কবিৰ জীৱনৰ শেহৰ ফালৰ ৰচনা। গতিকে 'অজেয়' কবিতাত পুত্ৰৰ মৃত্যু বেদনাই কবিৰ মন যিমান বিষাদ আক্ৰান্ত কৰি তুলিছে; এই মৃত্যুজনিত বেদনাই কবিক সিমান দাৰ্শনিক ভাবগভীৰতাৰে দৃঢ়তা প্ৰদানো কৰা দেখা গৈছে।

## চন্দ্ৰকুমাৰৰ কবিতাত প্ৰাচ্যৰ অধ্যাত্ম চেতনা ঃ

ৰোমাণ্টিক কবিতাত আধ্যাত্মিকতাই এক বৈশিষ্ট্য ৰূপেই ধৰা দিয়া দেখা যায়। পশ্চিমৰ মেটাফিজিকেল কবি জন ডন, ৰোমাণ্টিক কবি উইলিয়াম ব্লেক আৰু প্ৰাক্‌ৰাফেলীয় কবি চুইনবাৰ্ণ আদিৰ কবিতাতো আধ্যাত্মিক ভাবনাই গুৰুত্বপূৰ্ণ স্থান দখল কৰা দেখা গৈছে। জন ডনৰ সৰহভাগ কবিতাই ধৰ্ম চিন্তাৰ সৈতে নিবিড়ভাৱে সম্পৃক্ত। জন ডনৰ 'The Litary' কবিতাৰ কেন্দ্ৰীয় ভাববস্তু ধৰ্মীয় আৰু ধৰ্মই যেন জীৱনৰ সাৰবস্তু, এনে এটা ধাৰণা দিবলৈ যত্ন কৰা দেখা গৈছে। সেইদৰে জন ডনৰ 'Anatomy of the world' ত এগৰাকী বালিকাৰ মৃত্যুৰ মৰ্মবেদনাক আলমস্বৰূপে লৈ ভৌতিক জীৱন আৰু পাৰলৌকিক জীৱনৰ তাত্ত্বিকতা ব্যাখ্যা কৰা হৈছে। ঠিক একেদৰে ৰোমাণ্টিক কবি উইলিয়াম ব্লেক আৰু প্ৰাক্ ৰাফেলীয় কবি চুইনবাৰ্ণৰ কবিতাকো ক্লাচিক ধ্যান-ধাৰণাই আচ্ছন্ন কৰি ৰখা দেখা গৈছে।

পাশ্চাত্যৰ কবিসকলৰ দৰেই চন্দ্ৰকুমাৰৰ কবিতাতো অধ্যাত্ম চেতনাই গভীৰভাৱে স্থান পাইছে। সেইবুলি কিন্তু চন্দ্ৰকুমাৰৰ কবিতা পাশ্চাত্য কবিসকলৰ প্ৰভাৱত অধ্যাত্ম ভাবনাযুক্ত হৈছে বুলিলে ভুল কৰা হ'ব। চন্দ্ৰকুমাৰৰ ঘৰখনেই আছিল ভাৰতীয় আধ্যাত্মিক চিন্তা-চৰ্চাৰে সমৃদ্ধ ঘৰ। এনে কাৰণতে চন্দ্ৰকুমাৰৰ কবিতাত ভাৰতীয় উপনিষদ দৰ্শনৰ ব্ৰহ্মবাদ আৰু মায়াবাদ, জড় জগত আৰু চেতন জগত আদি তত্ত্ব কথাবোৰ সোমাই পৰিছেহি।

চন্দ্ৰকুমাৰৰ কবিতাৰ ঈশ্বৰ বা ব্ৰহ্ম ভাৰতীয় দৰ্শন সমৰ্থিত। তেওঁৰ 'বিশ্ব ভাৱৰীয়া' কবিতাত মানুহ তথা জগতৰ জীৱবাশিক ভাৱৰীয়া বোলা নাই। এওঁৰ মতে জড় জগতৰ জীৱ ৰাশি অভিনেতা মাত্ৰ। এই অভিনয় পৰম ব্ৰহ্মৰ। পৰম ব্ৰহ্মই বিশ্বৰূপত ভাও

দিছে মাথোন। ইয়ে 'বিশ্ব ভাৱৰীয়া' কবিতাৰ মৰ্মবাণী। সেইদৰে 'বীণ-ব'ৰাগী'ৰ অষ্টম ছেদত কোৱা হৈছে যে, জড় জগত অসাৰ। সাৰবস্তু চেতনাহে। চেতনেই ব্ৰহ্ম আৰু জড় জগতৰ নিয়ন্তাও চেতন ব্ৰহ্মাই। আনকি উপনিষদৰ ওংকাৰ ধ্বনি তত্ত্বয়ো চন্দ্ৰকুমাৰৰ কবিতাক ভাবগভীৰ কৰি তোলা দেখা গৈছে। চন্দ্ৰকুমাৰৰ কবিতাত উপনিষদীয় দৰ্শন কিমান গভীৰ ভাবে নিহিত হৈ আছে তাৰ উমান পাব পাৰি 'মই', 'অনন্তৰ সোঁত', 'বীণ-ব'ৰাগী'ৰ চতুৰ্থ ছেদ আৰু 'মায়া' কবিতাৰ মাজেদি। 'মই' কবিতাত গীতা দৰ্শনৰ ব্ৰহ্মবাদী চিন্তা স্পষ্ট হৈ পৰিছে। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক ব্ৰহ্মবাদৰ ব্যাখ্যা কৰি কৈছিল যে, সমস্ত জগত চৰাচৰ তেওঁৰেই অৰ্থাৎ ব্ৰহ্মাৰেই প্ৰতিভাস স্বৰূপ। এতেকে স্থূলৰূপত জগত চৰাচৰো ব্ৰহ্মাই। ব্ৰহ্মাৰ সৰ্বব্যাপ্ত ৰূপৰ ব্যাখ্যা কৰা হৈছে চন্দ্ৰকুমাৰৰ 'মই' কবিতাত। সেইদৰে 'বীণ-ব'ৰাগী'ৰ চতুৰ্থ ছেদতো জড় জগত চেতন ব্ৰহ্মাৰে লীলাৰূপ বুলি কোৱা হৈছে। আনহাতে ব্ৰহ্ম যে অনাদি, অনন্ত আৰু অক্ষয় — এই তাত্ত্বিক সত্যৰ ব্যাখ্যা দিয়া হৈছে 'অনন্তৰ সোঁত' কবিতাত। 'অনন্তৰ সোঁত' কবিতাত কোৱা হৈছে যে, ব্ৰহ্ম যিহেতু অনাদি, অনন্ত আৰু অক্ষয়; গতিকে কোনোবা অনাদি কালৰ পৰা জড় জগতৰ মাজেদি ব্ৰহ্মাই বহিঃপ্ৰকাশিত হৈ অন্তহীনভাবে প্ৰবাহিত হৈ আছে। আচলতে নদীৰ চলমান জলধাৰাৰ দৰে জড় জগতো অদৃশ্য ব্ৰহ্মাৰেই দৃশ্যমান সৌন্দৰ্যৰূপ।

চন্দ্ৰকুমাৰৰ কবিতাত উপনিষদৰ ব্ৰহ্মবাদ যিদৰে প্ৰতিষ্ঠিত হৈছে; সেইদৰে উপনিষদৰ মায়াবাদেও স্থান পাইছে। জড় জগত ব্ৰহ্মাৰেই প্ৰতিভাসিত ৰূপ যদিও জীৱই এইষাৰ কথা বুজি নাপায়। বুজি নাপায় বাবেই অজ্ঞানতাবশতঃ জীৱই যি কৰে; তাক নিজে কৰা বুলি ভাবে আৰু এনে অজ্ঞানতাৰ বাবেই জীৱৰ মনত অহং ভাবৰ উদয় হয়। এই যে ব্ৰহ্মবস্তু চিনি নোপোৱা অৱস্থাটো — ই মায়াৰ প্ৰভাৱৰ ফল। দৰাচলতে জীৱৰ মনৰ ওপৰত মায়াৰ আৱৰণ এটা থাকে। এই আৱৰণ বা ঢাকনিৰ বাবেই জীৱই ব্ৰহ্মৰূপী সৎবস্তুক নেদেখে আৰু বুজি নাপায়। ইয়ে ভ্ৰান্তি। বেদান্ত দৰ্শনৰ এনে মায়াবাদৰ তত্ত্বকথায়ো চন্দ্ৰকুমাৰৰ কবিতাক ভাবনা ঐশ্বৰ্যময় কৰি তুলিছে। এনে ধৰণৰ তাত্ত্বিক ব্যাখ্যা আগবঢ়োৱা হৈছে 'কূট' নামৰ কবিতাটো। এই কবিতাতো কোৱা হৈছে যে, জীৱৰ ভৌতিক দেহ অসাৰ, সংসাৰো অসাৰ। চিৰ সাৰবস্তু ব্ৰহ্মহে। ঠিক একেধৰণৰ তত্ত্ব কথাকে কোৱা হৈছে 'বীণ-ব'ৰাগী'ৰ চতুৰ্থ ছেদত।

তাত্ত্বিক ভাবনা গাম্ভীৰ্যৰ দিশত চন্দ্ৰকুমাৰৰ 'সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ' কবিতাটো অসমীয়া ৰোমাণ্টিক কবিতাৰ ভিতৰতে এটা উন্নত মান বিশিষ্ট কবিতা। কবিতাটোৰ নামকৰণে ধাৰণা দিয়ে যে, আন ৰোমাণ্টিক কবিৰ দৰে কবিতাটোত যেন ঈশ্বৰক সত্য, শিৱ আৰু সুন্দৰ ৰূপত গ্ৰহণ কৰা হৈছে। কথাষাৰ অসত্য নহয়। কিন্তু ৰোমাণ্টিক কবিৰ পৰম্পৰাগত এই ধাৰণাৰ সৈতে আধুনিক পদাৰ্থ বিজ্ঞানৰ সূত্ৰৰ সংস্পৰ্শ লাগি কবিতাটো অতি গৰিমাময় হৈ উঠিছে। ঈশ্বৰ বোধৰ সৈতে সত্য, শিৱ,

সুন্দৰ সম্পৰ্ক স্থাপিত হোৱাৰ উপৰিও পদাৰ্থ বিজ্ঞানৰ তৰঙ্গ কণিকাৰ সূত্ৰয়ো কবিতাটোত স্থান পোৱা দেখা গৈছে। "কাৰ্যৰ তৰঙ্গময় সিন্ধু সংসাৰ মহান" বুলি কোৱা হৈছে। আধুনিক পদাৰ্থবিজ্ঞানৰ মতে তৰঙ্গ সৃষ্টি হয় কাৰ্যৰ দ্বাৰা। এই কাৰ্য বিবিধ কণিকাৰ। কণিকাৰ এই আন্তঃক্ৰিয়া অনবৰত চলিয়ে থাকে। এতেকে দেখা যায় যে, চন্দ্ৰকুমাৰৰ "সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ" কবিতাত কোৱা "কাৰ্যৰ তৰঙ্গময় সিন্ধু" বোলা কথাষাৰ আধুনিক পদাৰ্থবিজ্ঞানৰ তৰঙ্গ আৰু কণিকা তত্ত্ব সমৰ্থিত। এনে কাৰণতে ক'ব পাৰি যে, চন্দ্ৰকুমাৰৰ অধ্যাত্ম চেতনা ঈশ্বৰতত্ত্বত আৰম্ভ হৈ আধুনিক পদাৰ্থ-বিজ্ঞানৰ তৰঙ্গ তত্ত্ব আৰু কণিকা তত্ত্বত মিলিছেহি।

**চন্দ্ৰকুমাৰৰ কবিতাত আধুনিক চেতনা ঃ**

চন্দ্ৰকুমাৰ আগৰৱালাই জোনাকী আলোচনীৰ মূল কাণ্ডাৰী ৰূপে অসমীয়া ৰোমাণ্টিক কবিতাৰ বন্যা বোৱাই দিলে। অথচ এইগৰাকী ৰোমাণ্টিক কবিৰ কবিতাতে আধুনিক চিন্তা আৰু চেতনাৰো উন্মেষ ঘটিছিল। William K. Brazil ৰ মতে আধুনিক চিন্তা মানে an ainphasis on subjectinity. অৰ্থাৎ আধুনিক চিন্তা মানে ব্যক্তিসত্বাৰ ওপৰত গুৰুত্ব। চন্দ্ৰকুমাৰৰ কবিতালৈ লক্ষ্য কৰিলে দেখা যায় যে, এওঁৰ কবিতাত ৰোমাণ্টিক ভাবালুতা থাকিলেও আধুনিকতাবাদীসকলে ব্যক্তিসত্তাত গুৰুত্ব দিয়াৰ দৰে চন্দ্ৰকুমাৰেও ভূমাৰ পৰা ভূমিলৈ নামি আহি ব্যক্তি সত্তাৰ ওপৰতহে সৰ্বাধিক গুৰুত্ব দিছে। এনে কাৰণতে তেওঁ "মানুহেই দেৱ মানুহেই সেৱ মানুহেই পৰাৎপৰ" বুলি দৃঢ়তাৰে ঘোষণা কৰিছে।

চন্দ্ৰকুমাৰে ব্যক্তিসত্তাত গুৰুত্ব দিয়াৰ বাবেই তেওঁৰ কবিতাত সমাজৰ দৰিদ্ৰ শ্ৰেণীটোৰ প্ৰতি আন্তৰিক মমত্ববোধ প্ৰকাশ পোৱা দেখা গৈছে। এনে মমত্ববোধৰ বাবেই 'বীণ-ব'ৰাগী'ৰ প্ৰথম ছেদত দুখীয়াৰ দুখৰ কথা শুনোতা নাই বুলি খেদ কৰিছে।

গণতান্ত্ৰিক চেতনা আধুনিক চিন্তাৰ অন্যতম দিশ। এইটো দিশত চন্দ্ৰকুমাৰৰ দৃষ্টিভংগী অতি স্পষ্ট। সমাজৰ দৰিদ্ৰ সকলৰ প্ৰতি গভীৰ মমত্ববোধৰ তাড়ণাতে তেওঁ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ সমান উন্নতি, সমান সুখ আৰু সমান শান্তি কামনা কৰিছে। এনে সামূহিক প্ৰগতি কামনা তেওঁৰ 'বীণ-ব'ৰাগী' প্ৰমুখ্যে আৰু অনেক কবিতাত প্ৰকাশ পাইছে। আনকি ল'ৰা-ছোৱালীৰ গান বুলি ৰচনা কৰা 'সেৱা-লহৰী'তো "সুখ বলিদান/ ধৰিম যোগান / সমূহ সুখত সুখী" বুলি প্ৰগতিকামী দৃষ্টিভংগী প্ৰকাশ কৰিছে আৰু প্ৰগতিবাদী দৃষ্টিভংগী গণতান্ত্ৰিক চেতনাৰে সমৃদ্ধ হৈ উঠা দেখা গৈছে।

চন্দ্ৰকুমাৰৰ কবিতাৰ আধুনিক চেতনাৰ অন্যতম দিশটো হ'ল বাস্তৱতা। যদিও তেওঁৰ কবিতাত ৰোমাণ্টিক উচ্ছ্বাস বিদ্যমান; অথচ চন্দ্ৰকুমাৰে জীৱনৰ সত্তা অথবা সমগ্ৰতাক পাৰলৌকিক সত্তা এটাৰ ওপৰত সম্পূৰ্ণ সমৰ্পণ কৰা নাই। সেইবাবে 'বীণ-

ব'ৰাগী'ৰ তৃতীয় ছেদত "মানুহেই দেৱ ইহ জগতৰ মানুহেই পৰাৎপৰ" বুলি পাৰলৌকিক জীৱনতকৈ ইহলৌকিক জীৱনৰ গুৰুত্বহে স্বীকাৰ কৰিছে।

চন্দ্ৰকুমাৰৰ কবিতাত আধুনিক চিন্তা আৰু চেতনাৰ অন্যতম নিদৰ্শন "ইচ্ছা" কবিতাটো। 'ইচ্ছা' কবিতাত যি ধৰণৰ আত্মবলৰ কথা কোৱা হৈছে, সেই আত্মবলৰ বিষয়ে প্ৰাচ্য আৰু প্ৰতীচ্য উভয় দৰ্শনে ক'ব খোজে যে, মানুহৰ ইচ্ছা শক্তি অজেয় আৰু ইচ্ছা শক্তিৰ বলতে মানুহে যিকোনো অসাধ্য কাৰ্যকো সাধন কৰিব পাৰে। Samuel Smiles এ কৈছে, "The spirit of self-help is the root of all genuine growth in the indinidual." সেইদৰে আধুনিক বিজ্ঞানেও ক'ব খোজে যে, মানুহৰ ইচ্ছা শক্তি (will force) ৰ দ্বাৰা অসম্ভৱ কাৰ্যকো সম্ভৱ কৰি তুলিব পৰা যায়। চন্দ্ৰকুমাৰে ইচ্ছা কবিতাত কৈছে যে, জীৱনত যিমানেই বিৰোধ নাথাকক লাগিলে যাৰ ইচ্ছা শক্তি প্ৰবল — তেওঁ বিমুখ হ'ব নালাগে। এতেকে দেখা যায় যে, চন্দ্ৰকুমাৰৰ ইচ্ছা কবিতাৰ মাজেদি এক বিশেষ ধৰণৰ আধুনিক চিন্তাৰ বাট মুকলি কৰা হৈছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ ভাবনাজগতৰ তিনিটা প্ৰধান ধাৰা বিচাৰ কৰি দেখা গ'ল যে, প্ৰথমটো ধাৰা হিচাবে চন্দ্ৰকুমাৰৰ কবিতাত প্ৰতীচ্যৰ ৰোমাণ্টিক ভাবমণ্ডলটো আহি স্বমহিমাময় ৰূপত সোমাইছেহি। দ্বিতীয়টো ধাৰা হিচাবে প্ৰাচ্যৰ অধ্যাত্ম চেতনাই চন্দ্ৰকুমাৰৰ কবিতাক দাৰ্শনিক তত্ত্বকথাৰে গাম্ভীৰ্য দান কৰিছে আৰু তৃতীয়টো ধাৰা হিচাবে আধুনিক বিজ্ঞান সমৰ্থিত যুক্তিবাদ তথা বস্তুবাদী চিন্তা ধাৰাৰো সংমিশ্ৰণ হৈছে। এনে কাৰণতে চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ এই তিনিটা ধাৰাৰ যিদৰে সংগমস্থলী স্বৰূপ; সেইদৰে প্ৰাচ্য, প্ৰতীচ্য আৰু মৌলিক — এই তিনিটা ধাৰাৰো সমাহাৰ বুলি ক'ব লাগিব। কিন্তু সিয়ে হ'লেও কবি হিচাবে, প্ৰধানকৈ দায়বদ্ধ চেতনাসম্পন্ন কবি হিচাবে চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰত কবি গৰাকীৰ মৌলিক সৃজনী প্ৰতিভাহে গৰিমাময়ৰূপত প্ৰতিভাত হোৱা দেখা গৈছে।

# আগৰৱালাৰ কবিতাৰ দুটিমান দিশ

ড° কৰবী ডেকা হাজৰিকা

জোনাকী যুগৰ সাহিত্যত প্ৰকৃতি, সৌন্দৰ্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰ মানৱ কবিতাৰ গৌৰবান্বিত স্বতন্ত্ৰ বিষয়-বস্তু হৈ পৰিছিল।[১] ইয়াৰে কেইবাটিও লক্ষণে কবি আগৰৱালাৰ কলমত পূৰ্ণতা লাভ কৰা দেখা যায়। তেওঁৰ কবিতাত সুন্দৰী প্ৰকৃতিৰ নিষ্ঠুৰতা, অতি প্ৰাকৃত চৰিত্ৰৰ সৌন্দৰ্য, সাধাৰণ মানুহৰ মাজত প্ৰচ্ছন্ন ঐশিক শক্তি আৰু সকলো অশুভক নাশ কৰি নিজহাতে মংগল-প্ৰতিষ্ঠাৰ বাসনা আদি নতুন ভাৱ-অনুভূতিৰ প্ৰকাশ ঘটিছে। অতদিনে বৈষ্ণৱ ৰীতিৰ কবিতা পঢ়ি অহা অসমীয়া পাঠকৰ বাবে আগৰৱালাৰ কবিতাত আছিল নতুন চমক। তেওঁৰ আগৰ ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস আদি কবিসকলৰ ৰচনাত এনে চমক নাছিল। গতিকে আগৰৱালাই হ'ল অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ প্ৰথম হোতা।

'প্ৰতিমা' নামৰ কবিতাৰ পুথিখনৰ মাজত আগৰৱালাৰ নতুনৰ পোহৰে ভৰা কবি-প্ৰাণে এনেকৈ প্ৰকাশৰ বাট বিচাৰিছে —

"আধাফুটা আবেগৰ ইমান জুমুৰি
দিলো মেলি হৃদয় দুৱাৰ।"

এই ৰীতি নতুন, কোমলতা আৰু অস্পষ্টতাৰে ভৰা, কবিৰ প্ৰাণত প্ৰকাশৰ বাট বিচৰা অনুভূতিৰ আধিক্যত যি বিষাদৰ সৃষ্টি হয়, তাৰ উমান তেওঁৰ কবিতাত আছে। 'তেওঁৰ কবিতা বহুমুখী। ব্যক্তিগত শোকৰ পৰা মহাজাগতিক সৌন্দৰ্যলৈকে নানা বিষয় সামৰি তেওঁ কবিতা ৰচনা কৰিছে। মানৱ-জীৱনৰ ক্ষুদ্ৰতা, নীচতা আৰু যন্ত্ৰণাই তেওঁক বিষাদিত কৰাৰ লগতে মানৱৰ মহত্বয়ো তেওঁক অভিভূত কৰিছে। মানুহৰ শ্ৰেষ্ঠতম সম্পদ হ'ল প্ৰেম। এই প্ৰেমৰ বিষয়ে তেওঁ কয় —

"যি প্ৰেমেই তোমাৰ সম্বল
সেয়ে স্পৰ্শমণি সংসাৰৰ।"

সংসাৰৰ সিপাৰে থকা সৌন্দৰ্যৰ মহামেলা তেওঁৰ কবি প্ৰাণত ধৰা পৰে। তেওঁৰ অনুভৱত মানুহৰ জীৱনৰ উদ্দেশ্যই হ'ল সৌন্দৰ্যৰ মহানুসন্ধান — 'সৌন্দৰ্যৰ আৰাধনা জীৱনৰ খেল।' মানুহৰ মাজত নানা ৰূপ, নানা লীলা। মানুহৰ ৰহস্যৰ পাৰাপাৰ নাই। মানুহৰ মাজত এক ৰহস্যময় চিৰসুন্দৰৰ প্ৰকাশ দেখি কবিয়ে বিস্ময়ৰ সুৰত কৈ উঠিছে —

---

১। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২৬৮।

"সৃষ্টি পাতনিৰে পৰা নীল আকাশত
কিৰণৰ জাল মেলি উঁাৱৰ ধৰিছা।
টিপচীটি হৈ উৰি টিপতে লুকাই
গকগুৰ পখা মেলি বিচাৰি ফুৰিছা।"

আগৰৱালাৰ কবিতাৰ এটি মনোৰম গুণ হ'ল আধাফুলা সৌন্দৰ্যৰ বন্দনা। এই বন্দনা পাৰ বাগৰি উপচি পৰিছে 'মাধুৰী' আৰু 'কিশোৰী' নামৰ কবিতাত। অসমীয়া কবিতাত এই সুৰ অভিনৱ। কবি বৰ্ডছ্ৱৰ্থৰ 'লুচি'ত থকাৰ দৰে — অকলশৰীয়া তৰা আৰু আধা ঢাক খাই থকা ফুলৰ ৰূপৰ শোভা আমাৰ কবিৰো হৃদয়ে অনুভৱ কৰিছে। কৈশোৰ আৰু যৌবনৰ দোমোজাত থকা নাৰী-ৰূপৰ মাজত তেওঁ প্ৰত্যক্ষ কৰিছে স্বৰ্গীয় এক শোভনতা, যাৰ তুলনা অন্যত পাবলৈ নাই। তেওঁৰ অনুভৱে জন্ম দিছে এনেবোৰ সুন্দৰ স্তৱকৰ —

"সোলোকাই মোকলাই
এধাৰদ্ধা খোপাটি
হয়নে নহয় কৈ
আধা ফুটা মাতটি।
শুনো কি নুশুনো ঐ
উটি অহা গীতটি
ৰিণিকি ৰিণিকি কৈ
ক'ৰবাৰ বাঁহীটি।"

সৰগ-মৰত মিহলি কৰা সৌন্দৰ্যৰে প্ৰতিভাত হৈ উঠিছে তেওঁৰ 'মাধুৰী'ৰ ৰূপ-শোভা।

আগৰৱালাৰ কবিতাৰ অন্য এটি বৈশিষ্ট্য হ'ল অতি প্ৰাকৃত উপাদানৰ প্ৰয়োগ। এইবোৰ কবিতাত ধুঁৱলী-কুঁৱলী জগত এখনৰ অবুজ সৌন্দৰ্য জিলিকি উঠিছে। নিজম দুপৰীয়াৰ উজ্জ্বল ৰ'দে ভৰা স্তব্ধ পৰিবেশত প্ৰকৃতিৰ মাজত যে এখন গোপন জগতে সাৰ পাই উঠে। এই জগতত জলকুঁৱৰীয়ে খেলা কৰে, বনকুঁৱৰীয়ে দেখা দিয়ে, যক্ষিণী ছোৱালীয়ে চাপৰি বায় নাচে। গছ-বন, পশু-পক্ষী সকলোৰে মাজত সাৰ পাই উঠে মানুহে ঢুকি নোপোৱা উলাহ। এই উলাহ কিন্তু মানুহে নুবুজা প্ৰকৃতিৰ। ক্ষুদ্ৰ মানৱৰ বাবে য'ত ভয় আৰু শংকাৰ স্থান, প্ৰকৃতিৰ সেই গোপন ৰং-মেলাত মানুহৰ প্ৰৱেশ নিষেধ। 'তেজীমলা' কবিতাত প্ৰকাশ পাইছে মমতাময়ী প্ৰকৃতিৰ শান্তিদায়িনী গুণ। তাৰ বিপৰীতে জিলিকি উঠিছে মানুহৰ শঠতা আৰু হৃদয়হীনতা। 'তেজীমলা' যেন মানৱী মনৰ আশা আৰু বেদনাৰ প্ৰতীক। মানুহে মোল নোপোৱা আজলী তেজীমলাই প্ৰকৃতিৰ বুকুতহে শান্তি পাইছে। কাৰণ —

"মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।"

প্ৰকৃতিৰ ৰং-ৰূপৰ নানা ছবি কবিয়ে আঁকিছে। এই ছবিত-অলংকাৰপূৰ্ণ বাক্যৰীতিৰ উচ্ছ্বাস নাথাকিলেও তেওঁৰ সহজাত প্ৰকৃতি-প্ৰীতিৰ পৰিচয় পোৱা যায়।

ৰমন্যাসিক সাহিত্যৰ সকলো লক্ষণৰ ভিতৰত মানৱ-শক্তিৰ স্বৰূপ মূল্যায়ণৰ দিশটো আগৰৱালাৰ কবিতাৰ মাজত জিলিকি আছে। "মানৱক তেওঁ বিশ্বজগতৰ পৰাংপৰ কেন্দ্ৰৰূপে দেখা পাইছে আৰু পংকিল বিশ্বক সেই মানৱৰ পবিত্ৰ লীলাক্ষেত্ৰত পৰিণত কৰিবলৈ বিচাৰিছে।" বৈষ্ণৱ কবি চণ্ডীদাসে মানুহক সকলোতকৈ শ্ৰেষ্ঠ বোলাৰ দৰে আগৰৱালায়ো "মানুহেই দেৱ ইহ জগতৰ" বুলি মানৱৰ জয়গান গাইছে। ইয়াৰ আগলৈকে অসমীয়া সাহিত্যত দেৱ-দেৱী আৰু প্ৰকৃতিয়েই স্থান দখল কৰি আছিল। আগৰৱালাই এই দুয়োবিধৰ ওপৰত মানুহৰ স্থান নিৰূপিত কৰি অসমীয়া কবিতালৈ নতুন ধাৰা বোৱাই আনিলে। তেওঁৰ কবিতাৰ মাজত আৰু আছে এটি বিষাদৰ সুৰ। এই বিষাদ কল্পনা পিয়াসী কবিৰ ব্যক্তিগত হা-হুমুনিয়াহেৰে ভৰপূৰ নহয়। এয়া হ'ল মানৱ প্ৰেমী কবিৰ মনত মানৱৰ কিছুমান ক্ষমাহীন দোষে সৃষ্টি কৰা বিষাদ।

'বীণ-বৰাগী' নামৰ সুদীৰ্ঘ কবিতাটিত কপটতা ভৰা সমাজৰ প্ৰতি কবিৰ তীব্ৰ বিতৃষ্ণা আৰু তাৰ লগে লগে নতুন সমাজ গঢ়াৰ বাসনা বিচিত্ৰ ৰূপত প্ৰকাশ পাইছে। সম-সাময়িক কবি বেজবৰুৱাৰ 'বীণ-বৰাগী' কবিতাত থকাৰ দৰে ইয়াত অতীত গৌৰৱ স্মৃতিয়েই কেৱল নাই। নিজে বৰাগী ভূমিকা গ্ৰহণ কৰি কবি আগৰৱালাই কেতিয়াবা দুখৰ কাহিনী গাইছে, কেতিয়াবা বিদ্ৰোহৰ সুৰ তুলিছে তেওঁৰ প্ৰাণৰ বীণত। বীণখনি তেওঁৰ প্ৰাণৰ বন্ধু, অন্তৰৰ সমস্ত দুখ-বেদনা উজাৰি দিব পৰা আৰু এখানি শান্তি বিচাৰি আশ্ৰয় ল'ব পৰা নিৰাপদ আশ্ৰয়স্থল। সংসাৰ যাত্ৰাৰ নানা ঘাত-প্ৰতিঘাতে ক্লান্ত কৰা কবিয়ে বীণৰ সুৰীয়া মাতৰ মাজতে বিচাৰি পাইছে দুখক সুখ কৰিব পৰা পৰম-শক্তি, সেই সুৰত — 'দুখো সুখ হৈ পৰে'। তেওঁৰ কবি প্ৰাণৰ কাতৰ সমৰ্পণ —

"দুখ-ভাগৰৰ অন্ত তোমাতেই
সন্তাপ আঁতৰাই নিয়া —
তোমাতেই আশ্ৰয়, তোমাতেই নিৰ্ভয়
তোমাতেই নিচুক হিয়া।"

মানুহৰ পৃথিৱীত একমাত্ৰ সংগীবস্তু হ'ল সংগীতৰ ধ্বনি। বীণৰ ঝংকাৰত দীন-দৰিদ্ৰৰ প্ৰাণটো মধুৰ কল্পনাই পাখি মেলে। চিৰন্তন মানৱ প্ৰাণে সৃষ্টিৰ পাতনিৰে পৰা যি এক অপাৰ্থিব সম্পদৰ কামনাত দিনে-নিশাই ব্যাকুল হৈ আছে, সেয়েই ধৰা দিয়েহি

এই ঝংকাৰত। সুৰৰ বাগীত মত্তলীয়া হোৱা মানবে ক্ষণিকৰ বাবে পাহৰি পেলায় দুখ-বেদনা-জ্বালা-যন্ত্ৰণাৰ কথা। মানুহৰ অন্তৰৰ নিভৃত স্থলত যি এক অসীম তৃষ্ণা সদায়ে শুই থাকে, সেই তৃষ্ণাই পৰম আশাৰে পৰিতৃপ্তি বিচাৰে সুৰৰ মাজত। আমাৰ কবিৰো মনৰ মাজৰ বীণৰ কাষতে উজাৰি দিছে সমস্ত-পুঞ্জিভূত ক্ষোভ আৰু বেদনা। তেওঁ নকৈ পৰা নাই যে —

"গোটেই সংসাৰৰ দুখৰ বোজাটো
নহয় যে এলাপেচা,
সেয়ে প্ৰতিক্ষণে খুন্দিয়ায় মোক
বুকুত গধুৰ হেঁচা।"

হৃদয় পাতল কৰিবৰ অৰ্থে তেওঁ বীণৰ কাষ চাপিছে। যাৰ সুৰত লুইত উজায়, জোন তথা লাগে, যতনেৰে যি বুকুত তবাই লয় মানুহৰ কোটিকলীয়া দুখ। 'একৰ দুখক এশত ভগাই' মানুহৰ প্ৰাণৰ এশ সুঁতি আনি একেটি ধাৰতে বোৱাই নিয়া বীণধ্বনিৰ সুৰত তেওঁ যেন নিজৰ প্ৰাণৰ সুৰটি মিলাইছে দিব। হিয়াৰ সকলো গোপন কামনা, দুখৰ অনুভূতি আৰু শুধৰণিৰ বাসনা — বীণৰ সুৰতে ফুটি উঠক, — এয়ে তেওঁৰ কামনা।

কবিৰ অনুভৱ সংসাৰত প্ৰকৃত সুখ ক'তো নাই। বাবেৰহনীয়া সুখৰ পখিলাটি দুখৰ চিলাই থপিয়াই নিয়ে। সুখৰ সন্ধানত ভ্ৰমি ফুৰা কবিৰ অভিজ্ঞতা দুখজনক —

"দেখিলো কোনেনো নৱ-সমাজত
বিষম জঞ্জাল হায়।
মানুহে মানুহে পৰস্পৰে পৰ
একেৰি মৰমো নাই।"

তেওঁ দেখিছে ডাঙৰৰ ডাঙৰ ভেম, দুখীয়াৰ প্ৰতি ঘৃণা, মৰম ভৰা সুখে ভৰা একো-একোটি পৰিয়ালত চেনেহতকৈও প্ৰাধান্য পোৱা ধনৰ মোহ। মিঠা মাতৰাবৰ ঠাইত মানুহৰ মুখত হৃদয় বিদাৰি যোৱা বাক্যবাণ। "মানুহৰ তেজ শুহি শুহি খায় মানুহ ৰাক্ষসে চোৰা" বুলি কবিয়ে তেওঁৰ আক্ষেপৰ সুৰ প্ৰকাশ কৰিছে। কিন্তু ইমানতো মানুহৰ শঠতাৰ কথা অন্ত পৰা নাই,

"ফুলনিৰ ফুল লখিমী জীয়ৰী
দলিছে ভৰিৰে হায়
সৰগী বস্তুৰ কি জানিব মোল?
— পৃথিবী পাপৰ ঠাই।"

মানুহৰ প্ৰতি মানুহৰ অবিচাৰত তেওঁৰ প্ৰাণে হাহাকাৰ কৰি উঠিছে। য'ত কেৱল অন্যায়, অত্যাচাৰ আৰু অবিচাৰৰ মেলা, য'ত পাপ আৰু ছলনাৰ মায়া-জাল,

প্ৰয়োজনেই বা কি তেনে এখন সমাজৰ? যিখন সমাজত নিঃকিনলৈ মাথোঁ দুখ-দুৰ্দশা আৰু 'দুৰ্বলীৰ গতি জীয়ন্তে মৰণ'', তেনেখন সমাজ কবিক নালাগে। সেই সমাজে দান কৰা সম্ভ্ৰম, সম্মান, কৃপা, ভিক্ষা একোৰে প্ৰতি তেওঁৰ স্পৃহা নাই। তেওঁৰ মনোভাৱ — আহিলে আহক প্ৰলয়ৰ দিন, চূৰ্ণ হৈ যাওক সমাজ। পৰা হ'লে কবিয়ে নিজেই নমালেহেঁতেন ঘনঘোৰ প্ৰলয় —

"আঙুলি বুলাব জনা হ'লে আজি
পেলালোহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।"

আকাশৰ তৰা লাখে লাখে থপিয়াই, জোন-বেলি, গ্ৰহ দলিয়াই পৰা হ'লে তেওঁৰ পাপৰ পৃথিৱীখন সাগৰত তল নিয়ালেহেঁতেন। শ্যেলীৰ প্ৰমিথিউছৰ দৰে আমাৰ কবিৰো কামনা মানুহে মানুহৰূপে স্বীকৃতি পাব পৰা এখন নতুন সমাজৰ সৃষ্টি। দুখ-লাজ ভয়বিহীন সেই নতুন জগতত সদায়ে থাকিব মাথোঁ আনন্দৰ সুৰ, মান-অপমান আঁতৰি যাব প্ৰলয়ৰ জলধিত। নতুন সৃষ্টিৰ অৰুণ কিৰণত পৱিত্ৰ হৈ উঠিব মানুহৰ নতুন সংসাৰ।

ব'ৰাগী কবিয়ে জগতৰ ৰহস্যৰ মাজতে বিচাৰি পাইছে এক ঐশিক শক্তি। মানুহ এই শক্তিৰেই ৰূপান্তৰ মাথোঁ। মানুহ হ'ল জীৱনৰ পথত বাট বুলি থকা যুগে-যুগে পথ-শ্ৰমৰ ক্লান্তিত ভাগি পৰা অসীমৰ যাত্ৰী। তাৰেই এটি প্ৰতীক যেন এটি ব'ৰাগী। জীৱনৰ পথত বাট বুলনিত ক্ষণিক-জিৰণিৰ বাবে বহি তেওঁ অনুভৱ কৰিছে প্ৰকৃতি জগতৰ মুকলিমূৰীয়া সৌন্দৰ্য। তেওঁৰ বুকুলৈ সোমাই আহিছে এনে এক অনুভৱ — পৃথিৱীখনি যেন বিমল সুখৰ আলয়। ইয়াক মাথোন অসুন্দৰ কৰে দুখ, দ্বন্দ্ব, শোক আৰু কোঢ়ালে। এই উপসৰ্গ দূৰ হ'লেই পৃথিৱী হৈ পৰিব স্বৰ্গতকৈও মনোৰম। তেওঁৰ মধুৰ উপলব্ধি।

"দেখিছো পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ,
মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।"

মানুহ দেৱতাতকৈও শ্ৰেষ্ঠ। মানুহৰ প্ৰীতি সাধিবৰ বাবেই বিশ্ব-জগত নিৰ্মিত হৈছে, তৰাই দীপ জ্বলাইছে, মলয়াই দিছে শীতলা বা। "হাঁহিছে মানুহে, কান্দিছে মানুহে, পাতিছে মানুহে প্ৰেম", মানুহৰ যি লীলা-খেলা সেয়েই পৃথিৱীৰ সৌন্দৰ্য। আত্মচিন্তাত মগ্ন হৈ বৰাগী কবি পৰিণত হৈছে ৰহস্যবাদী কবিলৈ। সৃষ্টিৰ দিনৰেপৰা আৰম্ভ হোৱা মানৱ-জীৱনৰ অনন্ত যাত্ৰাত তেওঁ প্ৰত্যক্ষ কৰিছে চৰাচৰৰ মাজত পৰম শক্তিৰূপে জিলিকি থকা মানৱ সত্তাক। নীচতা-হীনতা আদি নানাবিধ বিচ্যুতিয়ে কলংকিত কৰিলেও প্ৰকৃত

মানৱ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ। মানুহৰ হাঁহি-কান্দোন, মিলা- প্ৰীতিয়ে সৰগৰ জেউতিও চেৰ পেলাব পাৰে।

'বীণ-ব'ৰাগী' কবিতাটিৰ মাজত কোনো কোনো ঠাইত কবিৰ দাৰ্শনিক চিন্তাধাৰা প্ৰকাশ পোৱা দেখা যায়। পুতলা-নাচৰ দৰে সংসাৰত লীলা-খেলা চলাই থকা মানুহৰ বেহৰূপে তেওঁক কেতিয়াবা বিস্ময়াভিভূত কৰিছে, কেতিয়াবা আমোদ দিছে। তেওঁক দেখা পাইছে নানাৰূপে বিচৰণ কৰা মানুহৰ জগতত একৰ মাজত বহুতৰ আৰু বহুতৰ মাজত একৰ প্ৰকাশ। কেতিয়াবা বন্ধুৰ মাজত, কেতিয়াবা পুত্ৰ-কন্যাৰ মাজত মৰম বিলাই মানুহে নিজৰ লগতে যেন ধেমালি কৰে। কেতিয়াবা দুষ্টৰ ভূমিকাত, কেতিয়াবা সন্তৰ ভূমিকাত নিতে নিতে নানাধৰণৰ লীলা-খেলা কৰা মানুহে সৃষ্টি ভাঙে যেনেদৰে, পাতেও সেইদৰেই। জগতৰ সৈতে মানুহৰ অটুট সম্পৰ্ক। ইয়াৰ মাজতে কেতিয়াবা মনত ভ্ৰম জাগে, সপোনতে উমলি-জামলি ফুৰা মানুহে সপোনকে সঁচা বুলি ভাবি দিঠকত হাঁহাকাৰ কৰে। স্বাৰ্থ অহংকাৰত মোহান্ধ মানুহে মুগাৰ খোলাৰ মাজত "ৰ-লগা পলু যেনে" হৈ সংসাৰ পতাৰ অলীক অহংকাৰত আকণ্ঠ নিমজ্জিত হয়। যেতিয়া এই অজ্ঞানতাৰ অন্ধকাৰ আঁতৰি যায়, তেতিয়া পুনৰ অসীমৰ অনুভূতিয়ে ভৰি পৰে প্ৰাণ-মন। নিজকে অনুভৱ হয় পৰম সম্পদশীল যেন।

জীৱন-যাত্ৰাৰ পথ বৰ দীঘলীয়া। ব'ৰাগী কবিৰ সেইহে ক্লান্তি নামিলেও মনৰ মাজত বীণৰ ঝংকাৰটোৱে প্ৰতি উঠি আছে নৱ নৱ উছাহ। মানুহ সকলোটি মহাপ্ৰয়াণৰ যাত্ৰী। জন্মৰ দিনৰে পৰা মানুহৰ বাট-বুলনি অন্তিমৰ সুখৰ ধামলৈ। "ইয়াৰ মাজত অনন্ত সুখৰ পৰি আছে ৰাজবাট" যদিও —

> "সুখ সুখ বুলি জগৎ বলিয়া
> হেৰাল পৰম সুখ,
> স্বাৰ্থৰ কন্দলে জগৎ জুৰিলে
> দুখ যে থাকি গ'ল দুখ।"

কবিৰ হৃদয় সমৰ্পিত হৈছে "নিঃকিনৰ ধন জগৎ ৰঞ্জন" ভগবানলৈ। এই সমৰ্পণ বৈষ্ণৱ কবিতাত থকা ভগবানৰ কাষত ভক্তৰ আত্মসমৰ্পণ নহয়। এয়া হৈছে চিৰন্তন মানৱ-প্ৰাণৰ সৰ্বশক্তিমানৰ প্ৰতি থকা আস্থা আৰু নিৰ্ভৰতাৰ প্ৰকাশ। প্ৰাণতে থকা প্ৰাণৰ সম্বল পাহৰি গৈ যি সকলে বাহ্যিকতাৰ মাজত সুখ-শান্তিৰ সন্ধান কৰে, সেইসকলৰ বিস্মৃত জ্ঞানৰ পুনৰুদ্ধাৰৰ বাবে কবিয়ে সেই সৰ্বশক্তিমানক — "জড় জগতৰ চেতন নিয়ন্তা" আখ্যা দি তেওঁৰ অন্যায়-অসত্য আৰু পাশৱ-বলেৰে সৈতে কৰা সংগ্ৰামৰ কথা স্মৰণ কৰিছে। ক্ৰমে ক্ৰমে কবিৰ মনেও গতি কৰিছে পাৰ্থিৱ-জগতৰ ক্ষুদ্ৰতাৰ পৰা অপাৰ্থিৱ জগতৰ মহত্বলৈ। সেই সৰগী অনুভূতিৰ ভাগ ল'বলৈ তেওঁ বিশ্ববাসী নৰগণলৈ আহ্বান জনাইছে —

"বিশ্বৰ বীণত ঝঙ্কাৰ উঠিছে
মিলোৱাঁ তাৰেই সুৰ,
আকাশৰ লক্ষ গ্ৰহ সমন্বিতে
ওঙ্কাৰ ধ্বনিৰে পূৰ।"

ধ্ৰুবলোকৰ সত্তা আৰু অৰুন্ধতীৰ প্ৰেম কেৱল কিম্বদন্তিয়েই নহয়। এইবোৰ মানৱৰ চিৰকলীয়া মহৎ গুণ। আজিৰ মানৱে পাহৰি পেলোৱা সকলো শুভ শক্তি পুনৰ পৃথিৱীলৈ নমাই আনিব লাগিব —

"পৃথিৱীক তোলা স্বৰ্গৰ খাপলৈ
স্বৰ্গক নমাই আনা,
সৰগ নহয় দূৰ-দূৰণিৰ
বাহিৰৰো নোহে জানা।"

মানুহে-মানুহে বিশ্বপ্ৰেমৰ দোলেৰে বান্ধ খাবলৈ শিকিলেহে পৃথিৱী সুন্দৰ হ'ব। সত্য-পিয়াসী মানৱ-প্ৰাণে অসীম ৰহস্যৰ মাজত বুৰগৈ হৃদিস্থিত আনন্দৰ স্বাদ পাহৰি গৈছে। প্ৰকৃতি-জগতৰ মাজত জিলিকি উঠা পৰম-সুন্দৰৰ সৃষ্টিৰ উদ্দেশ্য, যি প্ৰকাশ কৰে মানৱক সুখী কৰা আৰু সংসাৰ সুখময় কৰাৰ প্ৰচেষ্টা, হৃদয়ংগম কৰিবলৈ পাৰিলেহে মানুহে সৃষ্টি কৰিব পাৰিব এখনি সুন্দৰ পৃথিৱী।

# চন্দ্ৰকুমাৰৰ কবিতাত সৌন্দৰ্য্য চেতনা

ড° কৃষ্ণ কুমাৰ মিশ্ৰ

অসমীয়া ৰমন্যাসিক কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা অকল অগ্ৰণী কবিয়েই নহয়, অন্যতম প্ৰধান কবি। বিষয় আৰু আঙ্গিক উভয় দিশৰপৰা চন্দ্ৰকুমাৰে ৰমন্যাসিক কাব্য-ৰীতি আৰু কলা আয়ত্ব কৰিছিল। অতীত-প্ৰীতি, প্ৰকৃতি-প্ৰেম, অলৌকিকতা, জাতীয় ভাব-চেতনা, মানৱতাবাদ, গণতান্ত্ৰিক মনোভাব আদি ৰমন্যাসিক কাব্যৰ বৈশিষ্ট্যবাজি তেওঁৰ কবিতাত মনোৰম ৰূপত ধৰা পৰিছে। আনহাতে 'তেজীমলা'ৰ দৰে নিটোল কবিতাত আঙ্গিকৰ সুনিপুণ প্ৰয়োগ ঘটিছে, মানুহৰ কল্পনাৰ সমুন্নত বিকাশকে ৰমন্যাসবাদ আখ্যা দিয়া হৈছে। হাৰফৰ্ডৰ এই সংজ্ঞাটিৰ ('extra-ordinary development of imaginative sensibilities') যথাৰ্থ প্ৰয়োগ ঘটিছে 'নিয়ৰ'ৰ দৰে কবিতাত। ৰোমাণ্টিক কবিৰ কল্পনা বিস্তাৰৰ এনে অনুপম নিদৰ্শন থাউকতে পাবলৈ নাই।

চন্দ্ৰকুমাৰৰ কাব্যপ্ৰতিভাৰ মূল্যায়ন কৰিবলৈ ল'লেই মনলৈ আহে তেওঁৰ সেই বিখ্যাত পংক্তি : সুন্দৰৰ আৰাধনা জীৱনৰ খেল। ই আছিল তেওঁৰ কাব্য-সাধনাৰ মূলমন্ত্ৰ স্বৰূপ। "চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ"ৰ সম্পাদকীয় ভূমিকাত ড° নগেন শইকীয়াৰ মন্তব্যলৈ এইখিনিতে আঙুলিয়াব পাৰি।

"সৌন্দৰ্য্যবোধ বা নান্দনিক চেতনা হ'ল চন্দ্ৰকুমাৰৰ কাব্য-চেতনাৰ মাই আধাৰ।"

সুন্দৰ-সন্ধানী কবিৰ মনোমুকুৰত আলফুলকৈ সঞ্চিত হৈ থাকে সুন্দৰৰ ৰূপ। কবিতাৰ মাজত সেই ৰূপৰ প্ৰকাশ ঘটে, সৃষ্টি হয় ভাব-ব্যঞ্জনাৰ মনোৰম বৰ্ণালী। কেতিয়াবা প্ৰকৃতিৰ অনিৰ্বচনীয় সৌন্দৰ্য্য-সম্ভাৰৰ বুকুত, কেতিয়াবা কল্পনাময়ী কোনো নাৰীৰ ৰূপ-প্ৰতিমাৰ মাজত, কেতিয়াবা লৌকিক জগতৰ উৰ্দ্ধত অথচ বাংময় চেতনাৰ যোগেদি, আকৌ কেতিয়াবা অৰূপৰ অনুভৱৰ তন্ময়তাৰ স্পৰ্শত সুন্দৰৰ ন ন ৰূপৰ প্ৰকাশ দেখা যায়। সৃষ্টিচেতনাৰে উজ্জীৱিত কবিৰ মনত সুন্দৰে যেন অনবৰত দোলা দি থাকে। সেয়ে এইখিনিতে সুন্দৰৰ অভিব্যক্তি সম্পৰ্কে কিছু কথা আলচি লোৱা প্ৰয়োজন।

সুন্দৰ সম্পৰ্কে, সৌন্দৰ্যৰ সংজ্ঞাৰ বিষয়ে দাৰ্শনিক সকলে গভীৰভাৱে চিন্তা-চৰ্চা কৰিছে। ইমানুয়েল কাণ্টে Critique of Judgement (১৭৯০) নামৰ গ্ৰন্থত সৌন্দৰ্য্যৰ স্বৰূপ সন্ধানৰ প্ৰয়াস কৰিছে। তেওঁৰ মতে সৌন্দৰ্য্য দুবিধ, মুক্ত সৌন্দৰ্য্য আৰু নিৰ্ভৰশীল সৌন্দৰ্য্য। There are two kinds of beauty : free beauty (Pulchritudo vaga) or beauty which is merely dependent (pulchritudo adhaerens)। প্ৰথমবিধ মুক্ত আৰু আত্মনিৰ্ভৰ, দ্বিতীয় বিধ চৰ্ত-সাপেক্ষ। হেগেল,

শ্বপেনহাৱাৰ প্ৰভৃতি দাৰ্শনিকেও এই প্ৰসঙ্গত আলোচনা কৰিছে। ফুল আৰু সঙ্গীত মুক্ত সৌন্দৰ্য্যৰ প্ৰতীক। তাঁৰপৰা আহৰণ কৰা সৌন্দৰ্য্যৰ ৰূপ কবিৰ বৰ্ণনাত মধুৰ হৈ পৰিছে। আনহাতে মনৰ্কৰিবলগীয়া যে আনন্দৰ মাজতে বিষাদৰ ব্যঞ্জনাত নিহিত হৈ থাকে। সুন্দৰৰপৰাই কেতিয়াবা আত্মিক বিষন্নতাবোধৰো উদয় হয়। শিল্পকলাৰ সৌন্দৰ্য্য বিচাৰত দুঃখবাদৰ ভূমিকাৰ বিষয়ে জাৰ্মান দাৰ্শনিক শ্বপেনহাৱাৰে অৱতাৰণা কৰা তত্ত্বৰ কথা যিদৰে চিন্তনীয় ৰোমাণ্টিক কবিৰ বিষাদ-বীক্ষাৰ ধাৰণাও সেইদৰে বিচাৰ্য্য বিষয়। ইংৰাজ কবি ছেলীৰ কবিতালৈ এই সন্দৰ্ভত আঙুলিয়াব পাৰি।

Our sincerest laughter with some pair is fraughtd.

Our sweetest songs are those that tell of saddest thought.

আটাইতকৈ সহজ-সৰল হাঁহিও বিষাদেৰে তিতি থাকিব পাৰে, কবিৰ মতে কৰুণতম ভাবেৰে সিক্ত গীতেই সবাতোকৈ মধুৰ। প্ৰসঙ্গত উনুকিয়াই থোৱা ভাল যে ফুল আৰু সঙ্গীতৰ মাধুৰ্য্যক উপেক্ষা কৰি সুতীব্ৰ বিষাদক আকোঁৱালি ল'ব খোজা কবিও আছে। চুইনবাৰ্ণৰ কবিতাত সেয়ে চকুত পৰে সৌন্দৰ্য্য আৰু বিষাদৰ অন্য ৰূপ। কবিয়ে যেতিয়া কয় ঃ মই কেতিয়াও গোলাপ ফুলৰ সতে মিতিৰালি নেপাতোঁ, গোটেই জীৱন ধৰি মই মধুৰ সঙ্গীতক ঘৃণা কৰি থাকিম, (I shall never be friends with the roses, I shall hate sweet music my whole life long).

চন্দ্ৰকুমাৰৰ সুন্দৰৰ আৰাধনাতো বিষাদৰ অনুভূতিৰ উমান বিচাৰি পোৱা যায়। কিন্তু তেনে বিষাদৰ ধাৰণা উল্লিখিত নিদৰ্শনৰ দৰে তীক্ষ্ণ নহয়, একপ্ৰকাৰ ব্যক্তিগত জীৱনবোধৰ পৰাহে তাৰ জন্ম হৈছে। গতিকে চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্য চেতনাৰ পটভূমিত দাৰ্শনিক চিন্তাতকৈ ৰোমাণ্টিক কাব্যাদৰ্শহে অধিক সক্ৰিয় আছিল বুলি ভাবিব পাৰি, ৰোমাণ্টিক কবি মানসৰ লগত সুন্দৰৰ সংযোগ অপৰিহাৰ্য্য। ওৱাল্টাৰ পেটাৰে ৰমন্যাসবাদৰ প্ৰকৃতি সম্বন্ধে এইদৰে কৈছে ঃ

It is the addition of strangeness to beauty that constitutes the romantic character.in art; and the desire of beauty being a fixed element in every artistic organisation, it is the addition of curiosity to this desire of beauty, that constitutes the romantic temper.

পেটাৰে উল্লেখ কৰা ৰোমাণ্টিক কবিৰ সৌন্দৰ্য্য স্পৃহাৰ এই ধাৰণাৰ প্ৰতিফলন চন্দ্ৰকুমাৰৰ কবিতাত পোৱা যায়। সূক্ষ্মভাবে চালে দেখা যায় যে চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্য-চেতনাৰ যি নিৰ্দিষ্ট প্ৰকৃতি ইংৰাজ ৰোমাণ্টিক কবি কীটছ্‌ৰ সৌন্দৰ্য্য তত্ত্বৰ লগত তাৰ মিল আছে। কীট্‌ছে সুন্দৰৰ আৰাধনাকে জীৱনৰ লক্ষ্য ৰূপে গ্ৰহণ কৰিছিল। তেওঁ সকলো বস্তুৰে অন্তৰ্নিহিত সৌন্দৰ্য্যৰ সন্ধান কৰিছিল আৰু তাৰ যোগেদি বিশ্ব সৌন্দৰ্য্যৰ উমান ল'বলৈ বিচাৰিছিল। তেওঁ সৌন্দৰ্য্য আৰু সত্যৰ সম্বন্ধ আৱিষ্কাৰ কৰিছিল ঃ Beauty

is truth, Truth beauty. গ্ৰীক ভাস্কৰ্য্য খোদিত এটা কলহক লৈ ৰচিত হৈছে কীটছ্‌ৰ অবিস্মৰণীয় কবিতা Ode on a Grecian Urn. তাতে তেওঁ ঘোষণা কৰিছে সৌন্দৰ্য্য সম্পৰ্কে তেওঁৰ ধাৰণাৰ কথা : A thing of beauty is a joy for ever. এটা কথা অৱশ্যে ক'ব পাৰি যে কীট্‌ছে নিৰ্ধাৰণ কৰি দিয়া সৌন্দৰ্য্যৰ এই সংজ্ঞা ভিন্ন ৰূপত আন আন ৰমন্যাসিক কবিৰ কবিতাতো ধৰা পৰিছে। উদাহৰণ স্বৰূপে ওৱৰ্ডছৱৰ্থৰ The Daffodils / I wander'd lonely as a cloud কবিতাৰ কথাই ধৰিব পাৰি। সাগৰ তীৰত অজস্ৰ ৰঙীণ ডেফোডিল ফুল ফুলি আছিল। কবিয়ে ফুৰিবলৈ গৈ দেখিলে, উপভোগ কৰিলে, অনুভৱ কৰিলে আৰু প্ৰস্ফুটিত উলাহভৰা ফুলবোৰৰ সুন্দৰ মনোৰম দৃশ্যটো তেওঁ মনৰ মাজতে থাপি থ'লে। পৰৱৰ্তী জীৱনত সেই সঞ্চিত সৌন্দৰ্য্যৰ দৃশ্য কবিৰ বাবে হৈ পৰিল নিৰ্জনতাৰ আশীৰ্বাদ স্বৰূপ।

When on my couch I lie
In vacant or in pensive mood
That flashes upon my inward eye
Which is the bliss of solitude.

চন্দ্ৰকুমাৰৰ কবিতাতো ভিন ভিন ৰূপত সৌন্দৰ্য্যচেতনাৰ প্ৰকাশ ঘটিছে। এতিয়া নিৰ্বাচিত কেইটামান কবিতাৰ আধাৰত তেওঁৰ সৌন্দৰ্য্যচেতনাৰ প্ৰকৃতি নিৰ্ণয়ৰ চেষ্টা কৰিম।

বেজবৰুৱাই একেটা বাক্যতে "সৰু, অথচ নিভাঁজ সোণৰ প্ৰতিমাখনি'ৰ মহত্বৰ কথা উল্লেখ কৰি গৈছে। কবিৰ সৌন্দৰ্য্য-চেতনাৰ বৈচিত্ৰ্যময় ৰূপ অনুধাৱন কৰিলে প্ৰথমে এটা কথা চকুত পৰে। চন্দ্ৰকুমাৰে সৌন্দৰ্য্যৰ পূৰ্ণ ৰূপতকৈ অৰ্দ্ধ-বিকশিত ৰূপৰ ওপৰত সমধিক গুৰুত্ব আৰোপ কৰিছে। এনে কৰাৰ অন্তৰালত এটা তাত্বিক কাৰণো নিহিত হৈ আছে। পূৰ্ণ বিকশিত সৌন্দৰ্য্যৰ কোনো ভৱিষ্যত নাই, কিন্তু অৰ্দ্ধ বিকশিত অথবা বিকাশমান সৌন্দৰ্য্যৰ সমুখত থাকে পূৰ্ণতাৰ সম্ভাৱনা। তেওঁৰ এই সৌন্দৰ্য্য-দৃষ্টিৰ সমৰ্থনত চন্দ্ৰকুমাৰে এফালে কালিদাসৰ উপমাৰ আশ্ৰয় লৈছে। আনহাতে শুনা গৈছে কীটছ্‌ৰ কাব্য-পংক্তিৰ প্ৰতিবিধান। Heard melodies are sweet but those unheard are sweeter.

'প্ৰতিমা' শীৰ্ষক কবিতাটোৰ সামৰণিৰ স্তবকত আছে :

আধা ফুটা আৱেগৰ ইমান জুমুৰি
দিলোঁ মেলি হৃদয় দুৱাৰ।

ইয়াত কবিতাৰ সংজ্ঞা আছে আৰু আছে সুন্দৰৰ উপলব্ধ ৰূপৰ ব্যঞ্জনা। 'জীৱন উচ্ছ্বাস' কবিতাত কীটছ্‌ৰ দৰেই আমাৰ কবিয়ে সত্য আৰু সুন্দৰৰ অভিন্নতা উপলব্ধি কৰিছে।

যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান।
যি কাম আগতে দেখোঁ মই শিৱময়,
সেয়ে মোৰতো প্ৰমাণ।

সত্য-শিৱ-সুন্দৰৰ এই ধাৰণাৰ আধ্যাত্মিক তাৎপৰ্য্য আছে। সকলোৱে মঙ্গল বাঞ্ছা কৰি সদাশিৱক আৰাধনা কৰা হয় —সৰ্ব্বমঙ্গলমাঙ্গল্যে শিৱে সৰ্বাৰ্থসাধিকে। জীৱনৰ সুন্দৰ আৰু মঙ্গলময় ৰূপ এইদৰেই কবিয়ে অনুভৱ কৰিছে।

*সৌন্দৰ্য্য* কবিতাত কবিয়ে কৈছে যে সুন্দৰৰ ৰূপৰ সন্ধানত তেওঁ অনবৰতে আকুল হৈ আছে।

বহুমুখী প্ৰাণৰ আকাংক্ষা লৈ সৌন্দৰ্য্যৰ অকণমান আভাস পাবলৈ যাত্ৰীৰ বেশেৰে তেওঁ দেশ-বিদেশ ভ্ৰমণ কৰিছে, কিয়নো,

সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয় অন্তে ঘোৰ কাল যৱনিকা।

জীৱন আৰু সংসাৰৰ ভৱিষ্যত সম্পৰ্কে কবি সম্পূৰ্ণ অবহিত।

যি, ভাবে দেখিবা এই সংসাৰ ভাবনা
সেই ভাবে গৰাসিব তোমাৰ জীৱন।
(বিশ্ব ভাৱৰীয়া)

সেই উপলব্ধিৰে কবিয়ে জীৱনক গ্ৰহণ কৰিছে। সংসাৰ নামৰ ৰঙ্গমঞ্চত অভিনয় শেষ হ'লেই সকলোৰে ক্ষেত্ৰত যৱনিকা পৰে। গতিকে সুন্দৰক বুজি পাবলৈ আত্ম-চেতনাৰ প্ৰয়োজন। প্ৰাণৰো প্ৰাণত সুন্দৰৰ প্ৰতিমা বিৰাজ কৰে। "তুমি ভালে বিশ্ব ভাল সবাতো সুন্দৰ" (বিশ্ব ভাৱৰীয়া) এই ধাৰণা লৈ অসুন্দৰ কবিয়ে সুন্দৰ হোৱাৰ ঐকান্তিক বাসনাৰে সুন্দৰৰ আৰাধনা কৰে।

আৰাধি সুন্দৰ হায় হ'ম নে সুন্দৰ? (সুন্দৰ)

কবিয়ে বাহিৰৰ পৃথিবীখন সৌন্দৰ্য্য বিচাৰি ব্যাকুল হয়, অৱশেষত নিজৰ ভিতৰতে সেই সৌন্দৰ্য্যৰ স্থিতি অনুভৱ কৰে। ৰবীন্দ্ৰনাথেও সেই তত্ত্বৰ কথা কৈছে, বড়ুকান্ত বৰকাকতিৰ 'বিশ্বহৰণ'ৰ দৰে কবিতাত একে ভাবৰ বিন্যাস ঘটিছে। চন্দ্ৰকুমাৰে "চিৰলগৰীয়া" নামৰ কবিতাৰ আৰম্ভণিতে সেই উপলব্ধিৰ কথাকে স্পষ্ট কৰি দিছে :

বিচাৰি ইমান দিনে জীৱনৰ সঙ্গী
পালোঁ মই এই দেখোঁ আছিল হিয়াত।

একেটা কবিতাতে সংসাৰ সম্বন্ধে কবিৰ উপলব্ধি আৰু সুন্দৰৰ অভিব্যক্তিৰ প্ৰকাশ ঘটিছে।

সুন্দৰৰো সুন্দৰ সংসাৰ দুন্দিনীয়া
প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰ লগৰীয়া

"জীৱনৰ লগৰীয়া" কবিতাত কবিৰ ঐহিক আকাংক্ষাৰ প্ৰকাশ ঘটিছে। 'মানৱী জনম সৌভাগ্যৰে পূৰ' কৰাৰ বাবেই তেওঁ জীৱনৰ সঙ্গী বিচাৰিছে, তেওঁক সুন্দৰৰ সৰগ ৰাজ্যলৈ নিবৰ বাবে কবিয়ে সুন্দৰৰ আৰাধনা জীৱনৰ লগৰীয়াৰ হাততে অৰ্পণ কৰাৰ কথাও কৈছে।

[illegible]] *নিয়ৰ* আৰু *মাধুৰী* অসমীয়া কাব্য-সাহিত্যৰে দুটা মহৎ কবিতা, 'নিয়ৰ'ত ৰোমাণ্টিক কবিৰ কল্পনাৰ অসামান্য বিকাশ চকুত পৰে। কবিতাটোৰ সামৰণিত কল্পনা আৰু বাস্তৱৰ সন্ধিক্ষণৰ প্ৰকাশ ঘটিছে মনোজ্ঞ ৰূপত। গোটেই কবিতাটো এক অনুপম নান্দনিক সৃষ্টি। সুন্দৰৰ মনোমোহা ৰূপৰ এখন উজ্জ্বল ছবি কবিয়ে আলফুলে, সযতনে অংকণ কৰিছে। আনহাতে *মাধুৰী* কবিতাত কেতবোৰ অনুপম খণ্ডচিত্ৰৰ সংযোগত কবিয়ে সুন্দৰৰ ৰূপ চয়ন কৰিছে আৰু তাৰ যোগেদি এটা সৌন্দৰ্য্যতত্ত্বৰ ধাৰণা স্পষ্ট কৰি দিছে, একে ভাবব্যঞ্জনাৰে সমৃদ্ধ আন এটি কবিতা হ'ল *কিশোৰী*। ইয়াত কবিয়ে লজ্জাৱনতা এটি কিশোৰীৰ বৰ্ণনাৰ যোগেদি নিৰুপম সৌন্দৰ্য্য চেতনাৰে পৰিচয় দিছে।

'প্ৰতিমা'ৰ কবিতাবোৰৰ যোগেদি চন্দ্ৰকুমাৰে ভিন ভিন আধাৰত সুন্দৰৰ স্বৰূপ সন্ধান কৰিছে। কেতিয়াবা কবিয়ে আলোকসন্ধানী জ্ঞানৰ ৰূপত সুন্দৰক উপলব্ধি কৰিছে।

এন্ধাৰত পোহৰ মেলি
লুকাল গোসানী তঁতে। (জোনাকী)

কবিৰ চেতনাত সততে নাচি আছে সুন্দৰৰ ৰূপৰ প্ৰতিমা, তেওঁৰ কবিতাত বাৰম্বাৰ ব্যৱহৃত হৈছে 'সুন্দৰ' শব্দটো। কীটছ্‌ৰ দৰে চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্য-চেতনাৰ পৰিধি বিস্তৃত। বস্তুবাদী আৰু লৌকিক চেতনাৰ উৰ্দ্ধত থাকি, আধ্যাত্মিক চেতনাৰ আলোকত আৰম্ভ হৈছিল কবিৰ সুন্দৰৰ সন্ধানৰ পৰিক্ৰমা। সীমাৰ পাৰ ভাঙি সত্য-শিৱ-সুন্দৰৰ উপলব্ধিৰ মাজত কবিৰ সৌন্দৰ্য্য-চেতনাই লাভ কৰিছিল বিৰল পূৰ্ণতা ঃ

জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।
(সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ)।

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক গুণবিশিষ্টতা

ড° উষাৰাণী বৰুৱা

অসমীয়া সাহিত্যৰ ইতিহাসত "জোনাকী'ৰ যোগেদিয়েই ৰোমান্তিকতাৰ সূচনা হয় বুলি কোৱা হয়। ১৮৮৯ চনত প্ৰকাশ পোৱা 'জোনাকী' কাকতৰ প্ৰথমজনা সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। 'জোনাকী'ৰ জন্মলগ্নৰ পৰা জড়িত হৈ থকা লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাক অসমীয়া সাহিত্যলৈ ৰোমান্তিকতা কঢ়িয়াই অনা তিনিজন হোতা বুলি স্বীকৃতি দিয়া হয়। 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'বনকুঁৱৰী'ক এই ধাৰাৰ প্ৰথম কবিতা বুলি কোৱা হয়। অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰ আদিকেই প্ৰথম ৰোমাণ্টিক কবি হিচাবে স্বীকৃতি দিয়া হৈছে যদিও তেওঁলোকৰ পূৰ্বেই ভোলানাথ দাসৰ কবিতাতেই ৰোমাণ্টিক সুৰৰ আভাস এটি ফুটি উঠিছিল। তেওঁৰ 'মেঘ' 'কিয়নো নাজাগে মন' আদি কবিতাত এইটি সুৰৰ অনুৰণন শুনা যায়। অৱশ্যে অকলশৰীয়া সেইটি সুৰে অসমীয়া কাব্যজগতত ওখলমাখল লগাব পৰা নাছিল। 'জোনাকী'ৰ যোগেদিহে ৰোমাণ্টিক সুৰৰ বৰ্ব্যাই অসমীয়া সাহিত্য জগতত টৌৱাই গ'ল। সেয়ে 'জোনাকী'ৰ এই 'ত্ৰিমূৰ্তিক' অসমীয়া সাহিত্যৰ ৰোমাণ্টিকতাৰ অগ্ৰদূত হিচাপে স্বীকৃতি দিয়া হৈছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক গুণ বিশিষ্টতা বিচাৰ কৰাৰ পূৰ্বে ৰোমাণ্টিকতা (Romanticism) নো কি এই সম্পৰ্কে এটি ধাৰণা স্পষ্ট কৰি লোৱা প্ৰয়োজন। অসমীয়া সাহিত্যত ৰোমাণ্টিকতা যে পাশ্চাত্য সাহিত্যৰ পৰা আমদানি কৰা, এইষাৰ কথা সৰ্বজন স্বীকৃত।

ইংৰাজী সাহিত্যত ৱৰ্ডছৱৰ্থ (Wordsworth) আৰু কলৰিজে (Colelridge) ৰ যুটীয়া ভাবে ১৭৯৮ খৃষ্টাব্দত প্ৰকাশ হোৱা লিৰিকেল বেলাড (lyrical Ballads) ৰ যোগেদিয়েই ৰোমাণ্টিকতাৰ সূচনা হয় বুলি সমালোচকসকলে উল্লেখ কৰিছে। পাশ্চাত্য সাহিত্যত ৰোমাণ্টিকতাৰ সূচনা হোৱাৰ ক্ষেত্ৰত ফৰাচী বিপ্লৱে প্ৰচুৰ প্ৰভাৱ পেলাইছিল। ফৰাচী বিপ্লৱৰ সাম্য মৈত্ৰী আৰু স্বাধীনতাৰ উদাত্তবাণীয়ে সেই সময়ৰ সাহিত্যিক সকলক প্ৰেৰণাৰে উদ্দীপ্ত কৰিছিল। ফলত সাহিত্যত নতুন ভাব আৰু ৰূপৰ উন্মেষ ঘটিছিল। সেইসময়ত ইংৰাজী সাহিত্যত ক্লাচিকেল সাহিত্যৰ ৰাজত্ব আছিল। ক্লাচিকেল সাহিত্যৰ ধৰাবন্ধা ৰীতি, আদৰ্শ আৰু আবেগ পৰিহিত বুদ্ধিমত্তাৰ প্ৰাধান্যই সাহিত্যক গতানুগতিক আৰু কৃত্ৰিম কৰি তুলিছিল। এনে গতানুগতিকতা আৰু কৃত্ৰিমতাৰ পৰা মুক্তি বিচাৰিয়েই ৱৰ্ডচৱৰ্থ আৰু ক'লৰিজে লিৰিকেল বেলাডচৰ যোগেদি বিষয়বস্তু আৰু আঙ্গিকত নতুনত্ব আনি এলিজাবেথীয় যুগৰ উচ্ছ্বাস আৰু কল্পনাৰ পুনৰুত্থান ঘটায়। প্ৰকৃততে ইংৰাজী সাহিত্যত ক্লাচিকেল সাহিত্যৰ প্ৰতিবাদকল্পেই ৰোমাণ্টিক আন্দোলন গঢ় লৈ উঠিছিল। এই আন্দোলনে উনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত ইংৰাজী সাহিত্যত প্ৰচুৰ প্ৰভাৱ পেলাইছিল। অসমীয়া সাহিত্যৰ কথাটো কিছু সুকীয়া। ক্লাচিকেল সাহিত্যৰ প্ৰতিবাদকল্পে নহয় ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ পঠন পাঠনৰ যোগেদিহে এই ভাবধাৰা অসমীয়া সাহিত্যলৈ আমদানি হৈছিল।

ৰোমাণ্টিকতা (Romanticism) ৰ সৃষ্টি ৰোমাণ্টিক (Romantic) শব্দৰ পৰা। ৰোমাণ্টিক শব্দটোৰ বিভিন্ন অৰ্থত ব্যৱহাৰ কৰিব পাৰি। সেয়ে সমালোচক লাভজয়ে কৈছিল যে ৰোমাণ্টিক শব্দটোৱে ইমান বস্তুক বুজাবলৈ লৈছে যে ই একো বস্তুকে নুবুজায় (The word 'romantic' means so many things that by it self it means nothing), আন এজন সমালোচকে ব্যঙ্গাত্মক সুৰত কৈছিল যে এজন কবি ৰোমাণ্টিক কিয়নো তেওঁ প্ৰেমত পৰিছে, আনজন ৰোমাণ্টিক কিয়নো তেওঁ প্ৰেতাত্মাক দেখা পায়, কোনোবা এজন ৰোমাণ্টিক তেওঁ কুলিৰ কুঞ্জন শুনিছে, আনজন ৰোমাণ্টিক এইবাবেই যে তেওঁ গীৰ্জাৰ প্ৰতি অনুৰক্ত (one poet is romantic because he falls in love, another romantic because he sees a ghost, another romantic because he hears a cuckoo, another romantic because he is reconciled to the church) এই সমালোচকজনে আগশাৰীৰ ৰোমাণ্টিক কবি ৱৰ্ডচ্‌ৱৰ্থ, কলৰিজ আদিৰ প্ৰতি কটাক্ষ কৰিয়েই এইষাৰ কথা কৈছিল যদিও ৰোমাণ্টিক শব্দটোৰ বহুবৈচিত্ৰ্যময় ৰূপৰ ইংগিত ইয়াৰ মাজতে নিহিত হৈ আছে। ৰোমান্তিক শব্দটোৰ দৰে ৰোমাণ্টিকতাৰ অৰ্থও ব্যাপক। বিভিন্নজনে ইয়াৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে যদিও কোনো এটা সংজ্ঞাই ইয়াৰ প্ৰকৃত স্বৰূপটো উদঙাই দিব পৰা নাই। ৱাল্টাৰ পেটাৰৰ (Walter Pater) মতে ৰোমাণ্টিকতা হ'ল অদ্ভুত আৰু সুন্দৰৰ সংমিশ্ৰণ (addition of stangness to beauty)। ৱাটচ ডাণ্টনৰ (Watts Dnnton) মতে ই বিস্ময়ৰ পুনৰ জাগৰণ (renascence of Wonder)। ভিক্টৰ হুগোৰ (Victor Hugo) মতে ৰোমাণ্টিকতা হ'ল সাহিত্যত উদাৰতা (liberalism in literature ব্ৰাণ্টিয়াৰৰ (Brontier) মতে ই আত্মমুক্তি (imancipation of ego)। এবাৰক্ৰম্বিৰ (Abereromboc) মতে আকৌ ৰোমাণ্টিকতা হ'ল বাহ্যিক অভিজ্ঞতাৰ পৰা আঁতৰি আহি আভ্যন্তৰীণ অভিজ্ঞতাত মনোনিবেশ কৰা (Romanticism is a withdrawal from onter experience to concentrale upon inner experience)। হাৰফৰ্ডৰ (Herford) মতে ৰোমাণ্টিকতা হ'ল কল্পনাপ্ৰৱণতাৰ অসাধাৰণ বিকাশ (extraordinary development of imaginative Sensibility)। বিভিন্ন সংজ্ঞাবোৰৰ ভিতৰত হাৰফৰ্ডৰ সংজ্ঞাতেই ৰোমাণ্টিকতাৰ স্বৰূপ বহুলাংশে উদ্ভাসিত হৈছে যেন অনুভূত হয়। কিয়নো কল্পনা শক্তিয়েহে অদ্ভুতক সুন্দৰ ৰূপদান কৰিব পাৰে। সেইদৰে কল্পনাৰ কাজলসনা চকুৰে বিস্ময়বিমূঢ় ৰূপৰ উপলব্ধি কৰিব পাৰি। কল্পনাশক্তি অথবা হৃদয়াবেগৰ অবিহনে উদাৰতাৰে যি কোনো বস্তু গ্ৰহণ কৰাও সম্ভৱ নহয়। কল্পনা অবিহনে হৃদয়াবেগ স্তিমিত হ'বলৈ বাধ্য। কল্পনাই মানুহক লৈ যাব পাৰে অতীতৰ সোঁৱৰণিলৈ অথবা অনাগত ভৱিষ্যতৰ সোণালী দিনলৈ অথবা অলৌকিক কোনো এক বিস্ময়জনক জগতলৈ। গতিকে হাৰফৰ্ডৰ "কল্পনাৰ অসাধাৰণ বিকাশ"ৰ কথাষাৰে বাকী সকলৰ সংজ্ঞাকো সামৰি পেলাইছে বুলিব পাৰি। অৱশ্যে ৰোমাণ্টিকতাৰ সম্পৰ্কে আৰু বিভিন্ন জনে বিভিন্ন ধৰণে সংজ্ঞা আগবঢ়াইছে। এইবোৰ সংজ্ঞাৰ ব্যাপকতাৰ প্ৰতি লক্ষ্য কৰিয়েই হয়তো কাজমিয়াই (cazamian) মন্তব্য কৰিছিল ৰোমাণ্টিকতা সংজ্ঞাৰ অতীত (Romanticism defies defination)।

ইংৰাজী ৰোমাণ্টিক সাহিত্যত ফৰাচী বিপ্লৱৰ প্ৰভাৱ যিদৰে পৰিলক্ষিত সেইদৰে ৰুচোৰ (Russeau) প্ৰকৃতিতত্ত্ব, কাণ্টৰ (Kant) জ্ঞানতত্ত্ব, হেগেলৰ ভাববাদৰ প্ৰভাৱো উল্লেখযোগ্য। সি যি কি নহওক পাশ্চাত্যৰ ৰোমাণ্টিক সাহিত্য অধ্যয়নৰ পৰা ইয়াৰ কেইটামান লক্ষণ চকুত পৰে। ৰোমাণ্টিক সাহিত্য ব্যক্তিস্বাতন্ত্ৰ প্ৰধান অৰ্থাৎ মন্ময়ধৰ্মীতা ইয়াৰ অন্যতম বৈশিষ্ট্য। আন এটি বৈশিষ্ট্য হ'ল বিস্ময় বিমুগ্ধতা। ৰোমাণ্টিক সাহিত্যত সাধাৰণ বিষয়বস্তুত অসাধাৰণ ৰূপত উদ্ভাসিত হৈ উঠে। সৌন্দৰ্যপ্ৰয়াসী, কল্পনাবিলাসী দৃষ্টিৰে ইন্দ্ৰিয়গ্ৰাহ্য বস্তুকো ইন্দ্ৰিয়াতীত চেতনাসমৃদ্ধ কৰি ঐন্দ্ৰজালিক সম্মোহনীৰূপ প্ৰদান কৰে। ৰোমাণ্টিকতাৰ অন্য এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল প্ৰেম। ই ব্যক্তিপ্ৰেমো হ'ব পাৰে নতুবা স্বদেশ প্ৰেমো হ'ব পাৰে। অতীত প্ৰীতিও হ'ব পাৰে বা সৌন্দৰ্য্যপ্ৰীতিও হ'ব পাৰে, প্ৰকৃতিপ্ৰেমো হ'ব পাৰে অথবা মানবপ্ৰেমো হ'ব পাৰে। অতীন্দ্ৰিয় ভাববিলাসো ৰোমাণ্টিকতাৰ আন এটি বৈশিষ্ট্য।

আমাৰ আলোচ্য কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত এই গুণবিশিষ্টতা কেনেদৰে ব্যক্ত হৈছে তাৰ এটি আভাস লোৱা যাওক। চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰকাশিত কবিতাৰ পুথি মাত্ৰ দুখন। প্ৰতিমা আৰু বীণ-ব'ৰাগী। দুয়োখনৰে কবিতাৰ সংখ্যাত অধিক নহয়। প্ৰতিমাত একুৰি ছটা আৰু বীণ-ব'ৰাগীত বাৰটা কবিতা সন্নিবিষ্ট হৈছে। সংখ্যাৰ দিশৰ পৰা নহয় গুণগত দিশৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাই অসমীয়া কাব্যজগতত ইতিমধ্যে এখন সুকীয়া আসন আহৰণ কৰি লৈছে।

আলোচনাৰ সুবিধাৰ বাবে চন্দ্ৰকুমাৰৰ সামগ্ৰিক কবিতাখিনিক কেইটিমান বিশেষ ভাগত ভাগ কৰি ল'ব পাৰি। — (১) ব্যক্তিগত জীৱনৰ বিভিন্ন ঘটনা দুৰ্ঘটনাই জগাই তোলা ভাবানুভূতিৰ কাব্যিক ৰূপ। (২) সুন্দৰ চেতনাজনিত কবিতা। (৩) নিসৰ্গবিষয়ক কবিতা। (৪) মানবিকতাবাদী ভাবধাৰাৰ কবিতা (৫) অতিপ্ৰাকৃত জগতৰ বৰ্ণনা (৬) বেলাড জাতীয় কবিতা আৰু (৭) দাৰ্শনিক ভাবধাৰাৰ কবিতা। উল্লেখিত শেহতীয়া ধাৰাটোৰ বাহিৰে বাকী কেইটা ধাৰাই ৰোমাণ্টিক দৃষ্টিভংগীৰ লগত জড়িত।

প্ৰথমটো ধাৰাৰ অৰ্থাৎ ব্যক্তিগত জীৱনৰ বিভিন্ন ভাবানুভূতিৰ কাব্যিক ৰূপৰ কবিতাসমূহ হ'ল — প্ৰতিমা, জীৱনৰ লগৰীয়া, কৰ্মযুগ, আশীৰ্বাদ, বিমুখ, অজেয়, কুট, যুলৰ চাকি ৰচোতাৰ প্ৰতি, সন্ধিয়া, যুগমীয়াৰ শোক, শান্তি, জোনাকী ইত্যাদি। ৰোমাণ্টিক সাহিত্যত ব্যক্তিগত ভাবোচ্ছাসক প্ৰাধান্য দিয়া হয়। এনে আবেগ উদ্বেলিত ভাবৰ প্ৰকাশ প্ৰতিমা নামৰ কাব্যপুথিৰ নামভূমিকাৰ কবিতাটিলৈ লক্ষ্য কৰিলেই ধৰিব পাৰি—

'প্ৰতিমা, প্ৰতিমা'ৰবে ব্যাকুল কৰিলে
চাব খোজে হিয়াৰ বিকাশ,
কুচি মুচি আওবায় দুৰ্বল হৃদয়
দিবলৈ একেৰি আভাস।

.......................................................................

আধফুটা আবেগৰ ইমান জুমুৰি
দিলো মেলি হৃদয় দুৱাৰ,
যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
তুলে যদি সন্তাপ মনৰ। (প্ৰতিমা)

চন্দ্ৰকুমাৰৰ কবিতাত ভাবোচ্ছ্বাসেই নহয় কল্পনাৰ প্ৰাচুৰ্যয়ো ৰোমাণ্টিক গুণবিশিষ্টতা প্ৰদান কৰিছে। কবি কল্পনাৰ মাধুৰ্যমণ্ডিত চিত্তহাৰী ৰূপ ফুটি উঠিছে কিশোৰী, মাধুৰী আদি কবিতাত। দুয়োটা কবিতাতে অৰ্দ্ধবিকশিত সৌন্দৰ্যৰ মহিমোজ্জল ৰূপৰ আভাস বিভিন্ন উপমা আৰু চিত্ৰকল্পৰ সহায়েৰে আলোকিত কৰি তুলিছে।

ফুটো নে নুফোটোকৈ
কুমলীয়া কলিটি
ওঠত লাজেৰে বৈ
মিছিকীয়া হাঁহিটি
সামৰি পাহৰি লৈ
মেলি আধা প্ৰাণটি
উদণ্ডাই ঢাকি থৈ
উঠি অহা বুকুটি। (মাধুৰী)

সৌন্দৰ্যৰ মাধুৰ্য পূৰ্ণ বিকাশত যিমান উপলব্ধি কৰিব পাৰি ততোধিক পোৱা যায় অসম্পূৰ্ণতাত। কিয়নো পূৰ্ণতাত কল্পনাৰ ঠাই নাই। ৱৰ্ডচৱৰ্থে লুচি (Lucy) কবিতাটিত সেয়ে কৈছিল —

A violet by a mossy stone
half hidden from the eye
Fair as a star
When only one is shining in the sky.

অথবা ৰবীন্দ্ৰনাথ ঠাকুৰে কোৱাৰ দৰে-'অৰ্দ্ধেক মানবী তুমি অৰ্দ্ধেক কল্পনা।' আমাৰ কবি চন্দ্ৰকুমাৰেও কৈছে—

'দেৱীনে মানৱী ঐ
মাধুৰীৰ মূৰুত।' (মাধুৰী)

কল্পনাৰ কাজললগা চকুৰে পাৰ্থিৱক অপাৰ্থিৱ ৰূপ দি ল'ব পাৰি। সামান্য এটি বস্তুকো কল্পনাৰ ঐন্দ্ৰজালিক মহিমাৰে মায়াময় ৰূপত সজাই তোলাত ৰোমাণ্টিক কবিসকল সিদ্ধহস্ত। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটিত সামান্য নিয়ৰ টোপাল এটিক কল্পনাৰ মায়াজালেৰে অসামান্য ৰূপ দিছে। কবি কল্পনাত 'নিয়ৰ' টোপালটি কেতিয়াবা যদি টোপনিতে সৰি পৰা আকাশৰ তৰা বুলি ধৰা দিছে, কেতিয়াবা আকৌ জোনালী নিশা নৃত্যৰতা আকাশী পৰীৰ সাজপাৰৰ ছিগি পৰা মণি হৈ পৰিছে।

সুৰুজৰ জেউতে সনাই আছিল
ছিগি যে পৰা মণি,
ৰঙিনীৰ তাৰ হাঁহি নাচোনৰ
কল চিন এই কণি। (নিয়ৰ)

ৰোমাণ্টিক কবিসকল সৌন্দৰ্যপ্ৰয়াসী। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাটো এই সৌন্দৰ্যসন্ধানী মনৰ প্ৰকাশ বহুবোৰ কবিতাত ফুটি উঠিছে। 'সৌন্দৰ্যৰ আৰাধনা জীৱনৰ খেল' (সৌন্দৰ্য) বুলি অভিহিত কৰা কবি চন্দ্ৰকুমাৰে কেৱল প্ৰকৃতিজগতৰ সৌন্দৰ্যতে আত্মবিভোৰ নহৈ সমগ্ৰ মানৱজাতিৰ জীৱনলৈ সৌন্দৰ্য বিয়পি পৰাটো আন্তৰিকতাৰে কামনা কৰিছিল। জীৱনক সুন্দৰ কৰিব পাৰি প্ৰেমৰ উপলব্ধিৰে। চন্দ্ৰকুমাৰ আগৰৱালাই কৈছে—

প্ৰেমৰ এটুপি সুধা মাথো
অন্তৰত আছে
তাৰেই বলিয়া হৈ তাৰেই
তালে তালে নাচে
শিৱময় মানুহৰ সংসাৰ আশ্ৰয়
সুখৰ ভঁৰাল এই মানৱ হৃদয়।
(সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ)

প্ৰেমৰ শক্তি অসীম। সত্য, শিৱ, সুন্দৰক যিদৰে প্ৰেমৰ উপলব্ধিৰে পাব পাৰি, সেইদৰে প্ৰেমে পাহৰায় দুখ যন্ত্ৰণা, আনকি প্ৰেমেৰে মৃত্যুকো তুচ্চ কৰিব পাৰি। প্ৰেম পৰশমণি স্বৰূপ। প্ৰেমৰ এই মহত্ব ফুটি উঠিছে চন্দ্ৰকুমাৰ আগৰৱালাৰ 'শান্তি' নামৰ কবিতাটিত।

প্ৰেমৰ আগত কিবা দুখ
কিবা মৃত্যু? — প্ৰেম মৃত্যুঞ্জয়ী। (শান্তি)

একেটা কবিতাতেই আকৌ কৈছে —

যি প্ৰেমেই তোমাৰ সম্বল
সেয়ে স্পৰ্শমণি সংসাৰৰ
কিবা চোৰাঁ হাতত‌ে ৰতন
প্ৰেমেই যে শান্তি জগতৰ। (শান্তি)

চন্দ্ৰকুমাৰ আগৰৱালাৰ এই প্ৰেম ব্যক্তিপ্ৰেমৰ সীমাত আবদ্ধ নহয় ই উদাৰনৈতিক মানৱপ্ৰেম। মানৱপ্ৰেমী কবিৰ হৃদয়ৰ ব্যাকুলতা প্ৰকাশ পাইছে এনেদৰে —

মোৰেই মুখেদি মানৱ প্ৰেমৰ
ফুটক আকুল মাত
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত। (বীণ বৰাগী)

গভীৰ মানৱপ্ৰেমৰ বাবেই চন্দ্ৰকুমাৰে মানুহক দেৱতা আৰু পৃথিৱীক স্বৰ্গ বুলি অভিহিত কৰি কৈছে —

দেখিছোঁ পৃথিৱী স্বৰ্গতো অধিক,
মানুহৰ নিজাপী ঘৰ,

মানুহেই দেৱ ইহজগতৰ
মানুহেই পৰাৎপৰ (বীণ-বৰাগী)

কবিৰ মনত দেৱতাসদৃশ মানুহেই পূজনীয়। মানুহতকৈ শ্ৰেষ্ঠ কোনো নাই। —

মানুহেই দেৱ, মানুহেই সেৱ
মানুহে বিনে নাই কেৱ,
কৰোঁ কৰোঁ পূজা পাদ্য অৰ্ঘ লৈ
জয় জয় মানব দেৱ। (মানব বন্দনা)

মানৱতাৰ জয়গান গোৱা এইজন কবিয়েই কিন্তু মানুহৰ স্বাৰ্থপৰতা, কপটতা আৰু নীচতা দেখি খণ্ডত জাঙুৰ খাই উঠিছে। এইখিনিতেই চন্দ্ৰকুমাৰ আগৰৱালা ৰোমাণ্টিক উদাৰনৈতিক মানবিকতাবাদৰ পৰা আঁতৰি আহি আধুনিক বাস্তৱবাদী সাহিত্যিক সকলৰ দৰে বাস্তৱিক মানৱতাবাদৰ (Realistic Humanism) ওচৰ চাপি আহিছে। বাস্তৱৰ মানুহ বৰ স্বাৰ্থপৰ। মানুহৰ স্বাৰ্থপৰতাৰ স্বৰূপ উদঙাই কবিয়ে লিখিছে —

মানুহে মানুহে পৰতকৈ পৰ
একেৰি মৰমো নাই
নিছলা দুখীয়া দেখিলে খিণায়
ডাঙৰৰ ভাঙৰ তেম (বীণ-বৰাগী)

সেইদৰে একেটা কবিতাতেই আকৌ কৈছে —

মানুহৰ তেজ শুহি শুহি খায়
মানুহ ৰাক্ষসে চোৰা
চোকা চোকা মাতে বিন্ধে প্ৰাণলৈকে
নুবুজে আনৰ হিয়া। (বীণ-বৰাগী)

এইখিনিতেই চন্দ্ৰকুমাৰ বাস্তৱমুখী হৈ পৰিছে। কিন্তু তেওঁৰ এই বাস্তৱমুখিতাই পুনৰ ভাবপ্ৰৱণতাত আশ্ৰয় বিচাৰি ৰোমাণ্টিকতালৈ প্ৰত্যাবৰ্তন কৰিছে। মানুহৰ স্বাৰ্থপৰতা দেখি অতীষ্ঠ কবিয়ে নতুন এখন নিকা সমাজৰ সৃষ্টিৰ বাবে বাস্তৱিক পন্থাৰ সহায় নললৈ জগৎ স্বামীৰ ওচৰতহে শৰণাপন্ন হৈছে।

দুখ দূৰ কৰি জগৎ উদ্ধাৰ
কৰাঁহে জগৎস্বামী
নীচহৃদয়ৰ নীচ অহংকাৰ
হওক অধোগামী। (বীণ-বৰাগী)

ৰোমাণ্টিক ভাবানুলভাবে মানুহৰ অন্তৰতৰ্কিৰ যি আশাব্যঞ্জক কামনা কৰিছে সেয়া ইংৰাজ ৰোমাণ্টিক কবি শেলীৰ (Shelly) 'Ode to the west wind' ৰ ভাবৰন্তৰ সমাৰ্থক। তেওঁ west wind ক আহ্বান কৰিছে সমাজৰ আৱৰ্জনা দূৰ কৰিবলৈ আৰু প্ৰৱল আশাবাদেৰে কবিতাটিৰ সামৰণি মাৰিছে।

If winter comes can spring be
far behind? (ode to the west wind)

পূৰ্বতে উল্লেখ কৰা হৈছে যে পাশ্চাত্য সাহিত্যত ৰোমাণ্টিক আন্দোলন গঢ় লৈ উঠাত ৰোচোৰ (Rousseau) প্ৰকৃতি দৰ্শনৰ প্ৰভাৱ উল্লেখযোগ্য। সেয়ে ৰোমাণ্টিক কবি সকলে প্ৰকৃতিৰ বৰ্ণাঢ্য বৈচিত্ৰ্যক মহিমামণ্ডিত কৰি কাব্যৰূপত ফুটাই তুলিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো প্ৰকৃতিৰ বৈচিত্ৰ্যময় ৰূপৰ বৰ্ণনা পোৱা যায়। 'তেজীমলা' কবিতাটিত কবিয়ে প্ৰকৃতিৰ উদাৰতাৰ মহত্তম ৰূপটো দাঙি ধৰিছে। মানুহৰ নিষ্ঠুৰতাৰ বলি হোৱা চিৰদুখুনী তেজীমলাক প্ৰকৃতিয়ে উদাৰ হৃদয়েৰে আকোৱালি লৈছে —

তেজগোৰা বেলি জিলিগুনি মেলি
সাৱটিব আহি ধৰা,
পুৱাতে মলয়া উঠি ছয়াময়া
বোলে উঠা তেজীমলা। (তেজীমলা)

প্ৰকৃতিয়ে আদৰ সাদৰকৈ পুৱাতেই জগাই তোলা তেজীমলাক কিন্তু আপোন মানুহেই আঁতৰাই পঠাইছিল —

মানুহ কুটুমে দলিয়াই পেলালে
কাকনো কুটুম পালি
মৰম বেথাৰে আজলী কুঁৱৰী
আটাইকে নিজা কৰিলি। (তেজীমলা)

প্ৰকৃতি যিদৰে উদাৰ আৰু মমতাময়ী সেইদৰে সুন্দৰ আৰু ৰহস্যময়ীও। প্ৰকৃতিৰ এই ৰহস্যময়তা আৰু সৌন্দৰ্য ৰোমাণ্টিক কবিসকলৰ অন্যতম আকৰ্ষণ। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী', 'জলকুঁৱৰী' জোনাকী আদি কবিতাত ৰহস্যময়ী প্ৰকৃতিৰ সৌন্দৰ্যমণ্ডিত ৰূপটি উদ্ভাসিত হৈ উঠিছে। —

মৰকত মণি জিলিকে শিৰত
দেৱী হ'ল বনকুঁৱৰী
কুতাৰে আঁৰা লগতে ইজনা
জলৰ দেৱী নিয়ৰী। (বনকুঁৱৰী)

সেইদৰে 'জোনাকী'ত প্ৰকৃতিৰ বৰ্ণনা পোৱা যায় এনেদৰে —

সোণালী সোতত সাঁতুৰি নাদুৰি
উঠি আহে সমীৰণ
প্ৰকৃতিৰ ঢকা বুকু উদঙাই
পিন্ধালে মুকুতা সোণ (জোনাকী)

সুন্দৰ প্ৰকৃতিৰ ইন্দ্ৰিয়গ্ৰাহ্য বস্তুসমূহৰ সৌন্দৰ্য অনিত্য নহয়, ক্ষণভংগুৰ। কিন্তু এই ক্ষণভংগুৰতাৰ মাজতেই আছে এক চিৰশাশ্বত অব্যয় ৰূপ, এয়াও প্ৰকৃতিৰ এক ৰহস্য। ৰহস্যময়ী প্ৰকৃতিৰ অবিনশ্বৰ ৰূপৰ আভাস চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰকৃতি' নামৰ কবিতাটিত প্ৰকাশ পাইছে —

ক'ৰ কোন কিবা হ'ল
চিনস্মৃতি পমি গ'ল
প্ৰকৃতিযে তেনেকৈয়ে ৰ'ল। (প্ৰকৃতি)

ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক কবি যুগল ৱৰ্ডচৱৰ্থ আৰু কলৰিজে লিখিকেল বেলাডচত যি একশ্ৰেণী নতুন গীতিধৰ্মী কাহিনী কবিতাৰ সৃষ্টি কৰিছিল অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদিয়েও তেনেধৰণৰ গীতিধৰ্মী কাহিনী কবিতা ৰচনা কৰি নতুনত্বৰ সংযোজন কৰিছিল। এইশ্ৰেণী কবিতাত কাহিনীৰ বৰ্ণনাধৰ্মিতাৰ বিপৰীতে হৃদয়াবেগৰ উচ্ছ্বাসৰ ওপৰত গুৰুত্ব দিয়া হয়। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' 'জলকুঁৱৰী' আৰু 'তেজীমলা' এনে গীতি ধৰ্মী কাহিনী কবিতা। ৰোমাণ্টিক গীতিধৰ্মিতা এই কবিতাকেইটিৰ মূল সুৰ। 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী' কবিতাত কবিয়ে অলৌকিক উপাদানেৰে প্ৰকৃতিৰ মাজত এক ৰহস্যময় ধূসৰ জগতৰ আভাস দিবলৈ প্ৰয়াস কৰিছে। ইংৰাজ ৰোমাণ্টিক কবি কলৰিজ এনে ঐন্দ্ৰজালিক পৰিবেশ সৃষ্টিৰ ক্ষেত্ৰত সিদ্ধহস্ত আছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত কলৰিজৰ দৰে ঐন্দ্ৰজালিক বতাবেশৰ সৃষ্টি কৰিব নোৱাৰিলেও 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী'ৰ কিছুমান স্তৱকত তাৰ জিলিঙনি দেখা যায় —

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক টুক টুক
ৰূপহীৰ মেল দেৱযোনি মেল
মানুহে নেদেখা মুখ (বনকুঁৱৰী)

অথবা —

নাগবালা শাৰী ধৰিছে চাপৰি
গুনিয়ে আনন্দ মিলা
মানুহ লোকৰ নোহে ৰূপ খেল
নজনা বিচিত্ৰ লীলা (জলকুঁৱৰী)

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ আলোচনা প্ৰসংগত দেখা গ'ল ৰোমাণ্টিক ভাৱৰ প্ৰাচুৰ্যৰে তেওঁৰ কবিতা ভৰি আছে, অথচ তেওঁৰ কবিতা কেৱল ৰোমাণ্টিক ভাৱ সমৃদ্ধ কবিতা বুলি কলে কবি গৰাকীৰ কাব্য প্ৰতিভাক সীমাবদ্ধ কৰি পেলোৱা হয়। তেওঁৰ কবিতাত যিদৰে ৰোমাণ্টিকতা আছে সেইদৰে ভাৰতীয় দাৰ্শনিকতাও বিদ্যমান। চন্দ্ৰকুমাৰ আগৰৱালাই পাৰিবাৰিক সূত্ৰেই লাভ কৰিছিল এক অধ্যাত্মবাদী সাংস্কৃতিক পৰিবেশ। সেয়ে ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ প্ৰকাশো তেওঁৰ বহুতো কবিতাৰ মাজেৰে প্ৰতিফলিত হোৱা দেখা যায়।

সি যি কি নহওক, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক ভাৱাদৰ্শৰ বহুতো গুণবিশিষ্টতাই দেখা যায়। তদুপৰি তেওঁৰ কবিতাত ৰোমাণ্টিক ভাৱৰ প্ৰকাশ, বিকাশ আৰু পৰিপূৰ্ণতা লক্ষণীয়। সেয়ে অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত ৰোমাণ্টিক কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব।

# জ্যোতিপ্ৰসাদৰ দৃষ্টিত চন্দ্ৰকুমাৰৰ কবিতা

**জয়ন্ত কুমাৰ বৰা**

চন্দ্ৰকুমাৰ আগৰৱালা আছিল জ্যোতিপ্ৰসাদৰ নিকট আত্মীয় — বৰদেউতাক। স্বাভাৱিকতে চন্দ্ৰকুমাৰক ওচৰৰ পৰা জানিবলৈ বা বুজিবলৈ জ্যোতিপ্ৰসাদৰ সুবিধা হৈছিল। জ্যোতিপ্ৰসাদে কৈশোৰৰ পৰা সাহিত্য-চৰ্চা কৰিবলৈ পৰিয়ালৰ বিশেষকৈ চন্দ্ৰকুমাৰৰ আদৰ্শয়ো যে অনুপ্ৰাণিত কৰিছিল এই কথা সত্য। ডক্টৰ সতেন্দ্ৰনাথ শৰ্মাই সেয়ে কৈছে, "জ্যোতিপ্ৰসাদৰ জীৱনক প্ৰভাৱান্বিত কৰাত মাজু-দেউতাক কবি-ব্যৱসায়ী, আত্মনিষ্ঠ চন্দ্ৰকুমাৰৰ অৱদানো কম নহয়। কৰ্ত্তব্যক মোৰ বুলি ধৰা, সুন্দৰৰ আৰাধনাক জীৱনৰ মুখ্য খেল বুলি গণ্য কৰা, ভেদাভেদৰ প্ৰাচীৰ ভাঙি এখন সাম্যভাৱৰ আদৰ্শ জগতৰ কল্পনা কৰা, মানৱসেৱাকে পৰম ধৰ্ম বুলি জ্ঞান কৰা আনন্দতীৰ্থৰ যাত্ৰী চন্দ্ৰকুমাৰৰ জীৱনৰ আদৰ্শই জ্যোতিপ্ৰসাদক সুন্দৰৰ সাধনাত যে কৰ্মপ্ৰেৰণা যোগাইছিল সেই বিষয়ে সন্দেহৰ অৱকাশ নাই।" জ্যোতিপ্ৰসাদে ৰচনা কৰা চন্দ্ৰকুমাৰৰ চমু জীৱনীৰ প্ৰথম খণ্ডত চন্দ্ৰকুমাৰৰ ব্যক্তিত্বৰ প্ৰতিফলন তেওঁৰ কবিতা আৰু অন্যান্য কৰ্মত কেনেদৰে সম্পৃক্ত হৈ সুন্দৰ ভাৱে প্ৰকাশ হৈছে তাক উপযুক্ত উদ্ধৃতিৰে বিশ্লেষণ কৰিছে। চন্দ্ৰকুমাৰ মানুহজনক বুজিবলৈ আৰু তেওঁৰ অন্তৰত লুকাই থকা কবিজনক বুজিবলৈ এই অৰ্ধ-সমাপ্ত চমু জীৱনীখন অপৰিহাৰ্য বুলিব পাৰি। জ্যোতিপ্ৰসাদৰ ভাষাৰে, "চন্দ্ৰকুমাৰৰ জীৱনৰ খোঁটালিবোৰৰ প্ৰত্যেকতে সোমাই চাই গ'লেহে আমি কবিতা ফুলনিৰ ফুল-পাত-লতাই আৱৰি ঢাকি থোৱা চন্দ্ৰকুমাৰৰ জীৱনৰ 'বঙলা ঘৰটো'ৰ বিষয়ে ভালকৈ সন্তেদ পাম...।"

চন্দ্ৰকুমাৰৰ প্ৰকাশিত কাব্য-সংকলন দুখন 'প্ৰতিমা' আৰু 'বীণ-বৰাগী' জ্যোতিপ্ৰসাদৰ দৃষ্টিত দুজোপা সোণৰ বাগৰ ফুল-গছৰ দৰে জকমকাই অসমীয়া সাহিত্যৰ কবিতাৰ মূল্য ভাৰাত সোণসেৰীয়া আৰু ভাৰত হীৰা মুকুতাকৈ থৈছে। "চন্দ্ৰকুমাৰে আমালৈ আত্মজীৱনী লিখি থৈ যোৱা নাই যদিও তেওঁৰ কবিতাৰ মাজেদিয়েই তেওঁ জিলিকি আছে— তেওঁৰ 'প্ৰতিমা'তেই তেওঁ প্ৰতিফলিত। 'বীণ-বৰাগী'ৰ মাজেদিয়েই তেওঁৰ আত্মা বিকশিত।"

চন্দ্ৰকুমাৰে ৰচনা কৰা 'বনকুঁৱৰী' কবিতা প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা। জ্যোতিপ্ৰসাদে এই কবিতাটিৰ প্ৰসংগত তিৰেশৰ নেওগৰ মন্তব্যৰ উদ্ধৃতি দিছে : 'অসমীয়া ভাষাত যে অতি ধুনীয়া কবিতা লিখা হ'ব পাৰে জয়ে জয়ে 'জোনাকী' কাকতত ওলোৱা এওঁৰ কবিতাই প্ৰমাণ কৰে।

চন্দ্ৰকুমাৰৰ বহুবোৰ কবিতা 'হৃদয়ৰ পৰা উৎসাৰিত আৰু অনুভূতিৰ মাজেদি

সঞ্চাৰিত বাণী'। জ্যোতিপ্ৰসাদে এনেকুৱা বহুখিনি কবিতাৰ পটভূমি ব্যাখ্যা কৰি চন্দ্ৰকুমাৰৰ কবিতা উপলব্ধি কৰিবলৈ সুবিধা কৰি দিছে।

চন্দ্ৰকুমাৰৰ পিতৃ হৰিবিলাসে তেজপুৰত এটা ডাঙৰ কাঠফলা কল খুলিছিল আৰু ইয়াৰ মেনেজাৰ আছিল লক্ষ্মীকান্ত বৰকাকতি। তেজপুৰৰ সকলো চাহবাগিচাই তেতিয়া এই হৰিবিলাসৰ কলৰ পৰাই চাহ-বাকচ লৈছিল। এবাৰ মেনেজাৰ লক্ষ্মীকান্তই বাকী পৰি থকা টকা আদায় কৰিবৰ বাবে চাহ খেতিয়ক কিছুমানলৈ বৰ চোকাকৈ তাগিদা দি চিঠি লিখে। "এই চিঠিয়েই হৰিবিলাসৰ ভাগ্য-আকাশৰ বিৰাট পৰিবৰ্তন আনি সেই সময়ৰ অসমৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ধনী আগৰৱালা পৰিয়ালক প্ৰায় কপৰ্দকশূন্য অৱস্থালৈ নমাই আনে।" এই চিঠি পায়েই বিশেষকৈ ইউৰোপীয় চাহ খেতিয়কসকল জ্বলি পকি উঠিল। সেয়ে সকলোৱে একমুঠ হৈ হৰিবিলাসৰ কাঠ-কল বৰ্জন কৰিলে। হৰিবিলাসৰ হাজাৰ হাজাৰ চাহ-বাকচ জহি পচি গ'ল। ফলত হৰিবিলাসৰ ব্যৱসায়ৰ ধৰণী লৰিল। হৰিবিলাসৰ কলিকতাৰ সম্পত্তি হস্তান্তৰিত হ'ল। হৰিবিলাস ঋণগ্ৰস্ত হ'বলৈ ধৰিলে। "ইমান দিন অঋণী হৈ থকা হৰিবিলাসে যেনে-তেনে ঋণ পৰিশোধ কৰিবলৈ ইচ্ছা কৰি ডিব্ৰুগড়ৰ বহু মূল্যবান ভূ-সম্পত্তিবোৰ নাইবা তামোলবাৰী বাগিচা ধাৰত মাৰি দি ঋণমুক্ত হ'বলৈ পুতেকহ'তক এই বিষয়ে পৰামৰ্শ সুধিলে। চন্দ্ৰকুমাৰে এইখিনিতে দৃঢ়চিত্তেৰে উপস্থিত হ'লহি আৰু এক মুহূৰ্তৰ ভিতৰতে জীৱনৰ বাট স্থিৰ কৰিলে। ...... আগৰৱালা পৰিয়ালৰ মূৰৰ ওপৰেদি এটা প্ৰচণ্ড ধুমুহা গ'ল।" চন্দ্ৰকুমাৰে এই সময়তে ৰচনা কৰিছিল 'কৰ্মদেৱ' নামৰ কবিতা ঃ

কি দেখিছা? শিলেৰে বন্ধালোঁ এই হিয়া,  
সাধনাৰ অসি হাতে ওলালোঁ এতিয়া।  
কৰ্মফল উছৰ্গিলোঁ কৰ্মদেৱলৈ —  
শৰীৰৰ ভস্মৰাশি দশ দিশলৈ।  
কি ভয় মৰণে ৰণে, নাই, ভয় নাই,  
কৰ্তব্য মুকুট শিৰে পিন্ধালে গোঁসাই।

জ্যোতিপ্ৰসাদে লেখিছে, "চন্দ্ৰকুমাৰে যে বিবাহৰ খোঁটালিত সোমাই কৰিব কল্পনা কুঁৱৰী এজনী তাত পোৱা নাছিল সেইটো ঠিক।" চন্দ্ৰকুমাৰে যে পাৰিবাৰিক জীৱনত সুখ-শান্তি পোৱা নাছিল এই কথা জ্যোতিপ্ৰসাদে জীৱনীখনৰ কেইবাটাও বাক্যত ইংগিত দিছে ঃ "চন্দ্ৰকুমাৰৰ কবি জীৱন আৰু সংসাৰী জীৱন বিচাৰি চালে এটা বিৰাট অসামঞ্জস্য দেখা যায়। একালে তেওঁৰ জীৱনত মহত্ত্বৰ, কবিত্বৰ, ত্যাগৰ উচ্চাদৰ্শৰ, সুকোমলতাৰ, ললিত কলাৰ, স্নিগ্ধ মনীষাৰ ফুলৰ সৌন্দৰ্য আৰু বিমল সুৰভি, আনফালে তেওঁ বাঢ়, কঠোৰ, উগ্ৰ, সময়ত নিষ্ঠুৰৰ দৰে ব্যৱহাৰ কৰা দেখা গৈছে। এটা জীৱনতে কোমল আৰু কঠোৰৰ এনে সমাবেশ দেখিলে তেওঁৰ জীৱনটো ঠিক যেন এজোপা সুবৰ্ণ আৰু সুগন্ধি

কাঁইটীয়া গোলাপ ফুলৰ গন্ধ যেন লাগে।" চন্দ্ৰকুমাৰৰ 'জীৱনৰ লগৰীয়া, কবিতাটিত তেওঁৰ জীৱন-সংগী বা পত্নীৰ বিষয়ে কেনেকুৱা ধাৰণা আছিল তাক বুজিব পৰা যায় :

প্ৰকাশি উষাৰ দৰে নিতউ নতুন
নিবা মোক সুন্দৰৰ সৰগ-বাজ্যলৈ।
পঠিয়াবা কামলৈ, বেলিটিৰ দৰে,
উজলিবা তুমি মোৰ গোটেই ভুবন।

জ্যোতিপ্ৰসাদে মন্তব্য কৰিছে যে চন্দ্ৰকুমাৰৰ জীৱনৰ লগৰীয়াৰ কল্পনা তেওঁৰ পত্নীত কিমান দূৰ প্ৰতিফলিত হৈছিল তাক ভালকৈ কবলৈ তেওঁ অপাৰগ।

জ্যোতিপ্ৰসাদে দেখুৱাইছে কেনেকৈ চন্দ্ৰকুমাৰৰ কবিতাত কবিৰ মনোজগত আৰু বাস্তৱ জগতৰ সংঘাতে সংশয় সৃষ্টি কৰিছে। "মানৱত্বৰ আদৰ্শ আৰু দৈনন্দিন বাস্তৱৰ সংঘৰ্ষত আৰু সংসোৰত যি এটা বিকৃত বাস্তৱ সৃষ্টি হৈ মানুহৰ জীৱন বিহেৰে পূৰ্ণ কৰি দিব লাগিছে তাৰ নানা প্ৰক্ৰিয়া দেখি কবিৰ মনটোৱে এই অসামঞ্জস্যৰ বিষয়ে ধ্যানত বহিছে। আৰু এটা সংসোৰত মহত্বৰ আদৰ্শৰ কাৰ্য্যকাৰিতাৰ বিষয়ে বিষম সংশয়ত পৰিছে।" সেই সংশয় প্ৰকাশ পাইছে 'সংশয় ৰহস্য' নামৰ কবিতাত :

ভঙা-গঢ়া, সজা-পতা, হৰা-জিকা যুঁজ,
দিনে-ৰাতি হাঁহি-কান্দোনৰ ৰোল।
সঁচা-মিছা কিনো ধৰিম এৰিম কাক?
সকলো বিষম ভ্ৰমৰ ঘোৰ।

এই সংশয় জাল ছেদনৰ ফলতেই চন্দ্ৰকুমাৰ দাৰ্শনিক কবি, 'বীণ-ব'ৰাগী' হৈ ওলাই সত্য-শিব আৰু সুন্দৰৰ বিষয়ে সনাতন সত্য উপলব্ধি কৰি "আনন্দ-তীৰ্থ" যাত্ৰা কৰি সতীৰ্থসকলক হিয়ালৈকে আহ্বান কৰিছে বুলি জ্যোতিপ্ৰসাদে কৈছে। চন্দ্ৰকুমাৰৰ 'জীৱন-উচ্ছ্বাস' কবিতাত আদৰ্শ আৰু বাস্তৱৰ এটা সামঞ্জস্য বিচাৰি সংসোৰত আগবাঢ়ি সংসোৰখন কেনেকৈ সুখময় কৰি আদৰ্শৰে আগবাঢ়ি যাব পাৰি তাৰ অন্বেষণ কৰিছে :

হৰি। হৰি।
মিছা ভাৱনাত কিয় শক্তি হেৰুৱাওঁ
পৰি হমুনিয়া কাঢ়িছোঁ।
বুলিলো মোহত বাক সংসাৰ ৰাক্ষস
তাৰেহে কুটুম মানিছোঁ।
সাৱটি বুকুত লওঁ, মিছা আশা এৰোঁ
মৰতৰ মৰণ আলয়।

.......................................................

.......................................................

যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান।
যি কাম আগতে দেখোঁ মই, শিৱময়,
সেয়ে মোৰতো প্ৰমাণ।

চন্দ্ৰকুমাৰৰ কবিমন যে অতি শক্তিশালী সেই কথা জ্যোতিপ্ৰসাদে আবিষ্কাৰ কৰি কৈছে : সাধাৰণ যি কবি বাস্তৱ সংসাৰত সোমাই বাস্তৱতাৰ স্বৰূপে দেখি নিজৰ আদৰ্শত বিশ্বাস হেৰুৱাই পেলায়। চন্দ্ৰকুমাৰে বাস্তৱৰ সকলো কদৰ্য্যতা (?) জিনি সুন্দৰৰ আদৰ্শ লৈ ধাৱমান হৈ সংসাৰৰ বাস্তৱতাৰ পঙ্কৰ পৰা উঠি চিন্তা সাগৰৰ ওপৰলৈ ওপঙি আহি মহামহত্বৰ বেলিৰ পোহৰত ফুলি বিকশি নিজৰ নিজৰ সৌৰভ সাহিত্যৰ পদুম বননিত বিলাই দশোদিশ আমোলাই থৈ যাব পাৰিছে।"

এনেদৰে দেখা গৈছে জ্যোতিপ্ৰসাদে চন্দ্ৰকুমাৰৰ কবিতাৰ পটভূমি, বিষয়বস্তু আৰু ভাবৰ ঐশ্বৰ্য সম্পৰ্কে বহুখিনি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। বিশেষকৈ জ্যোতিপ্ৰসাদে বহুখিনি কবিতাৰ আঁৰৰ ঘটনা বা পটভূমিৰ যি বৰ্ণনা কৰিছে, তাৰ জ্ঞানে পাঠকক চন্দ্ৰকুমাৰৰ কবিতাৰ ৰসাস্বাদনত নিশ্চয় সহায় কৰিব। চন্দ্ৰকুমাৰৰ একান্ত ব্যক্তিগত ভাব-অনুভূতি কেনেকৈ এক নৈৰ্ব্যক্তিক স্তৰলৈ উত্তৰণ ঘটিছে — জ্যোতিপ্ৰসাদৰ আলোচনাত সেইখিনিও স্পষ্টভাৱে প্ৰকাশ পাইছে।

**সহায়ক গ্ৰন্থ :**

সত্যেন্দ্ৰনাথ শৰ্মা (সম্পাঃ), জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ২য় সংস্কৰণ, ১৯৮৬।

# চন্দ্ৰকুমাৰৰ কবিতাত সুন্দৰৰ আৰাধনা আৰু মানৱতাৰ বন্দনা

তোৰেশ্বৰ চেতিয়া

প্ৰাচীন ভাৰতীয় সত্যম, শিৱম, সুন্দৰম' (সত্য-সুন্দৰ-মঙ্গলময়ৰ) সূত্ৰত মুখ্যতঃ আধ্যাত্মিকতাৰ দৰ্শন আৰোপ কৰিব বিচৰা হ'লেও তাক ঐহিক জীৱনৰ বাস্তৱতাতো প্ৰয়োগ কৰিব পৰা যায়। সত্যৰ ওপৰত মানৱ সমাজক প্ৰতিষ্ঠা কৰি জীৱনক সুন্দৰ আৰু মঙ্গলময় কৰাৰ কৃচ্ছ্ৰসাধনা কৰাৰ এক মহৎ অন্বেষণ কিয় আমাৰ পাথেয় হ'ব নোৱাৰে। 'সুন্দৰ' অথবা 'চিৰসুন্দৰ' অভিধাই সততে আমাক এক ভগৱৎ সম্পৰ্ক আনি দিয়া হয় বাবেই আমাৰ মাজত এক বিভ্ৰান্তিৰ সৃষ্টি হয়। গতিকে কবি চন্দ্ৰকুমাৰ আগৰৱালাই 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' বুলি 'সৌন্দৰ্যৰ আভাস একণিকা' বিচাৰি ফুৰোঁতে অথবা জ্যোতিপ্ৰসাদে 'সুন্দৰ যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে' বুলি কওঁতে আমি এক আধ্যাত্মিক অন্বেষণৰ আভাসকেই পাওঁ — তাত ঐহিক অন্বেষণৰ ভাব ক্ষীণ বুলিয়েই গণ্য কৰা হয়। তথাপি 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী'ৰ কবি চন্দ্ৰকুমাৰ আগৰৱালাক তেওঁৰ কাব্যত আধ্যাত্মিক অবলম্বন থাকিলেও সুন্দৰ সমাজ-জীৱন আৰু গভীৰ মানৱতা প্ৰীতিৰ বাবেই অসমৰ এজন সৰ্বকালৰ যথাৰ্থ সফল কবি আখ্যা দিব পাৰি।

কবি চন্দ্ৰকুমাৰে বাক্কস বোলা সংসোৰকেই কুটুম বুলি মানি লৈছে আৰু বিশ্বৰ মংগল নিদান তথা সৰ্বত্ৰতে শিৱময়তা কামনা কৰিছে—

যেন নেপাহৰো জীৱৰ জীৱন/বিশ্বৰ মংগল নিদান
যি কাম আগতে দেখো মই শিৱময়/সেয়ে মোৰতো প্ৰমাণ।

(জীৱন উচ্ছ্বাস)

ইংৰাজ কবি কীটছে প্ৰেমতেই সৌন্দৰ্য্য আৰু সৌন্দৰ্য্যতে প্ৰেম দেখাৰ দৰে প্ৰেমক মৃত্যুঞ্জয়ী, সংসোৰৰ স্পৰ্শমণি আৰু 'প্ৰেমেই যে শক্তি জগতৰ' বুলি মন্তব্য প্ৰকাশ কৰিছে (শান্তি)। কবিয়ে 'শিৱময় মানুহৰ সংসাৰ আশ্ৰয়' জ্ঞান কৰি এই মানৱ হৃদয়তেই সুখৰ ভঁৰাল বিচাৰি পাইছে। এই দেশ আৰু এই জীৱনকেই ঈশ্বৰ-সত্য-শিৱ-সুন্দৰৰ প্ৰকাশ কবিয়ে দেখা পাইছে —

সুন্দৰৰো সুন্দৰ ই দুনিনীয়া দেশ
যতনৰ আনন্দৰ শুৱনি আৱেশ।
জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ। (সত্য তুমি, শিৱ তুমি অসীম সুন্দৰ)

কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ মতে, আমাৰ জীৱন আৰু সমাজৰ আমিয়েই গঢ় দিওঁতা। এই জগতৰ ভঙা-গঢ়া আমিয়েই কৰিব পাৰো। হিংসা, দ্বেষ, প্ৰেম-প্ৰীতি আমাৰেই সৃষ্টি। বিকটালেই মুখ বিকৃত হোৱাৰ দৰে ভালভাৱে চালেই বিশ্বখন ভাল আৰু সবাতো সুন্দৰ হ'ব পাৰে (বিশ্বভাৱৰীয়া)। কবিৰ নিজা অকিঞ্চন হৃদয়ে কেৱল বিচাৰে সুন্দৰ জীৱন। সেয়ে তেওঁৰ হৃদয়-উজৰা আশীৰ্বাদ — 'সুন্দৰ মুখৰদৰে সুন্দৰ জীৱনৰ বাবে' (আশীৰ্ব্বাদ)। সংসাৰ সুখৰ প্ৰতি আধ্যাত্মিক অনীহা কবি চন্দ্ৰকুমাৰৰ নাই। কবিৰ মতে, জীৱনৰ আশে-পাশেও উফৰি ফুৰিছে স্বপ্নৰ সুখ আৰু মৰম লাহৰী। চাব জানিলে সুন্দৰ জগতখন চকুৰ আগতেই দেখা পোৱা যায়। গতিকে সংসোৰৰ সুখ এৰি বৈৰাগ্য বা সন্ন্যাসৰ আশ্ৰয় ল'বলৈ কবিয়ে হাক দি লিখিছে —

স্বপ্ন গুচি এয়ে সচাঁ চকুৰ আগত
যদি চাব জানা এই সুন্দৰ জগত
চোৰা যেন চোৰা হেৰা জিলিগুনি মৰা
সংসাৰৰ সুখবোৰ উৰি উৰি ফুৰা
নথে মাটিলেখা খোজে তলমূৰ হৈ
নুফুৰিবা পৃথিৱীত পখিলা নেচাই। (সুখগীত)

নম্ৰ কবি চন্দ্ৰকুমাৰে নিজৰ নিস্বতা উপলব্ধি কৰে। তেওঁ সুন্দৰৰ উপাসক হ'লেও নিজকে তেওঁ সুন্দৰ বুলি নাভাৱে, বৰং অসুন্দৰ জ্ঞানহে কৰে। সেয়ে জুহ্বীৰ প্ৰভাৱত বিষাক্ত হলাহলো জীৰ্ণকৰী হোৱাৰ দৰে কবিয়ে প্ৰশ্নাৰ্থক আশা প্ৰকাশ কৰিছে—

বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ
আৰাধি সুন্দৰ হায় হ'ম নে সুন্দৰ? (সুন্দৰ)

উদাৰ কবিৰ দৰ্শন হ'ল সৰ্বমংগলম। সবাৰে হিত সাধন হ'ল কবিৰ লক্ষ্য মুখ্যম। প্ৰেমৰ মানৱী উছৰ্গাৰে তেওঁ সাধিব খোজে সবাৰে কল্যাণ। গতিকে কবিয়ে বুকু উজাৰি প্ৰকাশ কৰিছে—

সবাওৰো হিতত আৰাধোহো নিতে
প্ৰেমৰ থাপনা পাতো
মানৱী জনম উছৰ্গি সবাৰো
ভজো মানৱী চৰণ (বীণ-ব'ৰাগী)।

কবিৰ বাবে সকলো আপোন, কেও পৰ নহয়। গতিকে কবিয়ে বন্ধুগণক স্বাৰ্থত মগন নাথাকি দুখিতজনৰ দুখ-ভাৰ পাতলাবলৈ কাকুতি কৰিছে। নিজৰ সুখ-দুখক তুচ্ছজ্ঞান কৰি মানৱী জনমত পৰম আপোন কৰি পৰৰ হিত সাধিবলৈ কবিয়ে বিনীত আবেদন জনাইছে। কাৰণ —

কেও নোহে পৰ মানুহ তোমাৰ
কুটুমে কুটুমে যে ভৰা সংসাৰ। (কেও নোহে পৰ)

তদনুৰূপ মহামহত্ত্বৰ অধিকাৰী মানুহে সৌন্দৰ্য্যৰ সৈতে সম্বন্ধ পাতি শ্ৰেয়ৰ লগত প্ৰেয়ৰ যোৰা পাতি সংসাৰৰ ধন-সোণৰ সলনি পৰৰ লাভলৈ চাবলৈ আৰু নিজৰ কথাখিনি দুখীয়াৰ বাবে বিলাই দি সংসাৰী সুখ লভিবলৈ কবিয়ে সবিনয়ে আহ্বান জনাইছে—

শ্ৰেয়ৰ লগত নিছিগা সূত্ৰেৰে/বান্ধিম আত্মাক মোৰ
সৌন্দৰ্যৰ সৈতে সম্বন্ধ পাতিম/শ্ৰেয়ৰে প্ৰেয়ৰে যোৰ।
(বীণ-ব'ৰাগী)

কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ দৃষ্টিভংগী সম্পূৰ্ণ ভাববাদী বুলিব নোৱাৰি। মানুহক ভালপোৱাৰ প্ৰত্যাহ্বানত কবিয়ে ঈশ্বৰ নুবুলি নিয়তিক সম্বোধন কৰি লিখিছে যে যদিও নিয়তিয়ে কবিৰ হৃদয় শিলত পিহিছে আৰু দুখৰ অগ্নিকুণ্ডত কবিৰ আশা-বাসনা চুৰ্ণমে কৰি দিছে, তথাপি কবিৰ মানৱপ্ৰেম অজেয় আৰু অপ্ৰতিৰোধ্য। গতিকে কবিয়ে নিয়তিৰ সকলো বাধা নেওচি প্ৰসাৰিত আৰু প্ৰস্ফুটিত কৰি দিছে প্ৰেম-প্ৰীতি-অনুৰাগৰ প্ৰতীতি —

চাওঁতে চাওঁতে উপচি পৰিল
ফুলে পাতে (মোৰ) কুঞ্জলতা
স্নিগ্ধ প্ৰেমৰ জীৱনদায়িনী
শাখা-প্ৰশাখা যুতা
সহস্ৰ হৃদয় জিৰাব ইয়াতে
ফুলিব মৰুৰ মাজে
য'ত নাছিল
একোৰেই কঠুৱাকালৰ
কাঁইট কলিত বাজে। (অজেয়)

চন্দ্ৰকুমাৰৰ কবিতাৰ মুখ্য আকৰ্ষণ হ'ল গভীৰ মানৱতাবাদ। মানুহৰ প্ৰতি প্ৰেম আৰু মানৱ প্ৰেমৰ প্ৰসংগ তেওঁৰ কবিতাৰ মুখ্য উপজীব্য। অধ্যাত্মবাদ অৱলম্বন হ'লেও মানৱিকতাবাদ চন্দ্ৰকুমাৰৰ কবিতাৰ মুখ্য লক্ষ্য। ভাৰতৰ প্ৰাচীন আৰু মধ্যযুগৰ মূল দৰ্শন ভগৱৎবাদৰ বিপৰীতে ইউৰোপীয় নৱজাগৰণৰ মানৱতাবাদ আৰু ভাৰতৰেই চণ্ডীদাসৰ 'সবাৰ ওপৰে মানুহ শ্ৰেষ্ঠ' আৰু ৰবীন্দ্ৰনাথৰ 'এই ভাৰতৰ মহামানৱ'ৰ পূজাৰ দৰ্শনে চন্দ্ৰকুমাৰক প্ৰভাৱিত কৰিছিল।

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মানৱ-বন্দনা' অসমীয়া সাহিত্যৰ উৎকৃষ্টতম মানৱতাবাদী

কবিতা। এই কবিতাটোৰে কবি আলেকজেণ্ডাৰ পোপৰ সেই বিখ্যাত উক্তি ফাঁকি "The proper study of mankind is man" (know then thyself) লৈ মনত পেলায়। কবিৰ মতে, মানৱী কৰ্মবেই মানৱী জনম উঠুৱাই দিব লাগে, মানুহে মানুহৰ মৰম বুজিব লাগে আৰু মৰমতেই থাকে মানুহৰ ধৰ্ম। কবিৰ বিশ্বাস যে মানুহেই মানুহৰ সঙ্গ, পৃথিবীয়েই মানুহৰ নিজা ঘৰ আৰু ই স্বৰ্গতো অধিক। এই পৃথিবীত মানুহতকৈ শ্ৰেষ্ঠ কোনো দেৱতা নাই। সেয়ে পূজা-অৰ্ঘ্য লৈ মানৱৰেই জয়গান গাব লাগে—

'মানুহেই লগ মানুহেই সঙ্গ/মানুহেই পৰোৎপৰ
এইযে পৃথিবীৰ স্বৰ্গতো অধিক/মানুহৰ নিজাপি ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ/মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা পাদ্য-অৰ্ঘ্য লই/জয় জয় মানৱ দেৱ।'

(মানৱ-বন্দনা)

মৰতপ্ৰেমী কবি চন্দ্ৰকুমাৰে কোনেও নজনা স্বৰ্গৰ কথা সুধিব খোজা নাই। আপোন হৃদয়তেই তেওঁ বিচাৰি পাইছে চিনাকি সৰগ। ৰূপকথাৰ 'তেজীমলা' কবিতাটো কবি চন্দ্ৰকুমাৰে মানুহৰ চোতালত ফুটা মাধুৰী তেজীমলাক মানুহে চিনি নাপাই মোহাৰি পেলাই দেখুওৱা নিমৰমিয়াল ব্যৱহাৰত গভীৰ ক্ষোভ প্ৰকাশ কৰিছে।। কবি ৱৰ্ডছৱৰ্থে গভীৰ খেদ প্ৰকাশ কৰাৰ দৰে 'Have I not reason to lamen what man has made of man.' তথাপি কুচক্ৰী জাল পাতিলেও মানুহৰ আও-ভাও আৰু মৰম ৰব ভাল লগাৰ কথা কবিয়ে তেজীমলাৰ যোগেদিয়েই প্ৰকাশ কৰিছে —

মানুহৰ নাও মানুহৰ ভাও
দেখি যে লাগিছে ভাল
মানুহৰ মিঠিৰ ৰব মৰমৰ
পাতিছে কিহৰ জাল? (তেজীমলা)

'বীণ-ব'ৰাগী' হ'ল কবি চন্দ্ৰকুমাৰ আগৰৱালা এটা অতি উত্তম কবিতা। ড° নগেন শইকীয়াৰ মতে, 'বীণ-ব'ৰাগী'ত চন্দ্ৰকুমাৰৰ কাব্য-চেতনাৰ আটাইকেইটা দিশে প্ৰকাশ লাভ কৰিছে। মানৱিকতাবাদ তেওঁৰ ইয়াত লক্ষ্য, আধ্যাত্মবাদ অৱলম্বন। ... 'বীণ-ব'ৰাগী'ৰ বৰাগী হ'ল মানুহৰ মাজত থকা ঈৰ্ষা-অসূয়া আৰু উচ্চ-নীচৰ ভেদা-ভেদ দেখি ব্যথিত হোৱা কবি আৰু বীণ হ'ল তেওঁৰ অন্তৰ বীণ। বীণ-ব'ৰাগী শব্দটো অসমীয়া লোক জীৱনৰ লগত গভীৰ ভাৱে যুক্ত। তদুপৰি বীণাৰ সুৰত থকা কোমলতা আৰু কাৰুণ্যৰ ব্যঞ্জনাও। এহাতে পশ্চিমৰ পৰা অহা উদাৰ মানৱীয়তাবাদৰ আৰু আনহাতে, পুবৰ অধ্যাত্মবাদৰ — এই দুয়োটা ভাবাদৰ্শই 'বীণ-ব'ৰাগী'ত এটি সমন্বিত ৰূপ লাভ কৰিছে। এহাতে এক বৈপ্লৱিক চেতনা, আনহাতে এক আধ্যাত্মিক দৃষ্টিকোণ। একালে কাৰুণ্য আৰু আনফালে মানুহৰ ওপৰত গভীৰ আস্থা 'বীণ-ব'ৰাগী'ত প্ৰকাশ পাইছে (কবিতা আৰু চন্দ্ৰকুমাৰৰ কবিতা)।

বৈৰাগীৰূপী ব্যথিত কবিয়ে কৈছে যে মানুহৰ দুখ বুকুত সুমুৱাই অমৃতৰ ধাৰাৰে শান্তি ছটিয়াই মনৰ সন্তাপ দূৰ কৰি লৈছে আৰু একৰ দুখক এশত ভগাই তেওঁৰ মনৰ দুখৰ ভাৰ পাতলাই লৈছে—

মানুহৰ দুখ বুকুত সুমুৱাই/লইছা যতন কৰি
অমৃতৰ ধাৰা শান্তি ছটিয়াই/লইছা সন্তাপ হৰি।
একৰ দুখক এশত ভগাই/পাতলোৱা দুখভাৰ
মানুহ প্ৰাণৰ এশসুঁতি আমি/বোওৱা একেটি ধাৰ। (বীণ-ব'ৰাগী)

মানৱতাবাদী কবি চন্দ্ৰকুমাৰৰ দুখীয়া নিচলাৰ প্ৰতি গভীৰ অনুকম্পা প্ৰকাশ পাইছে। দুখীয়া-নিচলাক দেখি বৰলোকে ঘিৰোৱা আৰু ধন-সোণ সাঁচি ধৰমজ্ঞান এৰা আৰু বলীৰ ভয়ত নিঃকিনে কোঁচ-মোচ খাব লগা অৱস্থা দেখি ক্ষোভিত হোৱা কবিৰ মনত যেন শ্ৰেণী ভেদাভেদৰ চেতনাই পৰোক্ষভাবে প্ৰকাশ পাইছে। মানুহৰ মাজত হোৱা দ্বন্দ্ব-কন্দল, কুটুমৰ মাজতেই ৰক্তপাত হোৱা, ধৰ্মৰ নামত অধৰ্ম কৰি, ধনৰ লোভত পাপৰ বেহা পাতি, অমৃতৰ সন্তান মানুহে বিষাক্ত হলাহল পান কৰি জটিল কুটিল চক্ৰান্তৰে পৃথিৱীক পাপৰ ঠাই কৰি পেলোৱাত মানৱপ্ৰেমী কবি অতি মৰ্মাহত হৈছে আৰু তাৰ বাবে গভীৰ দুখ প্ৰকাশ কৰিছে—

"কুটুমেই বান্ধে, কুটুমেই বান্ধে/কুটুমেই কুটুমক খায়
কুটুমৰ তেজেৰে বন্তি জ্বলালে/মজিয়া ভকেভকায়।
মানুহৰ তেজ শুহি শুহি খায়/মানুহ ৰাক্ষসে চোৰা
চোকা চোকা মাতে বিন্ধে প্ৰাণটোকে/নুবুজে আনৰ হিয়া।" (ঐ)

পিছে, নিঃকিনৰ দুৰ্দশা দেখি, দুৰ্বলীৰ ওপৰত অত্যাচাৰ প্ৰত্যক্ষ কৰি, মান-সম্ভ্ৰম-সম্পদৰ অহংকাৰ দেখি কবি ব্যথিত হ'লেও হতাশা-নিৰাশা অথবা ভীতিগ্ৰস্ত হোৱা নাই। ধনী সম্পদশালীৰ কৃপাভিক্ষা অথবা দুৰ্জন-পাপীইতৰ দানো কবিয়ে বিচৰা নাই। বৰঞ্চ কবিয়ে শক্তি থকা হ'লে এই মদগৰ্বীইতৰ গৰ্বৰ হিমালয়চূড়া ভাঙি পেলালোহেঁতেন আৰু এই দুৰাত্মাইতৰ পাপৰ মজিয়া অথাই সাগৰত বুৰাই দিলোহেঁতেন। চন্দ্ৰকুমাৰৰ এনে বিপ্লৱীভাৱে বিদ্ৰোহী ইংৰাজ কবি শ্যেলীৰ বিপ্লৱী ভাবে বিদ্ৰোহী ইংৰাজ কবি শ্যেলীৰ বিপ্লৱী কবিতালৈ মনত পেলাই দিয়ে - য'ত কবিয়ে মৰহাপাত, ক্ষিপ্ৰ ডাৱৰ, সমুদ্ৰৰ ঢৌ অথবা শৈশৱলৈ উভতি গৈ মুক্ত আৰু সবল হৈ শক্তি আহৰণ কৰিব বিচাৰিছে এইদৰে—

"If I were a dead leaf thou mightest bear,
If I were a swift cloud to fly with thee
A wave to pant beneath thy power, and shore
The impuls of thy strength ...

If even I were as in my boyhood and could be
The comrade of thy wandering over heaven.
(Ode to the west wind)

বিপ্লৱী ভাবাপন্ন কবি চন্দ্ৰকুমাৰেও তদ্ৰূপভাৱেই লিখিছে—

আঙুলি বুলাব জনা হ'লে আজি/পেলালোহেঁতেন টানি
হিমালয় চূড়া বুৰালোহেঁতেন / উছালি কলীয়া পানী।
পাপৰ মজিয়া নিয়ালোহেঁতেন / আথাই সাগৰৰ তল
ব্ৰহ্মাণ্ডৰ চিন থাকিলেহেঁতেন / মাথোঁ সমুদ্ৰৰ জল। (ঐ)

কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ দৃষ্টিভঙ্গী সৰ্বদাই ইতিবাচক আৰু তেওঁৰ মানসিকতাও সৃষ্টিশীল। আমাৰ সমাজৰ ভয়ানক শ্ৰেণী - বৈষম্য অৱলোকন কৰিলেও কবিৰ শ্ৰেণী চেতনা হয়তো সিমানেই বৈজ্ঞানিকভাৱে তীক্ষ্ণ নাছিল। গতিকে কবি চন্দ্ৰকুমাৰে শ্ৰেণী-সংগ্ৰামেৰে ধনী - দুখীয়াৰ সমস্যা সমাধানৰ পথৰ প্ৰতিও হয়তো অৱগত নাছিল। সেয়ে পৃথিৱীৰ মান - অপমান আৰু দুখ-লাজ-ভয় গুচাই নতুন সৃষ্টিৰ বাবে কবিয়ে জগৎস্বামীৰ ওচৰতেই শৰণাপন্ন হৈছে—

মান অপমান ঢৌবাই যাওক / পৃথিৱীৰ পৰা গুচি
নতুন সৃষ্টিৰ অৰুণ কিৰণে / কৰোক সকলো শুচি
দুখ-লাজ-ভয় নাথাকিব আৰু / নতুন জগত সিটো....
দুখ-দূৰ কৰি জগত উদ্ধাৰ / কৰাহে জগৎস্বামী। (ঐ)

সন্মুখত দুখীয়াৰ দুখ গুচোৱা আৰু ধনীৰ অত্যাচাৰ দূৰ কৰাৰ কোনো বৈপ্লৱিক পথ নেদেখি নিৰুপায় হৈ জগৎস্বামীৰ আশ্ৰয় ক্ষন্তেকলৈ ল'লেও বাস্তৱবাদী কবি চন্দ্ৰকুমাৰে কোনো স্বৰ্গ আৰু দেৱ-দেৱীৰ আশ্ৰয় ল'ব খোজা নাই। বৰঞ্চ মানুহ আৰু পৃথিৱীপ্ৰেমী কবি মাটিৰ মৰতলৈ নামি আহিছে। গতিকে কবিৰ বাবে পৃথিৱী স্বৰ্গতো অধিক প্ৰিয়। এই পৃথিৱীয়েই মানুহৰ নিজা ঘৰ। ইহজগতৰ মানুহেই দেৱতা সদৃশ। গতিকে মানুহৰ প্ৰীতিসাধনেই আৰু মানুহক সন্তুষ্ট কৰাই হ'ব লাগে আমাৰ মোক্ষম সাধনা।

দেখিছো পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ,
মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰোৎপৰ।

মাটিৰ প্ৰেমিক কবি চন্দ্ৰকুমাৰৰ চেতনা সঁচাই অভিনৱ। ভাৰত তথা অসমৰ দৰে বিজ্ঞান-প্ৰযুক্তিৰ বিকাশ নঘটা পশ্চাৎপদী পৰিৱেশত চন্দ্ৰকুমাৰৰ সমকালীন অনেকেই যেতিয়া স্বৰ্গ-দেৱলোক আৰু আত্মা-পৰমাত্মাৰ ভাবাবেগত মজি আছিল সেই সময়তো কবি চন্দ্ৰকুমাৰে আপোন ভাববাদী সীমাবদ্ধতাৰ ভালেখিনি উৰ্দ্ধত উঠি পৃথিৱীৰ পৰা

স্বৰ্গাগমন নহয়, স্বৰ্গকহে পৃথিৱীলৈ নমাই আনিব লাগে অৰ্থাৎ মাটিৰ পৃথিৱীকে সৰগ বিনন্দীয়া কৰি তোলাৰ সবল বাসনা প্ৰকাশ কৰিছে—

পৃথিৱীক তোলা স্বৰ্গৰ থাপলৈ/স্বৰ্গক নমাই আনা
সৰগ নহয় দূৰ-দূৰণিৰ / বাহিৰবো নোহে জানা। (ঐ)

জীৱন-জগত আৰু আপোন প্ৰাণৰ ব্যথা-বেদনা, চিন্তা-ভাৱনা, দ্বন্দ্ব-আলোড়নৰ নিৰ্যাসেৰে পৰম আশাবাদী। মানুহ আৰু পৃথিৱীৰ গভীৰ প্ৰেমিক কবি চন্দ্ৰকুমাৰ আগৰবালাই মানুহ আৰু বিশ্বপ্ৰেমৰ মহত্ত্বত বিভোৰ হৈ পৰিছে। মানৱ মংগলৰ বাবে কবিয়ে নিজকে সভক্তিৰে উছৰ্গাও কৰিছে।

কবি চন্দ্ৰকুমাৰে অৱশ্যে সমাজৰ অপায়-অমংগল-অসত্য-অসুন্দৰতা দূৰ কৰাৰ বাবে সকলো শুভ শক্তিৰ ঐক্যবদ্ধ সবল সংগ্ৰামৰ প্ৰত্যাশা তেওঁৰ কবিতাত সণ্টালনীকৈ প্ৰকাশ কৰিব নোৱাৰিলেও তেনে পথৰ সন্ধান একেবাৰে নোপোৱা বুলি ক'ব নোৱাৰি। 'সেৱা লহৰী' নামৰ ল'ৰা-ছোৱালীৰ গানৰ কবিতাটোত তাৰ আভাস পোৱা যেন লাগে। ল'ৰা-ছোৱালীহঁতে তেওঁলোকৰ ক্ষুদ্ৰ শক্তিৰেই বজ্ৰমুঠি বান্ধি দুখীৰ দুখত দুখী আৰু সমূহৰ সুখত সুখী হৈ বিশ্বক মহান কৰিবলৈ সকলো দুখ-কষ্ট সহ্য কৰি কাজু বা কৰ্মী হৈ একতাৰ ডোলেৰে বান্ধখাই মিলনেৰে সংগ্ৰাম কৰাৰ অঙ্গীকাৰ প্ৰকাশ কৰাৰ মাজতেই কবিৰ তেনে চেতনাৰ উমান পোৱা যায়।

'বীণ-ব'ৰাগী'ত প্ৰাচ্য-পাশ্চাত্য, লৌকিক ৰহস্যবাদ, মানৱতাবাদ-আধ্যাত্মবাদ, বৈপ্লৱিক চেতনা আদিৰ অভূতপূৰ্ব আৰু অনুপম সংযোগ স্থাপন হৈছে। চন্দ্ৰকুমাৰ আশাবাদী কবি, মানুহৰ কবি, মানৱতাৰ কবি। মানুহক দেৱতাৰূপে গঢ়ি তুলি পৃথিৱীক স্বৰ্গ সদৃশ গঢ়ি তোলাই তেওঁৰ লক্ষ্য আছিল। কেৱল সুন্দৰৰ সপোন দেখি তেওঁ বিভোৰ-বিভোল হৈ থকা নাই। মানুহক সুন্দৰ কৰি দেৱতাৰ শাৰীত প্ৰতিষ্ঠা কৰাহে মুখ্য উদ্দেশ্য। সুন্দৰৰ আৰাধনা আৰু মানৱতাৰ বন্দনাৰ আদৰ্শৰ অনুশীলন কৰি চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক উল্লেখযোগ্য উৎকৃষ্ট অৱদান দি থৈ গ'ল।

# চন্দ্ৰকুমাৰৰ কবিতাৰ শব্দ-সম্ভাৰ

ড° মায়াশ্ৰী গোস্বামী মহন্ত

অসমীয়া সাহিত্যৰ ইতিহাসত এটি যুগৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা আলোচনী সমূহৰ ভিতৰত অন্যতম আলোচনী 'জোনাকী'ৰ প্ৰথম গৰাকী সম্পাদক তথা অসমীয়া সাহিত্যত গীতি-কবিতাৰ প্ৰকৃত প্ৰবৰ্ত্তক, জোনাকী যুগৰ সাহিত্যিক আন্দোলনৰ অন্যতম কাণ্ডাৰী চন্দ্ৰকুমাৰ আগৰৱালা আছিল সমকালৰ তথা সৰ্বকালৰ এগৰাকী শ্ৰেষ্ঠ কবি সাহিত্যিক। আগৰৱালাদেৱে ১৮৮৯ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সহযোগত 'জোনাকী' কাকত প্ৰকাশ কৰাৰ পিছত ১৯১৮ চনত 'অসমীয়া' নামৰ এখন সাপ্তাহিক বাতৰি কাকত প্ৰকাশ কৰি উলিয়ায়। এই কাকতেই পৰৱৰ্তী কালত তিনিদিনীয়া আৰু দৈনিক ৰূপত প্ৰকাশিত হৈ পাছত কাকতখনিৰ প্ৰকাশ বন্ধ হয়। সাহিত্যৰথীৰ দ্বাৰা সম্পাদিত 'বাঁহী' আলোচনীখনো চন্দ্ৰকুমাৰে শেষৰ তিনিবছৰ নিজা ছপাশালত প্ৰকাশ কৰিছিল।

'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' শীৰ্ষক গীতি-কবিতাটোকেই আধুনিক অসমীয়া কবিতাৰ শুভাৰম্ভ কৰা হৈছিল। মূলতঃ 'জোনাকী'ত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰৰ গীতি-কবিতা সমূহেই অসমীয়া গীতি-কবিতাৰ পৰম্পৰা সৃষ্টিত সহায় কৰে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। 'জোনাকী'ত প্ৰকাশ পোৱা আৰু পৰৱৰ্তী কালত প্ৰকাশিত কবিতাৰ প্ৰথম সংকলনটিয়েই হ'ল 'প্ৰতিমা'। উক্ত পুথিৰ সমালোচনা প্ৰসংগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে যথাৰ্থতে কৈছে — "প্ৰতিমাখন সৰু, কিন্তু দিঠাক সোণৰ।" এই সৰু বাক্যটিৰ মাজতে 'প্ৰতিমা'ৰ সঠিক মূল্যায়ন কৰিছে বুলি ড° নগেন শইকীয়াদেৱে কৈছে। 'প্ৰতিমা' প্ৰাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰে বিকশিত এধাৰি ফুলৰ মালা। দুকুৰি ছটা কবিতাৰে সমৃদ্ধ 'প্ৰতিমা'ৰ প্ৰকাশ (১৯১৩ চন)ৰ পাছত চন্দ্ৰকুমাৰৰ দ্বিতীয়খন কবিতাৰ সংকলন 'বীণ-বৰাগী' (১৯২৩ চন) প্ৰকাশিত হয়। 'বাঁহী'ত প্ৰকাশ হোৱা বাৰটা কবিতাৰ সমষ্টিয়েই হ'ল 'বীণ বৰাগী'। চন্দ্ৰকুমাৰৰ অসংকলিত হৈ থকা আৰু ১৭ টি কবিতাৰ লগত চন্দ্ৰকুমাৰৰ চিঠি কেইখনমান আৰু দুটামান সৰু গদ্য ৰচনা 'চন্দ্ৰামৃত' নামেৰে একত্ৰ সংকলন কৰিছিল প্ৰয়াত অতুল চন্দ্ৰ হাজৰিকাই। পৰৱৰ্তী কালত 'জোনাকী'ত সিঁচৰতি হৈ থকা আৰু ওঁঠা কবিতাসহ মুঠ ৭১টি কবিতাৰ এটি সংকলন ড° নগেন শইকীয়াই "চন্দ্ৰকুমাৰৰ কবিতা সম্ভাৰ" নামেৰে ১৯৯৩ চনত প্ৰকাশ কৰে।

আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম যুগৰ সৰ্বশ্ৰেষ্ঠ কবি ৰূপে প্ৰতিষ্ঠিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক ভাবাদৰ্শৰ প্ৰভাৱ সুস্পষ্ট যদিও ভাৰতীয় চিন্তাৰ প্ৰভাৱেৰেও তেওঁ অনুপ্ৰাণিত। প্ৰকৃতিৰ সৌন্দৰ্য আৰাধনা কৰোঁতে

কবিক ভাৰতীয় চিন্তাই স্পৰ্শ কৰি গৈছে। চন্দ্ৰকুমাৰৰ কবিতাত আমাৰ চিনাকি অচিনাকি চৰাই চিৰিকতি, গছ-বিৰিখ, জুৰ বতাহ, যখিনী কন্যা আদি বিভিন্ন উপাদানৰ সমাবেশ ঘটিছে। আগৰৱালাদেৱৰ কবিতা সমূহ অধ্যয়ন কৰিলে আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত কথিত লিখিত অনেক শব্দ সম্ভাৰ প্ৰয়োগ ঘটা দেখিবলৈ পোৱা যায়। বিৰোৰ উপমা দি তেওঁ অলংকাৰ বা কল্পচিত্ৰ নিৰ্মাণ কৰিছে তাৰ প্ৰতিটোৰ মাজেদি ফুটি উঠিছে সৌন্দৰ্য্যৰ অপৰূপ প্ৰকাশ। যদিও কেৱল সৌন্দৰ্য্য সৃষ্টি কৰাৰ বাবে তেওঁ কবিতা ৰচনা কৰা নাছিল তথাপি তেওঁৰ কবিতাত তেওঁৰ অনুভৱৰ লগতে সৌন্দৰ্য্য চেতনাও অঙ্গাঙ্গীভাৱে সংযুক্ত। প্ৰকৃতিৰ বাহ্যিক সৌন্দৰ্যত চন্দ্ৰকুমাৰ আপ্লুত হৈ পৰিছে। "সুন্দৰৰ আৰাধনাই জীৱনৰ খেল" — এই বাক্যটিৰেই চন্দ্ৰকুমাৰে অসমীয়া সাহিত্যত ৰমন্যাসবাদ বা ৰোমাণ্টিক ভাবাদৰ্শক যথাযথৰূপে প্ৰতিষ্ঠা কৰে। সংখ্যাত সীমিত হ'লেও 'প্ৰতিমা' আৰু 'বীণ-বৰাগী' এই দুখন কবিতা পুথিয়ে চন্দ্ৰকুমাৰৰ উচ্চ কবি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

অসমীয়া সাহিত্যৰ সৰ্বকালৰ শ্ৰেষ্ঠ কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ শব্দ সম্ভাৰ তৎসম, তদ্ভৱ, যুৰীয়া শব্দ, জতুৱা শব্দ, বিদেশী শব্দ, পুৰণি অসমীয়া শব্দ, সাজি লোৱা শব্দ, যৌগিক ক্ৰিয়া আৰু আলংকাৰিক প্ৰয়োগেৰে পুষ্ট। আলোচনাৰ সুবিধাৰ বাবে তলত বিভাজন কৰি দেখুৱা হ'ল —

**তৎসম শব্দ ঃ**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা পুথি দুখনৰ সৰহ সংখ্যক শব্দই তৎসম শব্দ। যেনে তৎসম শব্দ কেইটামান হ'ল — ব্যাকুল, বিশ্বাস, অমৃত, প্ৰকৃতি, হিল্লোল, ৰহস্য, আকাঙ্ক্ষা, শূন্য, স্মৃতি, স্নেহ, স্বৰ্গ, আত্ম, মগ্ন ইত্যাদি।

'প্ৰতিমা' শীৰ্ষক কবিতাটোৰ প্ৰথম স্তৱকটো এইদৰে আৰম্ভ হৈছে —

হৃদয়ৰ মন্দিৰত লুকুৱা প্ৰতিমা
ভাষা নাই কি ৰূপে বুজাওঁ।
আগন্তুক সহস্ৰ চকুৰ অনুৰোধ
শক্তি নাই কি ৰূপে এৰাওঁ?

(প্ৰতিমা)

এই স্তৱকটিত ব্যৱহাৰ হোৱা শব্দবোৰৰ ভিতৰত দহোটাই তৎসম শব্দ।

**তদ্ভৱ শব্দ ঃ**

আগৰৱালা দেৱৰ কবিতাত তদ্ভৱ শব্দৰ প্ৰয়োগো মনকৰিবলগীয়া। যেনে —

অকলই উৰি ফুৰে প্ৰাণৰ পখীটি
কল্পনা বিহাৰী নিৰঞ্জন আকাশেদি।

(অকলশৰীয়া)

ইয়াৰ অকলহি, আৰু নিৰজন শব্দ দুটা তদ্ভৱ শব্দ। আন কেইটামান তদ্ভৱ শব্দ হ'ল মগন, শতুক, সৰগ, ৰতন, পৰাণ, বিঘিনি, আতমা, একণ ইত্যাদি।

**যুৰীয়া শব্দ ঃ**

জুমি-জুমি, ভঙা-পতা, দুখ-তাগৰ, হঁয়া-বাজি, লাজ-শান্ত, বাহু-লতা, হৰা-জিকা আদি অনেক যুৰীয়া শব্দৰ প্ৰয়োগ আগৰৱালা দেৱৰ কবিতাত বিদ্যমান।

ভঙা-গঢ়া, সজা-পতা, হৰা-জিকা যুঁজ,
দিনে ৰাতি হাঁহি কান্দোনৰ ৰোল।
(সংশয় ৰহস্য)

উদ্ধৃত কবিতা কলিটিৰ ভঙা-পতা, সজা-পতা, হৰা-জিকা যুৰীয়া শব্দৰ নিদৰ্শন।

**জতুৱা শব্দ ঃ**

চন্দ্ৰকুমাৰৰ কবিতাত জতুৱা শব্দৰ প্ৰয়োগো মনকৰিবলগীয়া। যেনে — টিমিলমিলোৱা, কুটিমুটি ইত্যাদি।

টিমিলমিলাইছে হৃদয়ৰ ওপৰত
আশাৰ কলিত মান।
(শতদল)

কুটিমুটি আত্মাৰ দুৰ্বল হৃদয়
নিষ্ঠেন একেৰি আতাস।
(প্ৰতিমা)

**বিদেশী শব্দ ঃ**

আগৰৱালাদেৱৰ কবিতাত বিদেশী শব্দৰ প্ৰয়োগ বৰ বেছি নাই। তেনে এটি বিদেশী শব্দ হ'ল — আৰাম। যেনে —

আৰাম কৰিবৰ বুলে বিশ্ৰাম পাতিত
পাতিলো সুখৰ জকনা।
(জীৱন-উচ্ছ্বাস)

**পুৰণি অসমীয়া শব্দ ঃ**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সিঁচৰতি হৈ থকা পুৰণি অসমীয়া শব্দ কেইটামান হ'ল — ৰবে, ঝাহিলোঁ, আলিলি, পৰিহৰে, ভূলোক, মৰ্ত্যলোক, ক্ৰীড়িছ, পৰাণিৰ ইত্যাদি।

বিভাৱে দেখিৱা এই সংসাৰ ভাৱনা
সেই ভাৱে পৰাণিৰ তোমাৰ জীৱন।
(বিশ্ব ভাৱৰীয়া)

**যৌগিক ক্ৰিয়া ঃ**

আগৰৱালাদেৱৰ কবিতাৰ দুটি যৌগিক ক্ৰিয়াৰ ৰূপ হ'ল — টিপমৰা আৰু লেখলেখো। উদাহৰণ —

যুঁজি চাই ৰাক্ষসেৰে পাৰোঁ যদি উঠো
বুলি, খুৰি টিপ মাৰিছোঁ।
(জীৱন উচ্ছ্বাস)

**সাজি লোৱা শব্দ ঃ**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সাজি লোৱা শব্দৰ প্ৰয়োগৰ লক্ষণীয় বিষয়। তেনেধৰণৰ সাজি লোৱা শব্দ কেইটামান হ'ল — নিঃকুটুমীয়া, নিজৰণি, ভুমুকণি, এন্ধাৰ-চেমেলি, সুখশ্ৰী-প্ৰয়াসী, দাৰুণ লুণীয়া, একণিকা, জনপূৰ্ণ নিৰ্জন, শিৱময়, নুমলী কলিটি ইত্যাদি।

দাৰুণ লুণীয়া (সেই) অকুল পানীত
করুণ স্বৰ্গৰ ধাৰা।
(সীতা-সৰমা)

**আলংকাৰিক প্ৰয়োগ ঃ**

আগৰৱালাদেৱে যিবোৰ উপমা দি অলংকাৰ বা কল্পচিত্ৰ নিৰ্মাণ কৰিছে তাৰ প্ৰতিটোৰ মাজেদি ফুটি উঠিছে সৌন্দৰ্য্যৰ অপৰূপ প্ৰকাশ। উদাহৰণ —

ধেমালি খণ্ডৰ নৈ
মিঠা গাঁঠি খোপাটি।
(মাধুৰী)

আলংকাৰিক প্ৰয়োগৰ কেইটামান নিদৰ্শন হ'ল — মিঠা গাঁঠি খোপাটি, সাঁথৰ-ভাঙনি, ছয়া ময়া পেঁচটি, এধা-বন্ধা খোপাটি ইত্যাদি।

অসমীয়া ৰমন্যাসিক কবিতাৰ বৈভৱলৈ চকু দিলে দেখা যায় যে সেই বিষয়ৰ সাৰ্থক কবিতাবোৰত শব্দ-সংযোজনৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। অসমীয়া সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ ৰমন্যাসিক কবি চন্দ্ৰকুমাৰৰ কবিতাও সেই বৈশিষ্ট্যৰে সমৃদ্ধ। বিভিন্ন উৎসৰ পৰা বাচকবনীয়া শব্দৰাজি বুটলি আনি সুন্দৰৰ আৰাধক কবি চন্দ্ৰকুমাৰে কবিতাৰ কৰণি সজাই তুলিছে। সেয়ে তেওঁৰ কবিতা ৰোমাণ্টিক চেতনা সমৃদ্ধিত শব্দ-সম্ভাৰে উপযুক্ত অবিহণা যোগাইছে। আমাৰ এই চমু নিবন্ধত সেই দিশটোৰ প্ৰতি আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে।

**গ্ৰন্থপঞ্জী ঃ**

১. ড° নগেন শইকীয়া — *চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ।*
২. ড° হেমন্ত কুমাৰ শৰ্মা — *অসমীয়া সাহিত্যৰ বুৰঞ্জী।*
৩. ড° সত্যেন্দ্ৰ নাথ শৰ্মা — *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।*
৪. লক্ষ্মীকান্ত মহন্ত — *অসমীয়া সাহিত্য অধ্যয়ন।*

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত বৈষ্ণৱী সুৰ

অৰ্চনা দেৱী

পশ্চিমীয়া ৰোমাণ্টিচিজমৰ আগমনৰ আগলৈকে ভাৰতীয় সাহিত্য আছিল আধ্যাত্মিক ভাৱনাৰে সিক্ত। বৈদিক সাহিত্যৰ যুগৰে পৰা সাহিত্যত প্ৰৱাহিত হৈ থকা এই আধ্যাত্মিক ভাৱনা প্ৰতিজন ভাৰতীয়ৰ প্ৰাণৰ স্পন্দনত, তেজৰ সোঁতত মিহলি হৈ গৈছিল। সেয়ে পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত ৰচিত বিকোনো ভাৰতীয় সাহিত্যৰ মাজতো জাতীয় চেতনাৰ এই চিৰ সনাতন সুৰটো শুনিবলৈ পোৱা যায়। সেইকালৰ পৰা অসমীয়া ৰোমাণ্টিক সাহিত্যৰ যুগটো যদিও পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত গঢ় লোৱা সাহিত্যৰ যুগ তথাপি সেই সাহিত্যৰ মাজতো আমি শুনিবলৈ পাওঁ সেই সনাতন আধ্যাত্মিক ভাৱনাৰ সুৰ। উল্লেখযোগ্য যে ৰোমাণ্টিক যুগৰ আগলৈকে অসমীয়া সমাজ আৰু সাহিত্যক বৈষ্ণৱধৰ্ম আৰু সাহিত্যই সৰ্বতো প্ৰকাৰে প্ৰভাৱান্বিত কৰি ৰাখিছিল। বৈষ্ণৱ সাহিত্যত থকা আধ্যাত্মিক চেতনা আৰু সুন্দৰৰ ধাৰণাই অসমীয়া মানুহৰ জীৱনবোধকে বৈষ্ণৱময় কৰি তুলিছিল। সেয়ে পশ্চিমীয়া ৰোমাণ্টিক কবিতাৰ আৰ্হিৰে অসমীয়া ৰোমাণ্টিক কবিতা লিখিবলৈ আৰম্ভ কৰা প্ৰথমজন অসমীয়া ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো তেনে আধ্যাত্মিক ভাৱনাৰ অনুৰণন শ্ৰুতিগোচৰ হোৱাটো নিশ্চয় অস্বাভাৱিক নহয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ দুখন কবিতাপুথিৰ প্ৰথম খনৰ নাম 'প্ৰতিমা' (১৯১৪) আৰু দ্বিতীয়খন কবিতাপুথিৰ নাম বীণ-ব'ৰাগী (১৯২৩)। প্ৰবন্ধটি যুগুতাৱৰ বাবে এই দুখন পুথিৰ কবিতা কেইটিৰ ওপৰতে নিৰ্ভৰ কৰা হৈছে।

উপৰুৱা দৃষ্টিৰে চালে পশ্চিমীয়া ৰোমাণ্টিক ভাৱাদৰ্শৰে অনুপ্ৰাণিত কবি এজনাৰ কবিতাত পূবৰ আধ্যাত্মিকতা তথা বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ বিশ্লেষণ কৰিবলৈ যোৱাটো অৰ্থহীন যেন লাগিলেও এই কথা পাহৰিলে নচলিব যে 'হৃদয়ৰ কল্পনা চিন্তা আৰু অভিজ্ঞতাৰ সাৰবস্তু, ঐতিহ্যৰ প্ৰবাহ আৰু সমকালীন কাব্য ধাৰাৰ সাঁচ এই আটাইকেওটিৰ এক অদৃশ্য, সৃষ্টিশীল সমন্বয়ৰ সুষম প্ৰতিফলনৰ মাজেদিহে এজন এজন কবিৰ স্বকীয় কবি ব্যক্তিত্বই আৰু কাব্য প্ৰতিভাই বিকাশ লাভ কৰে।'[1] চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো তেনে কল্পনা চিন্তা অভিজ্ঞতাৰ সাৰবস্তু আৰু ঐতিহ্য প্ৰবাহৰ সম্মিলন ঘটা দেখা যায়। সেইবাবেই ৰোমাণ্টিক যুগৰ কবিজনাৰ কবিতাতো আমি শুনিবলৈ পাওঁ বৈষ্ণৱী সুৰৰ কল-জুন আৰু সেই বৈষ্ণৱী সুৰৰ অনুসন্ধানেই এই প্ৰবন্ধটোৰ মূল উদ্দেশ্য।

১। নগেন শইকীয়া (সম্পাঃ) ঃ 'কবিৰ চন্দ্ৰকুমাৰৰ কবিতা', চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ, পৃঃ ৩

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' কবিতা পুথিখনিৰ দ্বিতীয় কবিতা 'জীৱন উচ্ছ্বাস' নামৰ কবিতাটি পাঠ কৰিবলৈ ল'লেই বৈষ্ণৱ কবিৰ দ্বাৰা ৰচিত বৰগীত এটিয়ে লুকাই-চুৰকৈ সুৰতে সুৰ মিলাই যোৱা পৰিলক্ষিত হয়। সংসাৰৰ মায়াৰ ক্ষুদ্ৰ পৰিসৰত বান্ধ খোৱা কবি চন্দ্ৰকুমাৰে 'জীৱন উচ্ছ্বাস' কবিতাত এনেদৰে এই স্বাৰ্থ জড়িত মায়াৰ পৰা মুক্তি লাভৰ উপায় বিচাৰি চিঞৰি উঠিছে—

কোনোবাই মোক যেন তললৈ পেলালে
অতল গভীৰ নজনা
সাৰ পাই চাওঁ ঘোৰ সংসাৰ ৰাক্ষস
হতাশ বিকট দশনা। (জীৱন-উচ্ছ্বাস)

আকৌ একেটা ভাৱৰে অনুৰণন যেন আমি এই বৰগীতফাকিতো শুনিবলৈ পাওঁ —

হৰাইল চেতন হৰি নজানো কিমতে তৰি
গুনিতে দগধ ভৈল জীৱ।।
লোভ মোহ দুহোঁ বাঘ সততে নছাড়ে লাগ
খাখু খাখু এ শৰীৰিৰ।।
(শংকৰদেৱ / বৰগীত)

সেইদৰে সুন্দৰ নামৰ কবিতাটোতো 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' বুলি সুন্দৰৰ আৰাধনাতে জীৱন অৰ্পণ কৰিব খোজা সৌন্দৰ্য পিয়াসী কবি হৃদয়ৰ অভিলাসৰ মাজতো, বৈষ্ণৱ কবি মাধৱদেৱৰ ৰসময়ী আনন্দৰ সন্ধানত ব্যাকুল আত্মাৰ অভিলাস এনেদৰে এক হৈ পৰা পৰিলক্ষিত হৈছে—

ফুৰিছোঁ যাত্ৰীৰ বেশে স্বদেশ বিদেশ
সৌন্দৰ্য্য আভাস যতে পাওঁ একণিকা
সুন্দৰৰ আৰাধনা জীৱনৰ খেল!
অভিনয় অন্তে মোৰ কাল যৱণিকা।
(সৌন্দৰ্য প্ৰতিমা)

পৰম সুন্দৰৰ সাধনাত নিমগ্ন মাধৱদেৱে সুন্দৰ অভিলাসী ভকত হৃদয়ক প্ৰণাম জনাইছে আৰু নিজেও প্ৰাৰ্থনা কৰিছে —

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি। (নামঘোষা/পদ)

'সত্য তুমি, শিৱ তুমি অসীম সুন্দৰ' কবিতাটিত কবি চন্দ্ৰকুমাৰে সংসাৰত পৰম সত্য আৰু সুন্দৰৰ পম খেদি অৱশেষত উপলব্ধি কৰিছে যে—

সুন্দৰৰো সুন্দৰ ই দুনিনীয়া দেশ
যতনৰ আনন্দৰ গুৱনি আৱেশ।
জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।

(সত্য তুমি শিৱ তুমি অসীম সুন্দৰ (প্ৰতিমা)

বৈষ্ণৱ কবি মাধৱদেৱেও চিৰ ৰহস্যময় তথা চিৰসুন্দৰৰ স্বৰূপ উপলব্ধি কৰি নামঘোষাত গাইছে—

কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ                পৰম ঈশ্বৰ দেৱ
নষ্টপ্ৰকৃতিৰ তাহান আকাৰ।।
কৃষ্ণ নিজ ইষ্টদেৱ                আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধুজন।
কৃষ্ণে মোৰ গতি মতি   কৃষ্ণক ভকতি ৰতি
কৃষ্ণপাৱে নিয়োজোক মন।

(নামঘোষা/পদ, ১৬,১৭)

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'মই' নামৰ কবিতাটিতো বৈষ্ণৱ কবিৰ ভাৱবাণী চিত্ৰাই প্ৰকাশ লাভ কৰিছে। 'মই' নামৰ কবিতাটোত কবিয়ে এক ৰহস্যময় শক্তিৰ অনুভৱ কৰিছে; যাৰ মাজত লুকাই আছে এই সংসাৰৰ সৃষ্টি আৰু ধ্বংসৰ ৰহস্য। কবিতাটিত কবিয়ে উল্লেখ কৰিছে—

সংসাৰ মোৰেই পূৰ্ণ দেখোঁ
আছোঁ মাথোঁ নিৰঞ্জন মই
নাই তুমি কেওঁ আৰু নাই
পাৰা যদি হোৱা মোতে লয়
মই মই মাত্ৰ বিপুল সংসাৰ
মই মই  সুৰে শুনা
বাজিছে প্ৰাণৰ বীণা তান
মই বীণা আছে নো কি গুণা।

[মই (প্ৰতিমা)]

আকৌ ভাগৱতৰ দশমস্কন্ধৰ ভাজনিত মহাপুৰুষ শংকৰদেৱে চিৰ ৰহস্যময় ভগৱন্তৰ সৰ্ব ব্যাপকতা এনেদৰে উল্লেখ কৰিছে—

সমস্ত প্ৰাণীক ব্যাপি আছাহো অনন্ত।
বাহিৰে ভিতৰে সমস্ততে ভগৱন্ত।।

যেন ঘট শড় মাটি মাত্ৰ বিচাৰত।
সেহি মতে ব্যাপি আছো এহি ত্ৰিজগত।।
যত পঞ্চভূত জীৱ আছে চৰাচৰ।
মই পৰিপূৰ্ণত দেখিয়ে নিৰন্তৰ।।

(ভাগৱত/১০/পদ, ১৪৯, ৫০)

'ফুলা সৰিয়হ ডৰা' নামৰ কবিতাটিৰ মাজতো আছে বৈষ্ণৱ কবিৰ পাৰ্থিৱ বিষয়-বাসনাৰ পৰা মুক্তি লাভ কৰি পৰম সুন্দৰৰ ৰাজ্যলৈ যোৱাৰ আত্মা ভৰা আকুলতা—

কি হ'ব নো হেৰি ঘানিয়ে ঘানিয়ে
গুটী সৰিয়হ পেৰি?
তেলিয়ে পেৰিব, জগত যোগাব
কিয় মোক ধৰা বেৰি?
দিয়া মোক এৰি চাওগৈ ঘূৰি
ফুলা সৰিয়হ ডৰা।

[ফুলা সৰিয়হ ডৰা (প্ৰতিমা)]

বৈষ্ণৱ কবিৰ হৃদয়তো একেই আকুলতা এনেদৰে অনুৰণিত হৈছে। 'নামঘোষা'ত মাধৱদেৱে 'আতুৰ ভৈলোহো হৰি বিষয় বিকলে'[২] বুলি ভগৱানক কাতৰে প্ৰাৰ্থনা জনাইছে—

হে পৰমানন্দ কৃষ্ণ কৃপাসিন্ধু।
ভকতি আনন্দ ৰস মাগো এক বিন্দু।।

(নামঘোষা/পদ, ৫৩৫)

'সুন্দৰ' কবিতাতো তাৰেই অনুৰণন—
সম্মোহনী বীণ বাই আজি কি বিচাৰে
দুৱাৰে দুৱাৰে সৰে ভিক্ষাৰীৰ বেশে?

'নামঘোষা'তো বৈষ্ণৱ কবিয়ে গাইছে—

হৰি তুমি আনন্দ সিন্ধু
হামো ভিক্ষাৰী মাগো একবিন্দু।

(নামঘোষা/পদ, ৮৩৬)

মানব দৰদী কবি চন্দ্ৰকুমাৰ আগৰৱালাই মানৱ সেৱাই ধৰ্ম সাধনাৰ প্ৰকৃত পথ বুলি জেনে সেৱালৈ মানুহক আগ্ৰহী হ'বলৈ আহ্বান জনাইছে—

২। নামঘোষা / পদ, ৫৩৮

মানৱী জনম দিয়া উচুৱাই
মানৱী কৰম সোঁতে
মানুহৰ মৰম বুজিবা মানুহে
— ধৰম যে মৰমতে৩

[মানৱ বন্দনা (প্ৰতিমা)]

মানৱ প্ৰেমী বৈষ্ণৱ কবিৰ কাব্যতো তাৰ অনুৰূপ সুৰ শুনিবলৈ পোৱা যায়—

হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।।
আৰ অৰ্থে ব্যৰ্থে কেনে কৰা আকুলাত।
সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত।।
হেন জানি অসুৰ বতাৱে সবে এৰি।
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি।।

(কীৰ্তন / প্ৰহ্লাদ চৰিত্ৰ / পদ, ৩৫৯)

'বীণ-বৰাগী' নামৰ দীঘলীয়া কবিতাটোতো প্ৰকাশ পাইছে বৈষ্ণৱ কবিৰ আধ্যাত্ম চিন্তা। পৰম ৰহস্যময় সৰগী বীণাৰ সুৰ মুগ্ধ কবি হৃদয়ে জগতৰ বাবে বিচাৰিছে কল্যাণ শান্তি, এই যন্ত্ৰণা নিমজ্জিত পৃথিৱীৰ বাবে বিচাৰিছে 'সুখৰ সংগীত'; 'দুখ তাপ শোক' বহিত মানৱ সমাজ —

দুখ দূৰ কৰি জগৎ উদ্ধাৰ
কৰাছে জগৎ স্বামী।
নীচ হৃদয়ৰ নীচ অহংকাৰ
হওক অধোগামী।।৪

[বীণ-বৰাগী (বীণ বৰাগী)]

একেধৰণৰ কাতৰতা মাধৱদেৱৰ নামঘোষাত এনেদৰে প্ৰকাশ পাইছে—

মহা অহংকাৰে দ্ৰোহ আচৰিলো আমি
আৰে তযু পদে শৰণ পশিলো
হৰি হৰি হৰি হৰি এ
মই দ্ৰোহীয়াৰ দ্ৰোহ ক্ষমা কৰা স্বামী

(নামঘোষা / পদ, ৮১২)

সেইদৰে 'বীণ-বৰাগী'ৰ 'মোৰেই জগতখনে মোৰেই মাজিছে ......' কবিতা

---

৩। বীণ-বৰাগী
৪। বীণ-বৰাগী

কেইফাকিৰ মাজেদি 'একমেবাদ্বিতীয়ম' চিন্তাৰ প্ৰকাশ ঘটিছে। সেইদৰে 'আনন্দ তীৰ্থ' নামৰ কবিতাটিৰ মাজেদিও যেন বৈষ্ণৱ ধৰ্মৰ নিৰ্মল অন্তৰ আৰু নিষ্কাম ভাৱনাৰ কথাই সদৰি কৰা হৈছে —

'আহা কোন যাবা দিগন্তৰ শেষ
আহা শুধ আশা লৈ,
অন্তৰ বাসনা মন মলিয়ন
দলিয়াই পেলাই থৈ।
[আনন্দ তীৰ্থ (বীণ বৰাগী)]

পৰমানন্দ ভগৱন্তৰ স্বৰূপ উপলব্ধি কৰিবলৈ হাবিয়াস কৰা মাধৱদেৱেও নামঘোষাত গাইছে—

তুমি কৃপাময় দেৱ অগতিৰ গতি
তুমি সত্য সনাতন সদাশিৱ
হৰি হৰি হৰি হৰি এ
তোমাৰ চৰণে মাগোহোঁ নিৰ্ম্মল ৰতি
(নামঘোষা/পদ, ৮১৬)

এনেদৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহ বিচাৰ কৰি চালে বৈষ্ণৱ কবিৰ ভাব-চিন্তাই সুৰ মিলাই যোৱা পৰিলক্ষিত হয়। এই সম্পৰ্কে প্ৰবন্ধটি বিশ্লেষণৰ আৰু অনেক থল আছিল যদিও সেয়া মাথোন একেটি প্ৰবন্ধতে সামৰা সম্ভৱ নহয়। সেইবাবে আলোচনাটি এক প্ৰাথমিক পৰ্যায়ৰ অৱলোকন বুলিয়েই আগবঢ়োৱা হ'ল।

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত প্ৰকৃতি চিত্ৰণ

[illegible]

বিশ্বপ্ৰকৃতিৰ এক অংশস্বৰূপ মানৱজীৱনৰ লগত থকা প্ৰকৃতিৰ সম্বন্ধ সম্পৰ্কে অতি প্ৰাচীন কালৰে পৰাই মানুহ বিস্মিত হৈছে, তন্ময় হৈছে আৰু কৌতূহলী চিত্তৰে অন্তৰৰ গভীৰত প্ৰবেশ কৰিছে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই মানৱমনৰ ওপৰত এক আশ্চৰ্যজনক প্ৰতিক্ৰিয়া কৰে। প্ৰকৃতিৰ প্ৰেৰণাই মানৱক কৰি তোলে জীৱনমুখী, কৰি তোলে পৃথিৱীৰ প্ৰতি ব্যাকুল আৰু অনুৰক্ত। প্ৰাচীনকালৰে পৰা প্ৰকৃতিৰ বৰ্ণাঢ্যময় ৰূপক বিভিন্ন শিল্পৰূপেৰে কবিসকলে কাব্যত বৰ্ণনা কৰিছে। ঋষি-মুনি সকলেও তেওঁলোকৰ শ্লোক-ছন্দত অন্তৰ্মুখী দৃষ্টিৰে নৈসৰ্গিক প্ৰকৃতিৰ অপৰূপ চিত্ৰ ফুটাই তুলিছিল। সূৰ্য, চন্দ্ৰ, মেঘ, আকাশ, পৃথিৱী, নদী, বৃক্ষ, উষা আদি প্ৰকৃতিৰ সমগ্ৰ সত্তাই তেওঁলোকৰ সৃষ্টিক ঐশ্বৰ্যমণ্ডিত কৰি তুলিছিল আৰু ক্ৰমশঃ প্ৰকৃতি তেওঁলোকৰ হৃদয়ৰ কাষ চাপি আহিছিল। প্ৰাচীন কবি বাল্মীকিৰ অমৰ মহাকাব্যৰ পাতে পাতে নিসৰ্গৰ শোভাই ঠাই পাইছে। কবি কালিদাসৰ অন্তদৃষ্টি চেতনহীন মেঘ বিৰহীযক্ষৰ সন্দেশবাহক হৈ অলকাপুৰীলৈ যাত্ৰা কৰিবলৈ সাজু হৈছে, ভৱভূতিৰ নাটতো প্ৰকৃতি আৰু মানুহ একাত্ম হৈ পৰিছে। আমাৰ অসমীয়া সাহিত্যতো মাধৱকন্দলী আৰু শ্ৰীমন্ত শংকৰদেৱৰ নৈসৰ্গিক শোভাৰ বৰ্ণনাই পাঠক-শ্ৰোতাক চমৎকৃত কৰি তুলিছে আৰু প্ৰকৃতি মানুহৰ হৃদয়ৰ কাষ চাপি আহি সুখ-দুখৰ সমভাগী হৈছে। বিশ্ব সাহিত্যতো মানুহৰ ভাব-অনুভূতিৰ প্ৰতীক হৈ প্ৰকৃতি প্ৰাচীন কালৰে পৰাই অতি ৰমণীয় ৰূপত উজলি আছে।

তথাপিও প্ৰাচীন বা ধ্ৰুপদী সাহিত্যত প্ৰকৃতিৰ সংবেদনশীলতা তথা ঐশ্বৰ্যময় ৰূপ পৰিপূৰ্ণভাৱে চিত্ৰিত হোৱা দৃষ্টিগোচৰ নহয়। প্ৰাচীনকাব্যত প্ৰকৃতিক একপ্ৰকাৰ কাব্য সৃষ্টিৰ আহিলা নাইবা কাব্যিক মাধ্যম হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। প্ৰকৃতিৰ সতে গভীৰ আত্মীয়তা, প্ৰকৃতিৰ মাজত প্ৰেম আৰু সৌন্দৰ্যৰ অনুসন্ধান, প্ৰকৃতিৰ সৰ্বাত্মক আৰু ব্যাপক প্ৰভাৱৰ ধাৰণা, প্ৰকৃতি আৰু মানুহৰ অন্তৰঙ্গতা, প্ৰকৃতিৰ সত্তাৰ মাজত নতুন অৰ্থৰ সন্ধান ইত্যাদি বৈশিষ্ট্যই নতুন ৰোমাণ্টিক যুগৰ কবিতাত ঐশ্বৰ্যময়তা দান কৰিলে। প্ৰতিজন ৰোমাণ্টিক কবিৰ প্ৰাথমিক প্ৰেৰণাদায়িনী হ'ল প্ৰকৃতি। 'In nature, all the Romantic poets found their initial inspiration' (C.M. Bowra.) ৰোমাণ্টিক কবিসকলৰ এই প্ৰকৃতি চেতনাত দাৰ্শনিক কয়েৰ প্ৰকৃতিতত্ত্বই যথেষ্টখিনি প্ৰভাৱিত কৰাৰ পাছত পাশ্চাত্যৰ শ্ৰেষ্ঠ ৰোমাণ্টিক কবি ৱৰ্ডচৱৰ্থৰ নিসৰ্গ অনুভূতি এক পৰম দাৰ্শনিক প্ৰত্যয়েৰে উদ্ভাসিত হৈ উঠিল। ইন্দ্ৰিয়চেতনাৰ জৰিয়তে তেওঁ প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধৰ আস্বাদ পাই প্ৰকৃতিক নিজৰ জীৱনৰ অংগ বুলি বিবেচনা কৰিছিল আৰু

আধ্যাত্মিক দৃষ্টিৰে প্ৰকৃতিৰ বুকুত ঈশ শক্তি বা পৰমেশ্বৰৰ সন্ধান কৰিছিল। ৱৰ্ডচৱৰ্থৰ উপৰিও পাশ্চাত্যৰ কবি বায়ৰণ, টেনিশ্যন, শ্যেলী, কীট্‌চ, ক'লৰিজ, চুইণবাৰ্ণ আদি কবিৰ কবিতাত প্ৰকৃতি অপৰূপ সৌন্দৰ্যৰ সম্ভাৰূপে বৰ্ণিত হৈছে।

পাশ্চাত্য কাব্য সাহিত্যৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱৰ ফলত সৃষ্টি হোৱা অসমীয়া ৰোমাণ্টিক কবিতাই প্ৰকৃতিৰ প্ৰতি এক গভীৰ অনুৰাগ, প্ৰকৃতিৰ সততাৰ প্ৰতি অকুণ্ঠ বিশ্বাস আৰু প্ৰকৃতিৰ ওপৰত এক ৰহস্যময় ভাব আৰোপ কৰি প্ৰকৃতিৰ শান্তিদায়িনী আৰু কমনীয় ৰূপটো প্ৰকাশ কৰিলে। অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰকৃতি কবি ৰঘুনাথ চৌধাৰীয়ে নিসৰ্গৰ ফুল, সেউজীয়া অৰণ্য, তটিনী, পখীৰ কাকলি, ঋতুৰ কঁপনিৰ সৈতে হৃদয়ৰ সম্পৰ্ক স্থাপন কৰি, জীৱনৰ বিষাদ-যন্ত্ৰণাক পাহৰিবলৈ চেষ্টা কৰিছিল অসমীয়া ৰোমাণ্টিক কবিতাৰ শ্ৰেষ্ঠ ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ বাবে সন্ধিয়াৰ দিগন্তত পাখি মেলি উৰি যোৱা দূৰণিৰ পখীজাক সৰগীয় জ্যোতি প্ৰয়াসী আত্মাৰ প্ৰতীক, জোনাকী নিশাৰ মৃদুল মলয়াজাকে কবিক কৈ যায় পৰম প্ৰিয়ৰ বাতৰি, দাৰ্শনিক কবি দুৰ্গেশ্বৰ শৰ্মাৰ কবিতাত প্ৰকৃতি 'জিলমিল নিয়ৰৰ লোকাপাৰ পিছি' জীৱন যৌৱন আৰু আত্মাৰ দাপোণস্বৰূপ হৈ উঠিছে, যতীন্দ্ৰনাথ দুৱৰাই পৃথিৱীৰ ধূলিবালিত অকপট প্ৰেম বিচাৰি ব্যৰ্থ মনোৰথ হৈ 'নিখিল বিশ্বৰ বায়ু-পানী-সূৰ্যলোক-বিটপ-বিহঙ্গমৰ মাজত সহৃদয়তা স্থাপনৰ কল্পনা কৰিছে। এই যুগটোৰ প্ৰায়সকল কবিৰ কবিতাতে প্ৰকৃতি হৈ পৰিছে অসামান্য অনুভৱৰ আশ্চৰ্যজনক প্ৰেৰণা।

অসমীয়া ৰোমাণ্টিক যুগৰ দুৱাৰ মুকলি কৰোঁতা, আধুনিক অসমীয়া কবিতাৰ অন্যতম খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ কৰ্মময় জীৱনৰ একালে আছে কাব্যিক ভাৱনাৰ উপলব্ধি, অন্যফালে আছে জীৱনৰ মায়াময় ৰমণীয় অনুভৱৰ পৰশ। সুন্দৰৰ আৰাধনাই জীৱনৰ খেল বুলি ঘোষণা কৰা, 'মানুহেই দেৱ মানুহেই সেৱ মানুহ বিনে নাই কেৱ' বুলি সৰ্বমানৱৰ জয়গান গোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত কল্পনাৰ অসামান্য বিকাশ ঘটিছে —প্ৰকৃতিৰ অপাৰ্থিব সৌন্দৰ্যৰ মাজত, গভীৰ মানৱ প্ৰেম আৰু আধ্যাত্মিক দৃষ্টিভংগীত।

উনবিংশ শতিকাৰ সংঘাত আৰু সংকট-অৱক্ষয়ৰে পৰিপূৰ্ণ যি পৃষ্ঠভূমিত অসমীয়া ৰোমাণ্টিক কবিতাৰ জন্ম আৰু বিকাশ সাধন হৈছিল, সেই পৃষ্ঠভূমিত ৰোমাণ্টিক কবিতাৰ বিশিষ্ট কাব্যগুণ প্ৰকৃতিচিত্ৰণ বা নিসৰ্গচিত্ৰণ বৰ্ণময় ৰূপত বিকশিত হৈ উঠা সম্ভৱপৰ নাছিল। আধুনিক অসমীয়া কবিতাৰ প্ৰস্তুতিপৰ্বৰ কবি ভোলানাথ দাসৰ 'মেঘ' কবিতাটিতে পোনপ্ৰথম প্ৰকৃতিৰ প্ৰতি সচেতনতা ফুটি উঠিছে। ভোলানাথ দাসৰ পিছত, পুৰাতন সমাজজীৱনৰ অনাড়ম্বৰ জীৱন ধাৰাত অভ্যস্ত ৰোমাণ্টিক যুগটোৰ প্ৰায়সকল কবিয়ে পাশ্চাত্যৰ শিক্ষা-সংস্কৃতি আৰু নব্য চিন্তা-চেতনাৰ সৈতে পৰিচিত হ'ল আৰু ওপজা মাটিৰ বৰ্ণময় নিসৰ্গক ভেওঁলোকৰ কবিতাৰ মাজত ঠাই দিবলৈ প্ৰয়াস কৰিলে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো ফুটি উঠিল লোকজীৱনৰ মধুৰ নিৰ্যাস আৰু স্বদেশৰ অপৰূপ ৰূপৰ সাৰ্থক চিত্ৰণ। তেওঁৰ কবিতাত প্ৰাণময় হৈ উঠিল পানীৰ চৰাই, মলয়া বায়ু, সোণবৰণীয়া মাছ, ঘৰ গোহনীয়া পাৰ যুৰি, শাৰলী গোৱালীকণি, মৰমৰ সখী, জোনবাই, নিয়ৰৰ মুকুতা টোপাল, কেতেকীৰ বেণু, আগলি পাতৰ ব'দকাঁচলি, আদৰ-মালতী, ফুলাম ছই আদি প্ৰচুৰ প্ৰকৃতিমূলীয় প্ৰতীক। প্ৰকৃতিৰ সাহাৰ্যত বোটলা এই শব্দ সমূহে, এক কথাত প্ৰতীকসমূহে বহুদিন ধৰি উপেক্ষিত হৈ থকা অসমৰ নৈসৰ্গিক জগতখনক আমাৰ সন্মুখত ফট্‌ফটীয়াকৈ তুলি ধৰিবলৈ সক্ষম হ'ল।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সৌন্দৰ্যৰ যি অপৰূপ প্ৰকাশ ঘটিছে, পৃথিৱীৰ তেনেই কম কবিয়েহে তেওঁলোকৰ কবিতাত তেনে সাৰ্থকতা ফুটাই তুলিব পাৰিছে। আগৰৱালাৰ কবিতাসমগ্ৰ উপচি আছে ইন্দ্ৰিয়চেতনাৰ দুৱাৰেদি প্ৰৱেশ কৰা ৰূপ, ৰস, শব্দ, স্পৰ্শ আৰু গন্ধৰ অপূৰ্ব মাদকতাৰে। আঙুলিমূৰত লেখিব পৰা এমুঠি কবিতাতহে সেই সৌন্দৰ্যৰ সহাঁৰি অনুপস্থিত।

কবিৰ প্ৰথম ৰোমাণ্টিক কবিতা 'বনকুঁৱৰী'ত প্ৰকৃতিৰ ক্ষুদ্ৰতম বস্তুবোৰৰ মাজতো মানুহৰ প্ৰাণত কাৰণ নেদেখা আনন্দৰ ঢৌ' সৃষ্টি কৰিব পৰা ৰমণীয় সৌন্দৰ্যৰ সম্মোহনী গুণ নিহিত হৈ আছে। ৰোমাণ্টিক কবিতাৰ শুভাৰম্ভৰ কবিতাৰূপে গুৰুত্বপূৰ্ণ এই কবিতাটো প্ৰকাশ হোৱাৰ পাছত লক্ষ্মীনাথ বেজবৰুৱাই জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱাক পঢ়ি শুনাওঁতে তেওঁলোকে 'বিস্ময়-বিমিশ্ৰিত' ভাব প্ৰকাশ কৰি প্ৰশংসা কৰিছিল। কবিতাটিত বৰ্ণিত প্ৰকৃতিৰ প্ৰতিটি অংশই পৰস্পৰৰ প্ৰতি অতিশয় আন্তৰিকতাৰে বান্ধ খাই প্ৰকাশ কৰিছে হৃদয়ৰ একাগ্ৰতা। প্ৰকৃতিৰ বুকুত বলা আনন্দৰ অনিৰ্বচনীয় সোঁতৰ এই চিত্ৰখনি যেন মানৱসমাজৰ বাবে শিক্ষাদায়িনী দৃষ্টান্তহে। মানুহে পাহৰি পেলোৱা মৰমস্নেহ, আদৰ-সাদৰ, আন্তৰিক-সহানুভূতিৰ মানৱীয় ছবিখনি প্ৰকৃতিৰ বুকুত জন্মা তৰু-তৃণ-গছ-লতিকাৰ নিষ্প্ৰাণ অন্তৰংগতাৰ মাজতহে প্ৰত্যক্ষ হয়—

'নিচুক লতিকা গছক সাৱটি
প্ৰতি অঙ্গে চুমাচুমি,
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি।'

স্বাৰ্থহীন, অহৈতুকী প্ৰেমেৰে প্ৰকৃতিয়ে ইয়াত মানুহৰ মনক যেন উদ্দীপ্ত কৰি কল্যাণ সাধন কৰিবলৈ প্ৰয়াস কৰিছে।

'বনকুঁৱৰী'ৰ অনুৰূপ অন্য এটি কবিতা 'জলকুঁৱৰী'তো প্ৰকৃতিৰ অনন্য ৰূপৰ সোঁতাৰ উপচি পৰিছে। মানুহৰ ইন্দ্ৰিয়চেতনাই চুকি নোপোৱা, মাথোন অতীন্দ্ৰিয় কল্পনাইহে চুকি পোৱা এখন ৰহস্যময় জগত আৰু তাৰ জলবাসী প্ৰাণীবোৰৰ অভিলাষি

উখলমাখলৰ প্ৰকৃতিনিৰ্ভৰ বৰ্ণনাৰে প্ৰকৃতিক জীৱন্ত আৰু ৰমণীয় ৰূপত 'জলকুঁৱৰী'ত ফুটাই তুলিবলৈ কবি সক্ষম হৈছে। পশ্চিমীয়া কবি ক'লৰিজে অতিলৌকিক জগতৰ ক্ষেত্ৰত এটা যুগৰ সৃষ্টি কৰি থৈ যোৱাৰ দৰে (Coleridge made an epoch in the poetry of supernatural) অসমীয়া ৰোমাণ্টিক কাব্য প্ৰবাহতো চন্দ্ৰকুমাৰ আগৰৱালাই এই দিশত এটা যুগৰ সৃষ্টি কৰি থৈ গ'ল। জনসংশ্ৰৱৰ পৰা আঁতৰত ৰাখি 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী'ক স্থূল কল্পনাৰ পৰা মুক্ত কৰি সূক্ষ্ম মনস্তত্ত্বৰ ওপৰত কৰিয়ে প্ৰতিষ্ঠা কৰিলে।

বহু ৰোমাণ্টিক কবিৰ কবিতাত প্ৰচ্ছন্ন হৈ থাকে এক গভীৰ বিষাদবোধ। সেই বিষাদবোধে নিসৰ্গৰ ফুল, সেউজীয়া অৰণ্য যাঁহনি, জলাধাৰ, নীলা আকাশ আদিক কবিৰ হৃদয়ৰ কাষ চপাই আনে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো বিষাদবোধ বা দুখবোধ ধ্বনিত হৈছে — কেতিয়াবা প্ৰত্যক্ষভাৱে, কেতিয়াবা নিসৰ্গক আশ্ৰয় কৰি। তেজীমলা, প্ৰকৃতি, নিয়ৰ, ফুলা সৰিয়হডৰা, সুখ গীত আদি 'প্ৰতিমা'ৰ বহু কবিতা দুখবোধৰ দ্বাৰা আলোড়িত। 'বনকুঁৱৰী' আৰু জলকুঁৱৰীত'কৈ দৃঢ়পিনদ্ধ, লোক কথা বিষয়ক আলম্বন হিচাপে গ্ৰহণ কৰা 'তেজীমলা'ত কবিয়ে 'প্ৰকৃতিৰ প্ৰেমৰ পটভূমিত মানুহৰ অসূয়া আৰু শেষত প্ৰেমৰ জয়ৰ আশাৰ আলোক স্তম্ভ এটি স্থাপন কৰিছে।' কবিৰ মনত মানৱতাৰ স্খলনে যি বিষাজ বোধৰ অনুৰণন তুলিছে সেই বিষাদ ফুল হৈ ফুলা তেজীমলাৰ পাহিয়ে পাহিয়ে যেন উপচি আছে। প্ৰকৃতি জগতৰ দয়া, প্ৰেম, উদাৰতা, নিঃস্বাৰ্থতা আৰু মানৱসমাজৰ ঈৰ্ষা, দ্বেষ, স্বাৰ্থপৰতা, নিষ্ঠুৰতাৰ পৰস্পৰ বিৰোধী অভিজ্ঞতাৰে পুষ্ট তেজীমলাৰ জীৱন চৰিত দুখন জগতৰ প্ৰামাণিক ইতিহাস। 'তেজীমলা'ৰ জৰিয়তে কবিয়ে প্ৰচলিত লোককথাক কাব্যিক ৰূপ দিছে যদিও নিজস্ব উপস্থাপন ৰীতিৰে সহৃদয়জনৰ হৃদয়লৈ এক বাৰ্তা (Message) প্ৰেৰণ কৰি, বিদ্ৰোহী মানসিকতাৰ পৰিচয় দাঙি ধৰিছে আৰু নিসৰ্গ হৈ পৰিছে তাৰ উৎকৃষ্ট মাধ্যম।

'হাতো নেমেলিবি ফুলো নিচিঙিবি
ক'ৰে নাৰবীয়া তই,
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।'

একেলগে নিসৰ্গচেতনা, কালচেতনা বা ঐতিহ্যচেতনা, বিদ্ৰোহীচেতনা, মানৱপ্ৰেম আৰু লোককথাবিষয়ক বিষয়বস্তুৰ 'তেজীমলা'ৰ দৰে শিল্পগুণসম্পন্ন শ্ৰেষ্ঠ কবিতা সমগ্ৰ ৰোমাণ্টিক কাব্য প্ৰবাহতে দ্বিতীয়টো নাই বুলি ক'লেও ভুল নহয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ আছিল প্ৰকৃতিৰ মাধ্যমেৰে জীৱনৰ আলোড়ন গভীৰতাৰে মূৰ্ত্ত কৰি তোলাৰ ক্ষমতা। 'প্ৰকৃতি' তেনে এটি কবিতা — য'ত জন্ম, সৌন্দৰ্য, প্ৰেম, বিচ্ছেদ, মৃত্যুৱে বিষাদৰ আলোড়ন তুলিছে আৰু তাত প্ৰকৃতিয়ে নিৰ্মম উদাসীন ভূমিকা

লৈছে। প্ৰতিজন ৰোমাণ্টিক কবিয়েই প্ৰত্যক্ষ কৰে 'প্ৰকৃতিৰ মাজত অসীম মহত্ব, সক এপাহি ফুলৰ মাজতো বিশাল ৰহস্য।' প্ৰকৃতিজগতৰ আটাইতকৈ সুন্দৰতম, অথচ ভঙ্গুৰতম ফুলৰ প্ৰতীকী ৰূপকল্পেৰে ক্ষণভংগুৰ মানৱজীৱনৰ অনিশ্চিত সমাপ্তিৰ কথা কবিয়ে ঘোষণা কৰিছে আৰু মানুহজীৱনৰ সাৰমৰ্ম এটোপাল পানীৰ ৰূপত দাঙি ধৰিছে। ফুল কলি ফুলি গোন্ধ বিলাই মৰহি যোৱাৰ দৰে, প্ৰেয়সী বিচ্ছেদত বিষাদ উথলি উঠা মত্ত পিয়া ভোমোৰা গুচি যোৱাৰ দৰে অনিত্য জীৱনেও চিৰন্তন প্ৰকৃতিৰ স্থায়ীত্বৰ ওচৰত আত্মসমৰ্পণ কৰে —

'ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গ'ল
প্ৰকৃতিয়ে তেনেকৈয়ে ৰ'ল।'

মাথো চাৰিটা স্তৱকেৰে 'প্ৰকৃতি'ক কবিয়ে জীৱনৰ গভীৰবোধেৰে সিক্ত কৰি, ৰসগ্ৰাহী পাঠকৰ হৃদয়লৈও সেই বোধ প্ৰবাহিত কৰিছে।

ফুলা সৰিয়হডৰা, নিয়ৰ, মাধুৰী, জোনাকী আদি 'প্ৰতিমা'ত সন্নিবিষ্ট ভালেকেইটা কবিতা কবিৰ আন্তৰিক সৌন্দৰ্য সন্ধানৰ পৰিচায়ক। সুন্দৰৰ ক্লান্তিহীন উপাসক, পাশ্চাত্যৰ ৰোমাণ্টিক কাব্যৰ পৰিমণ্ডলৰ এজন বিশিষ্ট কবি কীট্‌চৰ 'Beauty is truth, truth is beauty' ৰ অনুৰূপ অনুৰণন শুনিবলৈ পোৱা গৈছে উল্লিখিত কবিতাকেইটাত। সংসাৰৰ বৈষয়িক চিন্তা চেতনাই জুৰুলাকৰা কবি চিত্তই সৰিয়হ ফুলৰ বৰ্ণালীত আপোনপাহৰা হৈ যি সৌন্দৰ্যসিক্ত সত্যাশ্ৰয়ী শিল্পতত্ত্ব প্ৰকাশ কৰিছে, সেই শিল্পতত্ত্বই আটাইৰে হৃদয় মহত্তৰ কৰি তুলিবলৈ সক্ষম হৈছে। পৰৱৰ্তী কবি যতুনাথ চৌধাৰীৰ 'ৰূপৰ মাধুৰীসনা সোণোৱালী ৰহণৰ সৰিয়হভৰাৰ প্ৰেৰণা আগৰৱালাদেৱৰ এই কবিতাটিয়েই যেন বোধ হয়। নৈসৰ্গিক বিষয়ৰ কবিতা হিচাপে সকলোকালৰ ভিতৰতে শ্ৰেষ্ঠ বুলি মহেন্দ্ৰ বৰাদেৱে 'নিয়ৰ' সম্পৰ্কে যথাৰ্থ মন্তব্য আগবঢ়াইছে। প্ৰকৃতিৰ বুকুত নিতৌ ঘটি থকা তুচ্ছাতিতুচ্ছ, অথচ সাধাৰণজনৰ চকুৰ আঁৰৰ ঘটনাবোৰৰ ছবি আঁকা নিপুণ কবি ৱৰ্ডচ্‌ৱৰ্থৰ দৰে আগৰৱালাও সিদ্ধহস্ত। সেয়েহে নিয়ৰৰ সামান্য টোপালটোৰেই কবিকল্পনাত আকাশ, পৃথিৱী আৰু অতিলৌকিক জগতখনক একাকাৰ কৰি, অপৰূপ সৌন্দৰ্যচ্ছটাৰে উদ্ভাসিত হৈ উঠিছে। কণমানি নিয়ৰৰ টোপালটো ৰাতিৰ আকাশত টোপনি যোৱা এটি যেন সোণালী তৰাহে! নহলেবা নিশাৰ পৃথিৱীত মানুহৰ দৃষ্টিৰ আঁৰত ঘটা কোনোবা আকাশী পৰীৰ ডিঙিৰ সাতসৰীৰ পৰা ছিঙি পৰা এটি সোঁৱৰণী মণি।। নিয়ৰৰ সামান্য টোপালটোৱে এনেদৰে সৌন্দৰ্যৰ জোহাৰ মেলিও পাহৰি যোৱা নাই জীৱনৰ অনিত্যতাক সোঁৱৰাই দিবলৈ —

"হায় কি বিষম লেলাজে বাদুৰে
জোকাৰি ফুলৰ পাহি।'

অনুৰূপ অনুৰণন বিচাৰি পাওঁ যদুনাথ চৌধাৰীৰ 'নশ্বৰতা'ত। নিৰ্মম কালচক্ৰতৰতাই সুন্দৰৰ মনোৰম কান্তিক কেনেদৰে নিষ্প্ৰভ কৰি পেলায় তাৰ সাৰ্থক চিত্ৰ কবিতাটিত ফুটি উঠিছে —

'ধীৰে ধীৰে নিদাঘৰ দহন মূৰতি
ধৰিলে কি ভীষণ আকাৰ,
নন্দনৰ চাৰুখেলা চাওঁতে চাওঁতে
নিমিষতে হ'ল ছাৰখাৰ।' (নশ্বৰতা)

ৰোমাণ্টিক কবিৰ দৃষ্টিত প্ৰকৃতি সুন্দৰ আধাৰিত পৰম সত্যৰেই অভিব্যক্তি আৰু এই বৈশিষ্ট্য চন্দ্ৰকুমাৰ আগৰৱালাৰ উল্লিখিত কবিতাকেইটিয়ে বহন কৰা দেখা যায়। 'ৰূপৱতী কিশোৰীৰ অপৰূপ ৰূপৰ অপূৰ্ব উপমামণ্ডিত বৰ্ণনা'ৰে উপচি থকা অন্য এটি অনুপম কবিতা 'মাধুৰী' ছাঁ-পোহৰৰ সৌন্দৰ্যৰে উপচি আছে। কবিৰ বৰ্ণনাৰ 'দেৱী নে মানবী ঐ মাধুৰীৰ ছবিটি'ৰ দৰে অনুৰূপ বৰ্ণনাৰে ভৰা ৱৰ্ডচৱৰ্থৰ 'লুচি' কবিতাটিৰ লগতহে 'মাধুৰী' তুলনীয়। 'A violet by a mossy stone, Half hidden from the eye'ৰ পশ্চিমীয়া কবিকল্পনাৰ অৰ্থপ্ৰতিমাজনীতকে আমাৰ অসমীয়া কবিৰ মাধুৰীজনীৰ জেউতি চৰাছে। 'কিশোৰী' তো মাধুৰীৰ অনুৰূপ সৌন্দৰ্যৰ ছবি উদ্ভাসিত হৈছে। 'সুন্দৰৰো সুন্দৰ সংসাৰ দুখিনীয়া' (চিৰকলগৰীয়া), 'সুন্দৰৰো সুন্দৰ ই দুখিনীয়া দেশ', 'সত্য তুমি শিৱ তুমি অসীম সুন্দৰ' (সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ), 'ফুটে কি নুফুটে ফুল, সৰে কি নসৰে' (অনন্তৰ সোঁত), 'বিচাৰো সুন্দৰ মই নিজে অসুন্দৰ' (সুন্দৰ) আদি কবিতাৰ শাৰীয়ে বিশ্বকবিৰ 'আমাৰ চিত্তে তোমাৰ সৃষ্টিখানি ৰচিয়া তুলিছে বিচিত্ৰ এক বাণী'ৰ অনুৰূপ আলোড়ন আটাইৰে হৃদয়ত তুলিবলৈ সক্ষম হৈছে।

'বীণৰ'বাগী'ৰ অন্তৰ্ভুক্ত কেইটিমান কবিতাতো নিসৰ্গৰ আনন্দময় ৰূপৰ আভাস জান-নেজানকৈ ফুটি উঠিছে। 'উছাহৰ সোঁত প্ৰভু বলিছে জগত জুৰি, আনন্দত মতলীয়া উঠি পৰে ঘূৰি ঘূৰি' (প্ৰণাম), 'সেউজী বসাল বাট আবৰিছে দয়াই বিতৰে ছাঁয়া, ফটিক সুৱাদি নিজৰাৰ ধাৰে বাটৰ হৰিছে পৰা' (আনন্দতীৰ্থ), 'চাওঁতে চাওঁতে উপচি পৰিল ফুলে-পাতে (মোৰ), কুঞ্জলতা' (অজেয়), 'কেতেকী কেলুৰে যঁহা নাচনী পখিলা' (কোন দেশৰ প্ৰাণী তুমি) আদি কবিতাৰ শাৰীত তুচ্ছ আৰু সাধাৰণ সৌন্দৰ্য ৰূপকে কবিয়ে প্ৰাণৱন্ত কৰি ফুটাই তুলিছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰকৃতি ৱৰ্ডচৱৰ্থৰ দৰেই সংবেদনশীল, সজাগ আৰু সহানুভূতিশীল। মানুহৰ প্ৰতি গভীৰ আস্থাশীল কবিজন প্ৰকৃতিৰ পৰা আঁতৰি আহিবলৈ বিচাৰিলেও প্ৰকৃতিয়ে যেন অধিক আগ্ৰহেৰেহে তেওঁক হাতবাউল দি মাতে। মংগলময় সমাজ গঢ়াৰ স্বপ্নেৰে ভৰা 'বীণবৰাগী'তো প্ৰকৃতি যন্ত্ৰণাদগ্ধ মানৱৰ প্ৰতি সহানুভূতিশীল হৈ উঠা দৃষ্টিগোচৰ হয় —

'তোমাৰ ৰিনিনি শুনি ধন্য হয়
পশু-পক্ষী গছ লতা,
লুইত উজায়, তোন তথা লাগে
মানুহৰ কিবা কথা।'

সামগ্ৰিকভাৱে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহত প্ৰকৃতি বৈচিত্ৰময় ৰূপত উদ্ভাসিত হৈ উঠিছে। প্ৰকৃতিৰ অতি এক গভীৰ অনুৰাগ বৰ্ণময় ৰূপত দাঙি ধৰিবলৈ ৰোমাণ্টিক কবিসকলক প্ৰেৰণা যোগাইছিল ওপজা দেশখনৰ বিচিত্ৰ ৰূপসজ্জাই। প্ৰতিজন ৰোমাণ্টিক কবিৰ শিৰা-উপশিৰাত সেয়েহে প্ৰবাহিত হোৱা দৃষ্টিগোচৰ হয় প্ৰকৃতিৰ প্ৰতি গভীৰ প্ৰত্যয়ৰ অবাধিত স্ৰোত। প্ৰতিজন ৰোমাণ্টিক কবিৰে আছে প্ৰকৃতিৰ প্ৰতি অগাধ আস্থা —

"Nature never did betray,
The heart that loved her; 'tis her previlege
Through all years of tis life, to lead
From joy to joy." (Lintern Abbey)

প্ৰকৃতিৰ প্ৰতি এক পশ্চিমীয়া কবিৰ এই বিশ্বাস অতি প্ৰগাঢ়ভাৱে প্ৰতিফলিত হ'ল আমাৰ প্ৰথমজন ৰোমাণ্টিক কবিৰ কবিতাসমূহত। এই নতুন প্ৰকৃতি আধৰী বিশ্বাসে স্বাৰ্থ-কলুষতা, নিন্দা-অপৰশ আৰু বিবাদ-চিন্তাৰ গ্লানিয়ে মলিন কৰা মানৱৰ ভৱিষ্যত সম্পৰ্কে আকৌ এবাৰ যেন আশ্বস্ত কৰি তুলিলে।

# চন্দ্ৰকুমাৰ আগৰৱালাৰ — "তেজীমলা' ঃ এটি দৃষ্টিপাত

দীতামণি বৰা

অসমীয়া ৰোমাণ্টিক আলোড়নৰ বাট কাটোতা চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত চিৰস্মৰণীয় নাম। 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' অসমীয়া গীতি কবিতাৰ সৰ্বপ্ৰথম উদাহৰণ। ৰোমাণ্টিক কবিতাৰ দৰেই জোনাকী কাকতে গদ্যৰ ক্ষেত্ৰত যেনেকৈ গল্প-উপন্যাসৰ সূচনা কৰিছিল, ঠিক তেনেদৰে আধুনিক মালিতাৰো আৰম্ভণি কৰিছিল। আধুনিক মালিতাৰ জন্মদাতা হিচাপেও চন্দ্ৰকুমাৰ আগৰৱালা অগ্ৰগণ্য।

চন্দ্ৰকুমাৰ আগৰৱালাৰ মানস কন্যা 'বনকুঁৱৰী', 'জলকুঁৱৰী'ৰ দৰেই তেজীমলাৰ আধুনিক অসমীয়া মালিতাৰ ইতিহাসত উল্লেখযোগ্য সংযোজন। অসমৰ সমাজ জীৱনত সাধুকথা ৰূপে চলি অহা তেজীমলা সংক্ৰান্তীয় ঘটনা প্ৰবাহৰ লিখিত ৰূপ পোৱা যায় লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' আৰু টাৰ্ণাৰৰ 'মডাৰ্ণ ইংলিচ বিডাৰ'ত। মুখে মুখে চলি অহা তেজীমলাৰ জীৱন যন্ত্ৰণাই যুগে যুগে মানুহৰ অন্তৰ বিষাদেৰে ভৰাই তুলিছে।

তেজীমলা সংক্ৰান্তীয় সাধুকথাটোৰ আলম লৈ কবি আগৰৱালাৰ কাহিনী গীতটো ৰচিত হ'লেও ইয়াত প্ৰচলিত সাধু কথাৰ ৰূপটোক যথাযথ চিত্ৰণ পোৱা নাযায়। তেজীমলাৰ মাজেৰে কবিয়ে ৰোমাণ্টিক ভাব আদৰ্শ ফুটাই তুলিবলৈ যত্নপৰ হোৱাৰ বাবেই কাহিনীগীতটোৰ সমাপ্তি অন্য ধৰণেৰে হ'ল। অৱশ্যে কবি চন্দ্ৰকুমাৰ আগৰৱালা তেওঁৰ উদ্দেশ্যত সফল হৈছে বুলি ক'ব পৰা যায়।

'তেজীমলা' কবিতাটোত আজলী কুমাৰী তেজীমলাক হৃদয়হীনা মাহীমাকে কেনেদৰে নিষ্ঠুৰ ভাৱে পৃথিৱীৰ পৰা আঁতৰাই পঠালে তাৰ বিস্তৃত বিৱৰণ নাই। পৃথিৱীৰ মোহ এৰিব নোৱাৰি লাও হৈ, জবাগছ হৈ, ফুল হৈ ফুলি বোৱা তেজীমলাৰ সংঘাতময় কৰুণ জীৱন চিত্ৰও ইয়াত পোৱা নাযায়। কবিতাটোৰ মূল আকৰ্ষণ ইয়াতেই। সকলোৰে জনা কাহিনী এটা কবিতা হিচাপে লিখিত ৰূপত পোৱা গ'লেও, তাৰ আদি ভাগ অলিখিত হ'লেও পাঠক মানসত ই নিগাজী ঠাই দখল কৰি আছে। সেয়ে কবিতাটো প্ৰকৃতিৰ মনোৰম চিত্ৰণেৰে আৰম্ভ হ'লেও আৰম্ভণিৰ পৰাই পাঠকৰ মনত এক কৰুণ সুৰ বাজিবলৈ ধৰে।

নৈৰ মাজবুকুত জকমকাই ফুলি থকা পাৰিজাতৰূপী তেজীমলাই প্ৰকৃতিৰ পৰা কণা-কণাকে মৰম আদায় কৰিছে। পুৱাৰ বাতাৰী বহল, মৃদু মলয়া বায়ু, নদীৰ কল কল ধ্বনি এই সকলো তেজীমলাৰ চিনাকি সুহৃদ।

'ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি
তেজীমলা জকমকায়।'

প্ৰকৃতিৰ মাজত তেজীমলাৰ নতুন জীৱন আৰম্ভ হ'ল। হৃদয়হীন মানুহৰ মাজৰ পৰা আঁতৰি আহি তাই প্ৰকৃতিকে আপোন বুলি আকোৱালি ল'লে। মলয়া বায়ুৱে তাইৰ লগত ধিতিৰালি পাতিলে, সোণ-ৰূপ ৰৰষৰ মাহ তাইৰ পোহনীয়া হ'ল। ধুমুহা বতাহে যাতে তাইক উৰালি নিঠকবা কৰিব নোৱাৰে তাৰ বাবে তেজীমলাই তলিৰে সৈতে শতেক বাজেৰে বান্ধ খালে —

"শতেক বাজেৰে তলীৰে সহিতে
বান্ধিলে নিহিলা কৰি,
ধুমুহা বতাহে খণ্ড-খণ্ডে আৰু
কিটো নো কৰিব পাৰি?"

প্ৰকৃতিৰ মাজতে আত্মহাৰা হৈ থকাৰ মাজতে এক অনাহত পৰিস্থিতিৰ সৃষ্টি হ'ল। চিকুণ নাওখনিত উজাই অহা 'প্ৰাণৰ দেৱতা'ক দেখি আনন্দিত হোৱাৰ পৰিবৰ্তে মানুহৰ পৃথিৱীলৈ পুনৰ ঘূৰি যাব লাগিব বুলি তেজীমলাই শংকিত হৈছে। নিজৰো তাই মানুহৰ ওপৰত থকা সকলো বিশ্বাস হেৰুৱাই পেলাইছে —

"মানুহৰ নাও মানুহৰ ভাও
দেখিয়ে লাগিছে ভাল;
মানুহ মিতিৰ ৰৰ মৰমৰ
পাতিছে কিহৰ জাল?"

কবিতাটোৰ সামৰণিত তেজীমলা মানুহৰ সমাজলৈ উভতি অহাৰ ইংগিত নাই। ইয়াৰ বিপৰীতে কবিয়ে মানুহৰ হৃদয়ৰ হীনতা, নিষ্ঠুৰতা, প্ৰতাৰণাৰ বিৰুদ্ধে অপৰাপা আজলী তেজীমলাক এক বিদ্ৰোহিনী ৰূপহে দিছে —

"হাতো নেমেলিবি ফুলো নিচিঙিবি
ক'ৰে নাৰবীয়া তই,
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

মানুহৰ নিষ্ঠুৰতা আৰু বিশ্বাসঘাতকতাক তেজীমলাই পাহৰা নাই। প্ৰকৃতিৰ মাজতে তাই প্ৰকৃত সুখৰ সন্ধান পাইছে। সাধুকথাৰ সামৰণিত ৰজৰ মোহাৰী ৰুদ্ৰৰ উভতি আহিছে, কিন্তু চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত তেজীমলাৰ প্ৰত্যাবৰ্তনৰ প্ৰত্যাখ্যানেৰে সামৰণি মাৰি কবি প্ৰচলিত ৰূপ কথাৰ পৰা আঁতৰি আহিছে।

'তেজীমলা' কবিতাৰ কেন্দ্ৰ ভাৱ মানৱতাবাদ। হিংসা-দ্বেষ নিষ্ঠুৰতাই মানৱ

আত্মাৰ পবিত্ৰতাক নিঃশেষ কৰিব নোৱাৰে। নৈসৰ্গিক জগতৰ পবিত্ৰতাৰ লগতহে নিষ্কলুষ মানব আত্মাৰ পবিত্ৰতা তুলনীয়। স্বাৰ্থপৰ মানুহেহে মানুহৰ মৰমক মূল্য দিব নোৱাৰে। মানুহৰ সমাজ হিংসা জৰ্জৰ হ'লেও প্ৰকৃতি সমাজ স্বাৰ্থহীন, মৰমী, শান্ত-শীতল, য'ত সকলোৱে নিৰ্ভয় নিশ্চিত আশ্ৰয় লাভ কৰে। তেজীমলাক অবলম্বন কৰিয়ে কৰিয়ে মানব সমাজ আৰু প্ৰকৃতি সমাজৰ মূলগত পাৰ্থক্য সফল ভাৱে অংকন কৰিছে।

'তেজীমলা' চন্দ্ৰকুমাৰ আগৰৱালাৰ সাৰ্থক সৃষ্টি। সমগ্ৰ কবিতাটোতে নিছিগা ধাৰেৰে বনগীতৰ বিণিকি বিণিকি সুৰৰ ব্যঞ্জনা অনুৰণিত হৈ আছে। তদুপৰি নিমজ ছন্দ আৰু সাবলীল প্ৰকাশভংগীয়ে কবিতাটো সুখপাঠ্য কৰি তুলিছে। ৰোমাণ্টিক ভাব-লক্ষণ প্ৰকাশৰ ক্ষেত্ৰত 'তেজীমলা' অগ্ৰগণ্য। 'তেজীমলা' কাহিনী গীতটো সম্পৰ্কে হেম বৰুৱাৰ এটা মন্তব্যই যথেষ্ট —

"তেজীমলাৰ কাৰুণ্য উপচি পৰা কাহিনীয়ে মন সাগৰত অলেখ ঢৌৰ সঞ্চাৰ কৰে। আমাৰ প্ৰচলিত ৰূপ-কথা এটিৰ 'তেজীমলা' হৈছে নিখুঁত কাব্যৰূপ।"

# 'চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্য প্ৰভাৱ'

মৃদুল শৰ্মা

কবিতা কি, কবি কোন — এনেবিলাক বিষয়ত যথেষ্ট বাদানুবাদ হৈ আহিছে যদিও আজি পৰ্যন্ত, কবিতাৰ জন্মলগ্নৰে পৰা চলি অহা এনে বাদানুবাদ আৰু অন্বেষণৰ সৰ্বজনগ্ৰাহ্য সিদ্ধান্ত ওলোৱা নাই। কবিতাৰ মূল বস্তু ভাবনা নে চিন্তা — এই লৈও বাদ বিবাদৰ অন্ত নাই। কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে কেৱল ভাবনা বা কেৱল চিন্তা - কোনোটোৱেই কবিতাৰ ক্ষেত্ৰত উপেক্ষণীয় নহয়। কবিজন ভাবুক হ'বই লাগিব বুলি কোনো কথা নাই, কিন্তু তেওঁৰ অন্তৰ্সমুদ্ৰত যে ভাবৰ জোৱাৰ-ভাটা অবিৰাম চলিয়ে থাকে সি ধ্ৰুৱপ। তেনেকৈ, কবিৰ অন্তৰৰ ভাব জগত আলোড়িত কৰি তুলিব পাৰে চিন্তাবৃত্তিয়েহে — সেই চিন্তা গ্ৰন্থ অধ্যয়নৰ ফলেই হওক কিম্বা গ্ৰন্থেতৰ বা গ্ৰন্থবহিৰ্ভূত জগতৰ ওপৰত সুগভীৰ দৃষ্টিপাতৰ ফলেই হওক। যদিহে কবিজন কোনো জাতীয় সাহিত্যলৈ নতুনৰ বাৰ্তাবাহী হয়, তেন্তে স্বীকাৰ কৰিবই লাগিব যে, তেওঁৰ মন আৰু মস্তিষ্কত ওপৰোক্ত দুইটি কথাৰে মণি-কাঞ্চন সংযোগ ঘটে। ভাব আৰু চিন্তা উভয়েই তেওঁৰ কাব্যভূমিৰ কৰ্ষণত আৰু সেই ভূমিত নৱবাদৰ ফল ফলাবলৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তেনেকৈ চিন্তাবৃত্তিৰ জাগৰণত তেওঁৰ প্ৰচুৰ অধ্যয়ন আৰু প্ৰকৃতি-পৰ্যবেক্ষণ — এই দুয়োটা কাৰকৰে ভূমিকা অনস্বীকাৰ্য।

অসমীয়া কবিতাজগতলৈ আধুনিকতাৰ বাৰ্তা কঢ়িয়াই অনা কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ ক্ষেত্ৰতো ওপৰৰ কথাখিনি সুন্দৰকৈ খাটে। অন্তৰৰ কল্পনা প্ৰৱণতা, প্ৰকৃতিৰ পৰা পোৱা সুৰুচিসম্পন্ন মন, প্ৰাচীন জাতীয় সাহিত্যৰ অধ্যয়নশীল অধ্যয়নৰ পৰা লাভ কৰা ঐতিহ্যপ্ৰীতি তথা তজ্জনিত ঐতিহ্যজিজ্ঞাসা আৰু পাশ্চাত্য সাহিত্যৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ অধ্যয়নৰ ফলত উন্মোচিত হোৱা আপোন জাতীয় সাহিত্য-ভঁৰালৰ দৈন্যৰ দুখৰ — এই কেইটা কথা মিলি চন্দ্ৰকুমাৰৰ কাব্যমানস গঢ় লৈ উঠিছিল আৰু কলিকতাত পঢ়িবলৈ গৈ পোৱা সাৰুৱা বৌদ্ধিক জগতখনে তেওঁৰ ভিতৰত থকা কবিজনক আলফুলে সাৰ পোৱাই দিছিল।

অসমীয়া সাহিত্যলৈ আধুনিক যুগৰ বতাহজাক প্ৰবাহিত কৰাত যে চন্দ্ৰকুমাৰ, বেজবৰুৱা আৰু গোস্বামীকে ধৰি এদল কলেজীয়া ছাত্ৰই পথিকৃৎ তথা কাণ্ডাৰীস্বৰূপ [illegible] ভূমিকা লৈছিল — এই সম্পৰ্কে যথেষ্ট আলোচনা ইতিমধ্যে হৈছে। সেই সময়ৰ আলোচনা আৰু ১৮৮৮ চনত কলিকতাত জন্ম হোৱা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাই নিজৰ মুখপত্ৰ হিচাপে ১৮৮৯ চনৰ পৰা উলিওৱা 'জোনাকী'ৰ জৰিয়তে — সকলোখিনিকে পৃষ্ঠভূমি হিচাপে লৈ এই প্ৰবন্ধত চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্বন্ধে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰথমতেই স্মৰণীয় যে, চন্দ্ৰকুমাৰে 'বনকুঁৱৰী'ৰ যোগেদি অসমীয়া কবিতালৈ যি আধুনিকতাক (ৰোমাণ্টিকতা) সুৰাওৰি তুলি আনিছিল, সেই গোটেই আধুনিকতাৰ ধাৰণাটোৱেই পাশ্চাত্যৰ পৰা অহা। সমকালীন বাংলা সাহিত্য-জগতৰ লগত কবিৰ নিবিড় পৰিচয় আছিল আৰু বাংলা সাহিত্যত সেই কালত পশ্চিমীয়া সাহিত্যৰ আলমত নব সাহিত্য-আন্দোলন এটাই গা কৰি উঠিছিল। এই আলোড়নে চন্দ্ৰকুমাৰকে মুখ্য কৰি কলিকতা-প্ৰবাসী অসমীয়া ছাত্ৰসকলক মনেপ্ৰাণে জোঁকাৰি গৈছিল আৰু আপোন সাহিত্য জগতত আধুনিক দৃষ্টিৰ দাৰিদ্ৰ্য আৱিষ্কাৰ কৰি তেওঁলোকে হাহাকাৰ কৰি উঠিছিল। ইফালে কলেজৰ বাধ্যতামূলক ইংৰাজী সাহিত্যৰ মাজত তেওঁলোকে পঢ়িবলৈ পাইছিলে বৰ্তমানেও অক্ষত-অটুট মূল্যৰে আমাৰ কলেজ-বিশ্ববিদ্যালয়ৰ পাঠ্য ইংৰাজী কবিতা সংকলন 'পেলগ্ৰেভ'ৰ Golden Trageryখন। হৃদয়ত জাগি উঠা জাতীয়তাবোধ, কাষৰীয়া বাংলা সাহিত্যৰ জয়জয়কাৰ আৰু ইংৰাজী কবিতাৰ অধ্যয়নে খুলি দিয়া মনৰ এখন নতুন খিৰিকি — এই তিনিওটা কথাই চন্দ্ৰকুমাৰক পুৰণি শংকৰী আৰ্হিৰ বৰ্ণনামূলক কবিতা ৰচনাৰ পৰিবৰ্তে নতুন মনন-সৃষ্টিৰে সবিনয় প্ৰকাশেৰে নতুনকৈ কবিতা লিখাৰ প্ৰতি প্ৰেৰিত কৰিলে।

চন্দ্ৰকুমাৰৰ কবিতা প্ৰথম 'জোনাকী'তে ওলাইছিল ১৮৮৯ চনতে। পিছত ক্ৰমে 'প্ৰতিমা' (১৯১৪) আৰু 'বীণ-বৰাগী' (১৯২৩) নামে দুখন সংকলনত তেওঁৰ কবিতাসমূহ সংকলিত হয়। যেতিয়াকৈ প্ৰতিমা সম্পৰ্কে দিয়া মতৰ গাতে আঁউজি থাউকতে এটা কথা কৈ থ'ব পাৰি যে কবিতা হিচাপে 'প্ৰতিমা'ৰ ভিতৰৰ কবিতাকেইটা 'বীণ-বৰাগী'তকৈ মোটামুটিভাৱে উন্নত।

চন্দ্ৰকুমাৰৰ কবিতাৱলী অধ্যয়ন কৰিলে তেওঁৰ মনত সকৈ বহি লোৱা এটি দৰ্শনৰ প্ৰকাশ তেওঁৰ প্ৰায়কেইটা কবিতাতে দেখা যায়। 'সৌন্দৰ্য' শীৰ্ষক কবিতাত তেওঁ তেওঁৰ কাব্যদৰ্শন তথা জীৱনদৰ্শনৰ সুচাৰু প্ৰকাশ ঘটিছে এনেদৰে —

'সুন্দৰৰ আৰাধনা জীৱনৰ খেল।
অভিনয় অন্তে মোৰ কাল যৱনিকা।'

বহুতে এই বাক্যাংশৰ লগত কবি কীটছৰ 'Beauty is truth, truth is beauty'ৰ মিল দেখা পায়। আমি আমাৰ ক্ষুদ্ৰজ্ঞান অধ্যয়নেৰে সেই মত মিছা বা ভুল বুলি ক'বলৈ নপাওঁ ক'ব খোজোঁ যে, কীটছৰ কবিতাকাকলিৰ মাজত আছে চকুৰ সৌন্দৰ্যৰ বন্দনা আৰু চয়ন (কীটছৰ A thing of beauty is a joy forever শাৰীৰ ক্ষেত্ৰতো একেটা কথাই খাটে।) কিন্তু চন্দ্ৰকুমাৰৰ কবিতাৱলিত সামঞ্জস্য ঘটিছে ড° নগেন শইকীয়াদেৱৰ ভাষাত "এহাতে পশ্চিমৰ পৰা অহা উদাৰ মানৱিকতাবাদ (liberal humanism) আৰু আনহাতে পূবৰ অধ্যাত্মবাদ (spiritualism)ৰ। ইয়াত চন্দ্ৰকুমাৰে বাহ্যিক সৌন্দৰ্যৰ বন্দনা কৰিয়েই এৰা নাই, 'সুন্দৰ' তেওঁৰ বাবে হৈ উঠিছে জীৱনৰ সৰ্বত্ৰ অনুভূত এটা

সত্য। অস্থিৰ জীৱনৰ সাময়িক স্থৈৰ্যৰ সময়চোৱাত তেওঁ সেই সুন্দৰৰ প্ৰকৃত আৰাধনাৰে জীৱন আৰু জগতক সুন্দৰ কৰাৰ আন এটা অহৰ্নিশে মনৰ ভিতৰত অনুভৱ কৰিছে। কীটছে গ্ৰীছীয় ভস্মাধাৰৰ গাত কটা সুন্দৰ ছবিবোৰৰ সৌন্দৰ্যত মুগ্ধ হৈ কৈছিল যে সুন্দৰেই সত্য, সত্যই সুন্দৰ। এই মন্তব্যত পোৱা যায় যে মানুহৰ জীৱন সাময়িক হ'লেও এই সাময়িক জীৱনকালত মানুহে সৃষ্টি কৰা সুন্দৰ শিল্পকৰ্মবোৰৰ শাশ্বত মূল্য তথা মৰ্য্যদা অক্ষত হৈ ৰৈ যায়। কীটছে মানুহৰ অন্তৰসৌন্দৰ্য্য আৰু সুন্দৰ আৰাধনা কাহানিও জীৱন তথা কাব্যদৰ্শনৰূপে গ্ৰহণ কৰা নাছিল। তেওঁৰ কবিতাই চাক্ষুষ সৌন্দৰ্যৰ বন্দনাগীতহে গাইছে। চন্দ্ৰকুমাৰে কিন্তু সেই দৰ্শনেৰেই নিজৰ জীৱন আৰু কাব্যৰ পথ চিকুনাই লৈছিল। সেয়েহে তেওঁ ক'ব পাৰিছিল —

'মোৰেই মুখেদি/মানৱ প্ৰাণৰ/স্ফুটক আকুল মাত

মোৰ চিন্তাতেই/গূঢ় ৰহস্যৰ/সত্য হ'ক প্ৰতিভাত।' বুলি। প্ৰায় একেধৰণৰ কথাকে তেওঁ স্থানান্তৰত বাৰেবাৰে কৈছে — কিন্তু পুনৰাবৃত্তি কৰা নাই। উদাহৰণস্বৰূপে —

১। সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ — (সুন্দৰ)

২। বিচাৰোঁ সুন্দৰ মই নিজে অসুন্দৰ। (সুন্দৰ)

বাহুল্যৰ ভয়ত অধিক উদ্ধৃতি নিদিয়াকৈয়ে আমি ক'ব খোজোঁ যে সকলো সময়তে তেওঁ সকলোতে কেৱল সুন্দৰকে অন্বেষণ কৰিছে। এই কথাকে কৈয়েই ক্ষান্ত নহৈ তেওঁ আৰু কৈছে যে মানুহ মাত্ৰেই সুন্দৰৰ উপাসক আৰু অন্বেষক। এই 'সুন্দৰ' বিভিন্নজনৰ বাবে বিভিন্ন ৰূপৰ। কীট্‌ছৰ কবিতাৰ beautyৰ লগত এই সুন্দৰৰ বা সৌন্দৰ্যৰ ধাৰণাৰ ভালেখিনি পাৰ্থক্য আছে। তথাপি, বীকাৰ কৰিবই লাগিব অসমীয়া প্ৰাচীন আৰু মধ্যযুগীয় সাহিত্যৰ ঐতিহ্যৰ পৰা আঁতৰি নহ'লেও এটা উপপথেদি বাট মুকলি কৰোঁতে কীট্‌ছৰ beautyয়ে চন্দ্ৰকুমাৰক অনুপ্ৰাণিত নকৰাকৈ থকা নাছিল।

'জীৱনৰ দলি' শীৰ্ষক কবিতাত চন্দ্ৰকুমাৰে লিখিছে —

"মোক সামৰিব কোন লগৰীয়া?

মই যে অকলে ব'লোঁ।"

এই শাৰীদুটাৰ ভাববস্তুৰ লগত আৰ্ণল্ডৰ Criticism of life-অৰ ইংগিত আছে। অৱশ্যে চন্দ্ৰকুমাৰৰ আন কেইটামান কবিতাত জীৱন-জিজ্ঞাসাই প্ৰবল ৰূপ পৰিগ্ৰহ কৰিছে। উদাহৰণস্বৰূপে 'অকলশৰীয়া', 'সুখ', 'নহয় সপোন', 'সংসাৰ ৰহস্য', 'অতৃপ্তি', 'বিশ্বভাৰতীয়া', 'কুট', 'মানৱ বন্দনা', 'হৃদয় স্মৰণ', 'আশীৰ্বাদ', 'তেজীমলা', 'সুৰপাত', 'বীণবৰাগী' আদি কবিতালৈ আঙুলিয়াব পাৰি। ব্যক্তিনিষ্ঠ জীৱন-চৰ্চা চন্দ্ৰকুমাৰৰ উল্লিখিত কবিতাসমূহৰ ভাবনাৰ থাই বীজ বুলিব পাৰি। প্ৰাচীন অসমীয়া সাহিত্যৰ বিবৰণমূলক ঐতিহ্যৰ বাৰুনিৰ পৰা বাহিৰ ওলাই, আদৰ্শ প্ৰচাৰৰ প্ৰৱণতাৰ পৰা

কিছুপৰিমাণে আঁতৰি (পিছলৈ এই দিশত আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে) গৈ কবি চন্দ্ৰকুমাৰে জীৱন-বিশ্লেষণ কৰাৰ বাবে প্ৰেৰণা ক'ৰ পৰা পালে? নিঃসন্দেহে পাশ্চাত্য কবিতাৰ অধ্যয়নৰ পৰা। পিছে, কেৱল প্ৰেৰণাইতো যথেষ্ট নহয়, তাৰ সমান্তৰালভাৱে লাগিব সাহসো। এই সাহস তেওঁক তথা তেওঁৰ সতীৰ্থসকলক যোগালে তদানীন্তন বাংলা সাহিত্যই। ওপৰোক্ত কবিতাফাকিত যি দুখবাদ ফুটি উঠিছে তাৰ মাজত আমি পশ্চিমীয়া কবিৰ চিন্তাধাৰাকো বিচাৰি পাব পাৰোঁ। শ্বেলীয়ে Lines to an Indian Air শীৰ্ষক কবিতাত লিখিছিল —

'O lift me from the grass!
I die, I faint, I fail!
Let thy love is kisses rain
On my lips and eyelids pale.

শ্বেলীৰ আন এফাকি বিখ্যাত কবিতা হ'ল —

'O' lift me as a wave, a leaf, a cloud!
I fall upon the thorns of life! I bleed!
A heavy weight of hours has chained and bowed
One too like thee; tameless and swift and proud."

(Ode to the West Wind)

চন্দ্ৰকুমাৰৰ উল্লিখিত কবিতাটিৰ মূল ভাবো আনো শ্বেলীৰ ভাবৰ ওচৰ সম্বন্ধীয় নহয়। আকৌ, শ্বেলীয়ে Ode to the West-wind কবিতাত পশ্চিমা বতাহক সদৌ মানৱৰ মাজত তেওঁৰ শব্দবোৰ সিঁচৰিত কৰি তেওঁৰ নিদ্ৰাগত পৃথিৱীৰে সাৰ পোৱাকৈ তেওঁৰ কণ্ঠৰ শিঙা বজাবলৈ পয়োধা ভৱিষ্যদ্বাণীৰ আহ্বান জনোৱাৰ দৰে চন্দ্ৰকুমাৰেও 'বীণ বৰাগী'ক কৈছে,

'মোৰেই মুৰুলি/মানৱ প্ৰাণৰ/ফুটক আকুল মাত,
মোৰ চিন্তাতেই/গূঢ় ৰহস্যৰ/সঞ্চাৰ হ'ক প্ৰতিভাত।' (বীণ-বৰাগী)

একেটা কবিতাতে কবিয়ে বিশ্বৰ দুৰ্নীতি বঢ়াবলৈও বিচাৰিছে —

'আঁচুৰি ফুলাৰ জনাহ'লে আজি/পেলালোঁহেঁতেন টানি,
হিমালয় চূড়া ফুৰালোঁহেঁতেন/উভালি কণীয়পানী।' (বীণ-বৰাগী)

ইয়াতো দেখা পাওঁ শ্বেলীৰ কবিতাৰ বিপ্লৱবাদী যৌৱনদীপ্ত সুৰ। এই সুৰ কিন্তু দুখবাদী। কবি যে শক্তিহীন — এই কথাই তেওঁক দুখবাদী কৰি তুলিছে। শ্বেলীও দুখবাদী। শ্বেলীয়ে পছোৱা বতাহৰ ওচৰত শক্তি লাভৰ প্ৰাৰ্থনা জনোৱাৰ বিপৰীতে আমাৰ কবিয়ে কিন্তু সৰ্বমানৱৰ অন্তৰত মুক্তি-চেতনা জগাই কৰি নৱ-সমাজ প্ৰতিষ্ঠাৰ

যাৱে 'নিৰঞ্জন' 'মই'ৰ ওচৰত প্ৰাৰ্থনা জনাইছে। এই যে চন্দ্ৰকুমাৰৰ ন-সমাজ গঢ়াৰ মনটো-ই কিন্তু কেৱল কল্পনাবিলাস নহয়। এই মনটো সৃষ্টি হৈছে কবিৰ প্ৰখৰ সমাজবীক্ষাৰ পৰা। কাৰণ, একেটা কবিতাতে তেওঁ সমাজ-সমালোচনাও আগবঢ়াইছে। যথা —

"কুটুমেই বান্ধে/কুটুমেই বাচে/কুটুমেই কুটুমক খায়।' (বীণ-বৰাগী)

'বীণ বৰাগী'ত বৰ্ডছৱৰ্থৰ কাব্যাদৰ্শৰ সুৰো ফুটি উঠা বুলি 'চন্দ্ৰকুমাৰৰ কবিতা-সমগ্ৰ'ৰ সম্পাদকীয় ভূমিকা প্ৰবন্ধত ড° নগেন শইকীয়া দেৱে দেখুৱাইছে। কবিয়ে যে কীট্ছৰ কাব্যপথতো খোজ বাঢ়িছিল, তাৰ প্ৰমাণো কবিতাটোত আছে। যথা —

"গোটেই সংসাৰ/দুখৰ বোজাটো/নহয় যে এলাপেচা,
সেয়ে প্ৰতিক্ষণে/খুন্দিয়ায় মোক/বুকুত গধুৰ হেঁচা।" (বীণ-বৰাগী)

এই বৰ্ণনাৰ লগত কীট্ছৰ দুটামান শাৰীৰ মিজনিও প্ৰদৰ্শন কৰিব পাৰি। যথা —

Where youth grows pale, and spectre-thin and dies,
Where but to think is to be full of sorrow —
And laden-eyes despairs;
Where beauty cannot keep her lustrous eyes-
Or new love pine than beyond to-morrow."

একেখনেই পৃথিৱী; একেই। পৃথিৱীৰ সমগ্ৰ দুখে দুয়োজন কবিৰে 'বুকুত গধুৰ হেঁচা' দিছে।

চন্দ্ৰকুমাৰে বহুঠাইত প্ৰেমৰ জয়গান গাইছে। তেওঁৰ সমকালীন কবি বেজবৰুৱায়ো 'প্ৰেমত ঘূৰিছে ভূমণ্ডল, প্ৰেমত ফুলিছে শতদল' বুলি লিখিছিল। চন্দ্ৰকুমাৰে প্ৰেমৰ বন্দনা কৰা কেইটামান শাৰী উৎকলিত কৰা হ'ল ঃ

১। যি প্ৰেমেই তোমাৰ সম্বল
   সেয়ে স্পৰ্শমণি সংসাৰৰ। (শান্তি)
২। প্ৰচাৰিবা জগতত "মৰমেই ধৰম" (জীৱনৰ লগৰীয়া)
৩। মানুহৰ মৰম বুজিবা মানুহে
   ধৰম যে মৰমতে। (মানৱ বন্দনা)
৪। মানুহৰ প্ৰীতি সাৰিথলে চোৰা
   বিশ্বজগৎ কল্পনা (বীণ-বৰাগী)
৫। হিয়াৰ পুখুৰী, অগাধ প্ৰেমৰ
   মোৰ ভৰসাৰ 'থল'। (অকিঞ্চন)

শেলীৰ মতেও গোটেই জগতৰ জীৱনীশক্তি হৈছে প্ৰেম। শেলীৰ প্ৰেম কিন্তু

চন্দ্ৰকুমাৰৰ প্ৰেমতত্ত্বৰ কিছু পৃথক। হ'ব পাৰে শব্দটো প্ৰেম বা Love, কিন্তু শ্যেলীৰ Love Philosophy মতে প্ৰেম হ'ল ডেকা-গাভৰুৰ মাজৰ আকৰ্ষণ। জৈবিক মিলন আৰু মিলনৰ দেওনা পাৰ হৈ পোৱা মনোজগতৰ মিলনৰ কথা শ্যেলীয়ে Love Philosophy ত কৈছে। চন্দ্ৰকুমাৰে ডেকা-গাভৰুৰ জৈবিক টান 'প্ৰেম' বুলি ক'তো কোৱা নাই। সেই স্তৰৰ প্ৰেমক প্ৰায় উপেক্ষা কৰি গৈ এক শাশ্বত সত্যস্বৰূপে তেওঁ প্ৰেমক উপলব্ধি কৰিছে। ব্যক্তিগত প্ৰেমৰ উচ্ছ্বাসো চন্দ্ৰকুমাৰৰ কবিতাত আছে। কিন্তু তাকে তেওঁ লেকাম-ছিগা ঘোঁৰাৰ দৰে অনিয়ন্ত্ৰিত ৰূপত ৰাজপথত দৌৰিবলৈ দিয়া নাই। হয়তো পৰম্পৰাগত অসমীয়া অধ্যাত্ম সাহিত্যৰ আদৰ্শই কবিক এই সংযম বা আত্মনিয়ন্ত্ৰণৰ শক্তি প্ৰদান কৰিছে। কবিৰ মতে প্ৰেমেই জগতৰ মূল, এই প্ৰেম বিভিন্ন জনৰ মাজত পৰস্পৰৰ ব্যক্তিগত প্ৰেমৰ মাজেদি বহল মানৱ প্ৰেমলৈ বিয়পিছে। অৱশ্যে জগৎ-প্ৰপঞ্চৰ চালিকাশক্তি ৰূপে প্ৰেমক স্থান দিয়াৰ দিশত শ্যেলী-চন্দ্ৰকুমাৰ উভয়ৰে সমধৰ্মিতা আছে। কিন্তু প্ৰেম সম্পৰ্কীয় পাৰ্থিব দৃষ্টিভংগীত দুয়োৰে অৱস্থান দুমেৰুত।

চন্দ্ৰকুমাৰৰ কবিতাত প্ৰকাশ পোৱা প্ৰেম সম্পৰ্কে সামান্য আলোকপাত কৰাৰ লগে লগেই মনলৈ আহে তেওঁৰ কবিতাত প্ৰকাশ পোৱা মানৱিকবাদৰ কথা। বৈষম্য-দৃষ্টি আঁতৰাই সৰ্বমানৱৰ প্ৰতি সমানভাৱে চকু দিয়াত চন্দ্ৰকুমাৰে যথেষ্ট সহানুভূতিশীল উদাৰতাৰ পৰিচয় দিছে। সাধাৰণ জনৰ প্ৰতি তেওঁ সদায়েই সহৃদয় আৰু সদয়। সেয়েহে তেওঁ লিখিব পাৰিছে —

"সবাওৰো হিত/আৰাধোহোঁ নিত/প্ৰেমৰ থাপনা পাতোঁ।
শ্ৰেয়সী সত্ৰৰ/সত্ৰীয়া সবাও/বিশ্ববাসী নৰগণ,
মানৱী জনম/উচ্ছৰ্গি সবেও/ভজোঁ মানৱী চৰণ।" (বীণ-বৰাগী)

আৰু

"মানুহেই দেৱ/মানুহেই সেৱ/মানুহ বিনে নাই কেৱ।
কৰোঁ কৰোঁ পূজা/পাদ্য অৰ্ঘ্য ল'ই/জয় জয় মানৱ দেৱ।" (মানৱ বন্দনা)

সমকালীন সমাজত গঢ়ি উঠা নতুন মূল্যবোধৰ গৰাহত পৰি পুৰণি শাশ্বত মূল্যবোধৰ অৱক্ষয় লক্ষ্য কৰিছিল চন্দ্ৰকুমাৰে। বৃটিছ ৰাজশাসনত এচাম ন-চহকী মানুহে নিজৰ ঐতিহ্যসম্পন্ন সভ্যতা-সংস্কৃতিৰ মূৰ খাই পৰৰ পদলেহনকাৰীৰ নিৰ্লজ্জ ভূমিকাত অৱতীৰ্ণ হৈছিল। ন-ধনী চামৰ প্ৰকোপত, তেওঁলোকে প্ৰদৰ্শন কৰা ফোপোলা আভিজাত্যৰ ফলত সাধাৰণ শ্ৰেণী দিনক দিনে উপেক্ষিত আৰু কৰ্ণদকশূন্য হৈ পৰিছিল। নিজৰ সোণ-সপোনৰ দেশখন বাঁহতল যেন হৈ পৰিছিল কেৱল 'মানুহ'ৰ অবিবেচনা আৰু ৰুচিবোধৰ অৱনমনত। সেইবিলাক লক্ষ্য কৰি আমাৰ কবিৰ অন্তৰত জাগৃত হৈছিল ফৰাচী বিপ্লৱৰ মূলমন্ত্ৰসদৃশ সমতা আৰু ভাতৃত্বৰ অনুভূতি। বৰ্তমানেও তেওঁৰ

আত্মজীবনী-কবিতা Prelude-অত স্বাধীনতা, সমতা আৰু ভাতৃত্বৰ কল্পনা কৰিছে। যথা —

> Companionships,
> Friendships, acquaintances
> Were welcome all. (Book - III, Prelude)

জাতীয় কংগ্ৰেছে সেই সময়ত ভাৰতবৰ্ষত সৰ্বসাধাৰণৰ শক্তিৰে বৃটিছ শক্তিৰ বিপক্ষে আন্দোলন ঘোষণা কৰিছিল। মহাত্মা গান্ধীয়ে 'অস্পৃশ্যতা বৰ্জন'ৰ আহ্বান জনাইছিল। এই সকলোখিনিয়েই চন্দ্ৰকুমাৰক উদাৰ-মানৱিকবাদী কৰি তুলিবলৈ যথেষ্ট আছিল।

ৱৰ্ডছৱৰ্থ আৰু ক'লৰিজৰ Lyrical Ballads খন প্ৰথম প্ৰকাশ হৈ ওলাইছিল ১৭৯৮ চনত। চন্দ্ৰকুমাৰে 'বনকুঁৱৰী' লিখিছিল সম্ভৱতঃ ১৮৮৮ বা ১৮৮৯ চনত। প্ৰায় এটা শতাব্দীৰ ব্যৱধান। ইতিমধ্যেই ৱৰ্ডছৱৰ্থ-ক'লৰিজে আৰম্ভ কৰা ৰোমান্তিকতাৰ ঢৌ তেতিয়া ইংলেণ্ডত শেষ হৈছে। কিন্তু ভাৰতৰ সাহিত্য তথা বৌদ্ধিকজগতে ৰোমাণ্টিক সাহিত্যৰ স্বাদ তেতিয়া পাইছেহে। ১৮৬১ চনত পেলগ্ৰেভে সংকলিত কৰা Golden Trageryৰ যোগেদি ভাৰতৰ কলেজীয়া ছাত্ৰসকলে পোৱা ৰোমাণ্টিক কাব্যৰ স্বাদ ভাৰতীয় সাহিত্যলৈও বিস্তাৰিত কৰাত জনচেৰেক ছাত্ৰই নিজকে নিয়োজিত কৰিছিল। ৱৰ্ডছৱৰ্থ আৰু ক'লৰিজে যি প্ৰাকৃতিক অনিৰ্বচনীয় ৰূপমাধুৰ্য আৰু অলৌকিক অতিলৌকিকৰ চিত্ৰায়ণৰ যোগেদি নতুন ভাবৰ 'ৰেনেছাঁ' ঘটাইছিল, চন্দ্ৰকুমাৰে নিজৰ কবিতাৰ মাজেদিও সেই ভাব আৰু ৰূপৰে মেলা পাতিব খুজিছে। তেওঁৰ প্ৰকৃতি বিষয়ক কবিতা কেইটিতে এই কথা স্পষ্টকৈ ফুটি উঠিছে। কিন্তু দৃষ্টিভংগীৰ পাৰ্থক্য স্পষ্ট। ৱৰ্ডছৱৰ্থে লিখিছিল —

> Nature never did betray,
> the heart that loved her, 'tis her privilege —
> through all the years of this our life, to lead
> From joy to joy.

ইয়াত প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক স্বয়ংপুষ্ট নহয়, গঢ়ি তুলিব লগীয়া, আৰু তাকে কৰোঁতাজনক প্ৰকৃতিয়ে প্ৰৱঞ্চনা নকৰে বুলি কোৱা হৈছে। কিন্তু চন্দ্ৰকুমাৰে সেই কথা কোৱা নাই। ৱৰ্ডছৱৰ্থে একান্তভাৱে নিজকে প্ৰকৃতিৰ সন্তান বুলি ভাবিছিল, কিন্তু আমাৰ কবিয়ে তেনেকৈ ভবা নাই। প্ৰকৃতিৰ চিকমকীয়া ৰূপ আমাৰ কবিয়ে চিত্ৰিত কৰিছে এনেদৰে —

> "ক'ৰ কোন কিবা হ'ল
> চিন স্মৃতি গলি গ'ল
> প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।" (প্ৰকৃতি)

এই উপলব্ধিৰ সৈতে বায়ৰণৰ দৃষ্টিভংগীৰহে মিল দেখা যায়। ৱৰ্ডছৱৰ্থৰ দৰে বায়ৰণে প্ৰকৃতিৰ ধ্যানত নিৰত হোৱা নাই, বৰং প্ৰকৃতিৰ স'তে মানুহৰ নিবিড় আত্মীয় সম্পৰ্কহে চিত্ৰিত কৰিছে — যিটো চন্দ্ৰকুমাৰে অতি ফটফটীয়াকৈ প্ৰকাশ কৰিছে 'তেজীমলা' কবিতাত। বায়ৰণে তেওঁৰ Child Herold-অত লিখিছিল —

'Art not the mountains, waves and skies, a part
Of me and of my soul, as I of them.

'ফুলা সৰিয়হ ডৰা' কবিতাৰ লগত বহুতে ৱৰ্ডছৱৰ্থৰ 'The Deffodils' কবিতাৰ মিলৰ কথা কয়। অৱশ্যে বিষয়বস্তুৰ মিল নিঃসন্দেহে আছে — এডৰা ডেফ'ডিল ফুল আৰু এডৰা সৰিয়হ ফুল। কিন্তু ৱৰ্ডছৱৰ্থে অকলশৰে ঘূৰি-পকি ফুৰা অৱস্থাত ফুল এডৰা দেখি তাৰ সৌন্দৰ্যত আপ্লুত হোৱাৰ বিপৰীতে চন্দ্ৰকুমাৰে আন এটা দিশৰ পৰাহে সৰিয়হ ডৰাৰ কথা কৈছে। কবিৰ অন্তৰত 'ফুলা সৰিয়হ ডৰা'ই বাল্যকালৰ প্ৰতীতি জন্মাইছে। তেওঁ সম্প্ৰতি গুটি সৰিয়হ বিষয়-চক্ৰৰ ঘানীত চেপ দি বস উলিয়াবলৈ যাক ব্যৱহাৰ কৰা হৈছে। তেওঁ শৈশৱলৈ উভতি যোৱাৰ তীব্ৰ আকাংক্ষা প্ৰকাশ কৰিছে। লগতে কৈছে কছোৰ "প্ৰকৃতিৰ বুকুলৈ ঘূৰি যোৱা"ৰ তাড়না। 'বনকুঁৱৰী'তো প্ৰকৃতিপ্ৰীতিয়েই বাঙ্ময় ৰূপ লাভ কৰিছে। ইয়াত যি জীৱন্ত বৰ্ণনা দাঙি ধৰা হৈছে — সি অপূৰ্ব। উদাহৰণস্বৰূপে —

"পহীন গছত বতাহৰ ছাটি/পাত কঁপে থৰথৰ।
হাবিৰ মাজৰ পৰা কোনেনো বা/মাতি উঠে 'মৰ মৰ'?" (বনকুঁৱৰী)

এনে জীৱন্ত প্ৰাকৃতিক বৰ্ণনা দিয়াত কীট্‌ছ আছিল সিদ্ধহস্ত। চন্দ্ৰকুমাৰেও সেই দক্ষতা অৰ্জন কৰিছে। 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী' কবিতাত অলৌকিক চৰিত্ৰৰ সমাৱেশ ঘটিছে কীট্‌ছৰ কবিতাৰ দৰে। কিন্তু দুয়োজনৰে মাজত বহলুৰৰ সম্পৰ্ক এটাহে বিচাৰি উলিয়াব পাৰি— তাকো কষ্টপ্ৰসভাৱেহে। কাৰণ, ক'লৰিজে কল্পনাত লগ পোৱা অলৌকিক চৰিত্ৰসমূহৰ ভিতৰত কবি নিজেও প্ৰায়েই হেৰাই যাব খোজে; তেওঁ নিজেও অলৌকিক জগতৰ বাসিন্দাৰূপে থিয় দিয়ে। আমাৰ কবিয়ে কিন্তু তেনে কৰা নাই। অলৌকিক চৰিত্ৰৰ সমাৱেশৰ যোগেদি কবিয়ে জগত-প্ৰপঞ্চৰ সত্য-উপলব্ধি প্ৰকাশৰহে চেষ্টা কৰিছে —'নিজে ধূলি-বালিৰ পৃথিৱীখনৰে বাসিন্দা হৈ বৈ। অধিক ব্যাখ্যালৈ নগৈও ক'ব পাৰি যে 'বনকুঁৱৰী' আৰু জলকুঁৱৰী' কবিতাদুটাত কবিয়ে ৱৰ্ডছৱৰ্থৰ দৰে সাধাৰণ ভাষাৰে প্ৰকৃতিপ্ৰীতি আৰু ক'লৰিজৰ দৰে অতিলৌকিক কল্পনাৰ যোগেদি বহু-বছা শব্দৰে 'আধাফুটা আবেগৰ জুমুৰি' প্ৰকাশ কৰিবলৈ হৃদয়-দুৱাৰ মেলি দিছে। 'নীৰৱ' কবিতাৰ ক্ষেত্ৰতো একে কথাই খাটে। 'নিৰৱ' চোৱাতে কবি-অন্তৰত বিস্ময় ভাবৰ নৱজাগৃতি (Renaissance of wonder) ঘটাইছে। কল্পনাৰ অন্তৰ্ভেদিতা কবিতাটোৰ অন্যতম বাই গুণ। ৱৰ্ডছৱৰ্থৰ Ode : Intimation of Immortality from

Recollection from early childhood অত কিদৰে ক্ষুদ্ৰাতিক্ষুদ্ৰ বস্তুৰ সূক্ষ্মাতিসূক্ষ্ম আৰু মহিমামণ্ডিত ৰূপ প্ৰকাশ পাইছে সেইদৰে 'নীৰৱ'তো কবি-দৃষ্টিৰ সূক্ষ্মতা আৰু কল্পনাশক্তিৰ অনন্য বিকাশ ঘটিছে। ৱৰ্ডছৱৰ্থে উল্লিখিত কবিতাটোত এই ভাবৰ জিলিঙনি দাঙি ধৰিছে এনেদৰে —

> 'To me the meanst flower that blows can give
> Thoughts that do often lie too deep for tears."

ৱৰ্ডছৱৰ্থে আত্মাৰ অমৰত্বৰ কথাত বিশ্বাস ৰাখিছিল। মূলতঃ এই বিশ্বাস ভাৰতীয় আদৰ্শৰ যদিও গ্ৰীক মনীষী প্লেটো'ইও এনে কথা কৈ গৈছে তেওঁৰ Phaedurs গ্ৰন্থত। আমি চন্দ্ৰকুমাৰে ৱৰ্ডছৱৰ্থৰ পৰা এই বিশ্বাস গ্ৰহণ কৰা বুলি ক'ব নোৱাৰোঁ, কিয়নো আমাৰ কবিজন নিতান্তই ভাৰতীয়। কিন্তু ৱৰ্ডছৱৰ্থে কোৱা We came from God who is our home-অৰ দৰে চন্দ্ৰকুমাৰেও কৈছে —

> "ঈশ্বৰৰ জীৱ দিব ঈশ্বৰেই নেহ্য/কিয় মোৰ মনাই নুবুজ?" (আশীৰ্বাদ)

বুজি পায়, কিন্তু মানি ল'ব নোৱাৰে, সেয়ে তেওঁৰ দুখৰ কাৰণ। সেয়েহে তেওঁ কৈছে —

> "মৰমৰ টান দেখোঁ বৰকৈ কঠিন।/মৰম কোমল কোনে কয়?" (কূট)

চন্দ্ৰকুমাৰৰ কবিতাত দেখা যায় একপ্ৰকাৰ নিঃসঙ্গতাবোধ। এই ক্ষেত্ৰত চন্দ্ৰকুমাৰে আধুনিক কবিৰ বৈশিষ্ট্য অৰ্জন কৰিছে। এই নিঃসঙ্গচেতনাৰ ফলত তেওঁৰ কবিতাই জীৱন-সমীক্ষা চলাৰ পৰা হৈ উঠিছে। ইয়াকে কৰোঁতে চন্দ্ৰকুমাৰ ভাৰতীয় আধ্যাত্মিকতা আৰু পশ্চিমীয়া কবি ৱৰ্ডছৱৰ্থৰ কবিতাৰ ভাববস্তুৰ দ্বাৰা প্ৰভাৱিত আৰু অনুপ্ৰাণিত হোৱা বুলি ক'ব পৰা যায়। 'অকলসৰীয়া' কবিতাত তেওঁ লিখিছে —

> "জনপূৰ্ণ নিৰ্জনত ক'তা লগৰীয়া?/বিশ্ব সংসাৰত হায় অকলসৰীয়া।"

ৱৰ্ডছৱৰ্থে The Afflication of Margaret কবিতাত লিখা —

> "Neglect me! no I suffer'd long
> From that ill thought; and being blind
> Said pride shall help me in my wrong;
> Kind mother have I been; as land..."

পাৰীকেইটাৰ ভাববস্তুৰ লগত চন্দ্ৰকুমাৰৰ 'অকলসৰীয়া' কবিতাৰ ভাববস্তুৰ সাদৃশ্য আছে। 'বিষাদৰীয়া' কবিতাত কবিয়ে যি মানবিকতাৰ সুৰ তুলিছে — সি বাহিৰে পাশ্চাত্য কবিতাৰ তথা পাশ্চাত্য দৰ্শনৰ সুৰ। 'সপোন' কবিতাতো জীৱন-বীণাৰ গতিৰতা আছে। সপোনতো কবিৰ নিঃসঙ্গ চেতনা জাগি উঠিছে।

চন্দ্ৰকুমাৰৰ দুটা উল্লেখযোগ্য কবিতা হ'ল 'মাধুৰী' আৰু 'কিশোৰী'। এই

কবিতাসমূহত কবিয়ে অৰ্ধপ্ৰকাশিত সৌন্দৰ্যৰ মহিমামণ্ডিত প্ৰকাশ ঘটাইছে। 'মাধুৰী' কবিতাত অৰ্ধবিকশিত যৌৱনময়ী ষোড়শী এগৰাকীৰ শাৰীৰিক সৌন্দৰ্যৰ মাজেদি ফুটি উঠিছে সিদ্ধান্ত ল'ব নোৱৰা 'ন যযৌ ন তস্থৌ' সেই ষোড়শীৰ মনোজগতৰ ছবি এখন। ইমান জীৱন্ত এই বৰ্ণনা। 'কিশোৰী' কবিতাতো বিকাশ আৰু প্ৰকাশৰ বাবে উন্মুখ কিন্তু অপ্ৰকাশিত, অবিকশিত কিন্তু প্ৰকাশিতব্য আৰু বিকাশ হ'বলগীয়া কিশোৰীৰ মনোলোভা ৰূপায়ণত কবি সফল হৈছে। 'সামৰি আথেক, মেলি আথেক প্ৰাণটিৰে কিশোৰীৰ —

"প্ৰেমৰ বাঁহীৰ মাতে, লাজৰ কঁপনি/বিয়লি নীৰৱ গুনো হিয়া কলকনি।

লাজ-শান্ত উত্ৰাৱল নবীন হৃদয়,/কি মধুৰ প্ৰভাৱৰ দিছে পৰিচয়।" (কিশোৰী)

বৰ্ণনাৰ লগত ক'লৰিজৰ Love কবিতাৰ নিম্নোদ্ধৃত শাৰীকেইটাৰ ভাৱবস্তুৰ মিল দেখা যায় —

"I calm'd her fears, and she was calm
And told her love with virgin pride;
And so I won my gene viewe
My bright and beauteous Bride."

'যুগমীয়া শোক', 'নহয় সপোন', 'আশীৰ্বাদ' আদি কেইটামান কবিতাত কবিয়ে ব্যক্তিনিষ্ঠ দৃষ্টিৰে জীৱন দৃষ্টিৰে জীৱন অধ্যয়ন কৰি কবিয়ে জীৱনক গভীৰভেদী দৃষ্টিৰে আলোকপাত কৰিব খুজিছে। এইক্ষেত্ৰত কবি ৱৰ্ডছৱৰ্থৰ Lucy কবিতাপুঞ্জ আৰু শ্যেলী তথা কীট্‌ছৰ কিছুমান কবিতাৰে কবি অনুপ্ৰাণিত হৈছে। এই কবিতাকেইটাত কবিয়ে যি ৰোমাণ্টিক দুখৰ সুৰ বজাইছে সেয়া নিঃসন্দেহে কীট্‌ছৰ বিষাদগ্ৰস্ততাৰ ওচৰ চপা। 'যুগমীয়া শোক'ত কবিয়ে লিখিছে —

"গ'লি তই যানি একো নাই/তোৰ যে সকলি ৰাখিম জীয়াই

ই পবিত্ৰ শোক তোৰ যুগমীয়া ক'ই।"

এই শোক নিতান্তই ব্যক্তিগত। ব্যক্তিগত শোক বা দুখৰ অনুভূতিক সাহিত্যৰ মাজলৈ আদৰি আনি তাক সৰ্বজনৰ চকুৰ গোচৰীভূত কৰি মনত প্ৰৱেশ কৰোৱাৰ খোজাৰ দিশত কবি পাশ্চাত্যৰ ভাৱশক্তি (spirit)ৰে পৰিচালিত হৈছে। 'তেজীমলা' কবিতাটো ৱৰ্ডছৱৰ্থৰ Lucy কবিতাৰ লগতে তুলনীয়। কিন্তু Lucyৰ দৰে তেজীমলাৰ জীৱন-ছবি ইয়াত আঁকা হোৱা নাই, তেজীমলাৰ জীৱন-কাহিনী পাঠকে জানে বুলি ধৰি লৈ সেই কাহিনীয়ে কবিৰ অন্তৰত সৃষ্টি কৰা ভাবৰ বা-মাৰলিজাৰহে এই কবিতাত শব্দচিত্ৰৰ যোগেদি বিবৃত হৈছে।

ইন্দ্ৰিয়গ্ৰাহ্য আৰু চিত্ৰময় বৰ্ণনাত কবি কীট্‌ছৰ দ্বাৰা তেওঁৰ তাদেয়ান সমসাময়িক আৰু পৰৱৰ্তী ইংৰাজ কবিও প্ৰভাৱান্বিত হৈছিল। বিশেষ চন্দ্ৰকুমাৰে কীটছ পঢ়িছিল,

ইন্দ্ৰিয়গ্ৰাহ্য আৰু চিত্ৰৰং বৰ্ণনাৰ ক্ষেত্ৰত তেওঁ কীট্ছক অনুসৰণ কৰা বুলি ক'ব পাৰি। অৱশ্যে শংকৰদেৱ আদি প্ৰাচীন অসমীয়া কবিসকলেও চিত্ৰময় বৰ্ণনাত দক্ষতা অৰ্জন কৰিছিল। প্ৰায়বোৰ কবিতাতে চন্দ্ৰকুমাৰে জীৱন্ত ইন্দ্ৰিয়বেদ্য বৰ্ণনা দিয়াত সাৰ্থকতা লাভ কৰিছে। তাৰ ভিতৰত অতিশয় উল্লেখযোগ্য কেইটামান কবিতা হৈছে 'সন্ধিয়া', 'কিশোৰী', 'মাধুৰী', 'বনকুঁৱৰী', জলকুঁৱৰী', 'কোন দেশৰ প্ৰাণী তুমি', 'জোনাকী', 'মৌমাখি' আদি।

সংখ্যাত কম হ'লেও চন্দ্ৰকুমাৰে ব্যঙ্গ কবিতাও ৰচনা কৰিছিল। আমি তেওঁৰ মাত্ৰ দুটা ব্যঙ্গ কবিতাহে পাওঁ য'ত চন্দ্ৰকুমাৰে সামাজিক শৈক্ষিক আৰু ৰাজনৈতিক অৱস্থাক ব্যঙ্গ কৰিছে। এই দুটা কবিতা হ'ল 'চাকৰি ক্ষোভ' আৰু 'মৌনী শিওপাল'। ব্যঙ্গ কবিতা ৰচনাৰ ক্ষেত্ৰত চন্দ্ৰকুমাৰে বায়ৰণৰ কবিতাৰ পৰা উদ্দীপনা পোৱা বুলি ক'ব পাৰি। অৱশ্যে সমকালীন কবি বেজবৰুৱাৰ হাতত ব্যঙ্গ কবিতাৰ সৃষ্টি লক্ষ্য কৰিও তেওঁ তেনে কবিতা লিখিবলৈ উৎসাহিত হৈছিল বুলিও ভাবিব পাৰি। প্ৰথম সম্ভাৱনাতকৈ দ্বিতীয়টো সম্ভাৱনা দৃঢ় যদিও প্ৰথমটো সম্ভাৱনাও দলিয়াই পেলাব পৰা নহয়। ভুৱা জীৱনধাৰা, ভুৱা শাসনযন্ত্ৰ, ভুৱা শিক্ষা, ভুৱা স্বাধীনতা, উৎকোচ পৰম্পৰা —এই সকলোবিলাকে চন্দ্ৰকুমাৰে কবিতাৰ মাজলৈ আনিছে —বায়ৰণৰ দৰেই।

কবিতাৰ যোগেদি আদৰ্শপ্ৰচাৰৰ প্ৰৱণতাৰ পৰা কিছুপৰিমাণে চন্দ্ৰকুমাৰ আঁতৰি অহাৰ কথা পূৰ্বতে উল্লেখ কৰা হৈছে। তথাপি, চন্দ্ৰকুমাৰৰ কবিতাৰ এটা অন্যতম বৈশিষ্ট্য ৰূপে দেখা যায় উদ্দেশ্যমুখিতা (Didacticism)ক। কবিতাৰ যোগেদি শিক্ষাদান অতীজৰেপৰা চলি অহা এটা পুৰণি বিষয়। কিন্তু আধুনিক যুগৰ কবিতাত (ৰোমাণ্টিক কবিতাৰ পৰা আধুনিক বোলা হৈছে) এই দিশটোৱে এটা নতুন ৰূপ গ্ৰহণ কৰিছে। পুৰণি আখ্যানমূলক কবিতাত পাঠকক উদ্দেশ্যি কবিয়ে নীতি-বচনৰ বক্তৃতা দিয় পৰাটো অস্বাভাৱিক নাছিল। কিন্তু ৰোমাণ্টিক কবিতাত সেই সুবিধা নাই বা থাকিলেও সি অতি সীমিত। কবি বৰ্ডছৱৰ্থে কবিতাৰ যোগেদি নীতি-শিক্ষা দান কৰাটো কবিৰ অৱশ্যপালনীয় কৰ্তব্য বুলি ভাবিছিল। আমাৰ আলোচ্যমান কবিয়ে তেনেকৈ ভবাৰ নজিৰ নাই বুলি কৈও ক'ব পাৰি যে কেতবোৰ কবিতাত তেওঁ উদ্দেশ্যধৰ্মী দৃষ্টিভঙ্গীৰ পৰিচয় দিছে। উদাহৰণস্বৰূপে 'প্ৰতিমা', 'জীৱন উচ্ছ্বাস', 'জীৱনৰ দলি', 'শান্তি', 'আশা', 'সংশয় ৰহস্য', 'ইচ্ছা' 'কৰ্মদেৱ', 'মানৱ বন্দনা', 'সুখগীত', 'বীণ-বৰাগী', 'আনন্দতীৰ্থ', 'পণ্ডৰল', 'কেও নোহে পৰ', 'আত্মদান', 'সংসাৰ', 'অজেয়' আদি। কথাষাৰ স্পষ্ট হ'বলৈ দুটামান কবিতাত চকু ফুৰালে দেখা যায় যে,

১। যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
ভুলে যদি সন্তাপ মনৰ। (প্ৰতিমা)

২। যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান। (জীৱন উচ্ছ্বাস—

৩। কি কামত আহি কিহত ঘূৰিছোঁ?" (জীৱনৰ দদি)

৪। "প্ৰিয় প্ৰেমেই তোমাৰ সম্বল/সেৱে স্পৰ্শমণি সংসাৰৰ।

কিবা চোৰা হাতত্তে ৰতন/প্ৰেমেই যে শান্তি জগতৰ।" (শান্তি)

এই কবিতা কেইফাকিৰ যোগেদি (উদাহৰণ আৰু বহুতো ওলাব) পাঠকক নীতি-শিক্ষাৰ উপলব্ধি কৰাবলৈ চেষ্টা কৰিছে।

চন্দ্ৰকুমাৰৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা প্ৰসঙ্গত ইয়াত কেৱল কবিকৰ্মৰ তুলনামূলক অধ্যয়ন এটাহে সংক্ষিপ্তভাৱে কৰিব খোজা হৈছে। এই দৃষ্টিপাত তেনেই সীমিত আৰু প্ৰাথমিক স্তৰতে ৰৈছে। আমি আমাৰ সমস্ত সীমাবদ্ধতা স্বীকাৰ কৰিও সীমিত অধ্যয়নৰ ভিত্তিতে এই আলচ যুগুতাইছোঁ। দেখা গৈছে যে চন্দ্ৰকুমাৰৰ কবিতাত প্ৰাচ্য-পাশ্চাত্যৰ বিভিন্ন দৰ্শন আৰু কাব্যাদৰ্শৰ সুচাৰু সম্মিলন ঘটিছে। অৱশ্যে ইয়াত কেৱল পাশ্চাত্য কাব্যাদৰ্শৰ, বিশেষকৈ কবিকৰ্মৰ প্ৰভাৱ তেওঁৰ কবিতাত কিদৰে পৰিছে তাৰহে খতিয়ান ল'বৰ চেষ্টা কৰা হৈছে। সকলোবোৰ কবিতা আলোচনাৰ মাজলৈ অনা হোৱা নাই। ভাৰতীয় আধ্যাত্মিকতাৰ ছাঁ তেওঁৰ কবিতাত স্পষ্ট হ'লেও সি তেওঁৰ কবিতাৰ ঘাই সুৰ নহয় বুলি নলিনীধৰ ভট্টাচাৰ্য দেৱে মত দিছে। তেনেকৈ, ক'ব পাৰি, বিভিন্ন পাশ্চাত্য কবিৰ কবিতাৰ ভাৱ বা বিষয়বস্তুৰ প্ৰভাৱ তেওঁৰ কবিতাত পৰিলেও সিও চন্দ্ৰকুমাৰৰ কবিতাৰ উই নহয়। দৰাচলতে প্ৰাচ্য-পাশ্চাত্যৰ মধুৰ সামঞ্জস্যহে চন্দ্ৰকুমাৰৰ কবিতাৰ প্ৰাণবস্তু, আশা কৰিব পাৰি, ৰসগ্ৰাহী পাঠকসকলে এই আলচৰ দ্বাৰা উপকৃত নহ'লেও সাধাৰণ আভাস এটি পাবলৈ সক্ষম হ'ব আৰু এই বিষয়ত বিস্তৃত আলোচনাৰ বাবে আগবাঢ়িবলৈ উদ্‌গনি পাব। শেষত ক'ব পাৰি যে চন্দ্ৰকুমাৰে প্ৰাচ্য-পাশ্চাত্যৰ ভাবাদৰ্শৰ সুষম সমন্বয়েৰে যি সাহিত্যান্দোলনৰ বীজ পঁচাই থৈ গ'ল, সিয়ে আমাক পাশ্চাত্য সাহিত্য তথা বিশ্বসাহিত্যৰ বিশেষকৈ কবিতাৰ সোৱাদৰ ছাঁ আমাৰ ওপৰত পৰাকৈ সময়ত ফুলে-পাতে জাতিষ্কাৰ হৈ উঠিল। অসমীয়া কবি, কবিতা আৰু কবিতাৰ আলোচকে কাহানিও এই কথা অস্বীকাৰ কৰিব নোৱাৰে।

# তৃতীয় পরিচ্ছেদ

"ভবিষ্যৎ এশিয়া মুক্তি
আজি হ'ল তোমার জাগ্রত
নদী-বন, পর্বত-জনমনে
আমার কাহিনী প্রচারিত।"

(নতুন বছর : চন্দ্রকুমার আগরওয়ালা)

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ সামগ্ৰিক আলোচনা

জাহ্নৱী কৌৰৱ

১৯ শতিকাৰ শেষৰফালে পাশ্চাত্য সাহিত্যৰ ভাবাদৰ্শেৰে পৰিপুষ্ট হৈ অসমীয়া সাহিত্যৰ যি ৰমন্যাস যুগৰ শুভাৰম্ভ ঘটে সেই যুগৰ সাহিত্যিক আন্দোলনৰ অন্যতম গুৰীয়াল আছিল চন্দ্ৰকুমাৰ আগৰৱালা। তেখেতে কবিতাৰ বিভিন্ন অংশবাজিৰে অসমীয়া কাব্য সাহিত্যৰ এই সোণালী যুগটি অসমীয়া সাহিত্যত উজ্জ্বলতম নক্ষত্ৰ হিচাপে জিলিকাই তুলিবলৈ যি প্ৰচেষ্টা চলাইছিল তাৰ ফলশ্ৰুতিতেই পৰৱৰ্তী সময়চোৱাত গীতি কবিতাৰ পৰম্পৰা সৃষ্টি হৈ আহিছে। ১৮৮৯ চনত 'জোনাকী' নামৰ মাহেকীয়া আলোচনীৰ প্ৰকাশেৰে অসমীয়া ৰমন্যাসবাদী কবি সকলক গীতি কবিতাৰ সম্ভাৰেৰে অসমীয়া কাব্য সাহিত্যক সমৃদ্ধ কৰি তুলিবলৈ প্ৰেৰণা যোগালে। 'জোনাকী' কাকতত 'বনকুঁৱৰী' গীতি কবিতাৰে কবি জীৱনৰ পাতনি তৰি কবিগৰাকীয়ে প্ৰকৃতি, ফুলা সৰিয়হ দৰা, নিয়ৰ, বনকুঁৱৰী, তেজীমলা, মই, কিশোৰী, মাধুৰী, মানৱবন্দনা, হৃদয়-সৰগ আদি ৪৬ টা মান কবিতাৰ এক সামগ্ৰিক মিতিবালিৰে ১৯১৩ খ্ৰীঃত তেওঁৰ প্ৰথম কাব্য গ্ৰন্থ 'প্ৰতিমা'খন পাঠকৰ মাজলৈ মেলি দিয়ে।

জোনাকী যুগৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'খন পঢ়ি লক্ষ্মীনাথ বেজবৰুৱাই আগবঢ়োৱা "প্ৰতিমা'খন সৰু কিন্তু নিভাঁজ সোণৰ" — এই মন্তব্যৰ জৰিয়তেই প্ৰতিফলিত হোৱা মানৱ দৰদী কবিতাসমূহৰ বিষয়ে জানিব পাৰি। আগৰৱালাদেৱ আছিল সত্য আৰু সুন্দৰৰ পূজাৰী। সেয়ে তেওঁৰ দৃষ্টিত সত্য আৰু সুন্দৰৰ কোনো প্ৰভেদ নাই। সুন্দৰৰ আৰাধনাক জীৱনৰ ব্ৰত হিচাপে লোৱা এই কবিগৰাকীয়ে তেখেতৰ 'মাধুৰী' নামৰ কবিতাৰ জৰিয়তে প্ৰকৃত সুন্দৰৰ এক নিভাঁজ প্ৰতিচ্ছবি দাঙি ধৰিছে। জোনাকী যুগৰ ত্ৰিমূৰ্ত্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত "মাধুৰীৰ নিচিনা সুৰতে পৰা তৰুণা কবিতা অসমীয়া ভাষাত বৰ বেছি নাই" —

"চাওঁনে নেচাওঁকে
মৰমৰ দেহিটি
দেৱীনে মানৱী ঐ
মাধুৰীৰ ছবিটি।"

এই কবিতাটিৰ প্ৰতিটো স্তৱকতে ফুটি উঠা অতুল কল্পনা শক্তিয়ে কবিগৰাকীৰ ৰোমান্টিক মাধ্যৱাদৰ বতৰা কঢ়িয়াই আনে।

"সোণোৱালী মোৰ্কলাই
এধা বজা খোপাটি,

হয়নে নহয়কৈ
আধা ফুটা মাতটি।"

আগৰৱালাদেৱৰ সৌন্দৰ্য্য তৃষ্ণাৰ অপৰূপ নিদৰ্শন 'মাধুৰী' নামৰ কবিতাটিৰ জৰিয়তে কবিগৰাকীয়ে অ-প্ৰকাশ্য মান আৰু মৰ্য্যাদা যে প্ৰকাশ্য মৰমৰ মান আৰু মৰ্য্যাদাতকৈ বহু ওপৰত তাকে প্ৰতিয়মান নিয়াবলৈ সক্ষম হৈছে। কবিয়ে আধা আঁকা ছবি, আধা ফুলা ফুল, সদ্যবিবাহিতা পত্নী, থুনুক-থানাক মাতৰ কেঁচুৱাটি, গাভৰুৰ আধাখোলা খোপাটি, অভিমান ভৰা ঠেহ, অৰ্দ্ধ উদং বুকু, ওঁঠৰ তলৰ লাজুকীয়া হাঁহি, আঁতৰৰ পৰা ভাঁহি অহা করুণ জান-নিজান বাঁহীৰ মাত, আদিৰ জৰিয়তে 'মাধুৰী'ৰ বৰ্ণনা অতি সৰলভাৱে ফুটাই তোলাত সফল হোৱা যেন লাগে। নাৰী আৰু প্ৰেম অমৃতৰ নদী। সেয়ে যৌৱনৰ উন্মাদ উত্তেজনাত উন্মনা. প্ৰেমৰ চাকনৈয়াত উগুলথুগুল কৰা নাৰীপ্ৰাণ, নাৰীমন আৰু নাৰীজেদৰ অপৰূপ লাৱণ্যময়ী সৌন্দৰ্যত কবিগৰাকী ইমান বেছি আনন্দিত হৈ উঠিছে যে মাধুৰীৰ অপৰূপ ছবিটি দেখী নে মানবী তেওঁ সেই কথা সঠিকভাৱে ঠিৰাং কৰাত ব্যৰ্থ হৈছে। সৌন্দৰ্য্য আৰু অনুভৱ কোনোটোৱেই মাধুৰীৰ ৰূপ সুধাক বৰ্ণনাৰ মাপকাঠীৰে বুজাব পৰা নাযায় বা নোৱাৰি। সাধনাৰ জৰিয়তেহে এই সৌন্দৰ্য্য সুধা পান কৰিব পৰা যায়।

"নিয়ৰ কলিৰে শোভে ফুলজুপি
চাঁইছো ভাৱতে ভাঁহি,
হায়, কি বিষম পেলালে বায়ুয়ে
জোকাৰি ফুলৰ পাঁহি।" (নিয়ৰ)

শৰতে কঢ়িয়াই অনা নিয়ৰৰ টোপালবোৰে বিশেষ বিশেষ মুহূৰ্ত্তত কবিগৰাকীক এনে এখন মনোৰম জগতৰ সৃষ্টিৰ প্ৰেৰণা যোগায়, য'ত আমি বিস্ময়, মাদকতা, শিহৰণ আদি বিচাৰিব পাৰো। 'নিয়ৰ' কবিতাটিক সেয়ে ৰোমাণ্টিক কাব্য আন্দোলনৰ এটি উল্লেখযোগ্য কবিতা বুলি ক'ব পাৰি। কবিতাটোত কবিৰ সৌন্দৰ্য তৃষ্ণাৰ মনোহাৰিত্ব পুৱাৰ কিৰণৰ দৰে প্ৰকাশিত হৈছে। পাশ্চাত্য কবি William black 'tiger' ৰ নামৰ কবিতাটিৰ প্ৰভাৱ এই কবিতাটিত পৰা যেন লাগে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা' প্ৰাচীন অসমীয়া বেলাডৰ আধুনিক ৰূপ। তেখেতে অসমৰ জনশ্ৰুতিৰ মাজত লুকাই থকা 'তেজীমলা'ক নিজৰ কাব্য প্ৰতিভা, কল্পনা আৰু ৰমন্যাসবাদী চিন্তাধাৰাৰে অতি সুন্দৰকৈ সজাই পৰাই তুলিছে। তেখেতৰ মতে মানবী তেজীমলা হৈছে প্ৰকৃতিৰ মধুৰতাৰ প্ৰতীক। নিষ্ঠুৰ পৃথিবীৰ মানুহৰ নিষ্ঠুৰতা আৰু নিষ্পেষণৰ পৰা মুক্ত তেজীমলাই প্ৰকৃতিৰ লগত সৌহাদ্য স্থাপন কৰিছে। প্ৰকৃতিৰ শান্ত সমাহিত আনন্দময় মুক্ত পৰিবেশত তেজীমলাই পৃথিবীৰ মানৱ সমাজৰ কথা পাহৰি পেলাইছে।

"মৰমৰ পানী নোহোৱা ঠাইত
কেনেকৈ বিশ্বাস থয়?
সেই তেজীমলা দুবৰিতে শিপাই
পাৰিজাত হৈয়েই বয়।"

'তেজীমলা' কবিতাটিত চন্দ্ৰকুমাৰৰ সৃজনীশক্তি আৰু কল্পনা ক্ষমতাই আশ্চৰ্য্যজনকভাৱে প্ৰখৰ, উদ্দীপ্ত আৰু মহীয়সী হৈ ধৰা দিছে। মানৱসমাজৰ নিষ্ঠুৰতাত বিদ্ৰোহী হৈ উঠা তেজীমলাক বিদ্ৰোহী কবিৰ অন্তৰ্বিদ্ৰোহ হৈ ধৰা দিছে। গতিকে পাৰিজাতৰূপী তেজীমলাই গোটেই প্ৰকৃতি জগতখনকে আপোনাৰো আপোন কৰি লৈছে। প্ৰকৃতি জগতৰ আৱেষ্টনীত তেজীমলা প্ৰকৃতিৰ লগত অভিন্ন হৃদয়া হৈ উঠিছে। ধুমুহা-বতাহ, খঙ-ৰাগ, বিচাৰ-অবিচাৰ আদিবোৰে তাইক অকণো ভলাব নোৱাৰে। তাই আক্ষেপো নকৰে সখীৰ বাতৰি নাপাই। সেয়ে স্বাৰ্থপৰ প্ৰকৃতিৰ প্ৰতি বিৰক্ত হৈ তাই ঘৃণা ভৰা উক্তিৰে চিঞৰি উঠিছে—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৰকীয়া তই?
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

কল্পনাৰ জগতত বিচৰণ কৰি স্বপ্ন দেখাজন সদায় জীয়াই থাকে। পাৰিজাত — আগৰৱালাৰ কল্পনাৰ ফুল। কেতিয়াও স্পৰ্শ বা সুগন্ধ পাব নোৱাৰা আদৰ্শৰ ই প্ৰতীক মাথোন। মানুহৰ জগতখনৰ স্বাৰ্থপৰতা চেনেহৰ অসাৰতা আৰু প্ৰকৃতিৰ মাজত অন্তৰ্নিহিত শান্ত সমাহিত প্ৰেমৰ সাৰ্থকতা প্ৰতিপন্ন কৰাত কবিতাটো সফল হৈছে।

প্ৰতিমাত প্ৰকাশিত 'বনকুঁৱৰী' হ'ল আগৰৱালাৰ প্ৰকৃতি বিষয়ক এটি বিখ্যাত ৰোমাণ্টিক কবিতা। 'জোনাকী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা এই গীতি কবিতাটিয়েই আধুনিক অসমীয়া কবিতাৰ ওভাৰত্ত কৰে। বিখ্যাত চিত্ৰকৰ "লিঅ'নাৰ্ড-দা-ভিঞ্চি'ৰ অনবদ্য সৃষ্টি 'মনালিছা'ৰ দৰেই 'বনকুঁৱৰী'য়ো হ'ল কবিগৰাকীৰ সৌন্দৰ্য বিলাসী কল্পনাৰ এক প্ৰতিমা। এই 'বনকুঁৱৰী'ৰ অনুভৱত আলফুলীয়া মৰম, মৰম ভৰা আশা, শিহৰিত সৌন্দৰ্য, মৰম সনা অভিমান, পাহৰিব নোৱৰা অতীত, বিনন্দীয়া প্ৰকৃতি আদি সুন্দৰ ভাৱে চিত্ৰিত কৰাত কবিগৰাকী সফল হৈছে। জোনাকত পৰশপাৰ পৰা পোৱা কল্পকাহিনীৰ লগত নিজৰ মৰম বিলাসী মনৰ শক্তি আৰু সত্তা সংমিশ্ৰিত কৰি নতুন মাইথ'লজিৰ সৃষ্টি কৰি হৈছিল।

একুৰি দুটা স্তৱকেৰে পূৰ্ণ কবিতাটিৰ জৰিয়তে সৌন্দৰ্য পিয়াসী কবি গৰাকীয়ে বিনন্দীয়া প্ৰকৃতিৰ শ্যামলিমাৰে এক সপোন পুৰীয়া মায়াজাল সৃষ্টি কৰিছে। ধ'ত মুক্ত বিহংগ, ফুল মলয়া, ৰঙিনী কন্যা, মানৱ শৰীৰ, অজেথা মুখাকৃতিৰ আদিৰ মাজত আমি

হাবু-ডুবু খাওঁ। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কবিতাত সচৰাচৰ প্ৰতিফলিত হোৱা গছ-লতা, ফুল-ফল, চৰাই-চিৰিকতি, ৰ'দ-বৰষুণ, বতাহ-ধুমুহা, যৌবন প্ৰাপ্তি গাভৰুৰ মেলা-চুলি, উঠন বুকু আদিৰ প্ৰতিফলন বনকুঁৱৰী কবিতাত খ্ৰিয়মান। 'দুপৰীয়া' শব্দটোৱেই গহীন, তাতে ই নিজম হ'লে আৰু এই নিজমতাত বনৰ গছ-বিৰিখ আৰু মুক্ত বিহংগবোৰে লুকা-ভাকু খেলি থাকিলে ইয়াৰ নিজমতা অধিক গহীন আৰু গভীৰ হৈ পৰে। কবিতাতোৰ আৰম্ভণিতে পোৱা স্তবকটোৱে কবিগৰাকীৰ সৌন্দৰ্য পিয়াসী মনটোৰ মানবিক সৌন্দৰ্যবোধক এক নান্দনিক পৰ্য্যায়লৈ পৰ্য্যবেসিত কৰিছে।

"নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক
বিজন বনত কোন কত আছে
হালিছে গছৰ আগ।"

আগৰৱালাদেৱৰ সাবলীল পংক্তিবোৰত Wordsworth ৰ 'Lines written in early spring' আদিৰ দৰে প্ৰকৃতি বিজয়ী কবিতাৰ প্ৰভাৱ এৰাব নোৱাৰাকৈ পৰা দেখা যায়। 'বনকুঁৱৰী' কবিতাৰ নিজম-নিতাল দুপৰীয়া গছৰ শীৰ্ষৰ ওপৰেদি বাগৰি অহা সূৰুযৰ ৰশ্মি, মলয়া বতাহে কঁপাই তোলা কেঁচা পাতৰ কঁপনি, বিৰিখৰ ডালে ডালে লুকা-ভাকু খেলা কপৌৰ দুষ্ট চাৱনিত, কুলু কুলু সুৰে গতি কৰা বোৱতি নৈৰ সোঁত এই আটাইবোৰৰ মিতিৰালিয়েও নীৰৱতাক সেও মনাব নোৱৰা এৰাবাৰীৰ গহীন নিৰ্জনতাৰ আধা অঁকা ছবিখনত কবিৰ বৌদ্ধিক কল্পনা প্ৰকট হৈ উঠিছে।

প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যত যদিও কবি বিভূৰ তথাপিও তেওঁ প্ৰেমৰ উন্মাদনাত উথল-মাথল লগোৱাৰ বিপৰীতে উদভ্ৰান্ত হ'বলৈ বাধা নিদিয়াকৈ থকা নাই। কবিৰ ভাষাত —"শান্ত ই মানব মন"। আনন্দত আত্মহাৰা নহৈ কবিয়ে কব বিচাৰিছে যে কবিয়ে প্ৰকৃতিৰ যি সুধাপান কৰিছে তাতকৈ আৰু অধিক সৌন্দৰ্য প্ৰকৃতিৰ বুকুত লুকাই আছে। প্ৰকৃতাৰ্থত বনকুঁৱৰীৰ কল্পনা কাব্যিক অৰ্থত চমৎকাৰ। ইয়াৰ অতি প্ৰাকৃতিক উপাদানৰ চানেকীত অসমীয়া কল্পনাসমূহৰ প্ৰাণদায়িনী শক্তি অভিনৱ ভাৱে বিচাৰি পোৱা যায়। কবিতাটি পঢ়ি, আবৃত্তি কৰি, গীত হিচাপে গাই পাঠকে হৃদয়ৰ গোপন কোণত এক অপাৰ্থিৱ সৌন্দৰ্যত আপ্লুত নোহোৱাকৈ থাকিব নোৱাৰে।

'জলকুঁৱৰী' নামৰ প্ৰকৃতি বিষয়ক কবিতাটিৰ জৰিয়তে কবিগৰাকীয়ে পুৱাৰ সূৰুযে ঢাকো ঢাকো কৰা শেষ নিশাৰ কোনো জলৰাশিত জলকুঁৱৰীৰ প্ৰতিবিম্ব দেখা পাইছে। নিস্তব্ধ ৰাতি চাৰিওকালে নিমাও মাও এক পৰিবেশ, বাঁহনিত চৰাই পাখি পৰিলেও শব্দ শুনা নিস্তব্ধতা — এনে নীৰৱতাৰ সুযোগক আলম্বি হিচাপে লৈয়ে যেন আকাশৰ জিক-মিকোৱা তৰাই ৰূপালী পানীৰ দাপোণতে চাই লাজুক লাজুক ভাৱেৰে হাঁহে, পৰীৰ কলকলনিত সাৰ পাই উঠা পুৱাৰ ৰাঙলী বেলিটোৱে ৰূপালী নদীত উটি-ভাহি অহা

ফুলৰ পাহিবোৰৰ হ'তে কথা পাতিছে। ফুলৰ নাও পদুম কুঁৱৰীৰ কাষে কাষে নাচিব ধৰিছে। এই নাচোনত আপ্লুত হৈ দিগন্তৰীবালা আৰু নাগবালাসকলে শাৰী পাতি পাতি চাপৰি বজাইছে। কিযে এক অপূৰ্ব সৌন্দৰ্য জলকুঁৱৰীৰ ! এই কবিতাটিৰ জৰিয়তে কবিগৰাকীয়ে প্ৰকৃতি জগতৰ সৈতে মানৱ জগতৰ যি মিতিৰালি কৰিব খুজিছে তাত সফল হোৱা যেন লাগে।

উইলিয়াম শ্বেক্সপীয়েৰৰ অন্যান্য ৰচনাবোৰৰ লগতে শেষ নাটক। "The tempest'ত প্ৰকাশ পোৱা মানৱতাবাদৰ ভাৱৰাশি কিদৰে সুন্দৰকৈ ফুটি উঠিছে। ঠিক সেইদৰে আগৰৱালাদেৱৰ 'মানব বন্দনা' নামৰ মানবীয় দৃষ্টিভংগীৰে পৰিপূৰ্ণ কবিতাটিৰ জৰিয়তেও কবি গৰাকীয়ে মানুহক স্বৰ্গতকৈও অধিক উন্নত স্থান আৰু মানত অংকিত কৰিছে। এই কবিতাত কবিয়ে ঈশ্বৰতকৈও অধিক ওপৰত স্থান দিছে মানুহক। সৎ কৰ্মৰ সোঁতত মানবী জীৱনক উটুৱাই দিবলৈ কবিতাটিৰ জৰিয়তে কবিয়ে আহ্বান জনাইছে মানৱ সমাজলৈ। কবিতাটোত সেয়ে কবিয়ে কৈছে—

"মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

কৰ্মময় মনৰ যোগেদিহে যে মানুহে মানুহৰ মহত্ত্ব আৰু প্ৰতিভা প্ৰতিভাত কৰিব পাৰে, মানৱ জীৱনত মানুহৰ হৃদয় প্ৰেম, আন্তৰিক দয়া আদি গুণসমূহৰ উপযুক্ত বিকাশ ঘটাই জীৱনক মধুৰ আৰু সাৰ্থক কৰি তুলিব পাৰিলে এইখন বাবেৰহনীয়া পৃথিৱী স্বৰ্গতকৈও যে অনন্য হ'ব পাৰে তাক কবিয়ে কাব্যিক বৰ্ণনাৰে প্ৰকাশ কৰাত সফল হৈছে যেন লাগে। মানুহৰ গুণ গৰিমা প্ৰকাশ কৰিবৰ বাবে কবিয়ে সেয়ে কৈছে —

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।"

'মই' — ই এটা ব্যক্তিবাদী কবিতা। পশ্চিমীয়া ৰোমান্টিক আদৰ্শৰ ব্যক্তিবাদ এই কবিতাত প্ৰতিফলিত হৈছে। বাটৰ দুৰ্বাৰ বনৰ নিচিনা তেওঁ আছিল নিৰহংকাৰী। কবিৰ ভাষাত —

"কৰো অংগীকাৰ
এৰি আহ্বাৰ
হওঁ সবাতোকৈ সৰু..."

নিজৰ দায়িত্বৰ প্ৰতি সজাগ জন আনৰ দায়িত্বৰ প্ৰতিও সজাগ আৰু সচেতন। ব্যক্তিত্বপূৰ্ণ ব্যক্তি কেৱল আদৰ্শনীয়েই নহয় আদৰণীয়ও।

যি সত্য সি সুন্দৰ, কিন্তু যি সুন্দৰ সি সত্য নহ'বও পাৰে — এনে দাৰ্শনিক মতবাদৰ ভিত্তিতেই 'সত্য তুমি, শিব তুমি, অসীম সুন্দৰ' নামৰ কবিতাটি ৰচনা কৰা যেন লাগে। প্ৰাণৰ ঈশ্বৰ এজনৰ কথা আগবঢ়াই কবিতাটোৰ জৰিয়তে ক'বলৈ গৈছে। তেওঁলোকৰ মতে প্ৰাণৰ ঈশ্বৰ জ্ঞানময় আৰু প্ৰেমময়। তেওঁ সত্য, শিব আৰু অসীম সুন্দৰৰ পৰাকী আৰু পূজাৰী। ভাৰতীয় দৰ্শনৰ ধাৰণা সত্য, শিব, সুন্দৰক কবিতাটিত প্ৰতিফলিত কৰিবলৈ গৈ কবিয়ে আধুনিক মানৱৰ জয়গান গাবলৈ পাহৰা নাই। সেয়ে এই কবিতাটিক পশ্চিমীয়া চিন্তাধাৰা আৰু ভাৰতীয় দৰ্শনৰ সংমিশ্ৰণত সৃষ্টি হোৱা এটা দাৰ্শনিক কবিতাৰ আখ্যা দিব পাৰি।

চন্দ্ৰকুমাৰৰ ২৭ টা কবিতাৰ সমাৰোহ ঘটা 'বীণ ব'ৰাগী'ত 'বীণ-ব'ৰাগী' নামৰ কবিতাটোৱেই প্ৰধান আৰু মূল কবিতা। অসমীয়া ৰোমাণ্টিক কাব্য জগতৰ এই দীঘলীয়া কবিতাটিৰ সুন্দৰ আবেগময়ী প্ৰকাশ ভংগীৰ জৰিয়তে কবিয়ে মানৱ প্ৰেমৰ সৈতে ভগৱৎ প্ৰেমৰ এক নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা পূৰ্ণভাবেই কৰা যেন লাগে। বীণত ঝংকাৰিত হোৱা শব্দই মানুহৰ মনত জগাই তুলিব পৰা পাই হেৰুওৱা বা নেপাই হাহাকাৰ কৰা ভাববোধবোৰক যেনেকৈ কম-বেছি পৰিমাণে প্ৰতিধ্বনিত কৰিব পাৰে ঠিক তেনেকৈ একে নামৰ কবিতাটিয়েও কবিৰ ক্ষত-বিক্ষত হৃদয়ৰ গোপন কোণত সুখৰ সন্ধান, মন আৰু মৰমত লুকাই থকা 'প্ৰেম বীণ' খনিৰ জৰিয়তে মানৱ সভ্যতাৰ দিশে বিয়পাই দিব বিচাৰিছে। কবিতাটিত ব'ৰাগী হ'ল মানুহৰ কলুষিত মনৰ মাজত থকা ঈৰ্ষা — অসূয়া, উচ্চ-নীচ আৰু ধনীৰ ভাৱৰ তেওঁলোক দেখি ব্যথিত হোৱা দৰদী কবি আৰু 'বীণ' হ'ল তেওঁৰ মন আৰু হৃদয়ৰ বীণ। অসমীয়া লোক জীৱনৰ সম্পদ বীণৰ সুৰত ফুটি উঠা কোমলতা আৰু কাৰুণ্যৰ ব্যঞ্জনা কবিতাটিত প্ৰতিফলিত হোৱা দেখা যায়।

সুখ আৰু দুখৰ সমষ্টিয়েই যে জীৱন সেই কথা সুখ ভোগ কৰা লোকসকলে প্ৰায়েই পাহৰি যায়। দৰিদ্ৰ জনৰ হৃদয়ৰ ভাষা তেওঁলোকক বুজাৰ চেষ্টা নকৰে বা বুজিও নুবুজাৰ ভাও ধৰে। সেয়ে কবিয়ে প্ৰাণৰ বীণধ্বনিত মনৰ ভাব প্ৰতিধ্বনিত কৰি বিলাসীৰ মন জয় কৰিব নোৱাৰিলেও হৃদয় স্পৰ্শ কৰাৰ আপ্ৰাণ চেষ্টা কৰিছে

"কাকেই বা কম কোনে পতিয়াব।
শুনিবা প্ৰাণৰ বীণ।
তোমাতে আশ্ৰয় মাগিছো হে দেৱী,
ব'ৰাগী দুখীয়া দীন

সুখৰ সন্ধানত এহাতে যিদৰে কবি ব্যাকুল আনহাতে নিষ্ঠুৰ মানুহৰ শাৰীৰিক আৰু মানসিক নিৰ্য্যাতনত কৰকৰকাই থকা দুৰ্বীয়াৰ দুখবোৰৰ বাবেও কবি সচেতন। কবিৰ মনত ভয়ংকৰ ক্ষোভৰ বিস্ফোৰণ ঘটিছে প্ৰবল ভাবে। এনে বিস্ফোৰণৰ দাবানলত প্ৰকৃতিৰ অৱদান জোন, বেলি, তৰা, পৰ্বত, সাগৰ আটাইকে ধ্বংশ কৰাৰ মানসিকতা কবিৰ মনত জাগ্ৰত হৈছে। যমম চেনেহ দলিয়াই কেবল ঐশ্বৰ্য বিভূতিৰ পিছে নিছে দৌ শি ফুৰা মানুহবোৰৰ ওপৰত পুতৌ জন্মি সেয়ে কবিয়ে কৈছে—

"কুটুমেই বাঢ়ে কুটুমেই বাঢ়ে
কুটুমে কুটুমক খায়,
কুটুমৰ তেজেৰে বত্তি জলায়ে
মজিয়া ভকেভকায়।"

নিৰাশ বাদৰ বস্তুগত পৃথিৱীখনত কবিয়ে কিন্তু মানুহৰ আধ্যাত্মিক পাহৰি যোৱা নাই। আশাবাদী কবিয়ে সেয়ে গোটেই বিশ্বজগত খনত মানবাত্মাৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱা দেখা পাইছে। কবিৰ মতে জগতৰ সকলো সৌন্দৰ্যৰ মূল উপাদান হ'ল 'মানুহ'। মানুহৰ অবিহনে জগতখন ফুল আৰু ফল বিহীন বৃক্ষৰ দৰে। উদাৰ মানৱতাবাদ আৰু পূৰ্বৰ আধ্যাত্মিকতাবাদ ভাবাদৰ্শই 'বীণ ব'ৰাগী'ত এটি মিশ্ৰিত ৰূপ লাভ কৰিছে। একালে আধ্যাত্মিক দৃষ্টিভংগীৰে ভৰা যৌক্তিক চিন্তাধাৰা আৰু আনফালে বৈজ্ঞানিক জাগ্ৰত চেতনা। এহাতে ভাবাক্ৰান্ত কাৰুণ্য আৰু আনহাতে মানৱ মনৰ ওপৰত থকা গভীৰ আস্থা — এই সকলোবোৰ আপাতঃ বিৰোধী কিন্তু অতি সু-সংগঠিত বিশ্ব ভাৱনাই বীণ ব'ৰাগীত সমাবেশৰ সৃষ্টি কৰিছে।

"মানুহেই দেৱ ইহজগতৰ
মানুহেই পৰাৎপৰ।"

বীণ ব'ৰাগীৰ শেষৰ ফালে কবিয়ে পৃথিৱীত মানুহৰ মাজত দেখা দিয়া ঘোৰ কামোনাবোৰক লৈ নৈৰাশ্যবাদত ভোগা যেন ভাব হয়। মানুহৰ জন্ম, সৃষ্টিৰ বাবেহে ধ্বংসৰ বাবে নহয়। সেয়ে মৰণশীল মানুহে জীয়াই থকা দিন কেইটা বিশ্ব ভাতৃত্ববোধেৰে পাৰ কৰাটোহে শ্ৰেয়। মানুহৰ মনত বা হৃদয়ত প্ৰেমৰ থাপনা থাপিত কৰিব পাৰিলে মানবীয় সকলো সুখানুভূতি পাব পাৰি। নিজৰ জীৱন উৰ্চগা কৰি হ'লেও মানৱতাবোধক পাহৰণিৰ গৰ্ভত লীন হ'বলৈ দিয়াটো উচিত নহয়। মানৱ সভ্যতাৰ সৰ্বতো মংগলৰ বাবে মানৱ জীৱন উৰ্চগিত হ'ব লাগে। কবিৰ মতে মানুহে নিজৰ কু-কৰ্মৰাজিৰে এই জগতক নৰকতো পৰিণত কৰিব পাৰে, সুকৰ্মৰ জৰিয়তে স্বৰ্গতকৈও অধিক নান্দনিক কৰিব পাৰে। মানৱ প্ৰেমৰ আকুল আহ্বান ব'ৰাগীৰ বীণ ধ্বনিৰ জৰিয়তে সমগ্ৰ বিশ্বসভ্যতাতে বিয়পি পৰক, বিশ্বৰহস্যৰ পৰম আৰু প্ৰকৃত সত্য প্ৰতিভূত হৈ উঠক তাকেই কামনা কৰি কবিগৰাকীয়ে কবিতাটিৰ সামৰণি মাৰিছে।

সত্য আৰু ন্যায়ৰ বাটেদি মানবাত্মাৰ চৰম বিকাশৰ বাবে কবিৰ অন্তৰত থকা হেপাঁহৰ ফলশ্ৰুতিতেই "আনন্দ তীৰ্থ" আৰু "প্ৰণয়" ক বীণ ব'ৰাগীৰ শাৰীত থব পাৰি।

অৰ্থাৎ 'বীণ ব'ৰাগী'ৰ প্ৰতিধ্বনি 'আনন্দ তীৰ্থ' আৰু 'প্ৰগৰ্জ্জত বিণিকি বিণিকি শুনা যায়। কবিয়ে এই কবিতা ৰাজিৰ জৰিয়তে গোটেই সংস্কাৰ কামী শক্তি স্বৰূপে তেজোদীপ্ত বুদ্ধিতৰ্কৰ বোধক অগ্ৰাধিকাৰ দিছিল আৰু মানব সমাজক যথাৰ্থ সেৱাৰ বিষয়লৈ উন্নীত কৰিব পৰাকৈ দুৰ্বল পৰাৰ্থবাদী দৰ্শনক অধিক শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাত কৃপণালি কৰা নাছিল। আনহাতে, 'বীণ ব'ৰাগী'ত 'প্ৰতিমা'ত সন্নিবিষ্ট কিছু কবিতাৰ প্ৰভাব বিৰাজমান। 'তেজীমলা'ৰ "মানুহ কুটুমে দলিয়াই পেলালে/কাকনো কুটুম পালি"ৰ ভাবৰ প্ৰতিধ্বনিৰ লগত "কুটুমেই ৰাজে কুটুমেই বাঢ়ে/কুটুমে কুটুমক খায়"ৰ সাদৃশ্য দেখা যায়। ঠিক তেনেকৈ 'মানৱ বন্দনা'ৰ "মানুহেই লগ মানুহেই সংগ/মানুহেই পৰাৎপৰ ভাবৰ প্ৰতিধ্বনিৰ লগত "মানুহেই দেৱ ইহজগতৰ / মানুহেই পৰাৎপৰ" সাদৃশ্য দেখা যায়।

বৈবাহিক বন্ধনত তুলনামূলকভাৱে কিছু পলমকৈ ভৰি দিয়া কবিৰ মনত পত্নীয়েই প্ৰেয়সীৰ ৰূপতো অংকিত কৰিছে। জীৱনৰ দলি, জীৱন উচ্চাস, সপোন, সপোন নহয়, শান্তি, অতৃপ্তি এই কবিতালানিৰ আঁৰত আগৰৱালাদেৱৰ কল্পনাবিলাসী মনোজগত আৰু বাস্তৱ জগতৰ সংঘাতে সৃষ্টি কৰা ভাব আৰু অনুভূতিৰ জাগৰণৰ বুৰবুৰণি দেখা যায়। এই ভাব আৰু অনুভূতি তেওঁৰ একান্ত ব্যক্তিগত হোৱাৰ সত্বেও নৈৰ্ব্যক্তিক স্তৰলৈ উন্নীত নোহোৱাকৈ থকা নাই। অকালতে ভগ্নী আৰু কন্যাৰ মৃত্যুৱে অনা অবাঞ্ছিত বিচ্ছেদৰ শোক "যুগমীয়া শোক" আৰু 'বিমুখ' কবিতাৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰিছে এক আন্তৰিক উপলব্ধি আৰু এক আনুভূতিক সংকল্প।

আগৰৱালাদেৱৰ কবিতা তেওঁৰ গভীৰ অনুভৱ আৰু মানৱীয় মূল্যবোধৰ প্ৰকাশ যদিও তেখেতৰ প্ৰায়বোৰ কবিতাতে সৌন্দৰ্য চেতনাৰ আনুভূতিক স্পৰ্শ কমবেছি পৰিমাণে সকলো কবিতাতে পৰিছে, তথাপিও কব পাৰি যে কেৱল সৌন্দৰ্য সৃষ্টি কৰিবৰ বাবেই তেওঁ কবিতা লিখা নাছিল। তেওঁ কবিতা লিখিছিল সূক্ষ্ম অনুভৱৰ হতে সৌন্দৰ্য চেতনাৰ এক নিবিড় আলিংগনৰ বাবেহে। নিয়ৰ, মায়া, সুখগীত, কোন দেশৰ প্ৰাণী ভূমি আদি কবিতাবোৰত সৌন্দৰ্যবোধৰ উপভোগেৰে কবিয়ে সৌন্দৰ্য চেতনাৰ শিহৰণকাৰী স্পৰ্শ অনুভৱ কৰিছে।

আগৰৱালাদেৱৰ কাব্য প্ৰতিভাক সামগ্ৰিকভাৱে বিচাৰ কৰিবলৈ গ'লে দেখা যায় যে 'বীণ-ব'ৰাগী'ৰ কবিতাবোৰতকৈ 'প্ৰতিমা'ৰ মাধুৰী, কিশোৰী, তেজীমলা, জলকুঁৱৰী, নিয়ৰ, প্ৰকৃতি আদি কবিতাসমূহ উৎকৃষ্ট আৰু শ্ৰেষ্ঠ। অৱশ্যে 'বীণ-ব'ৰাগী'ত কবিতাৰাজিৰ কাব্য চেতনাৰ সকলোবোৰ দিশ প্ৰকাশিত হৈছে। 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী'ৰ কাব্যিক সমালোচনাক যিমানেই ধনাত্মক দৃষ্টিৰে বিশ্লেষণ কৰা নহওঁক কিয়, এতিয়ালৈকে কিন্তু চন্দ্ৰকুমাৰ আগৰৱালাৰ সমূহ কবিতাৰ মূল্যায়ন সামগ্ৰিকভাৱে এতিয়াও পূৰ্ণ হোৱা নাই। কাৰণ তেখেতৰ মানৱীয় মূল্যবোধত উদ্ভূদ কবিতামালাৰ প্ৰতিটো মুকুতা হৃদয়ংগম কৰি ভাব হয়—আগৰৱালা কেৱল সমকালৰে নহয়, সৰ্বকালৰ এগৰাকী পূৰ্ণসফল কবি।

# চন্দ্ৰকুমাৰৰ কবিতাত প্ৰকৃতিৰ ৰূপ বৈচিত্ৰ্য

তিলক ঠাকুৰীয়া

অসমীয়া সাহিত্যক ৰোমাণ্টিক ভাৱধাৰাৰ আলোড়ন পাশ্চাত্য ৰোমাণ্টিক আন্দোলনৰ প্ৰভাৱতেই গা কৰি উঠিছিল। মহেশ্বৰ নেওগে কোৱাৰ দৰে অসমীয়া সাহিত্যত 'ৰোমাণ্টিছিজিম' স্বকীয় সৃষ্টি নহয়; পাশ্চাত্যৰ অৱদানহে। সেই সূত্ৰেই অসমীয়া ৰোমাণ্টিক কবিতাত পাশ্চাত্য ৰোমাণ্টিক কবিতাসমূহৰ বৈশিষ্ট্যৰ চাপ পৰিছিল। ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহৰ ভিতৰত প্ৰকৃতি প্ৰেমকো অন্যতম বৈশিষ্ট্য বুলি ধৰা হয়। ইংৰাজী ৰোমাণ্টিক কবি ৱৰ্ডছৱৰ্থ, কলেৰিজ, শেলী, কীটছ্ প্ৰকৃতিৰ কবিতাত প্ৰকৃতিৰ ৰূপ বৈচিত্ৰ্য সৰ্বজনবিদিত। সেইসকল ইংৰাজী ৰোমাণ্টিক কবিয়ে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যসুষমা, প্ৰকৃতিৰ লগত মানৱৰ অন্তৰংগতা, প্ৰকৃতিৰ নৈতিক তথা আধ্যাত্মিক দিশ আদিৰ প্ৰতি আকৃষ্ট হৈ নিজ নিজ কবিতাত সেইবোৰৰ সাৰ্থক প্ৰতিফলন ঘটাইছিল। অসমীয়া ৰোমাণ্টিক কবিতাতো প্ৰকৃতি-প্ৰীতি বিশেষ লক্ষণীয়। উল্লেখযোগ্য যে অসমীয়া সাহিত্যৰ প্ৰাক্ বৈষ্ণৱ আৰু বৈষ্ণৱ কবিসকলৰ ৰচনাতো প্ৰকৃতি চিত্ৰণৰ স্থান আছে। কিন্তু দেখদেখকৈ ৰোমাণ্টিক কবিসকলৰ লগত প্ৰাক্‌বৈষ্ণৱ আৰু বৈষ্ণৱ কবিসকলৰ প্ৰকৃতি চিত্ৰণত পাৰ্থক্য বিৰাজমান। প্ৰাক্‌বৈষ্ণৱ আৰু বৈষ্ণৱ কবিসকলৰ প্ৰকৃতি চিত্ৰণ আছিল গতানুগতিক। বহুক্ষেত্ৰত পটভূমি নিৰ্মাণ, নায়ক-নায়িকাৰ দেহ সুষমা বৰ্ণনাত প্ৰকৃতিৰ পৰা উপমা চয়ন তথা আধ্যাত্মিক উপমা গ্ৰহণতেই প্ৰাক্‌বৈষ্ণৱ আৰু বৈষ্ণৱ কবিসকলৰ প্ৰকৃতি প্ৰেম সীমিত আছিল। আনহাতে ৰোমাণ্টিক "কবিতাত প্ৰকৃতিৰ সৌন্দৰ্য কাব্যিক আনন্দৰ উৎস হ'ল। সিমানেই নহয়, কবিয়ে প্ৰকৃতিৰ লগত ব্যক্তিগত সাহচৰ্য আৰু অন্তৰৰ আত্মীয়তা অনুভৱ কৰিলে। ৱৰ্ডছৱৰ্থৰ দৰে অসমীয়া কবিকো ক্ষুদ্ৰতম পুষ্পই কান্দন্য-গভীৰ চিন্তা প্ৰদান কৰা হ'ল" (মহেশ্বৰ নেওগ; অসমীয়া সাহিত্যৰ ৰূপ ৰেখা; পৃ:২৫৩)।

কোৱাবাহুল্য যে চন্দ্ৰকুমাৰ আগৰৱালাই প্ৰথমটো প্ৰকাশ সাৰ্থক অসমীয়া ৰোমাণ্টিক কবিতা সৃষ্টি কৰাৰ কৃতিত্ব লাভ কৰিছে। 'জোনাকী' প্ৰথম বছৰ প্ৰথম সংখ্যাতে প্ৰকাশ হোৱা 'বনকুঁৱৰী' নামৰ কবিতাটোকে প্ৰথমটো অসমীয়া ৰোমাণ্টিক কবিতা বুলি অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা তথা সমালোচকসকলে স্বীকৃতি দিছে। অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসৰ আঁত ধৰি সেয়েহে চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া ৰোমাণ্টিক ধাৰাৰ প্ৰৱৰ্তক বুলিব পাৰি। অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিতাৰ ধাৰা প্ৰৱৰ্তক চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' আৰু 'বীণ-বৰাগী' দুখন প্ৰকাশিত কাব্যগ্ৰন্থ। সেই কাব্য গ্ৰন্থ দুখনিতে ৰোমাণ্টিক কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ বৈশিষ্ট্যসমূহ ধৰা পৰে। সেই কবিতাপুথি দুখনিৰ কবিতাৰ সামগ্ৰিক বিচাৰত চন্দ্ৰকুমাৰে প্ৰকৃতিক কেনে দৃষ্টিভংগীৰে গ্ৰহণ কৰিছিল তাক বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

ইংৰাজী সাহিত্যত বৰ্ডছৱৰ্থৰ কবিতাত প্ৰকৃতিয়ে বিশেষ স্থান অধিকাৰ কৰিছে। বৰ্ডছৱৰ্থে প্ৰকৃতিৰ বাহ্যিক সৌন্দৰ্যতে মোহিত হোৱা নাই ; প্ৰকৃতিৰ আভ্যন্তৰীণ সৌন্দৰ্যতো আপ্লুত হৈছে। বৰ্ডছৱৰ্থৰ বাবে প্ৰকৃতি নৈতিক তথা আধ্যাত্মিক গুণেৰে মহিমামণ্ডিত আৰু মানব সমাজৰ কলুষতাৰ পৰা মুক্ত-উদাৰ। বৰ্ডছৱৰ্থৰ প্ৰকৃতিৰ প্ৰতি থকা দৃষ্টিভংগীসমূহ চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সম্পূৰ্ণ প্ৰতিফলিত নহ'লেও চন্দ্ৰকুমাৰেও বৰ্ডছৱৰ্থৰ দৰে ভাবে যে প্ৰকৃতি উদাৰ। মানৱ সমাজে হিংসা-দ্বেষ, অসূয়া-অপ্ৰীতি আদি কলুষ কালিমাৰে ভৰপূৰ। আনহাতে কিন্তু প্ৰকৃতি কৰুণাময়ী, প্ৰকৃতি স্নেহময়ী। 'তেজীমলা' কবিতাটোত মাহীমাকে অবলা তেজীমলাক অন্যায়-অত্যাচাৰ কৰি হত্যা কৰিলে। মানুহৰ প্ৰতি মানুহৰ এনে হৃদয়হীনতাত কবি চন্দ্ৰকুমাৰে আক্ষেপ কৰি কৈছে—

"মানুহে মানুহে ইমানহে মৰম
চকুলো পৰে সুঁৱৰি।
মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়।
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই। (তেজীমলা)

প্ৰকৃতি জগতখন কিন্তু মানব সমাজৰ দৰে নিষ্ঠুৰ নহয়। প্ৰকৃতি স্নেহময়ী, উদাৰ। সেয়ে মানুহৰ বিপৰীতে মাধুৰী তেজীমলাক অতি সাদৰেৰে প্ৰকৃতিয়ে আদৰি লৈছে—

বাগতে বাগ তুলি পাৰিজাত ফুলি
তেজীমলা জকমকায়।
চৌপাশে বেৰি মৰমে সাদৰে
পানীৰ লতা বগায়। (তেজীমলা)

মানুহৰ জগতখন তেজীমলাই মৰম সাদৰ নাপালে। গতিকে সেইখন মানব সমাজক তেজীমলাই বিশ্বাস কৰে কোন স'ত্তে? আনহাতে কিন্তু প্ৰকৃতি জগতখনত তেজীমলাই মৰম-সাদৰ পাইছে অফুৰন্ত, লগতে পাইছে নিৰাপত্তা। সেয়েহে তেজীমলাই প্ৰকৃতিৰ লগত মৰমৰ ডোল 'বান্ধিলে নিছিগা কৰি'—

মৰমৰ পানী নোহোৱা ঠাইত
কেনেকৈ বিশ্বাস হয়?
সেয়ে তেজীমলাই দুৰতে পিপাই
পাৰিজাত হৈ বয়। (তেজীমলা)

'বীণ-ব'ৰাগী' নামৰ সুদীৰ্ঘ কবিতাটোত কবি চন্দ্ৰকুমাৰে প্ৰকৃতিক আইৰ লগত তুলনা কৰি কৈছে—

মুকলি আকাশ, মুকলি মুকলি
প্ৰকৃতি আইৰ মুখ। (বীণ-ব'ৰাগী)

'বীণ-ব'ৰাগী'ত মানৱ সমাজৰ কলুষ-কালিমাবোৰ দেখি চন্দ্ৰকুমাৰৰ মনত যি বিকৃচিনাৰ ভাৱ জন্মিছে, তাৰ পৰিৱৰ্তে আই মাতৃৰ দৰে স্নেহময়ী তথা উদাৰমনা প্ৰকৃতিয়ে চন্দ্ৰকুমাৰৰ মনত বহুখিনি আশাৰ সঞ্চাৰ কৰিছে। আই মাতৃ স্বৰূপা প্ৰকৃতি মানৱ হৃদয়ৰ দুখানুভূতিৰ প্ৰতি সজাগ আৰু সহানুভূতিশীল। মানুহৰ দুখ-শোক দেখি প্ৰকৃতি আই তধা লাগে—

তোমাৰ বিননি শুনি থৰ হয়
পশু-পখী গছ-লতা
লুইত উজায়, জোন তধা লাগে
মানুহৰ কিবা কথা। (বীণ-ব'ৰাগী)

প্ৰকৃতিৰ প্ৰতি সৌন্দৰ্য-সন্ধানী দৃষ্টিভংগী কবি, চন্দ্ৰকুমাৰৰ প্ৰকৃতি-প্ৰীতিৰ আন এটা বিশেষত্ব। 'সৌন্দৰ্য-সন্ধান' কবি চন্দ্ৰকুমাৰৰ কাব্যিক চেতনাৰ নিত্য সম্পদ। তেওঁৰ নিজৰ ভাষাতেই 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল!' কবি চন্দ্ৰকুমাৰৰ এই সৌন্দৰ্য সন্ধানী মন প্ৰকৃতিৰ মনোৰম জগতখনলৈও বাগৰিছে আৰু প্ৰকৃতিৰ যি সৌন্দৰ্যই তেওঁক অভিভূত কৰিছে তাকে কবিতাৰ ভাষাত আটক কৰি ৰাখিছে। ইটিয়ে সিটিক বুকুৰ মাজত সুমুৱাই প্ৰাণৰ অফুৰন্ত মৰম যচা কপৌ এহালিৰ প্ৰণয় মধুৰ বৰ্ণনা দি কৈছে—

গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখ দি আছে।
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে। (বনকুঁৱৰী)

একেদৰেই, গছক সাৱতি বগাই যোৱা লতা জোপাৰ লগত হোৱা ঘনিষ্ঠ সম্পৰ্ক আৰু সেই প্ৰণয় মধুৰ ঘনিষ্ঠ সম্পৰ্ক দেখি লাজতে পাতৰ আঁৰত কপৌ চৰাইটিয়ে জুমা-জুমি কৰা দৃশ্য বৰ্ণনা কৰি কৈছে—

নিচুক লতিকা গছক সাৱটি
প্ৰতি অঙ্গে চুমা-চুমি
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমা-জুমি! (বনকুঁৱৰী)

কবি চন্দ্ৰকুমাৰে 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী কবিতা দুটিত প্ৰকৃতিৰ সৌন্দৰ্য ৰূপায়িত কৰিছে অতিপ্ৰাকৃতৰ বহুৱেৰে। অতিপ্ৰাকৃত উপাদানৰ প্ৰতি দুৰ্বলতা ৰোমাণ্টিক কবিতাৰ আন এটা বৈশিষ্ট্য। ইংৰাজী সাহিত্যত কোলেৰিজ আৰু স্কটৰ

কবিতাত অতিপ্ৰাকৃত উপাদানৰ সমাবেশ ঘটিছে। অতিপ্ৰাকৃত উপাদানক যদিও ৰোমাণ্টিক কবিতাত স্থান দিয়া হৈছে, গাৰ নোম শিয়ঁৰি উঠাকৈ অতিবাস্তব কৰি বৰ্ণনা কৰা নাই। "মনত ৰাখিব লগীয়া যে কবিতাত এইবোৰৰ উপস্থাপন ব্যঞ্জনাধৰ্মীহে কৰি তোলা হৈছে" (ৰমন্যাসবাদৰ পটভূমি, পৃঃ ১০৫)। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' আৰু 'জলকুঁৱৰী' কবিতা দুটিত প্ৰকৃতিৰ সৌন্দৰ্য সুষমা চিত্ৰণত অতিপ্ৰাকৃত উপাদানক ব্যঞ্জনাধৰ্মী ৰূপে লোৱা হৈছে বুলিব পাৰি। দুয়োটি কবিতাতে প্ৰকৃতিক একোজনী মুকলিমুৰীয়া ছোৱালী হিচাপে কল্পনা কৰা হৈছে। সেই মুকলিমুৰীয়া ছোৱালী দুজনীৰ ৰাংঢালী স্বভাৱৰ দ্বাৰা প্ৰকৃতিৰ অখণ্ড সৌন্দৰ্য বৰ্ণোৱা হৈছে। কবি চন্দ্ৰকুমাৰে ভাৱে যে প্ৰকৃতিৰ ৰাংঢালী স্বভাৱৰ অন্তৰালত কিবা এটা শক্তি আছে, যিটো মানুহৰ বাবে অজ্ঞেয়। সেয়েহে কবি চন্দ্ৰকুমাৰে কৈছে—

মানুহ লোকৰ নোহে ৰূপ খেল
নজনা বিচিত্ৰ লীলা। (জলকুঁৱৰী)

কবি চন্দ্ৰকুমাৰ প্ৰকৃতিৰ সৌন্দৰ্য সুষমা দেখি আপ্লুত হয় আৰু সেই সৌন্দৰ্যই তেওঁৰ মনত মধুৰ অনুভূতি প্ৰদান কৰে। তাহানিৰ ল'ৰালি কালতে দেখা ফুলা সৰিয়হ ডৰাৰ সৌন্দৰ্যই কবি চন্দ্ৰকুমাৰক মোহিত কৰি ৰাখিছে। বয়সপ্ৰাপ্তিৰ লগে লগে ল'ৰালিতে দেখা সৰিয়হ ডৰাৰ সৌন্দৰ্য অনুভূতি আৰু তীব্ৰ, আৰু গভীৰ হৈ পৰিছে। ল'ৰালি জীৱন মুকলিমুৰীয়া। প্ৰকৃতিৰ গছ-লতা, ফুল-ফল, নৈ-নিজৰাৰ লগত উমলি জামলি ল'ৰালি কালটো অতিবাহিত হয়। কিছু বয়স প্ৰাপ্তিৰ লগে লগে প্ৰকৃতিৰ লগত ল'ৰালিৰ সম্পৰ্ক দুতি আহে। সেয়েহে কবি চন্দ্ৰকুমাৰে 'সংসাৰ চক্ৰৰ ঘানী'ৰ পৰা মুক্তি বিচাৰি ল'ৰালিৰ প্ৰকৃতিৰ লগত মুকলি মুৰীয়া সম্বন্ধ বিচাৰিছে —

দিয়াঁ মোক এৰি, চাওঁগৈ
ফুলা সৰিয়হ ডৰা
সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা
তাহানিৰ সেই সপোন দিনৰ
ল'ৰালি কালৰ পৰা (ফুলা সৰিয়হ ডৰা)

কবি চন্দ্ৰকুমাৰৰ প্ৰকৃতিৰ সৌন্দৰ্য চেতনা মানুহলৈও বাগৰি গৈছে। অৰ্ধবিকশিত ফুল কলিটোৰ যি অপৰূপ সৌন্দৰ্য কবি চন্দ্ৰকুমাৰে দেখা পাইছে, সেই মনোমোহা ৰূপ কল্পনা বিলাসেৰে বাগৰি গৈছে 'ছোৱালী কিশোৰী'লৈও —

"ফুটো ফুটো কৰি কেনে নুমলী কলিটি
সামৰি আধেক, মেলি আধেক প্ৰাণটি,

খন্তেক লুকাই, পুনু ভুমুকনি মাৰি,
লাজ ধেমালিৰ আৰে ছোৱালী কিশোৰী।" (কিশোৰী)

আকৌ, ৰাংঢালী কিশোৰীৰ হাঁহো নাহাঁহো কৈ লাজতে মিচিকিয়াই মৰা হাঁহিটোত কল্পনাপ্ৰৱণ কবি চন্দ্ৰকুমাৰে দেখা পাইছে অৰ্ধেক বিকশিত ফুল কলিটিৰ দৰে মনোমোহা সৌন্দৰ্য—

ফুটোঁ নে নুফুটোঁ কৈ
কুমলীয়া কলিটি
ওঁঠতে লাজেৰে বৈ
মিচিকিয়া হাঁহিটি। (মাধুৰী)

কবি চন্দ্ৰকুমাৰ আগৰবালাই প্ৰকৃতিৰ বস্তুবোৰক প্ৰায়েই কবিতাত প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। 'আকাশ'ক উদাৰতাৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিছিল। ঠিক একেদৰে 'মাধুৰী' ফুলক নাৰীৰ লগত, বট গছক সংসাৰৰ লগত, কাকতী ফৰিঙক ইংৰাজ শাসনৰ ময়মতীয়া কৰ্মচাৰীৰ লগত, মৌ-মাখি প্ৰেমিকৰ লগত আদি প্ৰকৃতিৰ বস্তুক কবি চন্দ্ৰকুমাৰে প্ৰতীকি অৰ্থত ব্যৱহাৰ কৰি কৈছে —

বিকট কলীয়া এন্ধাৰৰ দৈত্য
পলাই মাৰিব ফাঁট
অন্যায় অসত্য অত্যাচাৰেও
ভয়তে এৰিব বাট। (যুৱৰাজ)

—০—

# চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী' ঃ এক সমীক্ষা

মৌচুম বৰুৱা

অষ্টাদশ শতিকাৰ শেষৰ ফালে ইংৰাজী সাহিত্যত যি ৰোমাণ্টিক আন্দোলনৰ সূচনা হৈছিল, সেই আন্দোলনৰ শিহৰণ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা,. হেমচন্দ্ৰ গোস্বামীকে আদি কৰি সেইসময়ৰ কেইজনমান উদীয়মান অসমীয়া যুৱকে অনুভৱ কৰিছিল কলিকতাৰ বৌদ্ধিক আৰু সাংস্কৃতিক বাতাবৰণৰ মাজত। ইয়াৰেই ফচল স্বৰূপে ১৮৮৯ খৃঃত জন্ম হোৱা "জোনাকী" আলোচনীয়ে অসমীয়া পাঠকক সাহিত্যৰ এক অভিনৱ স্বাদ দিয়াই নহয়, অসমীয়া সাহিত্যকো প্ৰদান কৰিলে এক নতুন গতিছন্দ।

অষ্টাদশ শতিকাৰ শেষাৰ্দ্ধত ইংৰাজী সাহিত্যত যি ৰোমাণ্টিক জাগৰণৰ সৃষ্টি হৈছিল, তাত প্ৰভূত অৰিহণা যোগাইছিল ১৭৮৯ খৃঃৰ ফৰাছী বিপ্লৱ তথা সমসাময়িক কিছুমান ৰাজনৈতিক ঘটনাই। এই প্ৰসঙ্গত সমালোচক ডেভিদ ডাইচেচ (David Daiches)- এ কৈছে — "ফৰাছী বিপ্লৱ আৰু ইংলেণ্ডৰ ঔদ্যোগিক বিপ্লৱে দেশখনৰ শাৰীৰিক অৱস্থিতি তথা সামাজিক গাঁথনিকেই সলনি কৰি দিলে .........।"[১] দৰাচলতে, ফৰাচী সমসাময়িক সকলোবোৰ প্ৰাচীন মূল্যবোধক ভাঙি পাশ্চাত্য সমাজক প্ৰদান কৰিছিল কিছুমান নতুন প্ৰমূল্য। ফৰাছী বিপ্লৱে পাশ্চাত্যৰ মানুহক জীৱনক নতুনকৈ চাবলৈ আৰু ব্যাখ্যা কৰিবলৈ উদগনি দিছিল। ইয়াতেই আওজনি লৈ সাহিত্যতো, বিশেষকৈ কবিতাত, চলিল কিছুমান নতুন টেকনিক আৰু বিষয়বস্তুৰ পৰীক্ষা-নিৰীক্ষা। ফলস্বৰূপে আগমন ঘটিল এক নতুন শ্ৰেণীৰ সাহিত্য, যাৰ নামকৰণ কৰা হ'ল ৰোমাণ্টিক সাহিত্যৰূপে। আচলতে, ইংৰাজী ৰোমাণ্টিক আন্দোলনৰ পটভূমি ঐতিহাসিক বিপ্লৱ হিচাবে ফৰাছী বিপ্লৱেই গঠন কৰি দিছিল.....।[২] সেইসময়ৰ জনপ্ৰিয় শ্ৰেষ্ঠ কবিতাবোৰৰ সকলোবোৰেই ৰচনা কৰা হৈছিল ফৰাচী বিপ্লৱ তথা ই দাঙি ধৰা ফৰাছী মতাদৰ্শৰ পৰা উদ্বুদ্ধ মানুহৰ নতুন উদাৰনৈতিক ধাৰণাৰ প্ৰভাৱত।[৩] অৱশ্যে ইংৰাজী কবিতাত অষ্টাদশ শতিকাৰ

---

১। "The French revolution, the developing Industrial revolution in England which changed the physical appearance and the social structure of the country .......
David Daiches : A Critical History of English Literature;Vol. 4; P.860.

২। "The background of English Romantic Movement was furnished by the French Revolution as a historical event...". M.M. Rai Jami : An Inroduction to English Poetry (Romantics and Victorians).; P. 26.

৩। "The major poetry of this period is all written under the influence of the new secular, liberal conception of man and his destiny that had sprung from the French Revolution and the French eighteenth-century thought that had preceded it. Graham Hough : The Romantic Poets; P.7.

মধ্যভাগতেই টেকনিক আৰু বিষয়বস্তুৰ দিশত এনে নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হ’বলৈ ধৰিছিল।[৪] এই নতুন টেকনিক আৰু বিষয়বস্তুত কলিন্‌ছ (Collins), গ্ৰে (Gray), বাৰ্ণছ (Burns), কঁপাৰ (Cowper), ব্লেক (Blake) আদি কবিসকলেই কবিতা লেখিবলৈ আৰম্ভ কৰিছিল যদিও ৱৰ্ডছৱৰ্থ (Wordsworth), আৰু কোলেৰিজ (Coleridge) ৰ যুটীয়া কাব্য সংকলন “লিৰিকেল বেলাডছ” (Lyrical Ballads, 1798) ৰ প্ৰকাশৰ পৰাহে প্ৰকৃত ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ আৰম্ভণি বুলি ধৰা হয়। ইয়াৰ পাছত শ্যেলী (Shelley), কীটছ (Keats), বাইৰণ (Byron) আদি কবিয়ে ৰোমাণ্টিক সাহিত্যক আৰু অধিক মহিমা মণ্ডিত কৰি তোলে।

সি যি নহওক, ইংৰাজী ৰোমাণ্টিক আন্দোলনৰ সূচনাৰ প্ৰায় এশ বছৰৰ পাছত ‘জোনাকী’ৰ মাধ্যমেৰে অসমীয়া সাহিত্যত যি ৰোমাণ্টিকতাই ভুমুকি মাৰিলেহি, সি ইংৰাজী সাহিত্যৰ অনুকৰণতেই ৰচিত হ’লেও সুস্ৰোতাৰে পৃষ্ঠভূমি তথা আন কিছু দিশত পাৰ্থক্য আছে। ইংৰাজী ৰোমাণ্টিক আন্দোলনৰ সূচনা হৈছিল সেইসময়ৰ ড্ৰাইডেন (Dryden), প’প (Pope), ড° জনচন Dr. Johnson) আদিৰ পৃষ্ঠপোষকতাত চলি অহা নব্য-ধ্ৰুপদী (Neo-Classical) বা অগাষ্টান (Augustine) যুগৰ সাহিত্যৰ কঠিন মেজাজ, নিৰস বুদ্ধিমত্তা, কল্পনা আৰু স্বতঃস্ফূৰ্ততাৰ প্ৰতি থকা ঘৃণাৰ বিৰুদ্ধে।[৫] সেয়ে প্ৰখ্যাত সমালোচক লঙ (Long)-এ ৰোমাণ্টিক আন্দোলনৰ প্ৰথম বৈশিষ্ট্য হিচাবে কৈছে —“ৰোমাণ্টিক আন্দোলন নীতি-নিয়মৰ কঠিন বান্ধোনৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিক্ৰিয়া তথা প্ৰতিবাদ হিচাবে চিহ্নিত হৈ আছিল আৰু চিহ্নিত হৈ থাকিবও।”[৬] ওঠৰ শতিকাত কবিতাৰ তত্ত্বত কল্পনাৰ গুৰুত্ব নাছিল। প’প, জনচন আৰু তেওঁলোকৰ কিছু আগৰ ড্ৰাইডেনৰ বাবে ইয়াৰ প্ৰাধান্য তেনেই সামান্য।[৭] কিন্তু ৰোমাণ্টিক নৱজাগৰণে স্বতঃস্ফূৰ্ত কল্পনা প্ৰৱণতাৰে উভতি আহিছিল।[৮] সেইদৰে বিশ্বসাহিত্যৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ কবিসকলে ধ্ৰুপদী যুগৰ সংকীৰ্ণ নগৰকেন্দ্ৰী মনোভাৱ তথা ধৰ্মীয় মনোভাৱৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।[৯] কিন্তু আমাৰ অসমীয়া ৰোমাণ্টিক সাহিত্য ধ্ৰুপদী সাহিত্যৰ

---

৪। David Daiches : A Critical History of English Literature Vol. 4; P. 556.
৫। W.H. Hudson : An Outline History of English Literature; P. 170.
৬। “The Romantic movement was marked and always marked by a strong reaction and protest against the bondage of rule and custom....”.
W.J. Long : English Literature : Its History and Its Significances P. 305.
৭। “In the eighteenth century, imagination was not a cardinal point in poetical theory. For Pope and Tohnson; as for Dryden before then, it has little importance...”. Sir Maurice Bowra :The Romantic Imagination; P. 1.
৮। “The Romantic Revival was an attempt to return to spontaneity in image-finding.” Marjrie Boulton : The Anatomy of Poetry; P. 137
৯। M.M. Rai Jami : An Introduction to English Poetry (Romantics and Victorians); P. 24

বিৰুদ্ধে গা কৰি উঠা নাছিল। বৰঞ্চ আমাৰ ৰোমাণ্টিক সাহিত্যত ধ্ৰুপদী সাহিত্য গভীৰ আধ্যাত্মিক চেতনাৰ প্ৰচুৰ প্ৰভাবহে দেখা যায়। সেইদৰে ৱৰ্ডছৱৰ্থ, শ্যেলী, বাইৰণৰ কাব্যত ফৰাছী বিপ্লৱ আৰু ৰাজনৈতিক চেতনাৰ যি উগ্ৰ-অনুগ্ৰ প্ৰভাৱ দেখা যায়, তেনে ৰাজনৈতিক মনোভাব আমাৰ এই সাহিত্যিক সকলত স্পষ্টকৈ দেখিবলৈ পোৱা নাযায়।[১০] অৱশ্যে এনে দুই এটা পাৰ্থক্যৰ বাদে কল্পনাৰ অসাধাৰণ বিকাশ, প্ৰকৃতি প্ৰীতি, উদাৰনৈতিক মানৱতাবাদ, ৰহস্যবাদ আদি বৈশিষ্ট্যবোৰৰ ক্ষেত্ৰত ইংৰাজী ৰোমাণ্টিক কবিতা আৰু অসমীয়া ৰোমাণ্টিক কবিতাৰ মাজত বিশেষ পাৰ্থক্য নাই।

সি যি কি নহওক, এতিয়া আমাৰ মূল আলোচনাৰ বিষয়লৈ অহা যাওক। 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাৰ মাধ্যমেৰেই অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ উন্মেষ ঘটে বুলি ক'ব পাৰি। 'বনকুঁৱৰী' কবিতাটো প্ৰথম কাহিনীগীত বা মালিতাও।[১১] সংখ্যাগত দিশৰ পৰা চন্দ্ৰকুমাৰৰ কবিতাৰ সংখ্যা তেনেই তাকৰ যদিও গুণগত দিশৰ পৰা ই উচ্চমানৰ। সেয়ে ড° মহেশ্বৰ নেওগৰ মতে- "অসমীয়া কবিতাৰ ৰোমাণ্টিক-ভঙ্গীৰ অনেক বৈশিষ্ট্যতে চন্দ্ৰকুমাৰ মাত্ৰ অগ্ৰেসৰ, এনে নহয়, তাৰ বহুবোৰৰ পূৰ্ণতাও লাভ কৰিছে।[১২] দৰাচলতে, আমি যদি চন্দ্ৰকুমাৰ আগৰৱালাৰ দুয়োখন কাব্য সংকলন, 'প্ৰতিমা' আৰু 'বীণ-ব'ৰাগী'ৰ কবিতাসমূহ সূক্ষ্মভাবে নিৰীক্ষণ কৰো তেতিয়া তেওঁৰ কবিতাত সাতটা প্ৰধান বৈশিষ্ট্য বা ধাৰা পৰিলক্ষিত হয়। প্ৰথমেই, ৰোমাণ্টিক কবি হিচাবে আগৰৱালাৰ কবিতাত প্ৰকৃতিৰ প্ৰতি এক গভীৰ ভাল পোৱা আছে। প্ৰকৃতিৰ বাহ্যিক ৰূপটোৰ প্ৰতি কিন্তু তেওঁ আকৰ্ষিত নহয়। তেওঁ ইয়াৰ অন্তৰালৰ ৰহস্যৰ সন্ধানত মিষ্টিকৰ দৰে সোমাই যায়। দ্বিতীয়তে, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত উদাৰনৈতিক মানৱতাবাদেই প্ৰধান বৈশিষ্ট্য ৰূপে ধৰা দিছে। এই দ্বিতীয় বৈশিষ্ট্যটোৰ লগত সম্পৰ্ক থকা তেওঁৰ কবিতাৰ তৃতীয়টো বিশেষত্ব হ'ল ৰোমাণ্টিক দুখবোধ। তেওঁৰ বহুকেইটা প্ৰধান কবিতাত প্ৰকাশিত এনেবা দুখবোধ ৰোমাণ্টিক দুখবোধ যদিও, ই মানবিক চেতনাৰ পৰা উদ্বুদ্ধ দুখবোধ অৰ্থাৎ মানবিক চেতনাজনিত দুখবোধ। চতুৰ্থতে চন্দ্ৰকুমাৰৰ কবিতাত ভাৰতীয় আধ্যাত্ম দৰ্শনৰ প্ৰচুৰ প্ৰভাব দেখা যায়। পঞ্চমত, সৌন্দৰ্য চেতনা কবিৰ কবিতাৰ আন এটা প্ৰধান বৈশিষ্ট্য। কবিৰ বাবে "সুন্দৰৰ আৰাধনা জীৱনৰ খেল"। ষষ্ঠত, চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ মাজত ইংৰাজ কবি শ্যেলীৰ দৰে এটা বিদ্ৰোহী মন দেখিবলৈ পোৱা যায়। আৰু শেষত, আগৰৱালা ৰোমাণ্টিক কল্পনাবিলাসী কবি যদিও, তেওঁৰ কবিতাত লক্ষ্যণীয়ভাবে

---

১০। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপ ৰেখা ; পৃঃ ২৬২
১১। নন্দ তালুকদাৰ ঃ কবি আৰু কবিতা, পৃঃ ৫
১২। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা; পৃঃ ২৭০

এক বাস্তৱবাদত দৃষ্টিভঙ্গীৰ উমান পোৱা যায়। ইয়াৰ বাদেও তেওঁৰ কবিতাত ৰোমাণ্টিক কবিতাৰ আন কিছুমান সাধাৰণ বৈশিষ্ট্যও দেখা যায় যদিও এই সাতটা ধাৰাই তেওঁৰ কবিতাত প্ৰধানতঃ দেখা যায়। এতিয়া ইয়াৰ আধাৰতেই চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী' কবিতা পুথিখনৰ ওপৰত এপলক দৃষ্টি নিক্ষেপ কৰা যাওক।

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-ব'ৰাগী' মুঠ বাৰটা কবিতাৰ এক অপূৰ্ব সমাহাৰ। "বীণ-ব'ৰাগী"ৰ প্ৰথম কবিতাটো হ'ল 'মহাত্মা'। মহাত্মা গান্ধী ১৯২১ চনত অসমলৈ আহোঁতে কবিৰ ডিব্ৰুগড়ৰ বাসভৱনৰ আলহী হিচাবে আছিল আৰু তেতিয়াই তেওঁ গান্ধীৰ বিশাল ব্যক্তিত্ব তথা আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল আৰু তাৰেই স্বাক্ষৰ এই 'মহাত্মা' কবিতাটো। জাতীয়তাবাদী চন্দ্ৰকুমাৰ কোনো দলীয় ৰাজনীতিৰ ভিতৰত নাছিল যদিও, ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছৰ তালিকাভুক্ত সদস্য নাছিল যদিও, মহাত্মা গান্ধীৰ মোহনমন্ত্ৰত বশীভূত হৈ পৰিল; মহাত্মাৰ জীৱনাদৰ্শকে চন্দ্ৰকুমাৰে সাৰোগত কৰি ল'লে।[১৩] কবিতাটোৰ আৰম্ভণিতেই কবিয়ে গীতাৰ এটা শ্লোক উদ্ধৃত কৰিছে। কবিয়ে কবিতাটোৰ প্ৰথম অংশত নিজকেই দুৰ্বল হৃদয়যুক্ত, শক্তিহীন ভীৰু বুলি অনুভৱ কৰিছে। দৰাচলতে, মহাত্মা গান্ধীৰ মহৎ গুণৰাজিৰ আগত চন্দ্ৰকুমাৰ আগৰৱালাই নিজৰ ক্ষুদ্ৰত্বৰ উমান পাইছে। কিন্তু শেষত তেওঁ কৈছে যে মহাত্মাৰ সান্নিধ্যই তেওঁলৈ কঢ়িয়াই আনিলে নতুন আলোক, যাৰ পৰশত তেওঁৰ হৃদয়ে লাভ কৰিলে এক নতুন জীৱনী শক্তি। সেয়ে কবিতাটোৰ শেষৰ শাৰী দুটাত কবিৰ গান্ধীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু ভক্তিৰ উমান পাব পাৰি—

'নিঃ কিন সেৱক মই নত কৰোঁ শিৰ,
পুণ্যাত্মা মহাত্মা গান্ধী ভক্ত কৰমবীৰ।'

আংগিক গঠনৰ ফালৰ পৰা চাবলৈ গ'লে 'মহাত্মা' কবিতাটো ছেক্সপীয়েৰীয়ান চনেটৰ আৰ্হিত ৰচনা কৰা হৈছে।

'বীণ-ব'ৰাগী' কবিতা পুথিৰ 'বীণ-ব'ৰাগী' কবিতাটো চন্দ্ৰকুমাৰ আগৰৱালাৰ কবি প্ৰতিভাৰ এক অনন্য সাধাৰণ স্বাক্ষৰ। চন্দ্ৰকুমাৰ আগৰৱালাৰ সৃষ্টি প্ৰতিভাৰ মাজেদিয়েই যিদৰে অসমীয়া সাহিত্যত ৰোমাণ্টিচিজমৰ সূচনা হৈছিল; সেইদৰে 'বীণ-ব'ৰাগী' নামৰ নটা ছেদৰ দীঘলীয়া কবিতাটিতে ৰোমাণ্টিক ভাৱধাৰাৰ বহুবৰ্ণময় ৰূপজ্যোতি উদ্ভাসি উঠিছিল।[১৪] ছপা আকাৰত সুদীৰ্ঘ সাতাইশ পৃষ্ঠা জোৰা এই কবিতাটো ৰচনা কালো প্ৰায় সাত বছৰ জোৰা। 'বীণ-ব'ৰাগী'ৰ প্ৰথম পাঁচটা ছেদ চতুৰ্থ বছৰ 'বাঁহী'ত (ফাগুন

---

১৩। অতুলচন্দ্ৰ হাজৰিকা : কৰ্মযোগী চন্দ্ৰকুমাৰ; শশী শৰ্মা (সম্পাঃ), চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা; পৃঃ ১১৫-১৬

১৪। প্ৰহ্লাদ কুমাৰ বৰুৱা : কবিতাৰ সৌৰভ; পৃঃ ৫৩

১৮৩৪-আহাৰ ১৮৩৫ শক) ওলাইছিল যদিও পঞ্চম ছেদৰ পৰা বাকী অংশ দশম বছৰ অষ্টম সংখ্যাৰ পৰাহে (আঘোণ ১৮৪২) ওলাবলৈ ধৰে।[১৫]

'বীণ-ব'ৰাগী'ত কবিৰ চিন্তা জগতৰ প্ৰসাৰ বিশেষভাৱে লক্ষ্যণীয়। কবিতাটোত চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমাণ্টিক কল্পনাজনিত ভিন্ন জীৱন দৃষ্টিৰ অপূৰ্ব সমাহাৰ ঘটিছে। 'বীণ-ব'ৰাগী' কবিতাটোৰ প্ৰায় আটাইকেইটা ছেদতেই আগৰৱালাৰ কবিতাৰ যি প্ৰধান বৈশিষ্ট্য মানৱ-প্ৰীতি, তাৰ গুঞ্জন নিৰৱচ্ছিন্নভাবে অনুৰণিত হৈ আছে। তেওঁৰ 'বীণ-ব'ৰাগী'ত মানৱ-প্ৰেমৰ লক্ষ্যত উপনীত হ'বলৈ শেষত ভগৱৎ-প্ৰেমৰ আশ্ৰয় গ্ৰহণৰ পথ সূচিত হৈছে।[১৬] দৰাচলতে, মানৱমুখীতা ভগৱৎ-মুখীতাৰে অঙ্গ বিশেষ।[১৭] সিযি নহওক, এতিয়া 'বীণ-ব'ৰাগী' কবিতাটোৰ নটা ছেদৰ মাজত চন্দ্ৰকুমাৰ আগৰৱালাৰ ভাবনা জগতৰ বিশালতা আৰু গভীৰতাৰ উমান লোৱা যাওক।

'বীণ-ব'ৰাগী'ৰ প্ৰথম ছেদটোত এক গভীৰ দুখবোধ অনুভৱ হয়। অৱশ্যে এই দুখবোধ ৰোমাণ্টিক দুখবোধ। কবিতাটোত কবিয়ে বীণ-ব'ৰাগীৰ ভূমিকা গ্ৰহণ কৰিছে। বীণখনেই তেওঁৰ একমাত্ৰ সংগী। সেয়ে তেওঁ বীণখনকেই নিজৰ হৃদয়ৰ পুঞ্জিভূত বেদনাখিনি উজাৰি কৈছে —

"শুনিবা প্ৰাণৰ বীণখনি মোৰ
আহিছোঁ ভাগৰে-দুখে,
বেজাৰৰ কথা কৈও অন্ত নাই
মাতও নুফুটে মুখে।
দুখ-ভাগৰৰ অন্ত তোমাতেই
সন্তাপ আঁতৰাই নিয়া,
তোমাতে আশ্ৰয়, তোমাতে নিৰ্ভয়
তোমাতে নিচুক হিয়া।"

কবিতাটোৰ আৰম্ভণিৰ এই অংশটো পঢ়িলে অনুভৱ হয় যেন কবিজনাৰ যি দুখবোধ সি সম্পূৰ্ণ ব্যক্তিগত। কিন্তু ইয়াৰ কেইটামান শাৰীৰ পাছতেই অনুমান কৰিব পৰা যায় যে কবিৰ যি ৰোমাণ্টিক দুখবোধ ই ব্যক্তিগত নহয়, ই মানৱিক চেতনাজনিত দুখবোধ। সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ বেদনা ক্লীষ্ট হৃদয় বাৰ্তা প্ৰকাশ কৰি কবিয়ে কৈছে—

"উঠি হৃদয়ত লীন হয় ক্ষণে
দৰিদ্ৰৰ মনোৰথ।"

---

১৫। মহেশ্বৰ নেওগ : 'বীণ-ব'ৰাগী; শশী শৰ্মা (সম্পাঃ); চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা; পৃঃ ২৩১
১৬। নগেন শইকীয়া : পাতনি; চন্দ্ৰকুমাৰৰ কবিতা সমগ্ৰ; পৃঃ ১২
১৭। নিৰ্মলপ্ৰভা বৰদলৈ : কবিতাৰ কথা; পৃঃ ১৭

কবি গৰাকীয়ে দৰিদ্ৰ শ্ৰেণীৰ বেদনাজৰ্জৰ হৃদয়ানুভূতিৰ আন্তৰিক প্ৰকাশৰ বাবে নিজেই এজন দৰিদ্ৰলৈ ৰূপান্তৰিত হৈ গৈছে—

"কিনো কৈ যাম, কিনো শুনিবা
দুখৰে উপৰি দুখ,
কুকুৰে কামোৰে, ছৱালে দলিয়াই
কতো নিমিলে সুখ।
দুখীয়াৰ কথা কোনেনো শুনিব
শুনিও নুশুনে কেৰে,
পদূলিৰ পৰা খেদিছে পঠায়
বলিয়া বুলিহে হাঁহে।"

এনে এক সময়ত বীণধ্বনেই তেওঁৰ একমাত্ৰ আশ্ৰয়। বীণৰ তন্ত্ৰীতেই বাজি উঠিছে বেদনাবিহ্বল ভগ্ন হৃদয়ৰ সুৰ। কবিজনাই বীণধ্বনিৰ ওচৰতেই দৰিদ্ৰ পীড়াৰ উপশমৰ উপায় বিচাৰিছে—

"কাকেই বা কম, কোনে পতিয়াব?
শুনিবা প্ৰাণৰ বীণ।
তোমাতে আশ্ৰয় মাগিছোঁ হে দেৱী,
ব'ৰাগী দুখীয়া দীন।
মনে মনে কম মনৰ কথাটি
মনৰ গুলি গাঁথা,
তোমাৰ হিয়ালে বৰহে নিজৰি
সন্তাপী হিয়াৰ কথা।"

এইখিনিতেই চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমাণ্টিক অনুভূতি উমান পাব পাৰি। দৰিদ্ৰ পীড়া উপশমৰ বাস্তৱ উপায় নাপাই, শেষত কবিয়ে ৰোমাণ্টিক ভাবনাৰে বীণধ্বনিৰ ওচৰতেই দুখ উপশমৰ ভাবসা কৰিছে। আগৰৱালাৰ এই ৰোমাণ্টিক ভাবালুতাৰ লগত শ্যেলীৰ Ode to the West Wind আৰু কীটছৰ Ode to a Nightingale-ৰ মাজত প্ৰকাশিত অনুভূতিৰ সামঞ্জস্য আছে। Ode to the West Wind-ত শ্যেলীয়ে ধুমুহাৰ ওচৰত আৰু Ode to a Nightingale-ত কীটছে নাইটিংগেল চৰাইটিৰ ওচৰত ৰোমাণ্টিক ভাবালুতাৰে একেধৰণৰ ভাবসা কৰিছে।

মুঠতে, 'বীণ-ব'ৰাগী'ৰ প্ৰথম স্তৱকত কবিগৰাকীয়ে মানবিক চেতনাজনিত এক গভীৰ দুখবোধ অনুভৱ কৰিছে আৰু এই দৰিদ্ৰ পীড়া-উপশমৰ কোনো বাস্তৱিক উপায় নাপাই ৰোমাণ্টিক ভাববাদী চেতনাৰে বীণধ্বনিৰ ওচৰতে আশ্ৰয় ভিক্ষা কৰিছে।

'বীণ-ব'ৰাগী'ৰ দ্বিতীয়টো স্তৱকত আগৰৱালাৰ বাস্তৱিক চেতনা, সমকাল চেতনা

আৰু বিদ্ৰোহী চেতনাৰ এক সমন্বয় ঘটিছে। এই ছেদৰ আৰম্ভণিতেই ব'ৰাগীয়ে সুখৰ সন্ধান কৰিছে, কিন্তু কোনেও তেওঁক সুখৰ সন্ধান দিব নোৱাৰিলে। সুখ সংসাৰৰ সাৰ বুলি জানি তেওঁ গোটেই জগত ইয়াৰ সন্ধানত ফুৰিলে। কিন্তু তাতো বিফল হ'ল —

"সুখ বোলে হেনো সংসাৰৰ সাৰ
ওলালোঁ জোলোঙ লৈ,
সংসাৰখনৰ দুৱাৰে দুৱাৰে
ঘূৰি খেদা খালোঁ গৈ।"

এই কেইটা শাৰীৰ মাজেৰে কবিজনাই অতি বাস্তৱিক দৃষ্টিভঙ্গীৰে জীৱনৰ এটা সত্য উদ্‌ঘাটন কৰিছে যে, জীৱনত আচলতে সুখ লাভ কৰিব নোৱাৰি, লাভ কৰা যায় মাত্ৰ দুখ আৰু বেদনা।

ইয়াৰ পাছত কবিয়ে কৈছে যে যেতিয়া মানুহে ভ্ৰান্তিতে পাৰ্থিব সুখকেই প্ৰকৃত সুখ বুলি গ্ৰহণ কৰে তেতিয়াই মানুহে হৈ পৰে ব্যক্তিকেন্দ্ৰিক আৰু ইয়াৰ পৰিণতিতেই মানুহ হৈ পৰে সুখহীন —

"দেখিলোঁ কেনেনো নৱ-সমাজত
বিষম জঞ্জাল হায়।
মানুহে মানুহে পৰভকৈ পৰ
এনেকুৱা মৰমো নাই।
নিছলা দুখীয়া দেখিলে ঘিনায়
ডাঙৰ ডাঙৰ ভেম,
বলীৰ ভয়ত কোচ মোচ খায়
নিঃ কিনৰ পৰম যম।
ঘৰে ঘৰে চোৰাঁ মিলা-প্ৰীতি নাই
খোলাকটিভেহে প্ৰাণ,
ধন-সোণ সাঁচি ধন ধন কৰি
এৰিলে ধৰম জ্ঞান।"

মানুহ যেতিয়া এনেদৰে পাৰ্থিৱ সুখত মত্ত হৈ থাকে, তেতিয়া দুখীয়া নিচলাতো বাদেই নিজৰ আত্মীয়-স্বজনকো অন্যায়, বিশ্বাসঘাতকতা কৰিবলৈ কুণ্ঠাবোধ নকৰে।

"কুটুমে ৰান্ধে, কুটুমে বাঢ়ে
কুটুমে কুটুমক খান,
কুটুমৰ তেজেৰে মজিয়া জুলাসে
মজিয়া ভকে ভকায়।"

বিত্তবান শ্ৰেণীটোৰ এনে হৃদয়হীন শোষণ-পীড়নৰ বাস্তৱ ছবিখন দাঙি ধৰাৰ পাছত কবিয়ে আমাৰ সমাজৰ তথাকথিত ধৰ্ম গুৰুসকলে ধৰ্মৰ নামত কৰি থকা ভণ্ডামীৰ স্বৰূপ দাঙি ধৰিছে।

"ধৰ্মৰ নামত অধৰ্ম্মৰ বেহা
দেখিলে বিৰাগ হয়,
ধনৰ লোভত পাপ সত্ৰপাতি
কপটী গুৰুৰ জয়।
ভাটৌৰ দৰে আওৰাই শাস্ত্ৰ
ফুৰে গিয়ানী বোলাই,
এজন যে আছে সকলোৰে সাক্ষী
অলপো নকৰে ভয়।"

ঠিক একেদৰে, ইংৰাজী ৰোমাণ্টিক কবিতাৰ প্ৰাক স্তৰৰ কবি উইলিয়াম কলিনছ্ (William Collins) এ "The Human Abstract" নামৰ কবিতাত সমসাময়িক ভণ্ড ধৰ্মযাজক শ্ৰেণীটোৰ তথাকথিত মিছা মানৱতাৰ স্বৰূপটো অতি ব্যঙ্গাত্মক ৰূপত উদঙাই দেখুৱাইছে —

"He sits down with holy fears
And waters the ground with tears;
Then humility takes its root
Underneath his foot."

এইদৰে হৃদয়ানুভূতিহীন ধনীক শ্ৰেণী আৰু ভণ্ড ধৰ্মগুৰুসকলে দৰিদ্ৰ শ্ৰেণীৰ ওপৰত কৰা এনে শোষণ-পীড়নত অস্থিৰ হৈ কবিৰ মনত গঢ় লৈ উঠিল এক প্ৰচণ্ড বিপ্লৱীচেতনা। এই বিপ্লৱী চেতনাতেই উদ্বুদ্ধ হৈ কবিয়ে দ্বিতীয় স্তেৱৰ শেষৰ ফালে কৈছে—

"আঙুলি বুলাব জনা হ'লে আজি
পেলালোঁহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।
আকাশৰ তৰা নমালোঁহেঁতেন
খপিয়াই লাখে লাখে,
জোন বেলি গ্ৰহ পেলালোঁহেঁতেন
দলিয়াই জাকে জাকে।
পাপৰ মজিয়া নিয়ালোঁহেঁতেন
অঠাই সাগৰ তল,

ব্ৰহ্মাণ্ডৰ চিন থাকিলেহেঁতেন
মাথো সমুদ্ৰৰ জল।
মান অপমান টৌৱাই যাওক
পৃথিবীৰ পৰা গুছি।
নতুন সঁষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।"

সমাজৰ উচ্চ-নীচ এই ভেদভাববোৰ নিৰ্মূল কৰি এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ বাবে কবিৰ যি ৰোমাণ্টিক চেতনাজনিত বিপ্লৱী ভাৱনা, এই ভাৱনা শ্যেলীৰ "Ode to the West Wind" কবিতাৰ ভাৱনা ৰাশিৰ লগত একে। এই কবিতাটোত শ্যেলীয়ে কল্পনা কৰিছে যে পছোৱা বতাহৰ দৰে দুৰ্বাৰ শক্তি থকা হ'লে তেওঁ মানৱ জাতিৰ যি দুখ-দুৰ্দশা তাৰ পৰা উদ্ধাৰ কৰিলেহেঁতেন। আমাৰ কবিয়েও শক্তি থকা হ'লে সমাজত বিৰাজমান অন্যায়-অনীতি, বাদ-অপবাদৰ প্ৰতিকাৰ কৰিলেহেঁতেন। অৱশ্যে শ্যেলী আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ যি বিপ্লৱী চেতনাই নিতান্তই ৰোমাণ্টিক ভাৱোচ্ছাসৰ পৰা উদ্বুদ্ধ।

'বীণ-ব'ৰাগী'ৰ এই দ্বিতীয় স্তৱকত কবি আগৰৱালাই দাম্ভি ধৰা ধনীক শ্ৰেণীৰ হৃদয়হীনতা তথা ধৰ্মগুৰুসকলৰ ভণ্ডামিৰ ছবিখন অতি বাস্তৱিক আৰু সমকাল সমাজবীক্ষাজনিত আৰু শেষত সমাজৰ এই অশুভ শক্তি সমূহক নিৰ্মূলৰ বাবে কবিয়ে ৰোমাণ্টিক ভাৱোচ্ছাসজনিত বিপ্লৱ সূচনাৰ কথা কৈছে।

'বীণ-ব'ৰাগী'ৰ কবিতাটোৰ তৃতীয়টো স্তৱকত কবিৰ দৃষ্টিভঙ্গীৰ এক আমূল পৰিবৰ্তন ঘটিছে। কবিতাটোৰ আগৰ স্তৱকটোত বিপ্লৱী ভাৱনাত উজ্জ্বল কবি তৃতীয় স্তৱকৰ আৰম্ভণিৰ পৰাই এক গভীৰ মানৱপ্ৰেমত ডুব গৈছে। ক্ৰমশঃ যেন তেওঁৰ অন্তৰাত্মাই এক প্ৰশান্তি লাভ কৰিছে। মানুহৰ মাজত ভেদ-ভাববোৰ দেখি বিদ্ৰোহী হৈ উঠা কবি মনে এতিয়া শুনিছে শান্তিৰ গুণ গুণনি। কবিয়ে এতিয়া অনুভৱ কৰিছে যে ভালেই হওক বেয়াই হওক মানৱ প্ৰেমেই শ্ৰেয়। কবিৰ মতে ঈশ্বৰতকৈ মানুহেই পূজনীয়।

"দেখিছো পৃথিবী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ,
মানুহেই দেব ইহ জগতৰ
মানুহেই পৰাৎপৰ।
মানুহৰ প্ৰীতি সাধিবলৈ তোৱা
বিশ্ব জগত কল্পনা,
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ
আৰতিৰ ধূপ-ধূনা।

ফুল ফল জল চন্দন ভূষণ
মলয়াৰ শীতলী বা,
মানুহ সন্তোষ হক বুলি চোৱা
আছে যত লাগে যিবা।"

এইদৰেই, কবিতাটোৰ তৃতীয় ছেদত কবিৰ দৃষ্টিভঙ্গীৰ পৰিবৰ্তন হৈছে আৰু মানৱ বন্দনাত আকুল হৈ পৰিছে। শুভই হওক অথবা অশুভই হওক - মানুহৰ প্ৰতি ঘৃণাতকৈ প্ৰেমেই শ্ৰেয়; এই গভীৰ মানৱীয় অনুভূতি তৃতীয় ছেদৰ প্ৰধান উপজীব্য।[১৮]

'বীণ-ব'ৰাগী' কবিতাটোত ক্ৰমান্বয়ে উত্তৰণ ঘটি অহা চন্দ্ৰকুমাৰ আগৰৱালাৰ চিন্তা জগতখনে চতুৰ্থ ছেদত অধিক প্ৰসাৰতা লাভ কৰিছে। ই যেন ক্ৰমশঃ আধ্যাত্মিকতাৰ ফালে গতি কৰিছে। এইখণ্ডৰ আৰম্ভণিতেই কবিয়ে বিশ্বব্ৰহ্মাণ্ডখন নিজৰ উপলব্ধিৰ প্ৰতিবিম্ব বুলি ঠাৱৰ কৰিছে।[১৯]

"মোৰেই জগতখন মোকেই মাতিছে,
গৃহস্থলৈ আলহীৰ আসন পাতিছে।
মোৰেই বচন হৰি মোকে আদৰিছে,
চিৰচিনাকিৰ নকৈ চিনাকি পাতিছে।

সেইদৰে,

"মোৰ দাপোণতে মোৰমুখ দেখুৱাই
মোৰ মুখাকেই পিন্ধি সুন্দৰ বোলায়
মোৰেই সেন্দুৰ তেল মোৰ মূৰতে ঘঁহে,
মোৰ পৰা ধাৰে নিয়া কপেই মোকে মোহে।"

চন্দ্ৰকুমাৰৰ এই ভাবনা ৰাশিৰ লগত কোলেৰিজৰ "Dejection: An Ode" নামৰ কবিতাত প্ৰকাশিত ভাবৰ লগত সামঞ্জস্য আছে। কোলেৰিজৰ মতে, প্ৰকৃতি বা বাহ্যিক জগতৰ যি সৌন্দৰ্য আমি দেখো সি আচলতে আমাৰ মনৰ প্ৰতিফলন।

"O lady! We receive but what we give
And in our life alone does Nature live."

আকৌ, সেই একেটা ছেদৰেই শেষৰ ফালে কৈছে —

"Ah! from the soul itself must issue forth
A light, a glory, a fair luminous cloud
Eveloping the Earth —

---

১৮। প্ৰহ্লাদ কুমাৰ বৰুৱা : কবিতাৰ সৌৰভ; পৃঃ ৫৬

১৯। তাৰিণীকান্ত ভট্টাচাৰ্য্য : চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পাশ্চাত্য প্ৰভাৱ; শশী শৰ্মা (সম্পাঃ), চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা; পৃঃ ১৩৮

And from the soul itself must there be sent
A sweet and potent voice, of its own birth
Off all sweet sounds the life and element!"

প্ৰকৃততে, চন্দ্ৰকুমাৰ আগৰৱালাৰ এনে দৃষ্টিভঙ্গী আমাৰ গীতা দৰ্শনৰ প্ৰভাৱত গঢ়লৈ উঠিছে।

ইয়াৰ পাছত কবিয়ে আমাৰ জীৱনৰ শুভ-অশুভ, সৰলতা আৰু কুটিলতাৰ এক বাস্তৱ তথা আত্মিক উপলব্ধি কৰিছে। আৰু জীৱনৰ এই সত্য উপলব্ধিৰ পাছত কবিয়ে চতুৰ্থ ছেদৰ একেবাৰে শেষৰ শাৰী কেইটাত গভীৰ আধ্যাত্মিক চেতনাৰে জীৱ আৰু জগতৰ এক সম্পৰ্ক প্ৰতিষ্ঠা কৰিছে।

"জগতৰে মোৰ দেখোঁ সমন্ধ অটুট।
চকু মুদিয়েই মাথো অন্ধ অদভুত।।
দিব্য দৃষ্টিৰে চোৱাঁহে জগৎখন,
প্ৰহেলিকা গুচি এয়ে জীৱন ৰঞ্জন।।"

'বীণ-ব'ৰাগী'ৰ এই চতুৰ্থ ছেদত কবি চন্দ্ৰকুমাৰ আগৰৱালাই মানব জীৱনৰ সৰলতা আৰু কুটিলতাক বাস্তৱ দৃষ্টিভঙ্গীৰে উপলব্ধি কৰিছে আৰু ইয়াক এক আধ্যাত্মিক চেতনাৰে প্ৰতিষ্ঠা কৰিব বিচাৰিছে।

'বীণ-ব'ৰাগী'ৰ পঞ্চম ছেদত কবিৰ দৃষ্টিভঙ্গীত পুনৰ এক পৰিবৰ্তন ঘটা দেখা গৈছে। এইবাৰ কবিয়ে মিষ্টিকৰ দৰে জীৱনৰ সত্যানুসন্ধানত আগবাঢ়িছে। ভাৰতীয় দৰ্শনত কোৱাৰ দৰে কবিয়েও কৈছে যে তেওঁ যি সুখৰ সন্ধানত সমগ্ৰ জগত চলাথ কৰিছে, সেই সুখ নিজৰ মাজতেই আছে, কিন্তু মানুহৰ অজ্ঞানতাৰ বাবেই এই বস্তুটোৰ সন্ধান মানুহে নাপায়। কাৰণ সুখৰ কোনো স্থূলাকাৰ নাই; ই এক বিমূৰ্ত ধাৰণা। সুখ পাৰ্থিব ভোগ-বিলাসৰ পৰা নাহে। ইয়াক অনুভূতিৰ দ্বাৰা অনুভৱহে কৰা যায়।

"কঁবকে নোৱাৰোঁ মই
কি বিচাৰিছিলোঁ,
অবাবতে অকলই
কতনো কান্দিলোঁ।
ঘঁৰে সৈতে ল'ৰাৰ দৰে
খেমালি কৰিলোঁ,
ঘঁাকে বিচাৰি গৈ
কত থগ খালোঁ।"

জীৱনৰ এই সত্য উপলব্ধিৰ পাছত কবিয়ে মানৱ জীৱনৰ অসীম সত্বাক অনুধাৱন কৰিছে। জীৱনৰ এই গূঢ় ৰহস্য উদঘাটন কৰি কবিয়ে কৈছে —

"অসীম সাগৰ মোৰ
নাৱেৰেই ভৰা,
মহাসদাগৰ মই
অতীজৰ পৰা।
অনন্ত ভঁৰাল মোৰ
শস্য সাঁচি থওঁ,
অসীমৰ পথাৰত
বীজ সিঁচি দিওঁ।"

এইদৰেই, পঞ্চম ছেদত কবি আগৰৱালাই ৰহস্যবাদী চেতনাৰে জীৱনৰ সত্য আৰু ব্যাপ্তি আবিষ্কাৰ কৰিছে।

'বীণ-ব'ৰাগী'ৰ ষষ্ঠ ছেদত কবি আৰু অধিক অন্তৰ্মুখী হৈ পৰা পৰিলক্ষিত হৈছে। অতি দাৰ্শনিক সুলভতাৰে এই খণ্ডত কবিয়ে মৃত্যুৱেই জীৱনৰ একমাত্ৰ সত্য আৰু ইয়েই মৰ্তৰ মানুহক প্ৰদান কৰে এক পৰম সুখ তাকেই প্ৰতিষ্ঠা কৰিছে। সেয়ে এইবাৰ মহা প্ৰয়াণৰ অভিযান আৰম্ভ কৰিছে। তেওঁৰ মতে এই যাত্ৰাৰ ৰাজপথ হ'ল মানুহৰ হিয়া।

"শুনা হাটকৰা বাটকৰা লোক
প্ৰয়াণৰ যাত্ৰীসব।
হিয়াৰ মাজেদি অনন্ত সুখৰ
পৰি আছে ৰাজবাট,
মনৰ বেহানি কিনি-বিকি লই
ফুৰিম সংসাৰ হাট।"

সেইদৰে, তেওঁ কৈছে যে জীৱনৰ চৰম সত্য হিচাবে মৃত্যুকেই আমি গ্ৰহণ কৰিব লাগিব আৰু ইয়াক গ্ৰহণ কৰিব জানিলে ইয়েই প্ৰদান কৰিব আমাক এক নান্দনিক আনন্দ —

"মহা প্ৰয়াণৰ যাত্ৰী সবাওটি
আমাৰ কিহৰ চিন্তা?
মহান প্ৰাণৰ অধিকাৰী আমি
মুখত আনন্দ গীতা।"

'বীণ-ব'ৰাগী'ৰ ষষ্ঠ ছেদত কবিয়ে মৃত্যু যে জীৱনৰ ধ্ৰুব সত্য, তাক উপলব্ধি কৰিছে। এইটো ছেদত চন্দ্ৰকুমাৰৰ চিন্তাবৃত্তি যে গীতা দৰ্শনে গভীৰ ৰূপত গঢ়ি তুলিছে সেইবাৰ কথা সহজেই অনুমান কৰিব পাৰি।[২০] কবিতাটোৰ এই অংশত কবিৰ ভাবনা বাশিয়ে ভূমিৰ পৰা ভূমিলৈ গতি কৰিছে।

২০। প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ কবিতাৰ সৌৰভ; পৃঃ ৫৯

'বীণ-ব'ৰাগী'ৰ সপ্তম ছেদত কবিয়ে প্ৰথমে মানুহৰ মাজত সুখৰ যি ভ্ৰান্ত ধাৰণা আৰু তাৰ ফলত মানব সমাজত যি অশান্তিয়ে জৰ্জৰ কৰিছে তাক সমালোচনা কৰি নিজকেই পৰমজন অৰ্থাৎ ঈশ্বৰৰ চৰণত আত্মোচৰ্গা কৰিছে।

সপ্তম ছেদৰ আৰম্ভণিতেই কবিয়ে সুখ সম্পৰ্কে মানুহৰ ভ্ৰান্ত ধাৰণাক সমালোচনা কৰি কৈছে —

"সুখ সুখ বুলি জগৎ বলিয়া
হেৰাল পৰম সুখ,
স্বাৰ্থৰ কন্দলে জগৎ জুৰিলে
দুখ যে থাকি গ'ল দুখ।
প্ৰভুৰ কাষলৈ নিনিয়ে যি সুখে
হিয়াৰ যতন মাথো,
হৰণ-ভগন মাত্ৰ লাভ তাৰ
সি দুখ সি আপদৰ হেতু।
খোৱা-কামোৰাকৈ মৰিছে মানুহ
পৃথিবীয়ে ছাৰখাৰ
পশুতো অধম স্বাৰ্থত অন্ধলা
দানৱৰো সাত চাৰ।"

ওপৰৰ স্তৱকৰ পৰা দেখা গ'ল যে কবিৰ মতে পাৰ্থিব সম্পদৰ পৰা লাভ কৰা সুখে ঈশ্বৰ বা পৰমজনৰ কাষলৈ নিব নোৱাৰে। সেয়ে ই অৰ্থহীন। কবিজনাৰ দৃষ্টিভঙ্গী অনুসৰি পৰমজনৰ কাষতহে প্ৰকৃত সুখ লাভ হয়; বাহ্যিক জগতত নহয়। ইয়াৰ প্ৰাপ্তিস্থল মানুহৰ হৃদয়েই।

"প্ৰাণতে আছে প্ৰাণৰ সম্বল
দূৰত বিচাৰি ফুৰোঁ,
ভ্ৰান্তি মোহজাল আঁতৰোৱা প্ৰভু
মোহ-অন্তকাৰী গুৰু।
সুখশ্ৰী প্ৰয়াসী, প্ৰভু প্ৰণামিছোঁ
দিয়া মতি অন্তমুখী,
হিয়াৰ আনন্দ হিয়াতে পাৰলৈ
কৰা নিষ্কলঙ্ক সুখী।
শ্ৰেয়ৰ গৰাকী প্ৰভুৰ সেৱক
প্ৰয়াণৰ যাত্ৰী আমি,
নিঃকিনৰ ধন জগৎ ৰঞ্জন
প্ৰণামো জগৎস্বামী।

এইদৰেই, 'বীণ-ব'ৰাগী'ৰ সপ্তম স্তোত কবিয়ে পৰমজনৰ ওচৰত প্ৰকৃত সুখ আবিষ্কাৰ কৰিছে আৰু পৰমজনৰ ওচৰতে নিজকে সমৰ্পণ কৰিছে।

'বীণ-ব'ৰাগী'ৰ অষ্টম স্তোত কবি আগৰৱালা আৰু অধিক অন্তৰ্মুখী হৈ আত্মা আৰু পৰমাত্মাৰ তত্ত্ব ব্যাখ্যাত মনোনিবেশ কৰিছে। ইংৰাজী ৰোমাণ্টিক কবিতাতো অন্তৰ্দৃষ্টি (Introspection) ৰ ওপৰত গুৰুত্ব আৰোপ কৰা আছে।[21] এনে অন্তৰ্দৃষ্টি সম্পন্ন দৃষ্টিভঙ্গীৰে কবিয়ে কৈছে —

"সুষুপ্ত আত্মাৰ সুপ্ত শকতি
জগাই মাথোন তোলা,
আত্মাৰ বলেৰে বলীয়ান হই
বিজুলী সঞ্চাৰে দোলা।
জড় জগতৰ চেতন নিয়ন্তা
ৰথৰ সাৰথি তুমি,
তোমাৰ আদেশে অপেক্ষাত আছে
শিৰেৰে নমিছে ভূমি।"

ইংৰাজ কবি ৱৰ্ডছৱৰ্থেও তেওঁৰ প্ৰখ্যাত "Lines Written a Few Miles Above Tintern Abbey" কবিতাত বিশ্ব ব্ৰহ্মাণ্ডৰ পৰিচালনাৰ অন্তৰালত এক মহৎ সাৰ্বিক শক্তিৰ কথা উল্লেখ কৰি গৈছে—

".................And I have felt
A presence that disturbs me with the joy
Of elevoted thoughts; a sense sublime
Of something for more deeply interfused,
Whose dwelling is the light of setting sun,
And the round ocean and the living air,
And the blue sky, and in the mind of man,
A motion and a spirit, that impels
All the thinking things,.............................."

সেইদৰে, এই স্তোতৰ শেষৰফালে ভাৰতীয় আধ্যাত্ম দৰ্শনৰ পৰা উদ্বুদ্ধ কবিৰ জীৱন দৰ্শনৰ পৰা কোৱা হৈছে —

"অন্তৰৰ চকু মেলা মোৰ বন্ধু
নিত্য-সৃষ্টিৰে ভুৱা,
তৱ আলোকত তৱ প্ৰতিবিম্ব
বাহিৰ-ভিতৰ জোৱা।"

---

২১। তাৰিণীকান্ত ভট্টাচাৰ্য্য : চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত পাশ্চাত্য প্ৰভাৱ, শশী শৰ্মা (সম্পাঃ); চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা; পৃঃ ১৩১

ওপৰৰ স্তবকত কবিয়ে কৈছে যে চৰ্ম চক্ষুৰে নহয়; হৃদয়ৰ চক্ষুৰে আত্মদৰ্শনৰ দ্বাৰাহে পৰমাত্মাৰ সন্ধান পাব পাৰি।

মুঠতে এইটো ছেদত কবিয়ে শুদ্ধ চিত্তৰে নিজৰ আত্মাক উপলব্ধি কৰিব পাৰিলেহে পৰমাত্মাক অনুধাৱন কৰিব পাৰি বুলি হৃদয়ঙ্গম কৰিছে। ভাৰতীয় গভীৰ আধ্যাত্মিক তত্ত্বকথাৰে জীৱন আৰু পৰমাত্মাৰ সম্পৰ্ক স্থাপন কৰাই অষ্টম খণ্ডৰ মূল উপজীব্য।

'বীণ-ব'ৰাগী'ৰ নৱম তথা অন্তিম ছেদৰ আৰম্ভণিতে কবিয়ে অষ্টম ছেদৰ শেষত আত্মা আৰু পৰমাত্মাৰ তত্ত্ব ব্যাখ্যা কৰি যিখিনি কথা উল্লেখ কৰিছে তাৰেই পুনৰাবৃত্তি কৰিছে —

"দিব্য দৃষ্টিৰে ফুৰাঁ মোৰ বন্ধু
অনন্ত দাপোন মেলাঁ
দিগন্ত প্ৰসাৰী আকাশী নেত্ৰেৰে
চোৰাঁচো সৃষ্টিৰ খেলা।"

এই স্তবকত কবিৰ সসীম সত্বা অসীমৰ লগত বিলীন হৈ যাব বিচাৰিছে। কবিৰ এই মানসিকতা ভাৰতীয় দৰ্শনৰো মুল উপজীব্য। সেইদৰে কবিতাটোৰ শেষ শাৰীকেইটাত কবিৰ মাজত এক আশাবাদ জাগি উঠা পৰিলক্ষিত হৈছে। নিঃসন্দেহে এই আশাবাদ ৰোমাণ্টিক চেতনাজনিত আশাবাদ।

"মোৰ মুখেদি মানব প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হ'ক প্ৰতিভাত।"

উক্ত শাৰীকেইটাৰ মাজেৰে প্ৰকাশিত কবিৰ আশাবাদ, শ্বেলীৰ "Ode to the West Wind" ৰ শেষৰ দুটা শাৰীত থকা প্ৰবল আশাবাদৰ দৰে নহ'লেও, হাৰ্ডিৰ "The Darkling Thursh" ৰ মাজত প্ৰকাশিত আশাবাদৰ লগত মিল আছে।

মুঠতে 'বীণ-ব'ৰাগী'ৰ এই শেষৰ ছেদত কবিয়ে কৈছে যে পাৰ্থিৱ সুখ জীৱনৰ সত্য নহয়। সত্য হৈছে পাৰ্থিৱ সুখতকৈ উৰ্দ্ধত থকা নান্দনিক সুখহে। যিটো কেৱল মাত্ৰ আনুভূতিকহে।

সি যিকি নহওক 'বীণ-ব'ৰাগী' কবিতাটোৰ এই সামগ্ৰিক আলোচনাৰ পৰা দেখা গ'ল যে ভাবনা ৰাশি তথা কথনভঙ্গী ৰোমাণ্টিক যদিও কবিয়ে জীৱনৰ এক বাস্তৱ সত্য আবিষ্কাৰ কৰিছে। কবিতাটোৰ যি পৰিণতিমুখী অগ্ৰগতি তাক আমি পাঁচটা স্তৰত ভগাব পাৰো। কবিতাটোৰ প্ৰথমেই আছে এক ৰোমাণ্টিক সুখানুভূতি; তাৰ পাছত আছে সমকাল সমাজবীক্ষা; তৃতীয় স্তৰত পোৱা যায় সৰ্বজনীন মানবিক চেতনা, চতুৰ্থ পৰ্যায়ত

আছে আধ্যাত্মিক চেতনাজনিত জীৱনৰ সত্যানুসন্ধান, আৰু অন্তিম স্তৱক পোৱা যায় জীৱনৰ সত্য আৱিষ্কাৰ আৰু এক বিমল প্ৰশান্তি লাভ। কবিতাটোৰ দ্বিতীয় স্তৱকত দেখা পোৱা সমকাল সমাজবীক্ষাজনিত বিপ্লৱী চেতনাৰ মাজতেই কবি আগৰৱালাৰ বাস্তৱবাদী দৃষ্টিভংগীৰ উমান পাব পাৰি। সন্দেহ নাই যে, 'বীণ-বৰাগী' কবিতাৰ ভাৱমণ্ডল ৰোমাণ্টিক ভাবাবেগ প্ৰধান; কিন্তু সিয়ে হ'লেও এই ৰোমাণ্টিক ভাবানুভূতিৰ আঁৰত অন্তঃস্ৰোতা স্বৰূপে বাস্তৱবাদী দৃষ্টিভংগী এটায়ো ক্ষীণ গতিত প্ৰবাহিত হৈ আছে।[২২] মুঠতে 'বীণ-বৰাগী'ত চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমাণ্টিক চেতনাজনিত ভাববাদ আৰু বাস্তৱবাদৰ এক সুষম সমন্বয় ঘটিছে। সেয়ে সমালোচক ড° মহেশ্বৰ নেওগৰ মতে — "এয়া ভাববাদী আদৰ্শবাদী কবিতা।"[২৩]

'বীণ-বৰাগী' কবিতাপুথিৰ তৃতীয় কবিতাটো হ'ল "আনন্দ তীৰ্থ"। 'বীণ-বৰাগী'ৰ ভাববস্তুৰ লগত এই কবিতাটোৰ ভাববস্তুৰ বহুখিনি সামঞ্জস্য আছে। বিশেষকৈ 'বীণ-বৰাগী'ৰ ষষ্ঠ স্তৱকৰ লগত ভাববস্তুৰ সম্পূৰ্ণ মিল আছে। এনে কাৰণতে এই কবিতাটো 'বীণ-বৰাগী'ৰ শেষ অংশ হোৱাহে উচিত আছিল।[২৪] 'আনন্দ তীৰ্থ'টো কবিয়ে ভাৰতীয় আধ্যাত্মবাদী দৰ্শন অনুসৰি মৃত্যুকেই জীৱনৰ চৰম সত্য বুলি প্ৰতিষ্ঠা কৰিছে আৰু ইয়াতেই যে শান্তিৰ একমাত্ৰ নীড়টো আছে তাক হৃদয়ংগম কৰিছে—

"হিয়াৰ মাজেদি অনন্তৰ পথ
যাত্ৰী আমি আগবাঢ়োঁ,
আনন্দৰ-তীৰ্থ সবাতো উত্তম
উদ্দেশ্যত খোজ কাঢ়োঁ।
লগে-ভাগে যাওঁ আমি যাত্ৰী সব
একে বাটৰ বাটৰুৱা,
সকলো বাটেই বুলি গৈ গৈ
একেটি তীৰ্থতে যোৱা।"

কবিৰ মতে মৃত্যুতেই মানুহে শান্তি লাভ কৰে; কাৰণ মৃত্যুৰ লগে লগেই মানুহৰ মনৰ কলুষতাবোৰ আঁতৰি যায়।

"আঁহা কোন যাবা দিগন্তৰ শেষ
আহ্য শুধ আশা লৈ,

২২। প্ৰফুল্ল কুমাৰ বৰুৱা : কবিতাৰ সৌৰভ, পৃ ৬১
২৩। মহেশ্বৰ নেওগ : 'বীণ-বৰাগী', শশী শৰ্মা (সম্পাঃ), চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা, পৃ ২৩৩
২৪। ত্ৰৈলোক্যনাথ গোস্বামী : চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা আৰু তেওঁৰ কাব্যিক আবেদন, শশী শৰ্মা (সম্পাঃ), চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা, পৃ ১৫৩

অন্তৰ বাসনা মন মলিয়ন
দলিয়াই পেলাই থৈ।"

কবিতা সংকলনটোৰ পৰৱৰ্তী কবিতা 'প্ৰপঞ্চ' নামটোৱেই এটা প্ৰতীকী অৰ্থদ্যুতনা বহন কৰি আছে। কবিৰ মতে, প্ৰপঞ্চ বা মায়াৰ বাবেই মানুহে অসীম সত্তা বা ব্ৰহ্মক অনুভৱ কৰিব নোৱাৰে।

"কণিকাৰ শতধাৰে
জ্যোতিৰ বিকাশ,
বিয়পিলে নিৰবধি
বিস্তীৰ্ণ আকাশ।
জুৰি দাপোনত নিজ
দেখে প্ৰতিবিম্ব,
অনন্তক মানে ক্ষুদ্ৰ
-নিজে পৰিসীম।"

সেয়ে বেলি, বৰুণ, দিন, ৰাতি, সপ্ত বৰ্ণ আদি সকলোৱেই নিজকেই মহৎ বুলি ভাবিছে। কিন্তু পাছত অসীম সত্বাক অনুভৱ কৰি দিন, ৰাতিয়ে কৈছে—

"দিন-ৰাতি — হে দেব! হে কৰ্ম্ম-কৰ্ত্তা!
তোমাৰেই প্ৰতিবিম্ব,
আমি মাথো বহি আছোঁ
তোমাৰেই অক্ষয় নিয়ম।"

মুঠতে, 'প্ৰপঞ্চ'ত 'বীণ-ব'ৰাগী'ৰ মাজত ফুটি উঠা চন্দ্ৰকুমাৰৰ জীৱন দৰ্শনেই ভুমুকি মাৰিছেহি।

'সেৱা-লহৰী' নামৰ ল'ৰা-ছোৱালীৰ গানটোত কবিৰ ৰোমাণ্টিক চেতনাজনিত আধ্যাত্মিক চেতনা তথা মানৱিক চেতনাৰ উমান পাব পাৰি। সেইদৰে গান্ধীৰ সেৱাৰ আদৰ্শৰে প্ৰভাৱ কবিতাটোত আছে। মহাত্মা গান্ধীৰ মানৱ-সেৱাৰ মন্ত্ৰত উদ্বুদ্ধ হৈ চন্দ্ৰকুমাৰে দেশৰ ল'ৰা-ছোৱালীবোৰক কেনে ধৰণে সেৱাৰ আদৰ্শত গঢ়ি তুলিব লাগিব তাৰো সপোন নেদেখাকৈ নাছিল। ল'ৰা-ছোৱালীৰ গান বুলি সেৱা-লহৰী শিতানত লিখা ল'ৰা-ছোৱালীৰ গীতি-ৰচনৰ কবিতাটিয়ে তাৰ সাক্ষী।[২৫]

'পশুবল' নামৰ কবিতাটোত বৃটিছ শাসনত প্ৰতলীয়া কৰ্মচাৰীবোৰক সমালোচনা কৰি কবিয়ে কৈছে—

---

২৫। অতুল চন্দ্ৰ বৰুৱা : চন্দ্ৰকুমাৰৰ কবিতাৰ অন্তৰালত. শশী শৰ্মা (সম্পাঃ), চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা, পৃঃ ১৭৮

"কাকতি কৰিং সৰ্জিলা অলেখ
অসন্তোষী সবৰগ্ৰাহী,
নগৰ সজৰ ভাই-ভনীবোৰ
অঠাইত কুৰিছে ভাহি।"

এইটো কবিতাটো চন্দ্ৰকুমাৰ আগৰৱালাই পুনৰ আধ্যাত্মিক চেতনাৰে কৈছে যে ধন বলে মানুহক সুখ দিব নোৱাৰে; প্ৰকৃত সুখ পোৱা যায় পৰমজনৰ ওচৰত। কিন্তু বৃটিছৰ আমোলত সহজে ধন আহৰণৰ উপায় পাই মানুহে যেন ইয়াক পাহৰি পেলাইছে —

"মানুহৰ প্ৰাণ ঈশ্বৰৰ দান
আদৰিব নেজানিলে,
খোলাকটিকেই সাৰোগত কৰি
বুকুৰে বান্ধ বুলিলা।
স্বাৰ্থত বাজে নুবুজা একো
পৰাকী নিচিনা হ'লা
মহান স্বাৰ্থলৈ কৰি আওকাণ
ধৰ্মক উটাই দিলা।"

সেইদৰে 'আৰু কিয়?', 'যাত্ৰা', 'আত্মদান', 'নটিঘটি' আদি কবিতাতো চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰোমাণ্টিক চেতনাজনিত জীৱনৰ সত্যানুসন্ধান, আধ্যাত্মিক চেতনা তথা মানবীয় চেতনাৰ উমান পাব পাৰি। আকৌ 'নতুন বছৰ' নামৰ চাৰি শাৰীৰ কবিতাটো এক প্ৰবল আশাবাদী কবিতা। নতুন বছৰৰ আগমনৰ লগে লগে প্ৰকৃতি জগতখন যেন আনন্দত উত্ৰাৱল হৈ পৰিছে।

"ভৱিষ্যৰ এপিঠি মুকলি
আজি হ'ল তোমাৰ আগত
নদী-বন, পৰ্বত-আকাশে
আশাৰ বাতৰি প্ৰচাৰিত।"

সি যি নহওঁক 'বীণ-ব'ৰাগী' কবিতা পুথিখনৰ এই সংক্ষিপ্ত আলোচনাৰ পৰা দেখা গ'ল যে চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য মানৱতাবাদী চেতনা 'বীণ-ব'ৰাগী'ৰ প্ৰায়কেইটা কবিতাতেই আছে। কিন্তু এই মানৱতাবাদী চেতনা প্ৰকাশ হৈছে আমাৰ ভাৰতীয় গীতা দৰ্শনৰ গভীৰ তত্ত্বৰ মাজেদি। সেইদৰে "বীণ-ব'ৰাগী'ৰ কেইবাটা কবিতাৰ মাজত কবিজনাৰ বাস্তৱবাদী দৃষ্টিভঙ্গী এটা পৰিলক্ষিত হৈছে। মুঠতে চন্দ্ৰকুমাৰ আগৰৱালাৰ "বীণ-ব'ৰাগী", ৰোমাণ্টিক চেতনা জনিত ভাববাদী দৃষ্টিভঙ্গী আৰু সমকাল চেতনাজনিত বাস্তৱিক দৃষ্টিভঙ্গীৰ সমন্বয়েৰে এক অনন্য সাধাৰণ কাব্যগ্ৰন্থ।